● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



জীৱনত এনে এটি মুহূৰ্ত আহে যেতিয়া সিদ্ধান্ত ল'ব লগা হয় যে আপুনি অন্যায়ৰ বিৰুদ্ধে নীৰৱে থাকিব নে মুৰ দাঙি থিয় দিব।

মালালা ইউছুফজাই
*ন'বেল জয়ী সক্ৰিয় কৰ্মী*

www.dainikagradoot.in
৭ গ্ৰহ-জগতৰ জন্ম-বিকাশ
১৫ চেম্পিয়ন মানচেষ্টাৰ চিটীৰ জয়যাত্ৰা
৪ দেশত এতিয়া মানৱতাৰ দুৰ্ভিক্ষ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২১৫তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১ জেঠ ১৪২৮ ভাস্কৰাব্দ ১৬ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 16 May 2021 মূল্য ঃ ৭.০০ টকা

## ■ তিনিমাহৰ সামৰিক অভিযান স্থগিত ঘোষণা পৰেশ বৰুৱাৰ ■ মূলসুঁতিলৈ অহাৰ প্ৰস্তুতি বুলিয়ে চৰ্চা ■ সহযোগ লাগিব ঃ মুখ্যমন্ত্ৰী

# যুদ্ধবিৰতি আলফা (স্বা)ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ মে' ঃ** অপহৰণ-বিস্ফোৰণ আদিৰে শেহতীয়াকৈ সক্ৰিয়তা প্ৰদৰ্শনৰ চেষ্টা চলোৱা আলফা (স্বাধীন)ই আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ আকস্মিকভাৱে তিনিমাহৰ বাবে সামৰিক অভিযান স্থগিত ৰখাৰ কথা ঘোষণা কৰে। সম্পূৰ্ণ একপক্ষীয়ভাৱে এই ঘোষণা কৰা বুলিও সংগঠনটোৰ উপ-সভাপতি আৰু সেনাধ্যক্ষ পৰেশ অসমে আজি এক বিবৃতিত সদৰী কৰে। ইয়াৰ কাৰণ দাঙি ধৰি বৰুৱাই প্ৰকাশ কৰে যে কৰ'নাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অৱশ্যে সংগঠনটোৰ এনে সিদ্ধান্তক লৈ বিভিন্ন চৰ্চা চলিছে। কিয়নো শেহতীয়াকৈ সংগঠনটোৱে একাধিক অপহৰণৰ ঘটনা সংঘটিত কৰে।



**ম্যানমাৰত সুস্থ-সুৰক্ষিত হৈ আছে ৰিতুল শইকীয়া ঃ ক'লে ড° শৰ্মাই**

আঠ পৃষ্ঠাত চাওক

## প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পযেকীয়া কলম**

(১) নতুন চৰকাৰ



যোৱা পযেকৰ পাছত ভাজপাৰে নতুন চৰকাৰ গঠন হয় আৰু প্ৰায় এসপ্তাহ জোৱা অনিশ্চয়তাৰ অন্তত ড° হিমন্ত বিশ্ব শৰ্মা ভাজপা বিধায়িনী দলৰ নেতাৰূপে নিৰ্বাচিত হৈ ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰে। কোনো বিসম্বাদ নাছিল, সোণোৱালৰ স্থিত অৱস্থা বাহাল ৰখাৰ বাবে বিশেষ প্ৰচেষ্টা নাছিল—অন্ততঃ ৰাইজৰ আগত আৰু বেছ প্ৰীতি শুভেচ্ছাৰ মাজেৰেই চৰকাৰ পৰিৱৰ্তন হয় আৰু পৰৱৰ্তী আঠ পৃষ্ঠাত চাওক

# আজিৰ পৰা দুপৰীয়া ১২ৰ পৰা পুৱা পাঁচ বজালৈ সান্ধ্য আইন

**নগৰ-চহৰ অঞ্চলৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধলৈ সান্ধ্য আইনৰ সময় ১৭ ঘণ্টালৈ বৃদ্ধি ■ ১১ বজাত বন্ধ হ'ব ব্যৱসায়িক প্ৰতিষ্ঠান ■ ন বজাতে খুলিব সুৰাৰ বিপণী**



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ মে' ঃ** ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে সৰ্বাত্মক তলাবন্ধৰ পৰিৱৰ্তে কাইলৈৰ পৰা ৰাজ্যত সান্ধ্য আইনৰ সময়সীমা ১৭ ঘণ্টালৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে পৌৰ নিগম, পৌৰসভা আৰু নগৰ সমিতিৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধতে এই বৰ্ধিত সময়ৰ সান্ধ্য আইন কাৰ্যকৰী হ'ব। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন বৈঠকৰ অন্তত মুখ্য সচিব জিষ্ণু বৰুৱাই জাৰি কৰা নিৰ্দেশনাত আঠ পৃষ্ঠাত চাওক

## ■ দুই দুৰ্বৃত্তই শূন্য দূৰত্বৰ পৰা চলালে গুলি ■ আততায়ীয়ে কাঢ়ি নিয়া মটৰ চাইকেল ডিমাপুৰত উদ্ধাৰ ■ ৰক্ষা পৰিল সংগী যুৱতী

# দিন-দুপৰতে ডিফু-ধনশিৰি পথত যুৱ ব্যৱসায়ীক গুলীয়াই হত্যা



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিফু/বকলীয়াঘাট/ডংকামোকাম, ১৫ মে' ঃ** কাৰ্বি আংলঙৰ ডিফু-ধনশিৰি পথত আজি দিন দুপৰতে সংঘটিত হ'ল এক হত্যাকাণ্ড। উক্ত পথৰ হাতীকেম্প অঞ্চলত মটৰ চাইকেলত অহা দুই দুৰ্বৃত্তই এজন যুৱ ব্যৱসায়ীক শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰে। লগতে ব্যৱসায়ীজনৰ মটৰ চাইকেলখনো দুৰ্বৃত্তই কাঢ়ি নিয়ে যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাই ১০ পৃষ্ঠাত চাওক

## দ্ৰুত চৰিত্ৰ সলনি কৰ'না ভাইৰাছৰ

টিকাকৰণৰ পাছতো মানিব লাগিব স্বাস্থ্য বিধি ঃ এইমছৰ মুৰব্বী

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৫ মে' ঃ** 'ক'ভিড প্ৰতিষেধকৰ দুপালি গ্ৰহণ কৰাসকলেও স্বাস্থ্য বিধি সমানে মানি চলিব লাগিব। মাস্ক পৰিধান কৰিব লাগিব আৰু দূৰত্ব বিধি মানি চলিব লাগিব। দ্ৰুত চৰিত্ৰ সলনি কৰা ভাইৰাছৰ স'তে যুঁজিবলৈ ইয়াৰ বিকল্প আন কোনো উপায় বিচাৰি পোৱা নাই।' এইমছৰ মুৰব্বী ডাঃ ৰনদীপ গুলেৰিয়াই আজি এইদৰে কয়। মাৰ্কিন ৰোগ নিয়ন্ত্ৰক সংস্থাই ১০ পৃষ্ঠাত চাওক

**টিংৰাইৰ গ্ৰেণেড বিস্ফোৰণস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ ■ নিহত সুৰজিতৰ পৰিয়ালক সাক্ষাৎ**

# নিহতৰ পৰিয়ালক পাঁচ লাখকৈ সাহায্য



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ ডিগবৈৰ সমীপৰ টিংৰাই বজাৰত কালি সংঘটিত হোৱা গ্ৰেণেড বিস্ফোৰণস্থলী পৰিদৰ্শন কৰি ঘটনাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই বিস্ফোৰণত নিহত সুৰজিৎ তালুকদাৰ নামৰ যুৱকজনৰ গৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পাছতে সাংবাদিকৰে কথোপকথনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শান্তি-সম্প্ৰীতি বিনষ্ট কৰা এই ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু গৰিহণাৰ যোগ্য। এই ঘটনাত জড়িত সকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণৰ বাবে ইতিমধ্যে আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়া হৈছেবুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে মৃত দুয়োজন লোকৰ পৰিয়াললৈ ৰাজ্য আঠ পৃষ্ঠাত চাওক

**■ হাস্পতাললৈ যোৱাৰ ভয়ত আত্মহত্যা ৰঙিয়াৰ ক'ভিড ৰোগীৰ**
**■ প্ৰাক্তন ক্ৰিকেটাৰ-বিজেপি কৰ্মী-ফাৰ্মাচিষ্ট-লাটমণ্ডলৰো বিয়োগ**

# ৰাজ্যত কৰ'নাত পুনৰ পাঁচ হেজাৰ সংক্ৰমিত, ৬৩জন ৰোগীৰ মৃত্যু



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ মে' ঃ** ক'ভিডৰ সংক্ৰমণৰ হাৰ আৰু মৃত্যুৰ সংখ্যা আজি ৰাজ্যত কিছু পৰিমাণে হ্ৰাস পোৱা পৰিলক্ষিত হ'ল। অৱশ্যে কালিৰ তুলনাত আজি এহেজাৰৰ কিছু অধিক লোক নতুনকৈ ক'ভিডত আক্ৰান্ত হয়। আজি ৰাজ্যত ৬৩ জন ৰোগীৰ মৃত্যু হোৱা বুলি টুইটযোগে সদৰী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে জনাইছে যে আজিৰ দিনটোত ৰাজ্যত পাঁচ হেজাৰ ৩৪৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। উল্লেখ্য যে কালিৰ তুলনাত আজি প্ৰায় ২০ হেজাৰ বেছিকৈ ক'ভিড পৰীক্ষা আঠ পৃষ্ঠাত চাওক

# ক'ভিডত অকাল বিয়োগ কৰ্মচাৰী পৰিষদৰ সচিবপ্ৰধানৰ

মুখ্যমন্ত্ৰীসহ বিভিন্ন দল-সংগঠনৰ শোক



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/তামুলপুৰ, ১৫ মে' ঃ** অকাল মৃত্যুক সাবটিলে ৰাজ্যৰ কৰ্মচাৰী আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা, বিশিষ্ট অভিনেতা, সংগঠনক মৃণাল দাসে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সচিবপ্ৰধান দাসে আজি পুৱা ৭-৩০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইছ)ত শেষ নিশ্বাস ত্যাগ কৰে। ১০ পৃষ্ঠাত চাওক

**তিনিচুকীয়া-ডিব্ৰুগড়ৰ ক'ভিড পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে ■ চিকিৎসালয় পৰিদৰ্শন**

# পুৱতি নিশাও উপযুক্ত চিকিৎসাৰ নিৰ্দেশ

**■ অক্সিজেন উৎপাদন প্ৰকল্প-আইচিইউ বিছনাৰ সংখ্যা বৃদ্ধিৰ নিৰ্দেশ**

**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**
**তিনিচুকীয়া/ডিব্ৰুগড়, ১৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি হাস্পতালখনৰ চিকিৎসক তথা অন্যান্য বিষয়াসকলৰ পৰা ক'ভিড ৰোগীৰ চিকিৎসাৰ ব্যৱস্থাপনাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনত বৰ্তমানৰ ক'ভিড ৰোগীৰ সংখ্যা, আই চি ইউ বিচনা, ঔষধ, অক্সিজেনৰ পৰ্যাপ্ততা ইত্যাদিৰ বিষয়েও বুজ লয়। ইয়াৰ পাছতে তেওঁ তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে বলীন চেতিয়া, ১০ পৃষ্ঠাত চাওক



## অধিক প্ৰাণঘাতী হ'ব ক'ৰনাৰ দ্বিতীয় বৰ্ষ ঃ হু

**■ নিউজ ব্যুৰ'**
**জেনেভা, ১৫ মে' ঃ** বিশ্বজুৰি অধিক মাৰাত্মক ৰূপ ধাৰণ কৰিব পাৰে কৰ'না পৰিস্থিতিয়ে। এই আশংকাবাৰ্তা শুনালে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰছ আধানম গ্ৰেব্ৰিছিয়াছে কয়, 'আমি লক্ষ্য কৰিছো প্ৰথম বৰ্ষৰ তুলনাত ১০ পৃষ্ঠাত চাওক

# ৰাইজ-চৰকাৰৰ অৱজ্ঞাৰ বাবেই দেশত কৰ'নাৰ এই বিপৰ্যয় ঃ মোহন ভাগৱত

## হ্ৰাস পাইছে মৃত্যুৰ সংখ্যা-সংক্ৰমণ ঃ যুক্তি দৰ্শাই কেন্দ্ৰৰ দাবী



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৫ মে' ঃ** দুৰ্দশাৰ মাজতে কিছু আশাৰ বতৰা কঢ়িয়াই দেশত কিছু পৰিমাণে হ্ৰাস পাইছে কৰ'নাৰ সংক্ৰমণ। বিগত ২৪ ঘণ্টাত দেশত আক্ৰান্ত হৈছে ৩,২৬,০৯৮জন। এই পৰ্যন্ত দেশত আক্ৰান্তৰ মুঠ সংখ্যা হৈছে ২,৫০,০০,০০০। দৈনিক মৃত্যুৰ সংখ্যা চাৰি সহস্ৰাধিক হৈ থকাৰ পাছত ১০ পৃষ্ঠাত চাওক

## চেঙা তেল




*মোক বৃদ্ধাশ্ৰমতে মাতৃ দিৱসৰ শুভেচ্ছা দিবলৈ অহা বাবে ধন্যবাদ জনালো পুত্ৰ-বোৱাৰীক!*



# প্ৰতিজন ক'ভিড ৰোগীকেই চিকিৎসকৰ পৰ্যবেক্ষণত ৰখা হ'ব যিকোনো উপায়ে ঃ মন্ত্ৰী

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা,**
**নগাঁও/তেজপুৰ, ১৫ মে' ঃ** স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি নগাঁও আৰু শোণিতপুৰ জিলাৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মহন্তই কয় যে সংক্ৰমণ ৰোধৰ বাবে চৰকাৰ বদ্ধপৰিকৰ; কিন্তু এই ক্ষেত্ৰত জনসাধাৰণৰ সম্পূৰ্ণ সহযোগিতা লাগিবই। ৰাইজক চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনাসমূহ সম্পূৰ্ণৰূপে মানি চলিবলৈ তেওঁ আঠ পৃষ্ঠাত চাওক

# ভূমি বিবাদ! নগাঁৱত ঘৰৰ ভিতৰতে বৃদ্ধ দম্পতীক হত্যা কৰিলে ভতিজাকে

**মৃতদেহ চোতালত পেলাই হাতত ৰক্তাক্ত কুঠাৰ লৈ পহৰা ঘাতকৰ**

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৫ মে' ঃ** দীৰ্ঘদিনীয়া পাৰিবাৰিক ভূমি বিবাদৰ পৰিণতিতে নগাঁৱত সংঘটিত হ'ল এক নৃশংস হত্যাকাণ্ড। যোৱা নিশা এক বৃদ্ধ দম্পতীক নিজৰ ভতিজাকে এখন কুঠাৰেৰে ঘপিয়াই হত্যা কৰে। পৰিয়ালটোৰ এডোখৰ বিবদমান ভূমি বৃদ্ধ দম্পতীয়ে বিক্ৰী কৰিবলৈ লোৱা বাবেই এই হত্যাকাণ্ড সংঘটিত কৰে উন্মত্ত ভতিজাকে। যোৱা নিশা এই ঘটনা সংঘটিত হয় জিলাখনৰ নৈনে কুমাৰগাঁৱত। আৰক্ষী আৰু স্থানীয় সূত্ৰই জনোৱা মতে, গাঁওখনৰ নিবাসী নালিয়া শইকীয়া (৯০) আৰু তেওঁৰ পত্নী কণছোৱালী শইকীয়া (৮২)ক ১০ পৃষ্ঠাত চাওক

# ভয়াৱহ আৰ্থিক সংকটত ৰাজ্যৰ অসংগঠিত খণ্ডৰ ৮৫ লাখ শ্ৰমিক

বেমাৰত মৰিলেও নাখাই মৰিবলৈ নিদিব ঃ চি আই টি ইউৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ মে' ঃ** চেণ্টাৰ ফৰ ইণ্ডিয়ান ট্ৰেড ইউনিয়নৰ অসম ৰাজ্যিক সমিতিয়ে আজি দাবী কৰে যে কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ অৰ্থে ৰাজ্যত বলৱৎ হৈ থকা সান্ধ্য আইনৰ ফলত ৰাজ্যৰ অসংগঠিত খণ্ডৰ কমেও ৮৫ লাখ শ্ৰমিকে ভয়াৱহ আৰ্থিক সংকটত ভুগিবলৈ আৰম্ভ ১০ পৃষ্ঠাত চাওক

**■ ১১শ কিলোমিটাৰ স্থানত টহলদাৰীৰ নিৰ্দেশ মুখ্যমন্ত্ৰী যোগীৰ**

■ নদীতো ভাহিছে মৃতদেহ পানী দূষিত হোৱাৰ লগতে পৰিৱেশ বিনষ্টৰ শংকা

# ইউপিৰ ২৭ জিলাত গংগাৰ পাৰত শ শ মৃতদেহ ভক্ষণ কুকুৰ-শিয়ালৰ

**■ নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ১৫ মে' ঃ** বিগত কিছুদিনত উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ আৰু বিহাৰৰ নদীত অসংখ্য মৃতদেহ ভাহি অহাৰ খবৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত সবাতোকৈ অধিক শোচনীয় অৱস্থা প্ৰত্যক্ষ কৰা হৈছে উত্তৰপ্ৰদেশত। ৰাজ্যখনৰ ২৭ খন জিলাৰ গংগাৰ পাৰত অসংখ্য মৃতদেহ কবৰ দিয়াৰ তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। ৰাজ্যখনত থকা গংগাৰ ১,১৪০ আঠ পৃষ্ঠাত চাওক



# ষষ্ঠ অনুসূচী-ভূমিপট্টা প্ৰদান-মাতৃভাষাৰ প্ৰসাৰৰ দাবী

**অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰক নৱনিৰ্বাচিত চৰকাৰে ঃ আহ্বান জনজাতীয় ছাত্ৰ সংগঠনৰ**








**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ মে' ঃ** সম্প্ৰতি অসমৰ জনজাতীয় দল-সংগঠনৰ ৰাজপথৰ সংগ্ৰাম প্ৰায় স্তিমিত। শাসকীয় দলৰ লগত মিতিৰালি, ক্ষমতা দখলৰ কুচকাৱাজ আৰু সমস্যাসমূহক ৰাজনৈতিকভাৱে সমাধানৰ প্ৰচেষ্টা হ'ল বৰ্তমানৰ জনজাতীয় ৰাজনীতিৰ এক নতুন পৰিভাষা। ৰাজ্যৰ বিজেপি নেতৃত্বাধীন ১০ পৃষ্ঠাত চাওক



একাংশ নিউজ প’ৰ্টেলৰ বিৰুদ্ধে সৰৱ গোলাঘাট জিলা প্ৰশাসন

# ভুৱা তথ্যৰে বাতৰি পৰিৱেশন কৰি ৰাইজক বিভ্ৰান্তি সৃষ্টি নকৰিবলৈ সকীয়নি জিলা উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ১৫ মে’ ঃ** সম্প্ৰতি একাংশ নিউজ প’ৰ্টেল আৰু ফেচবুক পেজে মনে সজা ভুৱা বাতৰি বিয়পাই ব্যতিব্যস্ত কৰি তুলিছে ৰাজ্যবাসীৰ জনজীৱন। বিশেষকৈ ক’ভিডৰ দ্বিতীয় লহৰৰ সময়ছোৱাত ভিত্তিহীন বাতৰি প্ৰচাৰেৰে এনে একাংশ নিউজ প’ৰ্টেলে আতংকিত কৰি তুলিছে ৰাজ্য। কোনো ধৰণৰ সম্পাদনা বিভাগ অবিহনেই একমাত্ৰ সস্তীয়া জনপ্ৰিয়তাৰ স্বাৰ্থতেই তথ্যহীন আৰু মনেসজা বাতৰি প্ৰচাৰৰ ফলত সমগ্ৰ সংবাদ মাধ্যমৰ প্ৰতিয়ে এতিয়া ৰাজ্যবাসীৰ বিৰাগ জন্মিছে। শেহতীয়াকৈ গোলাঘাট জিলাত কাঠফুলাৰ দৰে জন্ম লোৱা একাংশ এনে নিউজ প’ৰ্টেল আৰু ফেচবুক পেজৰ কৰ্মকাণ্ডই ৰাইজৰ লগতে বিপাঙত পেলাইছে জিলা প্ৰসাসনক। কালি মেৰাপানী নিউজ নেটৱৰ্ক নামৰ এটা ফেচবুক পেজে কাছমাৰী আদৰ্শ চিকিৎসালয়ক ভুৱা তথ্যৰে কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা কৰা বুলি প্ৰচাৰ কৰা বাতৰি গোলাঘাট জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ হয়। জিলা প্ৰশাসনে অগোচৰেই চিকিৎসালয়খনক মেৰাপানী নিউজ নেটৱৰ্ক নামৰ ফেচবুক পেজটোৱে কণ্টেইনমেণ্ট জ’ন হিচাপে নিজাববীয়াকৈ ঘোষণা কৰি বাতৰি প্ৰচাৰ কৰাক লৈ সম্প্ৰতি গোলাঘাট জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলা প্ৰশাসন আৰু গোলাঘাট স্বাস্থ্য বিভাগে দিনে-নিশাই ক’ভিড পৰিস্থিতিৰ স’তে মোকাবিলা কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। এনে পৰিস্থিতিত একোটা ভুৱা বাতৰিয়ে ৰাইজক বিভ্ৰান্ত কৰাৰ লগতে আতংকিত কৰি তোলাৰ কাৰক হৈ উঠিব পাৰে। সেয়েহে সংশ্লিষ্ট ফেচবুক পেজটোক সংকটৰ সময়ত এনে ভুৱা বাতৰি প্ৰকাশ কৰাৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিছে গোলাঘাট জিলা প্ৰশাসনে। লগতে এনে ভুৱা বাতৰি প্ৰচাৰ কৰা লোকৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি জিলা উপায়ুক্তই সকীয়াই দিছে।

বিহালীৰ বাগিচাই ক’ভিড সজাগতা সভা

## সজাগ হওক, সচেতন কৰাওক ঃ শংকিত নহ’ব

**অগ্ৰদূত বাৰ্তা**
**বিহালী, ১৫ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথ জিলাতো ক’ভিডৰ ভয়াবহতা ক্ৰমাগতভাৱে বৃদ্ধি পাই অহাত শংকিত হৈ পৰিছে বিশ্বনাথ জিলাবাসী। এই ক’ভিড সংক্ৰমণৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বনাথ জিলাৰ উপায়ুক্তৰ নিৰ্দেশনাত বিশ্বনাথ জিলাৰ চাহ বাগিচা অঞ্চলত যাতে গণ সংক্ৰমণ হ’ব নোৱাৰে তাৰ বাবে বাগিচাই বাগিচাই সজাগতা সভা অনুষ্ঠিত কৰে। আজি বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰগাং চাহ বাগিচা, বৰগাঁও চাহ বাগিচা আৰু কেটেলো চাহ বাগিচাত একোখনকৈ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত চক্ৰ বিষয়া দেবানন্দ নাথে ক’ভিডৰ পৰা ৰক্ষা পাবলৈ হ’লে আমাৰ কৰণীয় ব্যৱস্থাসমূহৰ ওপৰত অৱলোকন কৰে। সজাগতা সভাত বাগিচাৰ পৰিচালক, কৰ্মচাৰী, বাগিচাৰ চৰ্দাৰ, বৰগাং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া, সংবাদকৰ্মী বীৰেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকি নিজে সজাগ সৈনিকৰ ৰূপত লাইনৰ প্ৰতিজনক সচেতন কৰিবলৈ আহ্বান জনায়।

**হেৰাইছে**

মোৰ দলিল নং ১৩৩/০৮ৰ মূল ৰছিদখন হেৰাইছে।

**মঃ সূৰ্য্যত আলী**
**গাঁও ঃ ১ নং অৰৰা**
**নলবাৰী**

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## বজালীত এখন বিশেষ চাৰিচকীয়া বাহন সাজি উলিয়ালে

**পাটাছাৰকুছি, ১৫ মে’ ঃ** ‘অভাৱেই আৱিষ্কাৰৰ মূল’। এই কথাষাৰে আখৰে আখৰে প্ৰমাণ কৰি দেখুৱালে এজন উৎসাহিত যুৱকে। বজালী জিলাৰ সীমান্তৱৰ্তী গাঁও কাৰৈমাৰীৰ এজন লোকে নিজৰ গাড়ীৰ অভাৱ পূৰণ কৰিবলৈ তিনিমাহজোৰা নিৰলস চেষ্টাৰে নিৰ্মাণ কৰি উলিয়ালে এখন বিশেষ ধৰণৰ বাহন। লোকজনৰ নাম শৈলেন কাকতি। নিজৰ দোকানৰ সামগ্ৰী অনাৰ বাবে তেওঁৰ বহুত সমস্যাৰ সৃষ্টি হৈছিল। আনহাতে, লাখ টকা খৰচ কৰি এখন গাড়ী কিনাৰো সামৰ্থ্য নাই শৈলেনৰ। ইয়াৰ বাবে তেওঁ ঘৰতে এখন গাড়ী নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। কাকতিয়ে উল্লেখ কৰা মতে ঘৰতে পেলনীয়া সামগ্ৰী যেনে চাইকেলৰ পুৰণা টায়াৰ, লাইট, বেটাৰী আদি লগাই সামগ্ৰী টনা চাৰ্জিং বাহন এখন সাজি উলিয়ায়। তেওঁৰ এই বাহনখন নিৰ্মাণ কৰোতে ব্যয় হয় ৭৫ হেজাৰ টকা। বাহনখনৰ বহু কাম বাকী আছে যদিও ৰাজপথত চলাবলৈ সক্ষম হৈছে। বাহনখনৰ ওজন কঢ়িয়াব পৰা ক্ষমতা তিনি কুইণ্টল।

## পশ্চিম কামৰূপ বন সংমণ্ডলৰ জালুকবাৰী বুঢ়ামৰা শিলপুতা পাহাৰৰ শিলৰ চেপাত আবদ্ধ হাতী উদ্ধাৰ

**ছয়গাঁও, ১৫ মে’ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ বামুণীগাঁও বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত জালুকবাৰীৰ বুঢ়ামৰা শিলপুতা পাহাৰৰ শিলৰ গুহাত আবদ্ধ হৈ থকা দুটা হাতী আজি স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। বামুণীগাঁও আৰু ৰতনপুৰৰ বনকৰ্মী ঘটনাস্থলীত উপস্থিত হৈ ৰাইজৰ সহযোগত সন্ধিয়া উদ্ধাৰ কৰে মাক আৰু কণমানি মতা হাতীৰ পোৱালিটো। খাদ্যৰ সন্ধানত জনাঞ্চললৈ পাহাৰেৰে হাতীৰ জাক এটা আহি থাকোতে জালুকবাৰীৰ বুঢ়ামৰা শিলপুতা পাহাৰত থকা দুটা প্ৰকাণ্ড শিলৰ চেপাত মাক আৰু কণমানি হাতী পোৱালিটো পৰি যায়। বন বিভাগে ১২ ঘণ্টা কষ্টৰ ফলত ৰাইজৰ পূৰ্ণ সহযোগত হাতী দুটা উদ্ধাৰ কৰে যদিও হাতী দুটাৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰিলে অনুমান কৰিব পাৰি হয়তো বহুদিনৰ পৰা হাতী দুটা শিলৰ চেপাত আবদ্ধ হৈ আছিল। প্ৰথমতে বন বিভাগে মাকটো উদ্ধাৰ কৰাৰ পাছত পোৱালিটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

# চাহ শ্ৰমিকৰ বাবে নতুন এছঅ’পি জাৰিৰ আহ্বান আদিবাসী ছাত্ৰ সন্থাৰ

## ১৭ মে’ত প্ৰতিখন জিলাৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিব আছাই

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৫ মে’ ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাই অসমৰ চাহ শ্ৰমিকৰ বাবে ক’ভিড কালত চৰকাৰে কোনো ধৰণৰ বন্ধ দিয়া পদক্ষেপ হাতত নোলোৱাত আশ্চৰ্য প্ৰকাশ কৰে। আজি এক বিবৃতিত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ কেন্দ্ৰীয় সভাপতি প্ৰদীপ নাগ, সম্পাদক যোছেফ মিঞ্জ আৰু প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকাই কয়, ‘চাহ শ্ৰমিকৰ জীৱনৰ নিৰাপত্তা আৰু কৰ’নাকালত নিজৰ জীৱনৰ প্ৰতি ভাবুকি অহাৰ পাছতো অসমৰ সুনাম উজলাই ৰখাৰ স্বাৰ্থত আজি চাহ শ্ৰমিকসকলে কাম কৰিব লগা হৈছে। উজনিৰ কিছু বাগিচা কৰ’নাৰ গণ সংক্ৰমণৰ ফলত বন্ধ কৰিব লগা হৈছে। কিন্তু অদ্যাপি বন্ধ হোৱা নাই মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ফাতেমাবাদ চাহ বাগিচা। য’ত আবেলি ৪-৩০ বজালৈ কৰ্মত নিয়োগ কৰি ৰখা হৈছে চাহ শ্ৰমিকসকলক। নতুন চৰকাৰখনলৈ আমাৰ আদিবাসী ছাত্ৰ সন্থাৰ আহ্বান এই যে অসমৰ প্ৰায় এহেজাৰ চাহ বাগিচাত কৰ্মৰত চাহ শ্ৰমিকৰ বাবে সুকীয়া এছঅ’পি জাৰি কৰিব লাগে, য’ত শ্ৰমিকসকলে কৰ’নাৰ পৰা মুক্ত হৈ সুস্থ থাকিব পাৰে।’ বিবৃতিটোত অহা ১৭ মে’ত ৰাজ্যৰ প্ৰতিখন জিলাৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ আছাই স্মাৰকপত্ৰ প্ৰেৰণ কৰিব আৰু চৰকাৰক উচিত পদক্ষেপ ল’বলৈ আহ্বান জনোৱা হ’ব বুলিও কয়। বিবৃতিটোত পুনৰ উল্লেখ কৰে যে যদি কোনো এজন চাহ শ্ৰমিক কৰ’না মহামাৰীৰ ফলত মৃত্যু হ’ব লগা হয় তেতিয়াহ’লে চৰকাৰে মৃতকৰ ক্ষতিপূৰণ হিচাপে ২০ লাখ টকা আদায় দিব লাগিব। তদুপৰি পৰিয়ালবৰ্গৰ সদস্যক চৰকাৰী চাকৰিৰ ব্যৱস্থা কৰিব লাগিব। লগতে সকলো চাহ শ্ৰমিকে কৰ’না প্ৰতিষেধক দিয়া, বিনামূলীয়া কৰ’না পৰীক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইফালে, উজনি অসমৰ বাগিচাৰ ক’ভিড আক্ৰান্ত লোকক বস্তাত শুবলৈ দি যি ধৰণৰ অমানৱীয় ব্যৱহাৰ কৰিলে তাৰ বাবে মালিক পক্ষৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে ক’ভিড আক্ৰান্ত সকলোকে উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও দাবী জনোৱা হয় বিবৃতিটোৰ জৰিয়তে।

## লালুকত ক’ভিড প্ৰট’কল ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ লালুক আৰক্ষী

**অগ্ৰদূত বাৰ্তা**
**লালুক, ১৫ মে’ ঃ** কৰ’না মহামাৰীয়ে সমগ্ৰ দেশ তথা ৰাজ্যত সংহাৰ চলাই থকাৰ সময়তো একাংশ লোকে মহামাৰী ক’ভিডক লৈ তিল মাত্ৰ সচেষ্ট নোহৰো বিষয়টোৱে সৰ্বসাধাৰণ ৰাইজক চিন্তিত কৰিছে। ক’ভিড প্ৰট’কল মানি চলি নিজৰ লগতে আনকো সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰে বাৰম্বাৰ আহ্বান জনোৱাৰ লগতে ক’ভিড সংক্ৰমণ ৰোধ কৰিবলৈ জাৰি কৰিছে ইটোৰ পাছত সিটোকৈ নীতি-নিৰ্দেশনা। শেহতীয়াকৈ চৰকাৰে নিদৰ দুই বজাৰ পৰাই সান্ধ্য আইন বলৱৎ কৰি ৰাজ্যবাসীক ক’ৰনা সংক্ৰমণৰ পৰা সুৰক্ষা দিবলৈ তৎপৰ হৈ পৰিছে। সমান্তৰালভাৱে আৰক্ষীয়ে কঠোৰ হৈ পৰিছে ক’ভিড প্ৰট’কল ভংগকাৰীৰ বিৰুদ্ধে।

## ৰাষ্ট্ৰীয় পতাকা পাৰি ঈদৰ ভোজ ছজনক আটক

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৫ মে’ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত ঈদ-উল-ফিটৰ উপলক্ষে অতিথি আপ্যায়নৰ নামত ৰাষ্ট্ৰীয় পতাকাক অপমানিত কৰাৰ ঘটনাক লৈ আজি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি ছজন লোকক আটক কৰিছে। ঈদ উপলক্ষে অভয়াপুৰীৰ টেংনামাৰী নিবাসী তথা গুৱাহাটীত আৰক্ষী বিভাগত কৰ্মৰত জনৈক ৰহিমৰ জীয়ৰী তথা অভয়াপুৰীস্থিত মণ্টফৰ্ট ইংলিছ স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী ৰেজিনা পাৰবিন চুলতানাই লগৰীয়া একাংশক আপ্যায়নৰ বাবে নিমন্ত্ৰণ কৰে। নিমন্ত্ৰিত লোকসকলক ৰাষ্ট্ৰীয় পতাকা ডাইনিঙত পাৰি ভোজভাত খুৱায়। এই দৃশ্যটো কালি কোনো লোকে সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ পাছতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ মাজত। আজি দুপৰীয়া উত্তৰ শালমাৰাৰ মহকুমা আৰক্ষী বিষয়া, অভয়াপুৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, মহকুমা কাৰ্যবাহী দণ্ডাধীশ উপস্থিত হৈ ডাইনিং টেবুলত ব্যৱহাৰ কৰা ৰাষ্ট্ৰীয় পতাকাখন জব্দ কৰাৰ লগতে ৰেজিনা পাৰবিনা চুলতানা (২৮), মেহজেবিন নামৰ দুই যুৱতীৰ লগতে ৰফিকুল হুছেইন (২৮), ৰছিদুল হক (২৪), জাহিদুল ইছলাম (২৯) আৰু হাচান এম ৰহমান (২৯)ক আটক কৰে।

## কৰ’না মহামাৰীৰ ক্ষতিগ্ৰস্ত কৃষক, ছাত্ৰ-ছাত্ৰীক পদক্ষেপ গ্ৰহণৰ দাবীত বিশ্বনাথ যুৱ-ছাত্ৰৰ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১৫ মে’ ঃ** কৰ’না অতিমাৰীৰ ফলত যি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ ফলত কৃষক ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ বিশেষ ক্ষতি হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৃষ্টিগোচৰ হৈছে। সেয়েহে আজি পৰিষদৰ বিশ্বনাথ জিলা সমিতিয়ে কৃষিজাত সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধি ৰোধ, মাটিৰ খাজনা সম্পূৰ্ণ ৰেহাই দিয়া আৰু গৰম বন্ধৰ পাছত যদি চৰকাৰী বিদ্যালয়সমূহ নোখোলে তেন্তে ব্যক্তিগত বিদ্যালয়ৰ দৰে চৰকাৰী বিদ্যালয়তো ছাত্ৰ-ছাত্ৰীক অনলাইন মাধ্যমৰ জৰিয়তে শিক্ষা প্ৰদান কৰাৰ বাবে দাবী জনাই বিশ্বনাথ জিলাৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। দলটোত জিলাৰ সাধাৰণ সম্পাদক দিগন্ত বৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নাছিৰ আহমেদ আৰু জিলাৰ যুটীয়া সম্পাদক নিহাৰ শইকীয়া উপস্থিত থাকে।

## কৰ’নাক্ৰান্ত চাহ শ্ৰমিকক ক’ভিড কেয়াৰ চেণ্টাৰত ৰখাৰ ব্যৱস্থা কৰিবলৈ আহ্বান ৰঙাপৰাৰ বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৫ মে’ ঃ** কৰ’নাত আক্ৰান্ত হোৱা চাহ শ্ৰমিকসকলক গৃহ পৃথকীককৰণৰ পৰিৱৰ্তে ক’ভিড কেয়াৰ চেণ্টাৰসমূহত ৰখাৰ পোষকতা কৰিছে ৰঙাপৰাৰ নৱনিৰ্বাচিত বিধায়ক কৃষ্ণকমল তাঁতীয়ে। আজি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হোৱা বিধায়কজনে কয় যে কৰ’নাত আক্ৰান্ত হোৱাৰ পাছত চাহ শ্ৰমিকসকল চাহ বাগিচাৰ নিজা গৃহত পৃথকীকৰণৰ নিয়ম মানি থাকিব পৰাকৈ সুবিধা নাই। ইয়াৰ বিপৰীতে এনেদৰে গৃহ পৃথকীকৰণত থাকিলে চাহ বাগিচাত কৰ’নাৰ অধিক সংক্ৰমণ ঘটিব বুলি আশংকা প্ৰকাশ কৰে বিধায়কজনে। আনহাতে, কৰ’না প্ৰতিৰোধী প্ৰতিষেধকৰ প্ৰথমপালি ৰঙাপৰাৰ চাহ শ্ৰমিকসকলে লাভ কৰিলেও দ্বিতীয় পালি লাভ কৰা নাই বুলি মন্তব্য কৰে বিধায়কজনে। তেওঁ এই সন্দৰ্ভত ৰঙাপৰাৰ চাহ বাগিচাসমূহৰ কৰ্তৃপক্ষৰ স’তে আলোচনা কৰা বুলি উল্লেখ কৰি লগতে কয় যে কৰ’নাৰ প্ৰতিষেধকৰ ক্ষেত্ৰত যি অনলাইন পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে সেয়া চাহ শ্ৰমিকসকলৰ বাবে অসুবিধাজনক হৈছে। সেয়ে চাহ শ্ৰমিকসকলৰ বাবে এই পঞ্জীয়নত সহায় কৰাৰ বাবে চাহ বাগিচা কৰ্তৃপক্ষসমূহক আহ্বান জনাই বিধায়ক তাঁতীয়ে আৰু কয় যে চাহ শ্ৰমিকসকলৰ অধিকাংশৰে টিকাকৰণৰ বাবে নাম পঞ্জীয়ন কৰিব পৰা ম’বাইল ফোন নাই।

## বিশিষ্ট সাহিত্যিক-শিক্ষক দেবেন কছাৰীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ১৫ মে’ ঃ** গোৱালপৰা জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কৃতী শিক্ষক দেবেন কছাৰীৰ আজি অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰা হয় তেওঁৰ জন্ম স্থান মাজপাৰা গাঁৱৰ ৰাজহুৱা শ্মশানত। উল্লেখ্য যে বিশিষ্ট সাহিত্যিত তথা কৃতী শিক্ষক দেবেন কছাৰীৰ কালি দিনৰ ৩.৪০ বজাত তেওঁৰ নিজ বাসভৱনত উচ্চ ৰক্তচাপজনিত ৰোগত মৃত্যু ঘটে। আজি তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ বাবে বিভিন্ন দল-সংগঠনৰ মুৰব্বীসকল তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। গোৱালপাৰা জিলা বড়ো সাহিত্য সভা, গোৱালপাৰা জিলা বড়ো ছাত্ৰ সন্থা, গোৱালপাৰা জিলা বড়ো বাৰ দল, দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলা বড়ো সমন্বয় সমিতি আমজোঙা উচ্চ মাধ্যমিক বিদ্যালয় দৰংগিৰি আঞ্চলিক উন্নয়ন সমিতি, কাচাদল উন্নয়ন সমিতিৰ লগতে বহু গুণমুগ্ধই তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**আজিৰ দিনটো**



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১ জেঠ ৰবিবাৰ ১৬ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৫।৪৫, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫২।৪১। **তিথি ঃ** শুক্লা চতুৰ্থী, দং ৪।৩।২৫ প্ৰাতঃঘঃ ৬।২৩।৭। **নক্ষত্ৰ ঃ** আৰ্দ্ৰা, দং ৮।২২।৪০ ঘঃ ৮। ৬।৪৯। **যোগ ঃ** শূল, দং ৪৭।৪৯।১৩ ৰাঘঃ ১১।৪৩।২৬। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, মনুষ্যগণ, সাপৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী চন্দ্ৰ বিংশোত্তৰী ৰাহুৰ দশা, ঘঃ ৮।৬।৪৯ যোৱাত দেৱগণ, বৰাহৰ অস্থি, বিংশোত্তৰী বৃহস্পতিৰ দশা, ৰাঘঃ ৩।১৩।৪ যোৱাত কৰ্কট ৰাশি, বিপ্ৰবৰ্ণ, বায়ুযোগ। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া কান্তা যোগ মতান্তৰে ১৫ দিনীয় বেশ্যা যোগ।। **মৰণত দোষ ঃ** এপদ, ঘঃ ৮।৬।৪৯ যোৱাত ত্ৰিপদ। **যোগিনী ঃ** নৈঋতকোনত, প্ৰাতঃঘঃ ৬।২৩।৭ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** বিষ্টিভদ্ৰা দোষ, প্ৰাতঃঘঃ ৬।২৩।৭ যোৱাত অমৃতযোগ, পূবত নাই। **শুভকৰ্ম ঃ** দ্বিৰাগমন গৰ্ভাধান, পুংসৱন, সীমন্তোনয়ন, পঞ্চামৃত, সাধভক্ষন, জাতকৰ্ম, নামকৰণ, নিস্ক্ৰমণ, কৰ্ণবেধ, মুখ্যান্নপ্ৰাশন, চূড়াকৰণ, বিদ্যাৰম্ভ, উপনয়ন, দীক্ষা, গৃহাৰম্ভ, গৃহপ্ৰৱেশ, নৱবস্ত্ৰ পৰিধান, নৱশয্যাদ্যুপভোগ, ৰত্নাদিধাৰণ, জলাশয়াৰম্ভ, জলাশয়, প্ৰতিষ্ঠা, নৌকাগঠন, নৌকাযাত্ৰা, আৰোগ্যস্নান, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা,গছৰোৱা, ধানৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** পটল, প্ৰাতঃঘঃ ৫।৪।৫৭ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মনত কিছু অহেতুক চিন্তাই ঠাই ল’লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ’ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।
**বৃষ ঃ** বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।
**মিথুন ঃ** মধ্যম দিন হ’লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ’ব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা।
**কৰ্কট ঃ** সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ’ব। প্ৰেমত নিৰাশা।
**সিংহ ঃ** আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ’ব। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ।
**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ’ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ’ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।
**তুলা ঃ** শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থি, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।
**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।
**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ।
**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ’ব। বিদ্যাত ধৈৰ্য ধৰক। ভ্ৰমণত দ্ৰব্য লাভ কৰিব।
**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়।
**মীন ঃ** যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ।

# মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ কামৰূপৰ ক’ভিড পৰিস্থিতিৰ পৰ্যালোচনা

**অগ্ৰদূত বাৰ্তা**
**হাজো/উত্তৰ গুৱাহাটী, ১৫ মে’ ঃ** উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি কামৰূপ জিলাৰ ক’ভিড-১৯ৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰী পাটোৱাৰীয়ে আজি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ সভাকক্ষত অনুষ্ঠিত এক সভাত জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনৰ লগতে প্ৰশাসনৰ শীৰ্ষ বিষয়া আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ স’তে জিলাখনৰ ক’ভিড-১৯ৰ পৰিস্থিতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। উল্লেখ্য যে উক্ত সভাত ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতা, বিধায়কসকল ক্ৰমে সুমন হৰিপ্ৰিয়া, দিগন্ত কলিতা, ৰেকিবুদ্দিন আহমেদ, হেমাংগ ঠাকুৰীয়া আৰু নন্দিতা দাসো উপস্থিত থাকে। সভাৰ আৰম্ভণিতে জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনে জিলাখনৰ ক’ভিড-১৯ৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে ক’ভিড ৰোগীৰ চিকিৎসা, প্ৰতিষেধক, ক’ভিড পৰীক্ষাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে বিতংভাৱে অৱগত কৰে। মন্ত্ৰী পাটোৱাৰীয়ে জিলাখনৰ ক’ভিড কেয়াৰ চেণ্টাৰ আৰু ক’ভিড চিকিৎসালয়ত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয় আৰু জিলাখনত যাতে ক’ভিড-১৯ৰ আৰু অধিক সংক্ৰমণ হ’ব নোৱাৰে তাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। অক্সিজেন চিলিণ্ডাৰৰ চাহিদাৰ বিষয়টোও আলোচনা কৰে আৰু জিলাখনত যাতে পৰ্যাপ্ত অক্সিজেন মজুত থাকে তাৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মন্ত্ৰীজনে ক’ভিড সংক্ৰমণত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিত গুৰুত্ব দিয়াৰ লগতে জিলাখনত ব্যাপক হাৰত ক’ভিড পৰীক্ষা আৰু প্ৰতিষেধকৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক কয়। জনসাধাৰণে যাতে ক’ভিড বিধি পালন কৰে তাৰ প্ৰতিও তীক্ষ্ণদৃষ্টি ৰাখিবলৈ মন্ত্ৰী পাটোৱাৰীয়ে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে। আশাকৰ্মীসকলক অক্সিমিটাৰ যোগান ধৰাৰ লগতে ক’ভিড নিয়ন্ত্ৰণ সংক্ৰান্তীয় কাম-কাজত স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে উন্নয়ন খণ্ডসমূহৰ কৰ্মচাৰীকো জড়িত কৰিবলৈ কয়। ক’ভিড-১৯ত আক্ৰান্ত লোকৰ ঘৰত আৰু কণ্টেইনমেণ্ট জ’নত লগোৱা ফলক যাতে কোনেও আঁতৰাই পেলাব নোৱাৰে তাৰ প্ৰতিও চকু ৰাখিবলৈ মন্ত্ৰী পাটোৱাৰীয়ে নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত গাঁওবুঢ়াসকলকো জড়িত কৰাৰ ওপৰত মন্ত্ৰীজনে গুৰুত্ব আৰোপ কৰে। সভাত ৰাজ্যসভাৰ সাংসদ কলিতাকে ধৰি উপস্থিত বিধায়কসকলেও বক্তব্য আগবঢ়ায়। সাংসদ কলিতাই তেওঁৰ সাংসদ পুঁজিৰ পৰা ৰঙিয়াত অক্সিজেন প্লাণ্ট এটি স্থাপনৰ বাবে দুই কোটি টকা আগবঢ়াব বুলি সভাত কয়। সভাত আৰক্ষী অধীক্ষক হিতেশ ৰায়, অতিৰিক্ত উপায়ুক্তসকল ক্ৰমে কান্তা দাস, সুজিত বাগলাৰী, মানস কুমাৰ শইকীয়া, প্ৰণৱ দত্ত গোস্বামীৰ লগতে স্বাস্থ্য আদি সংশ্লিষ্ট বিভাগসমূহৰ কে’বাগৰাকীও বিষয়াই অংশগ্ৰহণ কৰে।

# তপতজুৰি পাহাৰত স্মৃতিসৌধ নিৰ্মাণৰ সিদ্ধান্তৰ বিৰোধিতা

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৫ মে’ ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ তপতজুৰি পাহাৰত ১৮টাকৈ বন্যহস্তীৰ কৰুণ মৃত্যুৰ পাছত ঘটনাস্থলীত উপস্থিত হৈ কালি নিহত হস্তীকুলৰ প্ৰতি সন্মানাৰ্থে এটি স্মাৰক স্থাপনৰ আশ্বাস প্ৰদান কৰিছিল বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই। কিন্তু বনমন্ত্ৰীৰ এই সিদ্ধান্তৰ একেমুখে বিৰোধিতা কৰিছে একাংশ প্ৰকৃতিপ্ৰেমী, বিভিন্ন দল-সংগঠন তথা সমাজ সচেতন লোকে। স্মৃতিসৌধৰ পৰিৱৰ্তে হাতীৰ বাবে পাহাৰখন সংৰক্ষণ কৰি বৃক্ষৰোপণ তথা হাতীৰ বাবে খাদ্যৰ ব্যৱস্থা কৰাৰহে প্ৰয়োজন বুলি মন্তব্য কৰিছে সকলোৱে। লগতে বনমন্ত্ৰীৰ এই ঘোষণাক অবাঞ্ছিত মন্তব্য আখ্যা দি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিকে অতি শীঘ্ৰেই বিভাগীয় সকলৰ মন-মগজুৰ পৰিৱৰ্তন কৰি উচিত সিদ্ধান্ত ল’বলৈ দাবী জনাইছে।

**‘স্মৃতিসৌধ নহয় টকলা পাহাৰত বৃক্ষৰোপণ কৰক’**

সেই স্থানত স্মৃতিসৌধ নিৰ্মাণৰ বিৰোধিতা কৰি বৃক্ষৰোপণৰ মাজতে পাহাৰখন পুনৰুজ্জীৱিত কৰাৰহে পোষকতা কৰিছে বিভিন্নজনে। ইফালে, পাহাৰত স্মৃতিসৌধ নিৰ্মাণ হ’লে পৰ্যটকৰ সঘন আগমনে জৈৱ-বৈচিত্ৰ্য আৰু বন্যপ্ৰাণী আৱাসস্থলী ধ্বংস হোৱাৰ সম্ভাৱনাই অধিক। প্ৰকৃতিৰ ক্ষতি কৰি স্মৃতিসৌধ নিৰ্মাণ কৰাৰ বাবে লোৱা সিদ্ধান্ত পৰিহাৰ কৰিবলৈ বনমন্ত্ৰীৰ লগতে স্থানীয় বিধায়ক জিতু গোস্বামীক দাবী জনোৱা হৈছে। বনমন্ত্ৰী শুক্লবৈদ্যৰ ঘোষণাৰ বিৰুদ্ধাচৰণ কৰি নিখিল ভাৰত কৃষক সভা নগাঁও জিলা সমিতিৰ উপ-সভাপতি ৰাতুল বৰাই কয়, ‘যি সময়ত হাতীৰ খাদ্যৰ অভাৱ হৈছে, হাতীৰ অহা-যোৱা পথ দখল কৰা হৈছে, সেই সময়ত সেইসমূহত গুৰুত্ব নিদি মৃত হাতীৰ বাবে স্মৃতিসৌধ নিৰ্মাণৰ ঘোষণা কৰি মানুহৰ ক্ষোভৰ পৰা সাৰিবলৈ বিচৰাটো লজ্জাৰ কথা। এনে কাম হ’ব নালাগে। এতিয়া নতুন চৰকাৰ আৰু বনমন্ত্ৰীয়ে কিদৰে হাতীৰ বাবে খাদ্যৰ ব্যৱস্থা কৰিব পাৰি, হাতীৰ কৰিড’ৰ কিদৰে দখলমুক্ত কৰিব পাৰি তাতহে গুৰুত্ব দিব লাগে।’ প্ৰকৃতিপ্ৰেমী লেখনাথ শৰ্মাই কয়, ‘তপতজুৰিৰ টকলা হৈ থকা বামুণী পাহাৰত গছপুলি ৰোপণৰ লগতে বন সংৰক্ষণ কৰি হাতীৰ উপযুক্ত আৱাসস্থলী গঢ়ি তোলাতহে অধিক গুৰুত্ব আৰোপ কৰা উচিত।’ বনমন্ত্ৰীয়ে সেই স্থানত স্মৃতিখননিৰ্মাণ কৰা কথাৰ বিৰোধিতা কৰি সেই স্থানত বৃক্ষৰোপণ কৰি পাহাৰটো পুনৰুজ্জীৱিত কৰাৰহে পোষকতা কৰে প্ৰকৃতিপ্ৰেমী শৰ্মাই।

## মৰনৈ এভাৰেডী কোম্পানীৰ ট্ৰাকে ছিঙিলে উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰ

ৰাইজে আটক কৰি গতালে আৰক্ষীক

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৫ মে’ ঃ** গোৱালপাৰা জিলাৰ মৰনৈস্থিত এভাৰেডী কোম্পানীৰ ট্ৰাক এখন আজি নিশা ন বজাত গোৱালপাৰা চহৰৰ বিহু ফিল্ডৰ ভিতৰুৱা পথত প্ৰৱেশ কৰি উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰ ছিঙি পেলোৱাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পশ্চিমবংগৰ পৰা অহা ইউ পি-০১ বি এন-৪৯৪৩ নম্বৰৰ ট্ৰাকখনে মৰনৈলৈ যোৱাৰ পথত ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ বিপৰীতে চহৰৰ ভিতৰুৱা বিহু ফিল্ডৰ পথেৰে গৈ থাকোতে ১১ হেজাৰ ভল্টৰ বিদ্যুতিক তাঁৰ ছিঙি যোৱাত বিদ্যুৎস্পৃষ্ট হোৱাৰ আশংকাত স্থানীয় ৰাইজৰ মাজত হুৱাদুৱাৰ সৃষ্টি হয়। লগে লগে বিদ্যুৎ বিভাগক খবৰ দি বিদ্যুৎ কাটি দিবলৈ কয় আৰু চালকজনক জবাবদিহি কৰি ৰাইজে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত ঘটনাস্থলীত উপস্থিত হৈ উপ-আৰক্ষী অধীক্ষক ৰূপজ্যোতি কলিতাই পৰিস্থিতি নিয়ন্ত্ৰণ কৰি ট্ৰাকখন সদৰ থানালৈ লৈ যায়। লগতে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক মাতি আনি ছিঙি যোৱা বৈদ্যুতিক তাঁৰ ঠিক কৰি দিয়ে।

*No. DHS/BTC/COVID-19/295/2020/970* *Dated Kokrajhar the 15th May 2021*

PRESS NOTICE INVITING TENDER
Tender No. DHS/BTC/01/2021-22

The Director of Health Services Department, BTC, Kokrajhar invites Short Tender Notice / bids from the eligible Suppliers / Dealers/ Distributors registered with Bodoland Territorial Council, Kokrajhar 2 (two) nos. of schemes for Procurement of COVID-19 related materials for Health Institutions under BTR for Kokrajhar district under Misc. Revenue fund for the year 2021-22 for approximate contract value of Rs.19,84,22,000/- (Rupees nineteen crore eighty four lakhs and twenty-two thousand) only.

The details may be seen at the website http://assamtenders.gov.in. and also in the Office of the undersigned during office hours.

N.B.: The bill of the contractor will be paid only after receiving the fund from BTC.

Sd/-
Director of Health Services,
BTC, Kokrajhar

***IPR(BTC)-20/2021***

*No.DHS/BTC/COVID-19/295/2020/982* *Dated Kokrajhar the 15th May 2021*

**PRESS NOTICE INVITING TENDER**
**Tender No. DHS/BTC/02/2021-22**

The Director of Health Services Department, BTC, Kokrajhar invites Short Tender Notice / bids from the eligible Suppliers / Dealers/ Distributors registered with Bodoland Territorial Council, Kokrajhar 2 (two) nos. of schemes for Procurement of COVID-19 related materials for Health Institutions under BTR for Chirang district under Misc. Revenue fund for the year 2021-22 for contract approximate value of Rs. 13,00,00,000/- (Rupees thirteen crores) only.

The details may be seen at the website http://assamtenders.gov.in.and also in the Office of the undersigned during office hours.

N.B.: The bill of the contractor will be paid only after receiving the fund from BTC.

Sd/-
Director of Health services,
BTC Kokrajhar

***IPR(BTC)-18/2021***

*No. DHS/BTC/Surgical-25/995* *Dated Kokrajhar the 15th May 2021*

**PRESS NOTICE INVITING TENDER**
**DHS/BTC/03/2021-22**

The Director of Health Services Department, BTC, Kokrajhar invites Short Tender Notice / bids from the eligible Suppliers / Dealers / Distributors registered with Bodoland Territorial Council, Kokrajhar 2 (two) nos. of schemes for Procurement of Hospital Furniture & Machineries, Equipment, etc. for Chirang & Udalguri districts for the year 2020-21 for contract value of Rs. 4,23,97,419/-(Rupees four crore twenty-three lakhs ninety seven thousand four hundred and nineteen) only.

The details may be seen at the website http://assamtenders.gov.in. and also in the Office of the undersigned during office hours.

N.B.: The bill of the contractor will be paid only after receiving the fund from BTC

Sd/-
Director of Health Services,
BTC Kokrajhar

***IPR(BTC)-19/2021***

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৬ মে’, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

# দৰং জিলাৰ ছয়খন হাইমাদ্ৰাছা পৰ্যবসিত হ’ব হাইস্কুললৈ

**হাইস্কুল হ’ল মাৰুৱাচকী হাইমাদ্ৰাছা**

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১৫ মে’ ঃ** দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত দুমুনিচকীৰ মাৰুৱাচকী হাইমাদ্ৰাছা হাইস্কুললৈ পৰ্যবসিত কৰা হৈছে। এতিয়াৰ পৰা মাৰুৱাচকী হাইমাদ্ৰাছা শিক্ষা বিভাগৰ অধীনস্থ এখন উচ্চ মাধ্যমিক বিদ্যালয়ৰূপে চিহ্নিত হ’ব।

*ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



## সম্পূৰ্ণ হোৱাৰ পাছতো অৰ্পণ কৰা নাই ঃ হাহাকাৰ ৰাইজৰ

# এবছৰে তলা ওলমি থাকিল আইচিইউত

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৫ মে’ ঃ** মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীয়ে চিকিৎসালয়সমূহত ক’ভিড ৰোগীৰ বাবে ততাতৈয়াকৈ আই চি ইউ সংস্থাপনৰ গুৰুত্ব দি থকাৰ সময়তে বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ অসামৰিক চিকিৎসালয়ত বিগত এবছৰে ওলমি থাকিল পাঁচখন বিছনাযুক্ত এটা আই চি ইউ কক্ষ। দেশ তথা ৰাজ্যৰ চুকে কোণে সংক্ৰমণ ঘটিছে কৰ’নাৰ। ব্যতিক্ৰম নহয় বাগ্‌সা জিলাও। জিলাখনতো কৰ’নাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে সাত শতাধিক। দৈনিক অৰ্ধশতাধিক লোক আক্ৰান্ত হৈছে কৰ’নাত পিছে জিলাখনত আজিও সম্পূৰ্ণ হৈ নুঠিল চিকিৎসা ব্যৱস্থা। জিলাখনৰ সদৰ মুছলপুৰ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত কাৰ্যক্ষম হৈ নুঠিল নকৈ নিৰ্মাণ কৰা পাঁচখন বিছনাযুক্ত আই চি ইউ কক্ষ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল যদিও ৰহস্যজনকভাৱে নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতে ৰাইজৰ সেৱাৰ বাবে মুকলি নহ’ল। উল্লেখ্য যে আই চি ইউৰ ৯০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ পাছতো নিৰ্মাণকাৰী ঠিকাদাৰে বিল নোপোৱাৰ বাবে আই চি ইউ কক্ষটো চিকিৎসালয় কৰ্তৃপক্ষক গতাই দিয়া নাই। ফলত আই চি ইউ কক্ষত তলা ওলমি আছে। এই সন্দৰ্ভত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ সুভাষ শৰ্মাই উল্লেখ কৰা মতে, আই চি ইউ সন্দৰ্ভত চিকিৎসালয় কৰ্তৃপক্ষই বিশেষ একো নাজানে। জিলা উপায়ুক্তৰ

*ছয় পৃষ্ঠাত চাওক*





**২০ টা আইছ’লেছন দবাত উপলব্ধ ৩২০ খন বিছনা, আছে অক্সিজেনৰ ব্যৱস্থাও**

# মৰিয়নিত সাজু ক’ভিড কেয়াৰ বিশেষ ৰেল





অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৫ মে’ ঃ** ৰাজ্যৰ সৰ্বত্ৰ ক’ভিড-১৯ সংক্ৰমণে ভয়াৰহ ৰূপ ধাৰণ কৰাৰ সময়তে ৰাজ্যৰ স্বাস্থ্য বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰেলৱেই পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ বিভিন্ন স্থানৰ ক’ভিড চিকিৎসালয় আৰু ক’ভিড কেয়াৰ চেণ্টাৰসমূহৰ বিছনা কমি অহাৰ পৰিপ্ৰেক্ষিতত ক’ভিড আক্ৰান্তৰ বাবে আশা কঢ়িয়াই আনিছে উত্তৰ-পূব সীমান্ত ৰেলৱে আৰু স্বাস্থ্য বিভাগে। এইবাৰ ৰেলৰ দবাক ক’ভিড কেয়াৰ চেণ্টাৰলৈ ৰূপান্তৰ কৰি আক্ৰান্তক সেৱা আগবঢ়াবলৈ সাজু হৈছে। ইতিমধ্যে মৰিয়নিত তেনে এখন ৰেল সাজু হৈ উঠিছে। স্বাস্থ্য বিভাগৰ পৰামৰ্শ মৰ্মে দুদিনমান পূৰ্বে ডিব্ৰুগড়ৰ পৰা অহা এই বিশেষ ৰেলখন মৰিয়নিত উপস্থিত হয়। মৰিয়নি ৰেলৱে ষ্টেছনৰ তিনি নম্বৰ প্লেটফৰ্মত বিশেষ ৰেলখন ৰখাই ইতিমধ্যে ৰেল বিভাগে ৰেলখনৰ সকলো কাম সম্পূৰ্ণ কৰিছে। এই বিশেষ ৰেলখনত থকা ডবাসমূহৰ ভিতৰত ২০ টা আইছ’লেছন দবা ক’ভিড ১৯ আক্ৰান্তৰ বাবে ব্যৱহাৰ কৰা হ’ব। এই সন্দৰ্ভত

*ছয় পৃষ্ঠাত চাওক*

# যোৰহাটত নিজ আৱাসতে হোম আইছ’লেছনত আক্ৰান্ত শ্ৰমিক

**চাহ বাগিচাত ভয়ংকৰ গণ সংক্ৰমণৰ আশংকা আটছাৰ**

ষ্টাফ ৰিপ’ৰ্টাৰ

**যোৰহাট, ১৫ মে’ ঃ** অতিমাৰী ক’ভিড আক্ৰান্তই বিশ্বজুৰি ত্ৰাস সৃষ্টি কৰাৰ সময়ত যোৰহাট জিলা চাহ বাগিচাসমূহত ৰাজ্য চৰকাৰৰ নীতি-নিৰ্দেশনা উলংঘা কৰি বাগিচাৰ আৱাসত হোম আইছ’লেছনৰ ব্যৱস্থা কৰা হৈছে ক’ভিড আক্ৰান্ত শ্ৰমিকৰ। ফলত যিকোনো সময়তে বাগিচা অঞ্চলত গণ সংক্ৰমণৰ আশংকা কৰা হৈছে। প্ৰাপ্ত খবৰ অনুসৰি মৰিয়নিৰ দিছৈ চাহ বাগিচাৰ ভূএণা লাইনৰ দুগৰাকী ক’ভিড আক্ৰান্ত মহিলা শ্ৰমিক নিজ আৱাসতে হোম আইছ’লেছনত আছে। চাহ বাগিচাখনৰ ক্ৰমে ববিতা তাঁতী (২৪) আৰু জোনটি তাঁতী (২২)ৰ যোৱা পাঁচ মে’ত ক’ভিড পজিটিভ বুলি ধৰা পৰাৰ পাছৰে পৰা নিজ গৃহতে হোম আইছ’লেছনত আছে। দুয়োগৰাকী বোৱাৰী, তেওঁলোকৰ কেঁচুৱাসহ পৰিয়াল একেটা গৃহতে বসবাস কৰে তাৰ পাছত তেওঁলোক কিমানদূৰ পৰিয়ালৰ আন মানুহৰ পৰা নিজকে নিলগাই ৰাখিবলৈ সক্ষম হৈছে, তাত সন্দেহ আছে। ইপিনে, চৰকাৰী বিধি অনুসৰিয়ে হোম আইছ’লেছন তেতিয়াহে সম্ভৱ যেতিয়া ঘৰখনত ৰোগীৰ বাবে সুকীয়া শৌচাগাৰ থাকে। যদি সুকীয়া শৌচাগাৰ নাথাকে তেন্তে তেনে গৃহত হোম আইচ’লেছন সম্ভৱ

*ছয় পৃষ্ঠাত চাওক*

# গোসাঁইগাঁৱত আদিবাসী দল-সংগঠন-গাঁওবুঢ়াসকলৰ আজি ২৫ সংখ্যক ক’লা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**দোতমা/শ্ৰীৰামপুৰ, ১৫ মে’ ঃ** আদিবাসী বড়োৰ গোষ্ঠী সংঘৰ্ষৰ ২৫ বছৰ। কিন্তু আজিৰ দিনটো কোনেও পাহৰা নাই। বিগত ১৯৯৬ত কোকৰাঝাৰ জিলা গোসাঁইগাঁও চহৰৰ নাতিদূৰৈত অৱস্থিত সত্যপুৰ গাঁৱত মাহটোৰ দ্বিতীয় সপ্তাহৰ এদিন দুপৰীয়া উদ্ধাৰ হয় তিনিগৰাকী যুৱতীৰ মৃতদেহ। জনজাতীয় চেহেৰাৰ মৃতদেহকেইটাৰ মুখত এচিদ ঢালি চিনিব নোৱৰা কৰি থয় ঘাতকে। মৃতদেহকেইটা পৰি থকা গাঁওখন যিহেতু আদিবাসী (চাওতাল) অধ্যুষিত গাঁও সেয়ে লগে লগে প্ৰচাৰ হ’ল কোনো চাওঁতাল মানুহে অতি নৃশংসভাৱে নিৰ্যাতন চলাই বড়ো মহিলাক হত্যা কৰিছে। কোনে কি উদ্দেশ্যেৰে সংঘটিত কৰিলে এই নৃশংস কাণ্ড। মুকলি স্থানত পৰি থকা অৰ্ধনগ্ন মৃতদেহকেইটা প্ৰত্যক্ষ কৰি উত্তেজিত হৈ পৰে একাংশ লোক। বিভিন্ন উৰা বাতৰিয়ে বিভ্ৰান্ত কৰি তোলে বহুজনক। সংঘটিত হোৱা হিংসাৰ দাবালন আজিও মানসপটত ভাহি থকা

*ছয় পৃষ্ঠাত চাওক*



## আৰক্ষী প্ৰশাসনৰ কটকটীয়া তালাচী

# নগালেণ্ডত এসপ্তাহৰ সম্পূৰ্ণ তলাবন্ধ



বিশেষ সংবাদদাতা

**নগাবাট, ১৫ মে’ ঃ** কৰ’নাৰ বিভীষিকাই জোঁকাৰি গৈছে অসমৰ চুবুৰীয়া ৰাজ্য নগালেণ্ডক। ১৪ মে’ৰ সন্ধিয়া ছয় বজাৰ পৰা ২১ মে’লৈ সমগ্ৰ ৰাজ্যখনত সাতদিনৰ বাবে আৰম্ভ হৈছে সম্পূৰ্ণ তলাবন্ধ। বৰ্তমান ৰাজ্যখনৰ মুখ্য চহৰ ডিমাপুৰ, ক’হিমা, মোককচাং, ৰাখা, মন, টুৱেনচাং আদিৰ সকলো দোকান-বজাৰ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ দুই-এখন দোকান চৰকাৰৰ অনুমতি সাপেক্ষে খোলা হৈছে যদিও তেওঁলোকে সম্পূৰ্ণৰূপে ক’ভিড নিয়ম মানি চলা পৰিলক্ষিত হৈছে। নগালেণ্ডৰ আৰক্ষী প্ৰশাসনে চহৰসমূহত কটকটীয়া তালাচীৰ ব্যৱস্থা আৰম্ভ কৰিছে। জৰুৰীকালীন সেৱাসমূহৰ বাহিৰে আন সকলো যান-বাহনৰ চলাচলত বাধা আৰোপ কৰিছে আৰক্ষী প্ৰশাসনে। ক’ভিডৰ ক্ষেত্ৰত চৰকাৰে জাৰি কৰা নিৰ্দেশনা ভংগকাৰীসকলৰ বিৰুদ্ধে আৰক্ষীয়ে লৈছে কঠোৰ আইনী ব্যৱস্থা। অৱশ্যে

*ছয় পৃষ্ঠাত চাওক*

**২০৫টা পৰিয়ালৰ সদস্য ঘৰতে আবদ্ধ**

# টিংখাঙত ক’ভিডৰ কবলত এখন কৃষিপ্ৰধান গাঁও



অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ১৫ মে’ ঃ** কৰ’না অতিমাৰীৰ কবলত পৰিছে ডিব্ৰুগড় জিলাৰ টিংখাঙৰ এখন গাঁও। টিংখাঙৰ বামুণবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ন-খাট গাঁৱত শতাধিক লোকৰ শৰীৰত ক’ভিড-১৯ৰ উপস্থিতি ধৰা পৰাৰ পাছত গাঁওখনক ইতিমধ্যে কণ্টেইনমেণ্ট জ’ন ৰূপে ঘোষণা কৰা হৈছে। ক’ভিডত

*ছয় পৃষ্ঠাত চাওক*

**অসম কৃষি বিশ্ববিদ্যালয়ত কৃষিমন্ত্ৰী অতুল বৰা ঃ উপাচাৰ্যৰে পৰ্যালোচনা**

# কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষকৰ খালী পদ পূৰণৰ আশ্বাস



ষ্টাফ ৰিপ’ৰ্টাৰ

**যোৰহাট, ১৫ মে’ ঃ** কৃষিমন্ত্ৰী হিচাপে একেৰাহে দ্বিতীয়বাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰা অতুল বৰাই আজি অসম কৃষি বিশ্ববিদ্যায়ৰ উপাচাৰ্যৰ স’তে এক বৈঠকত মিলিত হয়। যোৰহাটস্থ বিশ্ববিদ্যালয়ৰ অতিথিশালাত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত বৰাই কৃষিমন্ত্ৰী বৰাই উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ স’তে ক’ভিডসৃষ্ট পৰিস্থিতিত কৃষি ক্ষেত্ৰৰ ভূমিকা আৰু ৰাজ্যৰ কৃষি অৰ্থনীতি সবলীকৰণৰ বাবে কৰণীয় বিষয়ত আলোচনা কৰে। এই আলোচনাত ক’ভিডসৃষ্ট পৰিৱেশৰ দৰে জটিল সময়ত তথা সামগ্ৰিকভাৱে ৰাজ্যৰ কৃষি ব্যৱস্থাৰ উত্তৰণৰ দিশত উপাচাৰ্যজনে পৰামৰ্শ আগবঢ়ায়। এই ক্ষেত্ৰত প্ৰধানকৈ দুতৰপীয়া শস্যক্ৰমৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব বুলি উপাচাৰ্য ড° ডেকাই মত ব্যক্ত কৰে। দ্বিতীয়তে, ৰাজ্যখনক কণী আৰু মাংস

*ছয় পৃষ্ঠাত চাওক*

**ৰাইজে গাঁঠিৰ ধন ভাঙি বাঁহৰ দলং সাজি যাতায়াত অব্যাহত, শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী**

# ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ বিৰুদ্ধে দলপা পথাৰবাসীৰ তীব্ৰ ক্ষোভ



অগ্ৰদূত বাৰ্তা

**লালুক, ১৫ মে’ ঃ** লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ বিহু ভিতৰুৱা অঞ্চলৰ যাতায়াত অৱস্থা আজিও পুতৌজনক হৈ আছে। অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ পৰা বিভিন্ন শিতানত অহা সমষ্টি উন্নয়নৰ ধনৰ আঁচনিসমূহ ৰূপায়ণত জনপ্ৰতিনিধিয়ে চলোৱা ব্যাপক লুণ্ঠনৰ বাবে সমষ্টিবাসীয়ে আজি পৰ্যন্ত উন্নয়নৰ মুখ দেখা নাই। লালুকৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ১৭ নম্বৰ পাভ (লালুক) সমষ্টিৰ অন্তৰ্গত দলপা পথাৰ, বিষ্ণুপুৰ ঠেংগাল গাঁৱৰ পুতৌজনক যাতায়াত ব্যৱস্থাই যুগ যুগ ধৰি অঞ্চলটোৰ ৰাইজক জ্বলা- কলা খুৱাই অহাৰ ছবিখনে এই কথাকে প্ৰতিপন্ন কৰিছে। এতিয়াও জনসাধাৰণে

*ছয় পৃষ্ঠাত চাওক*

# গৰাখহনীয়াই নিদ্ৰা হৰিছে দৰং জিলাৰ কিৰিংবৰীবাসী ৰাইজৰ

**গ্ৰাস কৰিছে কৃষিভূমি**



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১৫ মে’ ঃ** সমগ্ৰ ৰাজ্যত কৰ’না মহামাৰীয়ে ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তে দৰঙৰ কিৰিংবৰীত ননৈৰ গৰাখহনীয়াই ৰাইজৰ নিদ্ৰা হৰণ কৰিছে। বিগত বছৰত ননৈৰ গৰাখহনীয়াই ৰাইজক জুৰুলা কৰাত তাৎক্ষণিকভাৱে তদানীন্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ প্ৰচেষ্টাত জিলা প্ৰশাসনে সাময়িকভাৱে গৰাখহনীয়া ৰোধৰ কিছু পদক্ষেপ গ্ৰহণ কৰিছিল যদিও এইবেলি পূৰণৰ ন ন ঠাইত চপৰা-চপৰকৈ খহি পৰা ননৈৰ খহনীয়াই বহু কৃষিভূমি গ্ৰাস কৰিছে। কিৰিংবৰী গাঁৱৰ পৰা তিনিশ মিটাৰ নিলগত থকা ননৈৰ গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে তদানীন্তন বিধায়কৰ প্ৰচেষ্টাত এছডিআৰএফ আঁচনিৰ অধীনত মুঠ ১.৫৮ কোটি টকাৰ প্ৰাককলন প্ৰস্তুত কৰি ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগলৈ পঠিয়াইছিল যদিও উক্ত ধন মঞ্জুৰি নোহোৱাত কামটো আৰম্ভ নহ’ল। এইবেলি পুনৰ বাৰিষাৰ আগমনৰ লগে লগে শংকিত হৈছে কিৰিংবৰীবাসী ৰাইজ। অতি

*ছয় পৃষ্ঠাত চাওক*

# খুৱাকে লাঠিৰে কোবাই হত্যা কৰিলে যুৱকক

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ১৫ মে’ ঃ** শোণিতপুৰ জিলাৰ শিঙৰী আৰক্ষী চকীৰ অন্তৰ্গত বালিজান কচাৰী গাঁৱত কালি সন্ধিয়া গাঁৱৰে স্বপ্নীল দাস (২১)ক তোলন দাস নামৰ লোকজনে অতি নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যা কৰে। কোনো কথাত ক্ষুণ্ণ হৈ পৰা তোলনে হিতাহিত জ্ঞান হেৰুৱাই স্বপনীলক লাঠিৰে নিৰ্মমভাৱে প্ৰহাৰ কৰাত যুৱকজনৰ মৃত্যু ঘটে। নিহত স্বপনীল আৰু তোলন সম্পৰ্কত খুৱাক আৰু ভতিজাক। এই ঘটনাৰ খবৰ

*ছয় পৃষ্ঠাত চাওক*

# এবছৰে চিকিৎসক নাই বাৰেঙাবাৰী স্বাস্থ্য কল্যাণ কেন্দ্ৰত

**চিকিৎসক নিয়োগৰ দাবীৰে উপায়ুক্তলৈ স্মাৰকপত্ৰ ছাত্ৰ সন্থাৰ**

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৫ মে’ ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী তথা বাগসা জিলাৰ শালবাৰী বাৰেঙাবাৰীস্থিত বাৰেঙাবাৰী স্বাস্থ্য কল্যাণ কেন্দ্ৰত আজি এবছৰ ধৰি চিকিৎসক নথকা বাবে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে সমস্যাৰ সন্মুখীন হৈ আহিছে। ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আজি মানাহ আঞ্চলিক ছাত্ৰ সন্থাই বাৰেঙাবাৰী স্বাস্থ্য কল্যাণ কেন্দ্ৰ, আয়ুষ্মান ভাৰতত অচিৰেই এগৰাকী দক্ষ চিকিৎসক নিয়োগ কৰিবলৈ শালবাৰী মহকুমাধিপতি নিত্য বিনোদ ৰাৱীৰ জৰিয়তে বাগ্‌সা জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। মানাহ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জ্যোতিষ তাঁতীয়ে স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত যি সময়ত সমগ্ৰ অসমতে কৰ’না মহামাৰীয়ে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে তেনে সময়ত স্বাস্থ্য কেন্দ্ৰটোত

*ছয় পৃষ্ঠাত চাওক*

**বৰপেটা জিলা উপায়ুক্তৰ দ্বাৰা ছয় বিষয়াক দায়িত্ব অৰ্পণ**

# দণ্ডাধীশৰ কঠোৰ নিৰীক্ষণত ক’ভিড ৰোগীৰ চিকিৎসা সেৱা

বিশেষ সংবাদদাতা

**বৰপেটা, ১৫ মে’ ঃ** ক’ভিড ৰোগীসকলে চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ হেমাহী বা অৱহেলাৰ বলি হ’বলগীয়া নহয় সেয়া নিশ্চিত কৰাৰ উদ্দেশ্যে বৰপেটা জিলাৰ দুখন প্ৰধান চিকিৎসালয় ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু বৰপেটা অসামৰিক চিকিৎসালয় নিয়মীয়াকৈ পৰিদৰ্শন কৰিবলৈ ছগৰাকী দণ্ডাধীশ নিয়োগ কৰা হৈছে। বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তেজ প্ৰসাদ ভূষালে কালি জাৰি কৰা এটা নিৰ্দেশ ক্ৰমে সপ্তাহৰ বিভিন্ন দিনত সুকীয়া সুকীয়া কাৰ্যবাহী দণ্ডাধীশক এই দায়িত্ব অৰ্পণ কৰা হৈছে। সেই অনুসৰি ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক’ভিড ৰোগীৰ চিকিৎসাৰ বুজ লোৱাৰ বাবে সোমবাৰে বৰপেটাৰ চক্ৰ বিষয়া প্ৰাঞ্জল

*ছয় পৃষ্ঠাত চাওক*

# সাপ্তাহিক বজাৰ বন্ধত স্তব্ধ জীৱন-জীৱিকা

**বাঁহ শিল্পকৰ্মৰ লগত জড়িত নগৰবেৰাৰ তিনি শতাধিক পৰিয়ালৰ নাজল-নাথল অৱস্থা**

**আলোপতি, ১৫ মে’ ঃ** কৰ’না সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ লগে লগে চৰকাৰে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। একাংশ লোকে চৰকাৰৰ ক’ভিড বিধিক অমান্য কৰি সংক্ৰমণ বৃদ্ধিত সহযোগ কৰাৰ ফলশ্ৰুতিত ৰাজ্য চৰকাৰে সাপ্তাহিক বজাৰসমূহ অনিৰ্দিষ্ট কাললৈ বন্ধ ৰখাৰ নিৰ্দেশনা জাৰি কৰাৰ লগে লগে বহু পৰিয়ালৰ জীৱন-জীৱিকাত বিৰূপ প্ৰভাৱ পৰিছে। কামৰূপ জিলাৰ নগৰবেৰা, মালিবাৰী, সোণতলী, টুপামাৰী, বিদ্যানগৰ



সাপ্তাহিক বজাৰ, গোৱালপাৰা জিলাৰ শিমলীতোলা, ধুপধৰা আৰু বৰপেটা জিলাৰ আলোপতি মাজৰচৰ, বাঘমাৰাচৰ, বাঘবৰ আদি বৃহৎ বৃহৎ সাপ্তাহিক বজাৰসমূহ বন্ধ হৈ পৰাত নগৰবোৰৰ তিনি শতাধিক পৰিয়ালৰ নাজল-নাথল অৱস্থাৰ সৃষ্টি হৈছে। নগৰবেৰাৰ শগুনবাহী গাঁৱৰ দুই শতাধিক পৰিয়াল বাঁহ শিল্পকৰ্মৰ লগত জড়িত। এইসকল লোকে বাঁহেৰে প্ৰস্তুত কৰা ঢাৰি, ডুলি, বিচনী, চালনি আদি ওচৰৰ সাপ্তাহিক বজাৰসমূহত বিক্ৰী কৰি পৰিয়াল পোহ-পাল দি আহিছে। একেদৰে নগৰবেৰাৰ বিদ্যানগৰ, নাইটৰ আৰু অদলা গাঁৱৰ শতাধিক পৰিয়ালেও বাঁহৰ বিভিন্ন সামগ্ৰী বনাই বিক্ৰী কৰে উল্লিখিত সাপ্তাহিক বজাৰসমূহত। কিন্তু

*ছয় পৃষ্ঠাত চাওক*

# ডিমা হাছাৱত পিষ্টলসহ এন এছ চি এন (কে)ৰ যোগাযোগকাৰী গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**ডিফু, ১৫ মে’ ঃ** পাহাৰীয়া জিলাকেইখনত উগ্ৰপন্থী সংগঠনৰ তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাই আহিবলৈ লোৱাৰ সময়তে আজি পুৱতি নিশা সেনাবাহিনীৰ এটা দলে জিলাখনত অভিযান চলাই এনএছচিএনৰ এজন লিংকমেনক আটক কৰাৰ লগতে লিংকমেনটোৰ জিম্মাৰ পৰা এটা পিষ্টল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত উগ্ৰপন্থীৰ লিংকমেনটো জিলাখনৰ লাইচং নিবাসী ইগাইনেয়িং নেওমী বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি নগা উগ্ৰপন্থী সংগঠন এনএছচিএন (কে)ৰ লিংকমেনটোৱে দীৰ্ঘদিন ধৰি

*ছয় পৃষ্ঠাত চাওক*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১ জেঠ ১৪২৮ ভাস্কৰাব্দ ১৬ মে’ ২০২১



# বি ১.৬১৭



সাধাৰণতে নিজৰ ঠাই, ৰাজ্য বা দেশৰ নাম সমগ্ৰ বিশ্বতে প্ৰচাৰ লাভ কৰিলে আমি সকলোৱেই ভাল পাওঁ বা গৌৰৱবোধ কৰো; কিন্তু যেতিয়া নিজৰ ৰাজ্যৰ বা দেশৰ নামটো কোনো অমংগলীয়া ঘটনা বা ভয়াৱহ ব্যাধিৰ স’তে যুক্ত কৰি প্ৰচাৰ কৰা হয়, তেতিয়া তেনে গৌৰৱবোধ কৰিব নোৱাৰি, বৰঞ্চ লজ্জাবোধহে হ’ব পাৰে। ভাৰতত দেখা দিয়া এবিধ কৰ’না ভাইৰাছক কেন্দ্ৰ কৰি সম্প্ৰতি ভাৰতৰ নাম সমগ্ৰ বিশ্বতে প্ৰচাৰ হৈছে; কিন্তু ইয়াৰ বাবে ভাৰতে অকণো গৌৰৱবোধ কৰিব পৰা নাই। এই কৰ’না ভাইৰাছবিধৰ নাম ইণ্ডিয়ান ভেৰিয়েন্ট অৰ্থাৎ ভাৰতীয় প্ৰজাতি। কৰ’না ভাইৰাছৰ এই অতি ভয়াৱহ হৈ পৰা প্ৰজাতি প্ৰথমে মহাৰাষ্ট্ৰত ধৰা পৰিছিল। বিজ্ঞানীসকলে আৰু বিশ্ব স্বাস্থ্য সংস্থাই মহাৰাষ্ট্ৰত প্ৰথমে ধৰা পৰা এই নতুন কৰ’না ভাইৰাছৰ নাম বি ১.৬১৭ নামেৰে নামকৰণ কৰিছে; কিন্তু বিভিন্ন সংবাদ মাধ্যমত কৰ’না ভাইৰাছৰ এই নতুন ৰূপ বা প্ৰজাতিৰ নাম ‘ইণ্ডিয়ান ভেৰিয়েন্ট’ বুলি প্ৰচাৰ লাভ কৰিছে। সেয়ে সকলোৱে ইয়াক ইণ্ডিয়ান ভেৰিয়েন্ট বুলি ক’বলৈ লৈছে। বিশ্বৰ বিভিন্ন দেশত এই মাৰাত্মক কৰ’না ভাইৰাছৰ নাম ‘ইণ্ডিয়ান ভেৰিয়েন্ট’ হিচাপে প্ৰচাৰ লাভ কৰিছে। আনকি ইণ্ডিয়ান ভেৰিয়েন্টৰ নাম শুনিলেই মানুহে ভয় কৰা হ’ল। এইদৰেই যোৱা মাহকেইটাত ইণ্ডিয়ান ভেৰিয়েন্ট নামটোৱে আতংকৰ সৃষ্টি কৰিছে। ভাৰত চৰকাৰে এই বিষয়ত আৰম্ভণিৰ সময়ছোৱাত মাত মতা নাছিল; কিন্তু যোৱা ১২ মে’ত ভাৰত চৰকাৰে কৰ’না ভাইৰাছৰ শেহতীয়া মিউটেন্ট বা পৰিৱৰ্তিত ৰূপ অথবা সংস্কৰণ (ভাৰ্ছন) টোক ভাৰতীয় নামেৰে ইণ্ডিয়ান ভেৰিয়েন্ট বুলি কোৱা বা লিখাত আপত্তি দৰ্শাইছে। ভাৰত চৰকাৰে এই মিউটেন্ট ভাইৰাছক ইয়াৰ বৈজ্ঞানিক নাম বি ১.৬১৭ বুলি ক’ব আৰু ব্যৱহাৰ কৰিব লাগে বুলি দাবী কৰিছে। এই ভাইৰাছক ইণ্ডিয়ান ভেৰিয়েন্ট বুলি কোৱাটো ভুল আৰু অবৈজ্ঞানিক বুলি দাবী কৰিছে ভাৰত চৰকাৰে। এই সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থা (হু)ই কৈছে যে ‘হু’ৱে এই ভাইৰাছক ইণ্ডিয়ান ভাইৰাছ হিচাপে চিনাক্ত কৰা নাই আৰু সেই নামটোও ক’তো উল্লেখ কৰা নাই। ‘হু’ৱে সদায় এই ভাইৰাছৰ বৈজ্ঞানিক নাম উল্লেখ কৰি আহিছে। সংবাদ মাধ্যমতহে এই নামটোৱে প্ৰচাৰ লাভ কৰিছে। দৰাচলতে তথাকথিত ইণ্ডিয়ান ভেৰিয়েন্ট-এ দেখা দিয়াৰ পূৰ্বে ইউ কে (অথবা ব্ৰিটেইন), দক্ষিণ আফ্ৰিকা, ব্ৰাজিল আদিত সুকীয়া সুকীয়া ভেৰিয়েন্ট বা প্ৰজাতিয়ে দেখা দিছিল; কিন্তু এই প্ৰজাতিবিলাকৰ বৈজ্ঞানিক নাম বহুতেই নাজানে। সেয়ে ইউ কে ভেৰিয়েন্ট, দক্ষিণ আফ্ৰিকা ভেৰিয়েন্ট আৰু ব্ৰাজিল ভেৰিয়েন্ট বুলিহে উল্লেখ কৰা দেখা যায়। প্ৰকৃততে ইউ কে ভেৰিয়েন্টৰ বৈজ্ঞানিক নাম বি ১.১.৭, দক্ষিণ আফ্ৰিকাৰ ভেৰিয়েন্ট বি ১.৩৫১ আৰু ব্ৰাজিল ভেৰিয়েন্টৰ বৈজ্ঞানিক নাম পি. ১ বুলি জনা যায়। অথচ নিৰ্ভুল আৰু বৈজ্ঞানিক যদিও এই নামবিলাক পৰিচিত নহয়। সেয়ে সংবাদ মাধ্যমত এইবিলাক ইউ কে ভেৰিয়েন্ট, দক্ষিণ আফ্ৰিকা ভেৰিয়েন্ট আৰু ব্ৰাজিল ভেৰিয়েন্ট বুলি উল্লেখ কৰা দেখা যায়। এই দেশবিলাকে অৱশ্যে এই ক্ষেত্ৰত কোনো আপত্তি কৰা নাই। ভাৰতে কিন্তু আপত্তি নকৰাকৈ নাথাকিল। এবিধ মাৰাত্মক ভাইৰাছক ভাৰতীয় নামেৰে চিনাক্ত কৰাটো ভাৰতে নিবিচৰাই স্বাভাৱিক। এই নামৰ ব্যৱহাৰে ভাৰতৰ সুনাম কলংকিত কৰাৰ আশংকাও হয়তো কিছুমানে কৰিব পাৰে। আনহাতে, ইতিমধ্যে প্ৰচাৰ হৈছে যে ভাৰতীয় ভেৰিয়েন্ট অথবা বি ১.৬১৭ প্ৰজাতিটো অতি বিপজ্জনক আৰু অতি ক্ষিপ্ৰতাৰে কম সময়ৰ ভিতৰত বহু লোকৰ দেহত সংক্ৰমণ ঘটাবলৈ ই সক্ষম। ইয়াৰ পূৰ্বে যিকেইটা পৰিৱৰ্তিত প্ৰজাতি ধৰা পৰিছে, সেইকেইটা হয়তো ইমান ক্ষতিকাৰক বা বিপজ্জনক নহয়।

উল্লেখ্য যে কৰ’না ভাইৰাছক প্ৰথমে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে ‘চীনা ভাইৰাছ’ বুলি কৈ বিতৰ্কৰ সৃষ্টি কৰিছিল। চীন দেশৰ উহানত কৰ’না ভাইৰাছ প্ৰথমে ধৰা পৰিছিল সঁচা; কিন্তু এই ভাইৰাছক চীনা ভাইৰাছ হিচাপে চিনাক্ত কৰাত বিশ্ব স্বাস্থ্য সংস্থাই আপত্তি দৰ্শাইছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে কৰ’না ভাইৰাছক চীনা ভাইৰাছ নাম দিয়াত চীনৰ চৰকাৰ ক্ষুব্ধ হৈছিল আৰু ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। ভাৰতেও বি ১.৬১৭ ভাইৰাছক ভাৰতীয় ভাইৰাছ বা ইণ্ডিয়ান ভেৰিয়েন্ট বুলি কোৱাত আপত্তি কৰিছে। প্ৰশ্ন হৈছে, ‘ইণ্ডিয়ান ভেৰিয়েন্ট’ৰ সন্দৰ্ভত যিবিলাক কথা প্ৰচাৰ হৈছে আৰু ইয়াক যিদৰে অতি মাৰাত্মক বা বিপজ্জনক হিচাপে দেখুওৱা হৈছে, তাত কিমান সত্যতা আছে? ইউ কে ভেৰিয়েন্ট প্ৰমুখ্যে অন্যান্য প্ৰজাতিৰ ভাইৰাছবোৰ কম বিপজ্জনক নেকি? এই বিষয়ত বিশেষজ্ঞ বিজ্ঞানীসকলে আগবঢ়োৱা মন্তব্য বা সিদ্ধান্তবোৰ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। ভাইৰাছৰ বিশেষজ্ঞৰ মতে, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ প্ৰজাতিৰ ভাইৰাছ কম বিপজ্জনক নহয়। এই প্ৰজাতিৰ ভাইৰাছ অধিক সংক্ৰামক আৰু প্ৰতিৰোধকো অতিক্ৰম কৰিব পাৰে। অৰ্থাৎ প্ৰতিষেধক এই ভাইৰাছৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাত সফল নহ’বও পাৰে। এই প্ৰজাতিৰ ভাইৰাছে ভাইৰাছ প্ৰতিৰোধী এন্টিবডিবিলাকক পৰাভূত কৰিবলৈ সক্ষম। বিজ্ঞানীৰ মতে ইউ কে অথবা ব্ৰিটেইনৰ প্ৰজাতিটোও কম বিপজ্জনক নহয়। এই প্ৰজাতিয়েও চিকিৎসা বিজ্ঞানীসকলক চিন্তিত কৰিছে; কিন্তু ভাইৰাছৰ এই প্ৰজাতিবিলাকৰ বিষয়ত চিকিৎসা বিজ্ঞানীসকলে যিমান তথ্য লাভ কৰিছে আৰু গৱেষণা কৰিছে, তাৰ বিপৰীতে মহাৰাষ্ট্ৰত ধৰা পৰা বি ১.৬১৭ প্ৰজাতিৰ ভাইৰাছৰ বিষয়ে প্ৰয়োজনীয় গৱেষণা তথা অধ্যয়ন হোৱা নাই। সেয়ে বি ১.৬১৭ৰ বিষয়ে প্ৰয়োজনীয় তথ্য বিজ্ঞানীসকলে লাভ কৰা নাই; কিন্তু ভাৰতত এই ভাইৰাছ ভয়াৱহভাৱে সংক্ৰামক হিচাপে দেখা দিছে আৰু ল’ৰাৰ পৰা বয়োজ্যেষ্ঠলৈকে কাকো ৰেহাই দিয়া নাই। যোৱা বছৰৰ কৰ’না ভাইৰাছত আক্ৰান্তৰ মৃত্যুৰ হাৰতকৈ এই বছৰত অতি কম সময়ৰ ভিতৰতে মৃত্যুৰ হাৰ ভয়াৱহভাৱে বৃদ্ধি পোৱাৰ আঁৰত এই নতুন প্ৰজাতিৰ ভাইৰাছ বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যে বিশ্বৰ ৪০ খন দেশলৈ বি ১.৬১৭ ভাইৰাছ বিয়পিছে। অৱশ্যে ইউ কে প্ৰজাতিৰ ভাইৰাছ বিয়পিছে ৫০ খন দেশলৈ।

পৃথিৱীত অসংখ্য প্ৰজাতিৰ ভাইৰাছ আছে, যিবিলাকৰ কোনো সীমা-সংখ্যা নাই। ভাইৰাছৰ এটা প্ৰধান চৰিত্ৰ হ’ল, ইহঁতে সকলো সময়তে নিজকে মিউটেট বা উৎপৰিৱৰ্তন ঘটাই নিজে বেলেগ বেলেগ ভেৰিয়েন্ট বা প্ৰজাতিৰ ৰূপ লয়। এনেদৰে ৰূপ সলোৱা ন ন প্ৰজাতিৰ সকলো ভাইৰাছ বিপজ্জনক নহয়; কিন্তু কিছুমান ৰূপান্তৰিত প্ৰজাতি অধিক বিপজ্জনক হ’ব পাৰে। সেইবিলাক অধিক সংক্ৰামক আৰু প্ৰতিষেধকে এনে ভাইৰাছক সহজে পৰাভূত কৰিব নোৱাৰে। ভাৰতৰ মহাৰাষ্ট্ৰত ধৰা পৰা বি ১.৬১৭ ভাইৰাছ ইমানেই বেছি সংক্ৰামক যে ৩৬১ গৰাকী লোকৰ পৰীক্ষাত ২২০ জনৰ দেহত এইবিধ ভাইৰাছ ধৰা পৰিছিল। বিশ্ব স্বাস্থ্য সংস্থাই মহাৰাষ্ট্ৰত ধৰা পৰা বি ১.৬১৭ প্ৰজাতিৰ ভাইৰাছ সমগ্ৰ বিশ্বৰ বাবেই বিপজ্জনক বুলি ঘোষণা কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতৰ সহযোগ আৰু সমৰ্থনত এই ভাইৰাছৰ বিস্তৃত তথ্য আহৰণ আৰু অধিক অধ্যয়ন-গৱেষণা কৰক আৰু ইয়াৰ প্ৰতিষেধক প্ৰস্তুত কৰাত বিজ্ঞানীসকলক সহায় কৰক— এয়া সকলোৰে আশা।

# দেশত এতিয়া মানৱতাৰ দুৰ্ভিক্ষ

## জনকল্যাণৰ ৰাজনীতি ভাহি গৈছে হিতস্বাৰ্থৰ অপৰাজনীতিৰ স্ৰোতত



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

ৰাজ্যৰ একাধিক জ্যোতিষী, বৰপেটা সত্ৰ, কালপুৰুষ পঞ্জিকাৰ ভৱিষ্যদ্বাণী মিছা প্ৰমাণিত কৰি হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হ’ল। দুমাহ মানৰ আগতে মই লিখিছিলো এয়া এশ শতাংশ সত্য যে অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হ’ব হিমন্ত বিশ্ব শৰ্মা। সেয়া সঁচা প্ৰমাণিত হ’ল। মুখ্যমন্ত্ৰীৰ সন্মুখত এতিয়া কৰ’নাৰ দুৰ্যোগ। দিনে দিনে বাঢ়িছে সংক্ৰমণ। বাঢ়িছে মৃত্যুৰ সংখ্যা।

জীয়াই থকাৰ দৰে ডাঙৰ কোনো প্ৰত্যাশা মানুহৰ জীৱনত নাই। কৰ’নাৰ দৰে বৈশ্বিক মহামাৰীত মানুহৰ জীৱন ৰক্ষা সবাতোকৈ ডাঙৰ চেলেঞ্জ। জীৱন ৰক্ষা কৰিবলৈ গৈ জীৱিকাৰ ওপৰত আঘাত আহিছে। আকৌ জীৱিকা অব্যাহত ৰাখিবলৈ গৈ জীৱন ভাবুকিৰ মুখত পৰিছে। জীৱন ঝুঁকিৰ মাজত পৰিলেও মানুহৰ জীৱিকাক অগ্ৰাহ্য কৰিব নোৱাৰে। সেয়ে এপিনে কৰ’নাত মানুহৰ মৃত্যু হৈছে, আনপিনে মানুহ জীয়াই থাকিবৰ বাবে জীৱিকাৰ নতুন পথৰ সন্ধান কৰিব লগা হৈছে। ফলত কঠিন হৈ পৰিছে মহামাৰী প্ৰতিৰোধৰ কাম। এই সংকটজনক পৰিস্থিতিৰ পৰা উত্তৰণৰ একমাত্ৰ ভাল উপায় হ’ল, জীৱন আৰু জীৱিকাৰ সমন্বয় সাধন কৰা। এই বিষয়ত বিতৰ্কৰ কোনো অৱকাশ নাই। বহুতেই কৈছে যে আগতে জীয়াই থকা দৰকাৰ। মানুহক জীয়াই ৰখা দৰকাৰ। তাৰ পাছত দেখা যাব কি কৰা যায়। ? এয়া সমাধানৰ কোনো পথ নহয়। কোৱা হয়, জীৱন আৰু জীৱিকা একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। ওতঃপ্ৰোতভাৱে জড়িত।

মানুহৰ মৌলিক চাহিদা পূৰণৰ ব্যৱস্থা কৰিবলৈ হ’লে মানুহৰ অৰ্থৰ প্ৰয়োজন। সম্পদৰ প্ৰয়োজন। এয়া আহৰণ কৰিব কোনে? ব্যক্তিকেন্দ্ৰিক হ’লে ব্যক্তি। আৰু ৰাষ্ট্ৰই যদি এইবোৰৰ সংস্থান দিয়ে, তেনেহ’লে ৰাষ্ট্ৰকো অৰ্থৰ প্ৰয়োজন। সেই অৰ্থ আহিব ক’ৰ পৰা? সেয়াও মানুহৰ পৰাই আহিব লাগিব। ৰাষ্ট্ৰৰ উৎসই সেয়ে মানুহ। মানুহৰ আয়ৰ সংস্থান যদি বন্ধ হৈ যায়, তেনেহ’লে ৰাষ্ট্ৰই অৰ্থ পাব কিভাবে?

বৈশ্বিক মহামাৰী কৰ’নাই কেৱল সামাজিক দূৰত্বই যে বঢ়াইছে সেয়া নহয়, বহু ক্ষেত্ৰত মানসিক দূৰত্বও বঢ়াইছে। কৰ’নাৰ দুৰ্যোগে নানা ফালে সৃষ্টি কৰিছে স্থৱিৰতা। ৰাজনীতিও ইয়াৰ বাহিৰত নহয়।

**দুই**

বৈশ্বিক সংবাদ মাধ্যমত জাতীয় বিপৰ্যয় মাতি অনাৰ বাবে মোদীকেই দায়ী কৰা হৈছে। দেশৰ কৰ’না সংকট তেওঁৰেই কৃতকৰ্মৰ ফল। নিজৰ বিচাৰ-বুদ্ধি-বিবেচনা আৰু অনুগত আমোলাৰ বদান্যতাত মোদীয়ে ইমানদিনে সংকটৰ মোকাবিলা যেনেকৈ কৰিছে, কৰ’না কালত সেয়া বুমেৰাং হৈ উভতি আহিছে। দিনে দিনে তেওঁৰ উজ্জ্বল ভাৱমূৰ্তিৰ অৱনতি ঘটিছে। মোদী চৰকাৰৰ প্ৰতি সৰ্বস্তৰীয় আস্থা এতিয়া ইমান তলত যে অক্সিজেন সংকট গুচাবলৈ ছুপ্ৰিম ক’ৰ্টে শনিবাৰে ১২ জনীয়া বিশেষজ্ঞৰ এক টাস্কফৰ্চ গঠন কৰিবলৈ বাধ্য হৈছে। এই সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি অনাস্থাৰেই নামান্তৰ। ইয়াৰ বাবে মোদীয়ে নিজৰ বাহিৰে আন কাকোৱেই দায়ী কৰিব নোৱাৰিব। দেশত এতিয়া মানৱতাৰ দুৰ্ভিক্ষ।

জানুৱাৰীৰ শেষত ‘ৱৰ্ল্ড ইক’নমি ফ’ৰাম’ৰ অধিবেশনত (ভাৰ্চুৱেল) অংশ লৈ মোদীয়ে কৰ’নাৰ বিৰুদ্ধে ভাৰত জয়ী হোৱাৰ কৃতিত্ব দাবী কৰিছিল। বিশ্বৰ তাবৎ বিশেষজ্ঞৰ আশংকাক ‘ভুল’ প্ৰতিপন্ন কৰি কৈছিল— কৰ’নাৰ বিৰুদ্ধে যুঁজক জন আন্দোলনত পৰিণত কৰি ভাৰত সফল হৈছে। গৰ্বেৰে কৈছিল— যি দেশত পৃথিৱীৰ ১৮ শতাংশ মানুহৰ বসবাস, তেওঁলোকে কেৱল নিজকেই নহয়, সমগ্ৰ বিশ্বক এই বিপদৰ হাতৰ পৰা ৰক্ষা কৰিছে।

তিনি মাহৰ ভিতৰত সেই গৰ্বৰ বেলুন কেৱল ফাটিয়েই নগ’ল, পৰিত্ৰাণৰ বাবে মোদীৰ ভাৰত আজি বিশ্বৰ কৃপাপ্ৰাৰ্থী। মোদী এতিয়া উপহাসৰ পাত্ৰ। মহাৰাষ্ট্ৰৰ শিৱসেনাই ক’বলৈ এৰা নাই মোদীৰ ভাৰত ইমানেই আত্মনিৰ্ভৰ যে বাংলাদেশ, ভূটান, নেপাল, ম্যানমাৰ, শ্ৰীলংকাইও আজি সাহায্যৰ হাত আগবঢ়াব লগাত কৰিছে।

বিখ্যাত মেডিকেল জাৰ্ণাল ‘দ্য লেনচেট’ৰ আশংকা এক আগষ্টৰ ভিতৰত ভাৰতত কৰ’নাৰ মৃত্যুৰ সংখ্যাই ১০ লাখ স্পৰ্শ কৰিব। আচ্ছে দিনৰ সলনি এতিয়াই দেশৰ আকাশ-বতাহ আচ্ছন্ন চিতাৰ জুই আৰু কবৰৰ হাহাকাৰত।

**তিনি**

ধৰ্মাশ্ৰয়ী ৰাজনীতিৰ উত্থান কিম্বা তাকে লৈ নানা কৌশলৰ খেলা বৃহৎ দলবোৰে কৰি আহিছে নিজৰ স্বাৰ্থত। ভোটৰ ৰাজনীতিৰ লক্ষ্যত। দেশৰ দীৰ্ঘদিনৰ ৰাজনীতিৰ মেৰুকৰণৰ য’ত সমীকৰণ হৈছে, সেয়া নিজৰ স্বাৰ্থসিদ্ধিৰ লক্ষ্যত। ফলত সুস্থ ধাৰাৰ ৰাজনীতিৰ পথ এপিনে ক্ৰমে কন্টকাকীৰ্ণ হৈছে, আনপিনে ভাবুকিৰ মুখত পৰিছে গণতন্ত্ৰ। কাৰো মতে গণতন্ত্ৰ হৈছে নিৰ্বাচিত চৰকাৰ। কাৰো মতে মুঠেই নহয়। গণতন্ত্ৰ বহু ডাঙৰ বিষয়। এক পৰিপূৰ্ণ সংস্কৃতি। সংজ্ঞালৈ মতবিৰোধ যিমানেই নাথাকক, গণতন্ত্ৰ যে পৰিচিত শাসন ব্যৱস্থাবোৰৰ মাজত সৰ্বোত্তম, তাকে লৈ কোনো দ্বিমত নাই। সৰ্বোত্তম কিয়, সেয়াও আমি জানো। কাৰণ গণতন্ত্ৰই ব্যক্তিক মৰ্যাদা দিয়ে। কেৱল মৰ্যাদাই নিদিয়ে, ব্যক্তিৰ অধিকাৰ, স্বাৰ্থ, বিকাশ এইবোৰ বিবেচনাৰ একেবাৰে কেন্দ্ৰবিন্দুত ৰাখে। ব্যক্তিৰ স’তে সমষ্টিৰ দ্বন্দ্ব খুব স্বাভাৱিক। গণতন্ত্ৰই সকলোৰে স্বাৰ্থ ৰক্ষা কৰিব বিচাৰে আৰু ব্যক্তিৰ স্বাৰ্থক মিলাব বিচাৰে সমষ্টিৰ স্বাৰ্থৰ স’তে। অৰ্থাৎ এনে এক ব্যৱস্থা বিচাৰে, য’ত ক্ষমতা বিশেষ কোনো কেন্দ্ৰত কুক্ষিগত নাথাকিব। বিয়পি থাকিব সমাজৰ সৰ্বত্ৰ। ৰাষ্ট্ৰ শাসন কৰিব জনপ্ৰতিনিধিসকলে। ইয়াতেই আহে নিৰ্বাচনৰ বিষয়। জনপ্ৰতিনিধিসকল নিৰ্বাচিত হয়। এই নিৰ্বাচনক ইমানেই গুৰুত্ব দিয়া হয় যে বহুতে ধাৰণা কৰে য’ত নিৰ্বাচন আছে, তাতেই গণতন্ত্ৰ আছে; কিন্তু সেয়া সৰ্বাংশে সত্য নহয়।

> **যিয়ে জীৱনত কিছু পায়, সি নাজানে জীৱনটো কিমান অৰ্থবহ। অথচ যিয়ে জীৱনত কিছু হেৰুৱায়, সি জানে জীৱনটো কিমান অৰ্থবহ। জীৱনৰ নিৰ্মম সত্যবোৰ কিমান কঠিন। কিমান দুৰ্বোধ্য**

গণতন্ত্ৰ আৰু গণতান্ত্ৰিক ৰাজনীতিৰ পথ মুঠেই মসৃণ নহয়। বহু বিঘ্ন সংকুল। গণতন্ত্ৰৰ পথত বাধা এটা নহয়, বহুত। ইয়াৰ অন্যতম পৰমত সহিষ্ণুতাৰ অভাৱ। অথচ পৰমত সহিষ্ণুতা গণতন্ত্ৰৰ প্ৰাথমিক চৰ্ত। তেনেকৈ স্বেচ্ছাচাৰিতা গণতন্ত্ৰৰ শত্ৰু। গণতন্ত্ৰৰ প্ৰাণ থাকে এটা ঠাইত। সেয়া হ’ল সাম্য। সাম্য য’ত যিমান কম, গণতন্ত্ৰৰ পথ-ঘাট তাত সিমানেই বিপদসংকুল।

জনকল্যাণৰ ৰাজনীতি ভাহি গৈছে হিতস্বাৰ্থৰ অপৰাজনীতিৰ স্ৰোতত।

**চাৰি**

ফৰাচী দাৰ্শনিক অগাষ্ট ক্যোঁতেৰ পজিটিভিজমৰ স’তে এৰিষ্ট’টলৰ এক্টিভ ফিল’ছফিৰ ফিউজন ঘটাই বেনেটো মুছোলিনী আৰু তেওঁৰ শিক্ষামন্ত্ৰী জেন্টিল জিহোভান্নিয়ে ১৯৩২ত ডক্ট্ৰিন অৱ ফেচিজমৰ তত্ত্ব হাজিৰ কৰে। উগ্ৰ জাতীয়তাবাদৰ স’তে সহিংস আৰু যুদ্ধংদেহী ইচ্ছাত গঢ়ি তোলা কৰ্মী বাহিনীৰ স’তে কৰ্প’ৰেট শক্তি, কিছু আমোলা আৰু সেনাবাহিনীৰ সাহায্যত বেছিভাগ মানুহৰ মতামতক প্ৰাধান্য নিদি এক ক্ষুদ্ৰ গোষ্ঠীৰ ৰাষ্ট্ৰৰ প্ৰতিভূৰূপে চিৰস্থায়ীভাৱে ক্ষমতাত অধিষ্ঠিত থকাৰ আয়োজনেই ফেচিবাদ।

মাৰ্কিন ৰাজনৈতিক বিশ্লেষক আৰু ইতিহাসবিদ ৰাল্টাৰ লে কুয়াৰে তেওঁৰ ‘ফেচিজম, পাষ্ট, প্ৰেজেন্ট, ফিউচাৰ’ গ্ৰন্থত লিখিছে ঃ এটা বৈশিষ্ট্যই ফেচিবাদক অতীতৰ সকলো স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ পৰা বেলেগ কৰিছে। ফেচিবাদী শাসনত এটা বিশাল ৰাজনৈতিক দলৰ উপস্থিতি থাকে আৰু এই দলটো আইন-শৃংখলা ৰক্ষাকাৰী বাহিনী আৰু সেনাবাহিনীক ব্যৱহাৰৰ মাধ্যমত একচেটিয়া ক্ষমতা নিয়ন্ত্ৰণত সক্ষম হয়। তাকে কৰিবলৈ গৈ সহিংসতাত লিপ্ত হৈ বিৰোধী পক্ষক নিশ্চিহ্ন কৰি দিয়ে। এই ধৰণৰ নেতৃত্বত এনে এজন নেতা বা নেত্ৰী থাকে, যিয়ে দৃশ্যত সীমাহীন ক্ষমতাৱান। তেওঁক তেওঁৰ অনুগামীবোৰে দেৱ-দেৱীৰ দৰে পূজা-অৰ্চনাত সিক্ত ৰাখে। সিহঁতৰ এই আনুগত্য প্ৰায় ধৰ্মীয় ভক্তিৰ কেন্দ্ৰবিন্দুত পৰিণত হয়। এই ৰাজনৈতিক দলটোৱে কেৱল নিজৰ বাবেই নহয়, বৰঞ্চ তেওঁলোকৰ মতাদৰ্শিক বিশ্বাসক বাকী সকলো নাগৰিকৰ বাবে বাধ্যতামূলক কৰি তোলে। এক শক্তিশালী প্ৰোপাগাণ্ডাৰ মাধ্যমত এই মতাদৰ্শিক বিশ্বাসক প্ৰতিনিয়ত প্ৰচাৰ কৰি থাকে।’

**পাঁচ**

হোমেন বৰগোহাঞিৰ মৃত্যুৰ বাতৰিয়ে হৃদয়ত সৃষ্টি কৰিলে এক অনন্ত বিষাদ। বৰগোহাঞিৰ স’তে মোৰ প্ৰথম পৰিচয় তেওঁৰ গল্প গ্ৰন্থ ‘প্ৰেম আৰু মৃত্যুৰ বাবে’ৰ যোগেদি। চৰকাৰী চাকৰি এৰি দি ১৯৬৮ত যেতিয়া ‘সাপ্তাহিক নীলাচল’ৰ সম্পাদক হৈছিল, তেতিয়া মোৰ কে’বাটাও প্ৰবন্ধ বৰগোহাঞিয়ে ছপা কৰিছিল। সেয়া আছিল অনুপ্ৰেৰণাৰ উৎস। পূজা সংখ্যা ‘নীলাচল’ত অনুবাদ উপন্যাস এখন প্ৰকাশ হৈছিল। তাৰ বাবে মণিঅৰ্ডাৰযোগে পঠিয়াই দিছিল ২৫০ টকা। ৫০ বছৰৰ আগৰ স্মৃতি আজি মনলৈ আহিছে ভাহি।

হঠাতেই এনেকৈ অসমীয়া সাহিত্যৰ এক বৰ্ণিল যুগৰ অন্ত পেলাই জ্ঞান আৰু প্ৰজ্ঞাৰ সাধকজন পৃথিৱীৰ মায়া এৰি গুচি যাব বুলি কল্পনাই কৰা নাছিলো। মই ঢুকি পোৱা পৃথিৱীৰ পৰা আজি তেওঁ বহু আঁতৰত।

‘The songs of the waves
And the hymns of the streams
Are scattered and the voices
Of the throngs reduced to silence;
And I can hear naught but the
Music of eternity in exact
Harmony with the spirit's desires,
I am cloaked in full whiteness;
I am in comfort; I am in peace.’

– Khalil Gibran

**ছয়**

ঈদৰ দিনা লাল চুৰি আৰু লাল ফিটা মাৰি বন্ধুৰ স’তে ঘূৰিব। মাকক কৈছিল নিজৰ ইচ্ছাৰ কথা। সেয়ে বিচাৰিছিল লাল চুৰি আৰু লাল ফিটা। মাক-বাপেকৰ সামৰ্থ্য নাছিল আঠ বছৰীয়া কন্যাৰ আশা পূৰণ কৰিবলৈ। মাকে মানুহৰ ঘৰে ঘৰে বাচন মাজিছিল। দেউতাক আছিল জুট মিলৰ শ্ৰমিক। কৰ’না কালত দুয়ো বেকাৰ। লাল চুৰি আৰু লাল ফিটা নাপাই অভিমান কৰি কন্যাই আত্মহত্যা কৰিলে। ঘটনাটো বাংলাদেশৰ ফৰিদপুৰৰ।

যিয়ে জীৱনত কিছু পায়, সি নাজানে জীৱনটো কিমান অৰ্থবহ। অথচ যিয়ে জীৱনত কিছু হেৰুৱায়, সি জানে জীৱনটো কিমান অৰ্থবহ। জীৱনৰ নিৰ্মম সত্যবোৰ কিমান কঠিন। কিমান দুৰ্বোধ্য।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# ভূমিকম্পত মোৰ বিস্তৰ লাভ

ৰিজু হাজৰিকা

**অলপতে** যে ভূমিকম্প হৈ গ’ল অসমত, মানুহৰ বিস্তৰ ক্ষতি হোৱা বাতৰি কাকতত পঢ়িবলৈ পাইছো, দূৰদৰ্শনৰ বাতৰিতো দেখিবলৈ পাইছো। ভূমিকম্পটো প্ৰথম আবিৰ্ভাৱ হৈছে ঢেকীয়াজুলি অঞ্চলত। গুৱাহাটীতো এই কম্পন তেনেই উলাই কৰিবলগীয়া নহয়। অসংখ্য লোকৰ বিল্ডিঙত ফাট মেলিছে, সৰু-সুৰা ঘৰ ভাঙিছে, ভাঙো ভাঙো হৈ থকা গছ-গছনি উভালি পৰিছে, গছ বাগৰি পৰাত ৰাস্তাৰ যান-বাহন ব্লক হৈ গৈছে, ক’ৰো গাড়ী ক’তো ঘূৰাব পৰা নাই। মুঠতে বিৰাট হাহাকাৰ। ভূমিকম্পটো আহোতে মানুহে বাহিৰলৈ দৌৰিছে, মহিলাসকলে উৰুলি দিছে, মানুহে ভগৱানক মাতিছে— প্ৰভু ৰক্ষা কৰা। মোৰ তিনিটা ৰূমৰ বিল্ডিংটোতো ফাট এটা মেলিছে, অৱশ্যে সেই ফাটটো ঘৰ বন্ধাৰ সময়ৰে ফাট— ভূমিকম্পত অলপমান বহল হৈছে। মুঠতে অসমত ঠায়ে ঠায়ে বিস্তৰ ক্ষতি। চৰকাৰে এই ক্ষতিসমূহৰ তথ্য ল’বলৈ নিৰ্দেশনা জাৰি কৰিছে। সাহায্য আগবঢ়াব যিবিলাকৰ বিস্তৰ ক্ষতি হৈছে।

মোৰ কিন্তু বিস্তৰ ক্ষতি হোৱা নাই। বিস্তৰ লাভ হৈছে। বহুদিনৰ ব্যাধি এটা কমি গৈছে। বহুদিনৰ পৰা ভুগি থকা এটা সমস্যাৰ অন্ত পৰিছে। এটা যেন বিশ্বকৰ্মাৰ দয়া, আনটো ধনন্তৰিৰ কৃপা।

বহু বছৰ ধৰি কঁকালৰ বিষত আৰু বাওঁ ভৰিখনৰ বিষত জঠৰ হৈ বিছনাত পৰি থাকো। পৰিয়ালৰ সদস্যসকলে কয়— অলপ খোজ কাঢ়ি ফুৰকচোন। এনেকৈ বিছনাত পৰি থাকিলে বেমাৰ ভাল হ’বনে? ডাক্তৰৰ ওচৰলৈ গৈছিলো, তেওঁ দুটা মলম দিলে, কেইটামান পিল দিলে— দিনে দুবাৰ লগাব, দিনে দুটাকৈ পিল খাব। দুদিন লগাই, দুদিন খাই এৰি দিলো। মলমটো বেলেগে লগাই দিলে ভাল লাগে। কাৰণ কঁকালখনৰ যি ঠাইত বিষটো বেছি মই হাতেৰে ঢুকি নাপাওঁ, শ্ৰীমতীয়ে মালিচ কৰি দিলে বিৰাট আৰাম। কোমল আঙুলি, কোমল হাতৰ তলুৱাৰ স্পৰ্শই বেমাৰ সোনকালে আৰোগ্য কৰে। তদুপৰি পিল খাবলৈ পানী গিলাছ আগবঢ়াই দিলে খাবৰ ইচ্ছা যায়।

এইবোৰ কাৰ্য সমাপ্ত হ’ল, কিন্তু একো কামত অহা নাই।

দ্বিতীয় সমস্যাটো হ’ল— মোৰ শোৱা বিছনাখন। পালেং দুখন কিনিছিলো নিধিৰাম সৰকাৰৰ পৰা। তেওঁ দুখন পালেং ৰেডি কৰি শ্ব’ ৰূমত ৰাখিছিল। এখন বক্স পালেং, আনখনত বক্স নাই। কিবা এটা বস্তু কিনিব লগা হ’লে— অহা-যোৱা



কৰোতে দোকানবোৰ চাই যোৱা মানুহৰ অভ্যাস। গতিকে নিধিৰামৰ শ্ব’ ৰূমত সোমাই পালেং দুখনৰ দাম সুধিলো। তেওঁ দাম ক’লে এক হেজাৰ টকা। দৰ-দাম কৰি আঠশ টকাত কিনিলো। ঠেলা বন্দৱস্ত কৰি পালেং দুখন লৈ আহিলো। বক্স থকাখন পৰিবাৰক দিলো, মই ল’লো নথকাখন। পালেং দুখন কিনাৰ কিমান বছৰ হ’ল মনতেই নাই। মোৰ পালেংখনত তিনিখন পাইন কাঠৰ তক্তা পৰা আছে। তাৰে ওপৰত এখন বাঁহৰ ঢাৰি, তাৰে ওপৰত দুখন তচক। তথাপিতো পালেংখনত বহিলে, শুলে তাৰ যি কেৰ-কেৰ, মেৰ মেৰ শব্দ উঠে কাণ কলা মানুহেও থাকিব নোৱাৰে। এখন নতুন পালেং কিনাৰ কথা পৰিয়ালৰ সদস্যসকলে কৈয়েই আছে; কিন্তু কোনোৱে আগবাঢ়ি নাহে। গতিকে তাতেই ভীষ্মৰ শৰশয্যাৰ দৰে শুই আছো। কেঁচুৱাৰ বিছনাত উঠাৰ দৰে সাৱধানে উঠো। সাৱধানে নামো। বাৰ বছৰীয়া ৰোগীৰ দৰে তাতেই শুই আছো। বহি আছো, পঢ়ি আছো, লেখি আছো, টি ভি চাই আছো। হায়ৰে এলেহুৱাৰ জীৱন। এদিন পালেংখন মেৰামতি কৰি দিবলৈ নিধিৰামৰ পুতেকক মাতিলো, কাৰণ নিধিৰাম ইতিমধ্যেই সিপুৰী পাইছে, পুতেক মনাৰামে কাম চলাই আছে। সি নাহে, কয়— খুৰা সেইখন পালেং ভাল কৰি লাভ নাই, পিতা মৰাৰে কত বছৰ হ’ল, তাৰেও কিমান বছৰ আগে পালেংখন কিনিছে, গতিকে এখন নতুন পালেং বনাই দিওঁ দিয়ক। ’ মই সুধিলো— ‘কিমান পৰিব? সি ক’লে— ষাঠি হেজাৰ মান পৰিব। মই ক’লো— ষাঠি হেজাৰ টকা মই একেলগে জীৱনত দেখাই নাই, থাকক দিয়া, এইখন পালেঙতে জীৱন যাব। এনেদৰেই পালেংখন কিনা হোৱা নাই।

ৰাতি শোওঁতে মোৰ বহুত পলম হয়— টি ভি চোৱা, লেখা-পঢ়া কৰা, ভাত খোৱা, তামোল খোৱা, মুখ ধোৱা, বাথৰুমত যোৱা আদি কামত প্ৰায় এটা বাজেই। গতিকে পুৱা সাৰ পাওঁতে আঠ বাজে। ঠিক আঠ বজাত সাৰ পাই বিছনাৰ পৰা নামিবলৈ আয়োজন কৰিছো, কঁকালৰ বিষত পটককৈ নামিবই নোৱাৰে। নামিবলৈ আঁঠুত ভৰ দিয়াত লগে লগে আহিল ভূমিকম্প। কঁকালৰ বিষ ক’ৰবাত উৰি গ’ল, বাহিৰলৈ লৰ মাৰিলো, ইতিমধ্যে বাহিৰত মানুহ গোট খাইছে, ভগৱানৰ নাম কৈ চিঞৰিছে, মহিলাসকলে উৰুলি দিছে। অলপ পাছতে কঁপনি কমিল। ভূমিকম্পৰ কঁপনিত মোৰ যে বিষত থিয় দিব নোৱৰা কঁকালখন ভাল হৈ গ’ল গমেই পোৱা নাই। প্ৰভু ভূমিকম্পৰ কি যে দয়া। কত মালিচ লগালো কত পিল খালো ভাল নহ’ল। বিষত থিয় হ’ব নোৱাৰো। আঁঠুত ভৰ দি উঠি কোনোমতে পানী গিলাছ আনি খাওঁ, বাতৰি কাকত আনো— সেই কঁকাল ভাল হৈ গ’ল? প্ৰভু তোমালোকৰ কি দয়া।

দ্বিতীয় সমস্যাটো আৰু সাংঘাতিক। মোৰ এই সাতামপুৰুষীয়া পালেংখন, কেৰ কেৰ-মেৰ-মেৰ শব্দ কৰা পালেংখন টাইট হৈ মুঠেই নলৰা হ’ল। দুবাৰমান উঠা-নমা কৰি চালো, হাতেৰে লৰাই চালো, নাই প্ৰকাণ্ড শিলৰ দৰে নলৰেই। উঃ প্ৰভু ইমান দয়া তোমালোকৰ। মোৰ টকা বাচিল, সমস্যা আঁতৰিল, মনত সন্তোষ বাঢ়িল, এবাৰ শুই বাগৰি চালো, নাই— হেট-কেটেই কৰা নাই।

গতিকে মোৰ বিস্তৰ লাভ নহ’লনে? ভূমিকম্প ছাৰে দুটা সমস্যা সমাধান কৰি দিলে মোৰ। ইয়াতকৈ আৰু কি লাগে। মানুহে ব্যৱসায় কৰিলেও লোকচান হয়। গ্ৰাহক বিলাকে বাকী পৰিশোধ নকৰে। অথচ ভূমিকম্প ছাৰে মোৰ পৰা একো বিচৰা নাই। প্ৰাৰ্থনা কৰিলো— হে ভূমিকম্প মহাশয়, এনে সমস্যাত পৰিলে তুমি আকৌ আহিবা। মানুহৰ বিস্তৰ ক্ষতি নকৰিবা, মানুহ এনেয়ে ক’ভিডত জ্বলা-কলা হৈ আছে, পৰিত্ৰাণ পোৱা নাই, তুমি এই ক’ভিড-ভাইৰাছ বিলাকক ধ্বংস কৰি দিব নোৱাৰানে?

# দেখি মোৰ পকা চুলি আনে মাতে ককা বুলি

মনোজ কুমাৰ ভট্টাচাৰ্য

— ইছ্‌ৰাম, মানুহটোৱো যে কাণ্ড আৰু! কি আনিলে এইবোৰ?
— আজি দৰমহা পালো ৰ’বা। গতিকে বজাৰ অলপ কৰি আনিলো।
— ইমান ফোঁপাই-জোপাই আহিছে যে! ইমান সোপা বস্তু একেলগে বজাৰ কৰাৰ কি দৰকাৰ আছিল কওকচোন?
— আজে-বাজে একো অনা নাই দিয়া। লাগতিয়াল বস্তুখিনিহে আনিছো।
— কিমান দিন ক’লো আপোনাক, বজাৰলৈ গ’লে মোনা এখন লৈ যাব। শুনিলে জানো মোৰ কথা? এনেকৈ ১০টা আঙুলিত ১০টা পলিথিনৰ বেগ ওলোমাই আনিলে ভাল দেখিনে?
— দৰমহা আজি পাম বুলি ভবাই নাছিলোহে। সেইবাবে বেগখন লৈ নগ’লো।
— ঘৰত বেগৰ আকাল পৰা নাই নহয়। এখন বেগ অফিচত থৈ দিব নোৱাৰে নেকি?
— হ’ব দিয়া, দুখে-ভাগৰে আহি ঘৰ সোমাইছোহে, বকনি এতিয়া বন্ধ কৰা। এইখিনি লোৱা আৰু গণি চোৱা। হিচাপ কৰি মাহটো চলাবা।
— চিন্তা কৰিব নালাগে আপুনি। আপোনাৰ দৰে মই ধোঁৱাখুলীয়া নহয় দিয়ক।
— বস্তুৰ দাম বহুত বাঢ়িছে বুজিছা? এইখিনি টকাৰে গুৱাহাটীত চলাই মস্কিল। খোৱা-বোৱা, কানি-কাপোৰ, ঘৰ ভাড়া, মাজনীৰ পঢ়াৰ খৰচ, মাথোঁ খৰচৰ উপৰি খৰচ।
— মাজনী অকণমান ডাঙৰ হৈ লওক দিয়ক। ময়ো ক’ৰবাত কিবা এটা কৰিব লাগিব। অন্ততঃ নিজৰ খৰচখিনি ওলালেও বহুত।
— মাজনী পঢ়ি আছে নেকি? তাইলৈ হৰলিক্স এটা আনিছো। প্ৰতিদিনে পঢ়াৰ সময়ত এগিলাছ তাইক খাবলৈ দিবা।
— দিম দিয়ক। পিছে আপুনি হেনা আনিলে নে নাই? নে আজিও পাহৰিলে?
— ছেঃ পাহৰি গ’লোহে। আনিম ৰ’বা।
— নিজৰ মুখখন আয়নাত এবাৰ চাই লওকচোন? দাড়িয়ে-চুলিয়ে কি যে এটা বিভৎস ৰূপ! আপুনি মোৰ কথা নুশুনে কিয়?
— কি কথা কোৱাহে তুমি? তোমাৰ কথা মই নুশুনো? তেনেহ’লে কাৰ কথা আখৰে আখৰে পালন কৰো, হু?
— পকা চুলিখিনিত ৰং দিবলৈ কিমানদিন ক’লো আপোনাক। কিবা গুৰুত্ব দিলেনে?
— মোৰ পকা চুলিয়ে তোমাৰ কিবা ক্ষতি কৰিছে নেকি?
— মোৰ বিশেষ ক্ষতি কৰা নাই ঠিকেই; দুকুৰি বছৰীয়া আপোনাক কিন্তু তিনিকুৰি বছৰীয়া বুঢ়া কৰি পেলাইছে। সেইটো সঁচা কথা।
— পকা চুলিৰে মই কিমান সুবিধা ভোগ কৰি আছো, সেইটোতো তুমি নাজানা?
— আপোনাৰ সকলো কথাই ওলোটা।
— শুনা, চিটিবাছৰ জ্যেষ্ঠ নাগৰিকৰ আসনত বহিবলৈ আজি-কালি সুবিধা পাওঁ। অচিনাকিয়ে আপুনি বুলি সম্বোধন কৰে মোক। আনে মান-সম্ভ্ৰমেৰে মোৰ লগত কথা কয়। বুজিছা?
— এইখিনি সুবিধাহে দেখিছে আপুনি? কত কিমান অসুবিধা যে আছে সেইখিনিতো দেখা নাই। মানুহ সদায় ফিটফাটত থাকিব লাগে, জধলা মানুহক কোনেও ভাল নাপায়।
— কি অসুবিধা আছে কোৱা। তেতিয়াহে মই গম পাম। তেতিয়া হয়তো মই মোৰ সিদ্ধান্ত সলনি কৰি ল’বও পাৰো।
— মানুহে মোক বুঢ়া এটাৰ লগত বিয়া হোৱা বুলি ঠাট্টা কৰিব, বুজিছে?
— ঠাট্টা কৰে কৰক, তুমি পাত্তা নিদিলেই হ’ল।
— মই কিবা স্বাৰ্থত নাইবা প্ৰেমত পৰি আপোনাৰ লগত বিয়া হোৱা বুলি মানুহে ভাবিব আৰু সেইবোৰ সকলোকে কৈ ফুৰিব।
— যিয়ে যি ভাবে ভাবক দিয়া। কাৰ মুখত সোপা দিবলৈ যাবাহে।
— এনেকৈ থাকিলে আপোনাক বেমাৰী বুলি মানুহে হাঁহিব।
— আজি-কালি মানুহে হাঁহিবলৈ পাহৰিয়েই গৈছে। মোক লৈ কোনোবাই যদি অকণমানো হাঁহিব পাৰে সেইটো মোৰ কৃতিত্ব বুলিয়েই ধৰি ল’ম।
— আপুনি বয়সক ফাঁকি দি চাকৰি কৰি থকা বুলি বহুতে সমালোচনা কৰিব।
— ভালহে। কাৰোবাৰ সমালোচনাৰ পাত্ৰ হ’ব পৰাটো কম গৌৰৱৰ কথানে?



— আপোনাৰ লগত কথা কৈ লাভ নাই দিয়ক। মোৰ কথা নুশুনো বুলি হোমৰ গুৰিতে শপত খাই আহিছে হ’বলা।
— তুমি নুবুজা কিয়? পকা চুলি কেঁচা কৰিবলৈ টকা খৰচ হ’ব নে নাই?
— সেই বুলি আপুনি খৰচৰ ভয়ত এনেদৰে জধলা হৈ থাকিব নেকি? কাইলৈৰ পৰা মাজনীক স্কুললৈ মই অনা-নিয়া কৰিম। আপুনি থ’ব যাব নালাগে।
— কিয়? মোক তুমি আলগ কৰিব খুজিছা নেকি?
— সেইটো নহয়। মাইনাই লাজ পাব বুলিহে এনে সিদ্ধান্ত লৈছো।
— মাজনীয়ে আকৌ কিয় লাজ পাব?
— লগৰ ছোৱালীবোৰে যদি তাইক সোধে— তুমি ককাৰ লগত স্কুললৈ সদায় আহা? তেতিয়া তাই কি উত্তৰ দিব কওকচোন?
— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৬ মে’, দেওবাৰ, ২০২১ পৃষ্ঠা ৫

# গ্ৰহ-জগতৰ জন্ম-বিকাশ

## ড° অতুল চন্দ্ৰ শৰ্মা

**সৌৰ জগতবাসী গ্ৰহ উপগ্ৰহৰ জন্ম কাহিনী**

কষ্মিক প্ৰলয়-মহাপ্ৰলয়ে উত্তেজিত কৰা দৈত্যকায় ঘূৰ্ণিমান আৰু পৰিভ্ৰমী মেঘ-পুঞ্জক সংকুচিত হোৱাৰ কাৰণ আছিল ঘনত্ব বৃদ্ধি হোৱা প্ৰক্ৰিয়া । পিছে সেই মেঘ আমাৰ পৃথিৱীত ধুমুহা-বৰষুণ, বিজুলী-ধেৰেকনি বা পানী ঢলা মেঘ নাছিল। সেই মেঘ আছিল এক ধূলি-বালি, আৱৰ্জনা আৰু অলাগতিয়াল বস্তু-শক্তি সম্ভাৰৰ সমূহীয়া সমষ্টি। অনাদি অনন্ত কালৰে পৰা মহাশূন্যত তাৰকা-জ্যোতিষ্ক নিৰ্মাণৰ প্ৰযুক্তি কাৰ্যত ব্যৱহাৰত অনুপযোগী পেলনীয়া সামগ্ৰী। সম্ভৱতঃ পৰিভাষী শব্দৰ অভাৱত, বিজ্ঞানী সমাজেও সেই আৱৰ্জনাময় বৃহৎ সত্তাক মেঘ বুলিয়েই কৈ থলে। পিছে সহজে অনুমান কৰিব পাৰি যে আৱৰ্তণময় পৰিভ্ৰমী উত্তেজিত মেঘপুঞ্জত বিষম গতিপূৰ্ণ বিৰাট আয়তনৰ বা-মাৰলি, হাৰিকেন-টাইফুনৰ লেখীয়া চক্ৰকাৰ গতিয়ে মেঘমালাক থান-বান কৰিছিল। লগতে ধূলি-বালি, বস্তু শক্তিৰ কণিকা সমূহৰ মাজত সংযোগ ঘটাই সংকুচিত কৰিছিল। কালৰ সোঁতত মাধ্যকৰ্ষণ-মহাকৰ্ষণ শক্তিৰ প্ৰৱল প্ৰভাৱত সংযোজন প্ৰক্ৰিয়াত মেঘ কণিকা গৈ সৰু পিণ্ড, তাৰ পাছত ক্ৰমশ বাঢ়ি গৈ থকা পিণ্ড গৈ গৈ বিৰাট আকৃতিত আকাশী গোলক হৈ জাগতিক সৃষ্টি হৈ পৰিছিল। কে’বাবাৰো উল্লেখিত নিবিউলাৰ মেঘৰ এটুকুৰা সংকুচিত আৰু ভাঙি যোৱা অংশই প্ৰথমে ওপৰোক্ত প্ৰাক-সৌৰ— নিবিউলা ৰূপত গঢ়ি উঠি সৌৰ সৃষ্টিৰ অংকুৰ জন্ম দিছিল। মুখ্যতঃ প্ৰাক্-সৌৰ-নিবিউলা পাছলৈ সূৰ্য নক্ষত্ৰলৈ ৰূপান্তৰিত হোৱাৰ কাহিনী বৰ্ণনা কৰি আহিছো। সূৰ্য নিৰ্মাণৰ পাছত বাকী ৰোৱা বস্তু আৰু শক্তি-ইন্ধন ব্যৱহাৰ কৰি সৌৰ পৰিয়ালৰ গ্ৰহ-উপগ্ৰহ, গ্ৰহাণু আদি উপসৰ্গ সমূহ ক্ৰমশঃ নিৰ্মিত হৈ উঠিছিল। সেয়ে, সৌৰ পৰিয়ালসমূহ সূৰ্য নক্ষত্ৰই নিজে জন্ম দিয়া নাছিল; প্ৰায় ভাগেই উপ-সৃষ্টি। তলৰ তালিকা দুখন জুকিয়াই চালে দেখা যায়, সূৰ্যৰ গঠন প্ৰণালী, ধৰ্ম-কৰ্ম, স্বভাৱ-চৰিত্ৰত আন কোনো গ্ৰহ-উপগ্ৰহ বা বিভিন্ন সহযোগী উপসৃষ্টিৰ সম্পৰ্ক দেখা নাযায়। কিন্তু প্ৰতিৰক্ষা, নিৰাপত্তা, আনকি জীৱন প্ৰবাহত সূৰ্য নক্ষত্ৰ অবিহনে তাৰ কণমাত্ৰ অংশও জীয়াই থাকিব নোৱাৰে।



‘প্ৰাক্-সৌৰ-নিবিউলা’ৰ প্ৰৱল চাপ-তাপ-উত্তাপত উত্তেজিত হোৱা বস্তু সম্ভাৰ সমষ্টিয়ে কাঁহী বা ডলা আকৃতিত ঘূৰ্ণীয়মান হৈ গৈ থাকোতে কেন্দ্ৰস্থানত সূৰ্য নক্ষত্ৰ গঠন আৰম্ভ কৰাৰ কাহিনী কৈ আহিছো। নিৰ্মাণ-কালিন যুগত মাধ্যাকৰ্ষণ-মহাকৰ্ষণ শক্তিয়ে মুখ্য-নিৰ্মাতা ৰূপত কাৰ্যনিৰ্বাহ কৰাৰ আখ্যানো বৰ্ণনা কৰা হৈছে। গঠনত, ধীৰ-স্থিৰ আৰু আৱহমান দায়িত্ব/ কৰ্তব্য পালন কৰাৰ নেতৃত্ব লওঁতে বহুতো কোটি বছৰ পাৰ হৈ গৈছিল। পাছলৈ বাকী থকা কণিকা/বস্তুৰূপী পৰিত্যাজ্য অৱশেষ ধূলি-বালি, আৱৰ্জনাবোৰ বাহিৰলৈ ঠেলি উলিয়াই দিছিল। অৱশিষ্ট সেই বস্তু আৰু শক্তি সম্ভাৰেও কেন্দ্ৰীয় সূৰ্য-নক্ষত্ৰক অনুকৰণ কৰি এক লেখীয়া ধৰ্ম-কৰ্মৰে নিজা নিজা অক্ষত আৱৰ্তণ আৰু সূৰ্য কেন্দ্ৰী কক্ষত পৰিভ্ৰমণ কৰা ৰীতি-নীতিৰে নিজৰ পৰিচিত গঢ়ি তুলিছিল। তাপ-চাপ, স্থান-কাল আৰু আঞ্চলিক স্থানীয় জাগতিক শক্তি যোগানৰ সাপেক্ষে নৱ-নিৰ্মিত সত্তাসমূহ নক্ষত্ৰ ধৰ্মৰ সলনি বিভিন্ন ৰূপী এনেকুৱা গ্ৰহ-উপগ্ৰহ, গ্ৰহানু বা শিলাখণ্ড, অথবা সমষ্টিগত অগণন ক্ষুদ্ৰ-কায় বস্তুৰ পটী বা বেল্ট হৈ আমাৰ জগতৰ অংশীদাৰ হৈ চলি গৈ আছে। এইবোৰ একে সময়ৰ সৃষ্টি নাছিল। বিভিন্ন যুগ-কালৰ নিৰ্মাণ। হৈ উঠোতে কে’বাকোটি বছৰ লাগিছিল। লগতে মাজে-সময়ে ঘটা পৰিৱৰ্তনৰ কাহিনীবোৰো মনোৰম আখ্যান।

অপকেন্দ্ৰী আৱৰ্তন ক্ৰিয়াই গধুৰ-লঘু ভৰৰ বস্তু পৃথক কৰে, গধুৰ ভাগ কেন্দ্ৰ লৈ আৰু লঘু ভাগ বাহিৰৰ পৰিধি লৈ পৃথকীকৰণ কৰা নীতি অনাদি কালৰে পৰা চলি আহিছে। সূৰ্যৰ পৰা প্ৰায় 4AU (প্ৰায় ৬০ কোটি কিলোমিটাৰ) ভিতৰৰ চাৰিটা গ্ৰহ (একেলগে কোৱা হয় ‘ভূমিজ ভিতৰুৱা গ্ৰহ জগতঃ আৰু সৰু-বৰ লক্ষ্য টুকুৰা-টুকুৰ শিল-পাথৰ, বৰফৰে গঠিত গ্ৰহানুপেটীৰ মুখ্য গঠনত, শিল, মাটিৰ কঠিন বস্তু বৰ্তমান। যিহেতু পাৰিপাৰ্শ্বিক উষ্ণতা আৰু বায়ুমণ্ডলে লঘু-ভৰযুক্ত বস্তুৰ গেছীয়, জুলীয়া বা গোটাৱস্থা নিৰ্ণয় কৰে, গতিকে বাষ্পীভূত বা জুলীয়া বস্তুৰ অনুবোৰ পৃথিৱীৰ দৰে অন্য গ্ৰহত তিষ্ঠি থাকিব নোৱাৰে। তুলনামূলকভাৱে গৰম পৰিৱেশৰ তাপ-উত্তাপে বাষ্পীয় পদাৰ্থ আৰু গধুৰ পদাৰ্থৰ অনুৰ মাজত ৰাসায়নিক ক্ৰিয়া-বিক্ৰিয়া ঘটাই যৌথ-পদাৰ্থ নিৰ্মাণ কৰাৰ ক্ষমতা আহৰণ কৰাৰ লগে লগে শিল-মাটি সৃষ্টি হৈছিল। (পাছলৈ বহলাই আলোচনা কৰা হ’ব)। গেছীয় পদাৰ্থৰ লগত ছিলিকন-ছিলিকেট, এলিউমিনাম,-এলেউমিনা, লো মেগ্নেছিয়ামৰ নিছিনা অক্সাইড বস্তু যোজিত হৈ শিলাময় গধুৰ ঘনত্বৰ ‘ভূমিজ’ বুধ, শুক্ৰ, পৃথিৱী আৰু মংগল গ্ৰহ-পিণ্ডকেইটা গঢ়ি তুলিছিল।

**সৌৰ জাগতিক পিণ্ড জগতৰ কেইটামান ভৌতিক জোখ-মাখ তুলনা**

দুখজনক কথা যে আমাৰ নীহাৰিকাত (সম্ভৱতঃ ব্ৰহ্মাণ্ডত) এই চাৰিটা ভূমিময়, মাটিময় আৰু পানীময় পিণ্ডৰ দৰে গ্ৰহ তেনেই বিৰল; মিল্কী-ওৱেত ০.৫ শতাংশতকৈয়ো কম।

গঢ়া হৈ গৈ থকা সূৰ্যকেন্দ্ৰী জগতৰ আঁচনিখন এখন সমতল পিঠিত মাৰ্জিত ৰূপত খণ্ড খণ্ডকৈ ৰূপায়িত কৰা হৈছিল যদিও পৰিৱৰ্তনৰ ঠেলা-ঠেলি প্ৰচলিত আছিল। ভূমিজ গ্ৰহকেইটাই থিতাপি লোৱাৰ পাছত বাকী ৰোৱা ‘সৌৰ-ঢালৰ গেছ, ধূলি-বালি আৰু আৱৰ্জনাবোৰ বাহিৰৰ পৰিধিৰ পিনে ঠেলি পঠিয়াই দিছিল। কাৰণ, গঢ় খাই উঠা গ্ৰহ-পিণ্ড কেইটাৰ তুলনাত গেছ, ধূলি-বালিৰ সমষ্টিসমূহ অক্ষ আৰু কক্ষত সমানে গতিশীল হ’ব পৰা নাছিল। জাগতিক ৰীতিত গতিশীল হ’ব নোৱৰা বাবে কৌণিক কক্ষৰ পৰা বিচ্যুত হৈ পৰিছিল। মহাকৰ্ষণ শক্তিৰ লগত ঘটা পৰিৱৰ্তিত ক্ৰিয়া বাবে নতুন কক্ষত বিচৰণ আৰম্ভ কৰে। লগতে ঘনত্ব আৰু উষ্ণতাত বিশেষ পৰিৱৰ্তন ঘটা বাবে বৃত্তিকাৰ সৌৰ-ঢাল/পৃষ্ঠৰ অৱশেষ সমষ্টিৰ কক্ষপথত পৰিৱৰ্তন ঘটে। ফলত আৰম্ভ হোৱা বাকী গ্ৰহকেইটাৰ গঠন ক্ৰিয়াৰ লগে লগে সৌৰ-ঢালখন নাইকিয়া হৈ পৰে; কিন্তু কালৰ সোঁতত গঢ়ি উঠা গ্ৰহ-পিণ্ডকেইটাই প্ৰথমে নিজৰ কক্ষত থিতাপি ল’ব পৰা নাছিল।



ক্ৰমে গঢ়ি উঠা বৃহস্পতি, শনি, ইউৰেনাছ আৰু নেপচুন গ্ৰহ চাৰিটা আয়তনত বৃহৎ, গঠনত হিমীভূত অতি শীতল গোটা গেছীয় বস্তুজগত, প্ৰত্যেকৰ পৰিধিত চক্ৰাকাৰ অলংকৃত আঙঠি সদৃশ বেষ্টনীৰে ঘেৰা; প্ৰতিটোৰ চাৰিওপিনে বহু সংখ্যক উপগ্ৰহ বিদ্যমান আৰু ভৰ-ওজনত সৰ্বাধিক; কিন্তু ঘনত্বত তুলনামূলকভাৱে কম। সুসজ্জিত, দেখনীয়াৰ আৰু অলংকৃত চাৰিটা গ্ৰহক একেলগে ‘যভীয়ান’ (আমাৰ পৰিভাষাত ৰাজকীয়, মহান, দৈৱিক বা ৰাজকুলীয়া) গ্ৰহ-মণ্ডলী আখ্যা দি থোৱা হৈছে।

মংগল আৰু বৃহস্পতি গ্ৰহৰ কক্ষপথৰ মাজৰ বলয়াঞ্চলক ‘চিৰ-তুষাৰ’ বৃত্তাকাৰ পেটী বুলি ধৰা হয়; কাৰণ তাৰ পৰা জাগতিক পৰিধি লৈ বিস্তৃত অঞ্চলৰ উষ্ণতা আমাৰ পৃথিৱীত কল্পনাৰ বাহিৰত। সেই চিৰতুষাৰ পেটীৰ পৰা বাহিৰলৈ হিমীভূত হাইড্ৰ’জেন, মিথেইন (মানুহে ব্যৱহাৰ কৰি থকা প্ৰাকৃতিক গেছৰ মুখ্য অংশ), এমোনীয়া, হিলিয়াম, পানী বা অন্যান্য গেছীয় বস্তুৰ আভৰণে গ্ৰহকেইটাৰ আয়তন আৰু ভৰ বঢ়াই গৈ আছে। উষ্ণতাই কৰি গৈ থকা হিমীকৰণ ভৌতিক পৰিৱৰ্তনৰ বাবে সেই গ্ৰহ-পৃষ্ঠত আমাৰ জীৱন প্ৰবাহী বাতাৱৰণ তিষ্ঠি থাকিব নোৱাৰে।

ৰাজকীয় বৃহস্পতি গ্ৰহৰ নিৰ্মাণ সূৰ্য-জন্মৰ প্ৰায় ৩০ লাখ বছৰ পাছত আৰম্ভ হৈছিল, তাৰ আগেয়ে ভিতৰ ভাগত নিৰ্মিত ভূমিজ শিলাময় গ্ৰহমণ্ডলী গঠনত ব্যৱহাৰ কৰাৰ পাছত বস্তু জগতৰ অগাধ পৰিমাণ সংখ্যাৰ ভ্ৰূণ তথা চালুকীয়া কেঁচা সামগ্ৰী ৰৈ গৈছিল সেই পৰিত্যাজ্য বস্তুবোৰৰ ব্যৱহাৰিক মিলন ঘটোৱাহেঁতেন, সম্ভৱতঃ চন্দ্ৰ উপগ্ৰহ বা মংগল গ্ৰহ সমান আয়তনৰ পিণ্ড নিৰ্মিত হৈ উঠিলহেঁতেন; কিন্তু গঢ়া নহ’ল বা গঢ়িব নোৱাৰিলে। তাৰ কাৰণ চিৰ-তুষাৰময়, অতি শীতল পৰিৱেশ। সেই ভূমিজ বস্তু জগতে টুকুৰা-টুকুৰ চালুকীয়া সৰু-ডাঙৰ হিমীভূত আগণন পাথৰ ৰূপৰ সৃষ্টিৰ অংশ হৈ থাকি গ’ল। সূৰ্যৰ পৰা দুই চাৰি এ ইউ দূৰত্বত ‘গ্ৰহাণু-পেটী তথা এষ্টেৰইড বেল্ট’ নামৰ জাগতিক উষ্ণতাৰ এক সীমাৰেখা হৈ থাকি গ’ল।

ভৰ/ওজন আৰু আয়তনত সৌৰ সৃষ্টিৰ বৃহৎ ৰাজকীয় গ্ৰহ চাৰিটাই প্ৰায় ৯৯ শতাংশ অধিকাৰ কৰি আছে। যিহেতু প্ৰত্যেককে বাহিৰভাগৰ বাকলিবোৰ গেছীয় পদাৰ্থৰে গঠিত, জন্মৰে পৰা তাত সূৰ্যৰ পৰা নিৰ্গত হৈ থকা গেছীয় বস্তু আকৰ্ষিত হোৱা বাবে আয়তন আৰু ভৰ বাঢ়ি গৈ আছে। নীহাৰিকাৰ চুবুৰীয়া অঞ্চলত নতুন নক্ষত্ৰৰ জন্ম হ’লেও গেছীৰ সম্ভাৰ সঞ্চালিত হয় বুলি এচাম গৱেষকে বিশ্বাস কৰে।

বৃহস্পতি আৰু শনি গ্ৰহ নিৰ্মাণৰ পাছত অগণন সংখ্যাৰ হিমীভূত গোটা-বৰফৰ পানী নিৰ্মিত বস্তুজগত জাগতিক পৰিধিত গৃহহীন হৈ পৰিছিল; কিন্তু ইউৰেনাছ, নেপচুন আদি বাকী গ্ৰহ-গ্ৰহাণু নিৰ্মাণ আৰম্ভৰ আগেয়ে সেই পানী নিৰ্মিত বৰফুৰা শিলাকৃতি বস্তু জগতৰ বাবে বাহিৰৰ এক কক্ষপথত পেটী তথা বেল্ট ৰূপত প্ৰতিষ্ঠা কৰিছিল। তাক তাক কোৱা হৈছে ‘কুইপাৰ পেটী বা বেল্ট’। পিছলৈ কুইপাৰ বেল্টৰ সামগ্ৰীসমূহৰ কক্ষপথ উপবৃত্তাকাৰ আৰু বহুত দীঘলীয়া হৈ পৰিছিল। মাজে সময়ে তাৰে দুই এটা সূৰ্যক প্ৰদক্ষিণ কৰিবলৈ আহি গ্ৰহ জগতক দেখা দি যায়হি। সেয়ে ধূমকেতু বা নেজাল তৰা।



পিছলৈ বিৱৰণ কৰা হ’ব যদিও এই প্ৰসংগতে উনুকিয়াই থ’লে ভাল হ’ব; পৃথিৱীৰ পানীভাগ কেতিয়া, ক’ৰ পৰা আহিছিল? বহুতো বিতৰ্কিত মতবাদৰ ভিতৰত বেছিভাগ গৱেষকে বিশ্বাস কৰে সৌৰ-সৃষ্টিৰ মাজভাগত থকা ‘গ্ৰহাণু-পেটী’ আৰু ‘কুইপাৰ-পেটী’ৰ বস্তু জগতত গোটা বৰফৰ উপস্থিতি পানী জগতৰ আগলি বতৰা সম্পৰ্ক। গতিকে, এটা বা দুয়োটা পেটীয়ে প্ৰায় নাতিশীতোষ্ণ উষ্ণতাত আমাৰ পৃথিৱীক জল-ভাণ্ডাৰ ৰূপত গঢ়ি তুলিছিল বুলি বিশ্বাস নকৰি নোৱাৰি।

এতিয়ালৈ গ্ৰহ-জগতত, প্লুটোকে ভিতৰ কৰি ১৮৫টা উপগ্ৰহ আৱিষ্কাৰ কৰা হৈছে। তাৰে দুটা মাথোন ভূমিজ গ্ৰহ পৰিভ্ৰমী, বাকীবোৰ যভীয়ান সাম্ৰাজ্যবাদী। উপগ্ৰহ নিৰ্মাণৰ আখ্যান তিনিটা ধাৰণা-সূত্ৰত কোৱা আছে ঃ ১) গ্ৰহ-নিৰ্মাণৰ যুগত গ্ৰহ-ধালৰ পৰিধিত গ্ৰহৰ লগতে উপগ্ৰহৰো গঠন; ২) গ্ৰহ নিৰ্মাণৰ পাছত ভ্ৰমণৰত বস্তুৰ লগত ঘটা সংঘৰ্ষত এৰাই যোৱা অংশৰ সৃষ্টি; আৰু/বা ৩) একালত গ্ৰহৰ ওচৰৰে পাৰ হৈ যোৱা পিণ্ডক কৰায়ত্ত কৰি নিৰ্দিষ্ট ক’ত কৰা প্ৰতিষ্ঠা— ঘটনা প্ৰবাহৰ কাৰ্যকাল প্ৰায় ১০ কোটি বছৰ বুলি ঠাৱৰ কৰা হৈছে।

**অক্ষ-কক্ষৰ স্থানান্তৰ-বসবাসৰ পৰিৱৰ্তন**

অকল আজিৰ মানুহৰে নহয়, তিনি/চাৰিশ কোটি বছৰ আগেয়ে, যেতিয়া প্ৰাণীজগতৰ কোনো চিন-মোকাম নাছিল, তেতিয়া নতুনকৈ গঢ়ি উঠা আমাৰ গ্ৰহ-উপগ্ৰহ জগতো অস্থিৰাৱস্থাত চলাচল আৰম্ভ কৰিছিল। স্থিৰতা গঢ়ি তুলিবলৈ আৱৰ্তন পৰিভ্ৰমণৰ অক্ষ-কক্ষ পথ সলনি কৰি লৈছিল। মাধ্যাকৰ্ষণ-মহাকৰ্ষণ শক্তিয়ে গ্ৰহপিণ্ডসমূহৰ মাজত গঢ়ি উঠা টনাটনি আৰু সমিল-মিলত মধ্যস্থতা কৰিছিল; যি নহওক, আজিৰ দেশ-জাতি-সমাজ বিশেষৰ সীমাৰেখাবোৰ মানুহে আঁকি লোৱা, কিন্তু পৃথিৱীৰ মাটিভাগ চৰকাৰী ৯৯ বছৰীয়া লিজত দিয়া দৰেই, কোটি কালৰ আগেয়েও প্ৰাকৃতক নভোমণ্ডল কোনো নীহাৰিকা, নক্ষত্ৰ বা গ্ৰহ-উপগ্ৰহৰ অঞ্চলসমূহ নিজা বাপতি সাহোন নাছিল। দিয়া-নিয়া, বুজা-পৰা আৰু সহ-অৱস্থিতিৰে নিজৰ আৰু সমূহীয়া স্থিৰতা নগঢ়িলে জাগতিক জীৱন প্ৰশান্ত হ’ব নোৱাৰিলেহেঁতেন। সীমা ঠেলা কাৰবাৰত এফালে পালে, আনফালে হেৰোৱা যায়।

আদিৰে পৰা প্ৰতিটো গ্ৰহৰ অৱয়ব আৰু ভৰ/ওজন বাঢ়ি গৈ আছিল, সংঘৰ্ষও ঘটিছিল। আকৃতিও পৰিৱৰ্তন ঘটিছিল। ফলত, তেতিয়ালৈ অক্ষ-কক্ষৰ লগতে আৱৰ্তন-পৰিভ্ৰমণৰ গতিও সলনি হৈ গৈ আছিল, যেতিয়া নিজৰ আৰু সমষ্টিৰ স্থায়িত্ব, স্থিৰতাৰ নিৰাপত্তা আৰু প্ৰতিৰক্ষা গঢ়া হৈ উঠিছিল। সূৰ্য নক্ষত্ৰৰ কাষৰীয়া ভূমিজ চাৰিটা গ্ৰহৰ স্থিতি মুখ্যতঃ সুঠাম-সবল হোৱাৰ অন্যতম কাৰণ গঠনত থকা কঠিন গাঁথনি। তুলনামূলকভাৱে, সহজ-সৰল গতিত যাৱতীয় পৰিৱৰ্তনবোৰ ঘটিছিল; কিন্তু সৌৰজগতৰ বহিৰ্ভাগত অৱস্থিত দৈত্যকায় হিমীভূত গেছীয় বাকলিযুক্ত যভীয়ান গ্ৰহ চাৰিটাৰ পৰিৱৰ্তন সমস্যাগত। নতুন জ্যোতিৰ্বিদৰ এচামে ভাবে যে গেছীয় হিম নিৰ্মিত ইউৰেনাছ আৰু নেপচুন আদিতে ভুল স্থানত গঢ়া হৈছিল; কাৰণ সৌ-নিবিউলাৰ শেষৰ ভাগ তেনেই কম ঘনত্বৰ আছিল। সম্ভৱতঃ দুয়োটা গ্ৰহই কোটি বছৰ আগেয়ে বৃহস্পতি আৰু শনি গ্ৰহৰ কাষতে জন্মাৰম্ভ কৰিছিল; পাছত বাহিৰলৈ স্থানান্তৰিত হৈ গুচি গৈছিল। ফলত, গ্ৰহ জগতৰ মাজত, বিশেষকৈ বহিৰাঞ্চলৰ গ্ৰহ সমষ্টিত স্থানান্তৰিত প্ৰক্ৰিয়া ঘটিছিল। লগতে আৱৰ্তন/পৰিভ্ৰমণৰ অক্ষ-কক্ষ আৰু গতিবেগ সুকীয়া ৰীতিৰ হৈ পৰিছিল।

সৌৰ নিবিউলাৰ অৱশিষ্ট শেষাংশই নিৰ্মাণ কৰিছে কিউপাৰ পেটী আৰু অৱাৰ্ট নামৰ সৃষ্টি; অতিমাত্ৰা হিমীভূত পানী প্ৰধান সীমান্ত প্ৰহৰী।

**জাগতিক বস্তু-পিণ্ড বৰ্ষণৰ যুগ**

যিমানেই ভক্তিবাদী পূজা-সেৱা বা বিজ্ঞান-প্ৰযুক্তি বিদ্যাই নিৰাপত্তা-প্ৰতিৰক্ষাৰ সমল নিৰ্মাণ নকৰক, সমস্যা— দুৰ্যোগ, প্ৰলয়-মহাপ্ৰলয় আৱহমান নীতিগত ধ্বংস-সৃষ্টিৰ অংশ। গ্ৰহ জগতত ঘটা পৰিৱৰ্তনে জাগতিক প্ৰৱাহত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ উপমা সঘন নহ’লেও সিমান বিৰল নহয়।

**ব্ৰহ্মাণ্ড সৃষ্টিৰ ইতিহাসক লৈ আমেৰিকা নিবাসী প্ৰসিদ্ধ অসমীয়া বিজ্ঞানী ড° অতুল চন্দ্ৰ শৰ্মাৰ নৱতম গ্ৰন্থ ‘সৃষ্টিৰ সংক্ষিপ্ত ইতিহাস’ৰ ধাৰাবাহিক প্ৰকাশ।**
**গ্ৰন্থখনৰ প্ৰকাশক ভাষা প্ৰকাশন, চান্দমাৰি, গুৱাহাটী**

---

# দিচাংমুখৰ এঠা দৈ

**দিচাংমুৰ এঠা দৈৰ টেকেলিকেইটা তিতা কাপোৰ এখনেৰে মচি মচি বাঁহৰ চোচনীৰ টেকেলীকেইটা শাৰী পাতি থৈ থৈ উচুপি আছিল। জেতুকী জেঠাইৰ বাৰে বাৰে মনত পৰিছিল- জেঠুৰে হাতীখুজীয়া বাতিত জলপান খোৱা সেই দৃশ্যটো**



## এলি আহমেদ



**পূজাই-বিহুৰে** দিচাংমুখৰ বুদ্ধেশ্বৰে নাজিৰাৰ বালিঘাটিৰ জেতুকী জেঠাইৰ হাতত দুই-তিনি টেকেলি দৈ দি থৈ যায়। দৈৰ টেকেলিকেইটা আদি নাপায় মানে জেঠুৰো মনটো খু-দুৱাই থাকে। জেঠুৰে শিৱসাগৰৰ দৌলমুখ চাৰিআলিতে কোন কাহানিতে দোকান এখন দিছিল। চাইকেলৰ দোকান। তেতিয়া সেই ডোখৰ ঠাইত সেইখন দোকানেই একমাত্ৰ চাইকেলৰ দোকানখন আছিল। প্ৰথমে জেঠুৰে দোকানখনত চাইকেলৰ টিউবত পাম্প দিয়া, টিউব ফুটিলে ফুটা মৰা আদি কামেৰে দোকানখন আৰম্ভ কৰিছিল। সেই সময়ছোৱাত আজিকালিৰ দৰে মেচিনেৰে চলাই নিয়া দুচকীয়া বাহনবোৰ নাছিল। জেঠাইৰ স’তে জেঠুৰ দেখা-সাক্ষাৎ তেওঁৰ চাইকেল দোকানখনৰ সন্মুখতে হৈছিল। জেঠায়ে গৰু গাড়ীত উঠি শিৱসাগৰৰ শিৱদৌল চাবলৈ গাঁৱৰ পৰা আহিছিল। শিৱসাগৰ চহৰ পাঁও কি নৌপাওঁতেই জেঠাইৰ মাহীয়েকৰ ঘৰ। জেঠাইহঁতে বেছি মানুহৰ ভীৰৰ মাজলৈ গৰু গাড়ীখন নিনি মাহীয়েকৰ ঘৰতে গাড়ীখন ৰখাই গৰুহালক জিৰণি দি এইছোৱা বাট খোজকাঢ়ি আহি আহি জেঠুৰ দোকানৰ সন্মুখৰ গছজোপাৰ তলতেই জিৰণি লৈছিল। জেঠাইৰ লগত আহিছিল জেঠাইৰ খুৰীয়েক, মাক আৰু দুই-এগৰাকী লগৰ লগৰীয়া, শিৱদৌলৰ শিৱ পূজাত চাকি এগছ দিবলৈ। জেঠুৰে তেওঁলোকক দেখা পাই দোকানৰ দীঘল বেঞ্চখন আগবঢ়াই দি কৈছিল—

ঃ বহক, বহুত দূৰ বাট খোজকাঢ়ি আহিছে চাগে। আজি পুৱাৰে পৰা শিৱদৌলত বৰ ভিৰ। শিৱ পূজা ভাগৰ ওপৰত মানুহৰ বৰ আস্থা।

জেঠায়ে সেইদিনা টপৰাই কৈছিল— ‘ময়ো শিৱজনক বৰ ভাল পাওঁ।’

সেয়াই জেঠাইৰ স’তে জেঠুৰ প্ৰথম চিনাকি, তেতিয়া জেঠাইৰ গাত গামোচা লোৱাৰ বয়স। এইটো বয়সতে সেইটো যুগত প্ৰায়েই বিয়া-বাৰুবোৰ হৈছিল।

সেই বছৰটোতেই জেঠুৰ স’তে জেঠাইৰ বিয়া হ’ল। জেঠাইতকৈ জেঠু বয়সত ভালে কেইবছৰেই ডাঙৰ। হ’লেও এটা সুন্দৰ যুগ্ম জীৱন দুয়োৰে পাৰ হৈ গ’ল। নাজিৰাৰ দিখৌ নৈৰ পাৰৰ বালিঘাটৰ জেঠুৰ অকলশৰীয়া ঘৰটো জেঠায়ে সজাই-পৰাই ৰজনজনাই পেলালে। অকলশৰীয়া জেঠুৰে বিয়াৰ আগৰ দিনবোৰ তেওঁৰ চাইকেল দোকানৰ পাছফালে সৰু কোঠাটোতে পাৰ কৰি দিছিল। বিয়াৰ পাছৰ পৰা জেঠুৰে লড়ীয়ে-ট্ৰাকে বাটকুৰি বাই বালিঘাট পাইছিলহি। তেতিয়া এইছোৱা বাটত আজিকালিৰ দৰে যাতায়াতৰ সুবিধা নাছিল। তথাপি জেঠু ঘৰলৈ আহিছিল। আহোতে জেঠুৰে জেঠায়ে ভাল পোৱা দৌলৰ প্ৰসাদকণ আনিবলৈ পাহৰা নাছিল। জেঠাইৰ বিশ্বাস আছিল— দৌললৈ আগবঢ়াবলৈ যোৱা প্ৰসাদকণৰ বাবে জেঠুৰ স’তে তেওঁৰ প্ৰথম দেখাদেখি হৈছিল। গতিকে প্ৰসাদ ভাগৰ ওপৰত জেতুকী জেঠাইৰ বৰ বিশ্বাস আছিল। সেই বিশ্বাসেৰে জেতুকী জেঠায়ে দিনবোৰ পাৰ কৰিছিল। বৰ আনন্দমুখৰ আছিল সেই দিনবোৰ।

বিহুৰে-পূজাই জীয়েক-জোঁৱায়েক, ডাঙৰ পো-বোৱাৰীহঁত আহি ঘৰখন ৰজনজনাই পেলাইছিল। সিহঁতে ভালপোৱা দৈ, গুৰ, হুৰুম, সান্দহ, চিৰা, কোমল চাউল যোগাৰ কৰি জেতুকী জেঠায়ে ত’তেই নাপায়। তেতিয়াৰ দিনৰে পৰা দিচাংমুখৰ দৈ বুদ্ধেশ্বৰে দিয়েই আছে।

সময় বাগৰিল। জেঠুও বুঢ়া হৈ আহিল। এদিন জেঠুয়ে দোকানতে বহি বহি দুয়োটা পুতেকলৈ একে চিঠিকে লিখিলে—

ঃ তহঁত দুয়ো আহি ঘৰৰ মাটি-বাৰীখিনি চমজি লহি। চাবেক ঘৰটো মই মাৰৰ নামতে দিম বুলি ভাবিছো। আই-পিতায়ে সাজি থৈ যোৱা এই ঘৰটো জহি-খহি শেষ হৈ গৈছিল। মাৰে ইয়াক উদ্ধাৰ কৰি সজাই-পৰাই ল’লে। মই মৰাৰ পাছত এই ঘৰৰ সীমাতেই কেইটামান ভাড়াঘৰ সাজি দিবি। মাৰে তাৰেই চলিব পাৰিব।

চিঠি দুখন ডাকত পেলোৱাৰ কেইদিনমান পাছতেই জেঠুৰ চাইকেল দোকানৰ মাটিৰ মালিকে জেঠুক ক’লে— বিহুৰ পাছতেই তুমি তোমাৰ চাইকেল দোকানখন উঠাই নিয়াৰ কথা চিন্তা কৰা। মই ইয়াত এটা কে’বামহলীয়া হোটেল সজাৰ চিন্তা কৰিছো। দৌল-দেৱালয় চাবলৈ আজিকালি বাহিৰৰ পৰা বহুত মানুহ আহে। ইয়াত এখন হোটেল হ’লে দৌলৰ সোণৰ কলচি চাই তেওঁলোকে আনন্দ লভিবলৈ সুবিধা পাব।

জেঠুৰ বুকুখন কঁপি উঠিছিল। ঘৰলৈ গৈ সেইদিনা তেওঁৰ আগৰ দৰে জেতুকী জেঠাইৰ লগত কথা পাতিবলৈ সহজ হ’ব পৰা নাছিল। বুকুখন তেওঁৰ বিষাই উঠিছিল। গাটো গৰম গৰম লাগিছিল। চকুৰে তেওঁ ধোঁৱা দেখিছিল। তেওঁ বিছনাত যি ভাজে পৰিল, সেই ভাজে থৰ হৈ ৰ’ল। জেতুকী জেঠায়ে হিয়া ঢাকিয়াই কান্দিলে। জী-জোঁৱাই, ডাঙৰ পুতেক-বোৱাৰীয়েক আহি পালেহি। ব্যৱসায় কৰা সৰু পুতেকজনৰ ঠিকনা কোনেও উলিয়াব নোৱাৰিলে। ব্যৱসায় কৰি ঘূৰি ফুৰা ধ্ৰুৱ নহাকৈয়ে জেঠুক সৎকাৰ কৰা হ’ল।

এয়া যোৱাটো বিহুৰ পাছৰ কথা। প্ৰতিটো বিহুতেই জেঠুৰে বৰ ৰং-ৰহইচ কৰিছিল। বুদ্ধেশ্বৰে আনি দিয়া দিচাংমুখৰ এঠা দৈৰে কোমল চাউল পেট ভৰাই খাই জেঠুৰে কৈছিল—

ঃ অহা বাৰলৈ কেইটমান টেকেলি বেছিকৈ আনিবিচোন বুদ্ধেশ্বৰ। নাগাৰা নাম এভাগ কৰিম বুলি ভাবিছো।

ঃ হঠাৎ নাগাৰা নাম। বুদ্ধেশ্বৰে জেঠুৰ মুখলৈ চাই প্ৰশ্ন কৰিছিল।

ঃ পিতায়ে সপোনত দেখুৱাইছে অ’।

এইবাৰ দৈ কৰিবলৈ টেকেলিত গাখীৰ জমাওতেই কথাষাৰ বুদ্ধেশ্বৰৰ বৰকৈ মনত পৰিছিল। যোৱা গ’ল, থকাকেইজনে খাওক বুলি এই বছৰো পূজাৰ আগে আগে দৈৰ টেকেলি কেইটামান ঢাকি-ঢুকি বুদ্ধেশ্বৰে আহি জেতুকী জেঠাইৰ ঘৰ পালেহি। জেতুকী জেঠায়ে হুকহুকাই কান্দি পেলালে। থাপনাত সজাই থোৱা জেঠুৰ ফটোখনত সেৱা জনাই বুদ্ধেশ্বৰে একো ক’বলৈ নৌপাওঁতেই জেঠায়ে বুদ্ধেশ্বৰক ক’লে—

ঃ মই নাগাৰা নামভাগ কালিলৈ ধৰাম বুদ্ধেশ্বৰ। মই সকলো ঠিক কৰি থৈছো। তই দৈ আনিলি যেতিয়া তেওঁৰ মনৰ আশা পূৰ্ণ হ’ব।

ডাঙৰ বোৱাৰীয়েকে ফেকুৰি ফেকুৰি এটা এটাকৈ টেকেলিকেইটা গোসাঁই ঘৰৰ কাষৰ চ’ৰাঘৰটোতে থ’লে। জেতুকী জেঠায়ে বুদ্ধেশ্বৰক ক’লে—

ঃ তই নিশাটো থাকি কালিলৈ নামভাগ কৰি যা। তেওঁ মনত শান্তি পাব।

সেইদিনা বহুত নিশালৈকে নামভাগৰ কামবোৰত বুদ্ধেশ্বৰেও লাগি-ভাগি দিলে।

ডাঙৰ পুতেক গৌতম গধূলিতে যোৰহাটৰ পৰা অহা কথা, এই নিশালৈকে নহাত ডাঙৰ বোৱাৰীয়েকে উৎকণ্ঠাত বাৰে বাৰে পদূলিলৈ ডিঙি মেলি চাই আছিল। জেতুকী জেঠায়ে গধূলিৰ পৰা নামঘৰতে সোমাই ইটো-সিটো কৰি আছিল। বুদ্ধেশ্বৰে আনি দিয়া দিচাংমুৰ এঠা দৈৰ টেকেলিকেইটা তিতা কাপোৰ এখনেৰে মচি মচি বাঁহৰ চোচনীৰ টেকেলীকেইটা শাৰী পাতি থৈ থৈ উচুপি আছিল। জেতুকী জেঠাইৰ বাৰে বাৰে মনত পৰিছিল- জেঠুৰে হাতীখুজীয়া বাতিত জলপান খোৱা সেই দৃশ্যটো। এনেতে পদূলি মুৰত গাড়ী ৰখোৱা শব্দ শুনি জেতুকী জেঠাইৰ কাণ থিয় হ’ল ডাঙৰ বোৱাৰীয়েক উধাতু খাই আহি জেতুকী জেঠাইক ক’লেহি—

ঃ আই, সৰুবাপু আহিছে।

জেতুকী জেঠাইৰ বুকুখন বিষাই গ’ল। দেউতাকৰ মৃত্যুৰ পাছত ঘৰখনলৈ সৰু পুতেক ধ্ৰুৱ এয়া প্ৰথম আহিছে। আহিয়ে ধ্ৰুৱই মাকক বিচাৰি নামঘৰৰ কাষৰ চ’ৰাঘৰ পালেগৈ। জেতুকী জেঠায়ে পুতেকক দেখি হুৱাওৱাৰে কান্দিবলৈ ধৰিলে। মাকৰ কান্দোনৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰি ধ্ৰুৱই ক’লে—

ঃ সি বেছি পৰ ৰ’ব নোৱাৰে। গাড়ী ৰখাই থৈছে। সি এটা ডাঙৰ ব্যৱসায়ত লাগিছে, তাক মাটিৰ পট্টাখন লাগে। কাষত ৰৈ থকা ডাঙৰ বোৱাৰীয়েকে দেওৰেকধ্ৰুৱক ক’লে—

ঃ এই ৰাতি দুপৰত মায়ে মাটি পট্টাখন উলিয়াই তোমাক কেনেকৈ দিয়ে। তুমি নিশাটো থাকি পুৱা নাম-প্ৰসংগকণত ভাগ লৈ যোৱা।

নবৌয়েকৰ কথাত ধ্ৰুৱৰ কণ্ঠস্বৰ কৰ্কশ হৈ পৰিল। ‘তুমি ঘৰৰ মাটি-বাৰীৰ কথাত মাত মাতিবৰ কোন’ বুলি দেহৰ ভাৰসাম্য হেৰুৱাই বৌৱেকৰ ফালে চোঁচা লোৱাত বৌয়েক গৈ শাহুৱেক জেতুকী জেঠাইক সাৱটি মাৰি ধৰিলে। ভৰিৰ স্থিৰতা হেৰুৱাই ধ্ৰুৱৰ মুখৰ পৰা ওলাই অহা গোন্ধটোক গোসাঁইৰ থাপনাৰ ধূপৰ সুবাসে ঢাকি ৰাখিব নোৱাৰিলে।

গোটেই পৰিৱেশটো অপবিত্ৰ অপবিত্ৰ যেন লগা হ’ল জেতুকী জেঠাইৰ। তেওঁ লাহেকৈ বহি থকা ঠাইতে টেকেলিকেইটাৰ ওপৰতে ঢলি পৰি অস্পষ্ট উচ্চাৰণেৰে ক’লে—

ঃ টেকেলিকেইটা ভাঙি ইমানবোৰ দৈ মাটিত পৰিল। দেউতাৰাই এটোপ দৈ মাটিত পৰিলে আঙুলিৰ আগেৰে তুলি চুপি চুপি খাইছিল। পাছৰ কথাকেইটা জেতুকী জেঠাইৰ জিভাত লাগি জিভাখন দাঁতত লাগি গৈছিল। এবুকু দৈ বুকুত সাৱটি জেতুকী জেঠাই শেষ টোপনিত শুই পৰিল।

ফোন ঃ ৯৪৩৫১-০৪৮৮৪

---

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# বাংলাদেশৰ পৰা তিব্বতলৈ বৌদ্ধ মহাপ্ৰভু অতীশ দীপংকৰ বৌদ্ধ শাস্ত্ৰৰ আলমত আমাৰ ভাষাৰ মুণ্ডাৰী-চাওতালী-অসুৰ অতীত

## দ° দেৱব্ৰত শৰ্মা

**ভাস্কৰ** নন্দীয়ে সদায় কৈছিল, অসমৰ ইতিহাস চৰ্চা কৰিবলৈ হ’লে তিব্বতৰ (লগতে মায়ান্মাৰৰ বিষয়ে) জনা, আনকি তিব্বতী ভাষা জনা বৰ জৰুৰী। তিব্বতত বৌদ্ধধৰ্মৰ প্ৰধান প্ৰচাৰক, ‘মহাপ্ৰভু’ অতীশ দীপংকৰৰ কথাও তেখেতৰ পৰাই প্ৰথম শুনিছিলোঁ; অতীশ যে বৰ্তমান বাংলাদেশৰ বিক্ৰমপুৰৰ বজ্ৰযোগিনী গাঁৱৰ আছিল, সেই কথাও। কিন্তু সেই বিষয়ে চৰ্চা কৰাৰ সুযোগ পোৱা নাছিলোঁ। অলপতে গুৱাহাটী গ্ৰন্থমেলাৰ পৰা কিনিলো অলকা চট্টোপাধ্যায়ৰ ‘অতীশ দীপংকৰ শ্ৰীজ্ঞান’। বহুদিন আগতে তেখেতৰ ‘চুৰাসি সিদ্ধেৰ কাহিনী’ (নাথ-যোগীসকলৰ সম্পৰ্কে) পঢ়ি মুগ্ধ আৰু ৰিদ্ধ হৈছিলোঁ। এইবাৰৰ কিতাপত ভাৰতৰ নালন্দা-তক্ষশিলা-ওদন্তপুৰী-সোমপুৰী আদি বৌদ্ধ বিশ্ববিদ্যালয়ৰ লগত তুলনীয় বৰ্তমান বাংলাদেশৰ বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ অন্যতম প্ৰধান অতীশক কেনেকৈ ৫৯ বছৰ বয়সত তিব্বতলৈ নিমন্ত্ৰণ কৰি নিয়া হৈছিল, কেনেকৈ তিব্বতত ‘বন’ (আমাৰ শৈৱৰ দৰে, এই বন ধৰ্মৰ কথাও ভাস্কৰদাৰ মুখতে প্ৰথম শুনিছিলোঁ) ধৰ্মৰ বিৰুদ্ধে বৌদ্ধৰ যুঁজত তেখেতেই বিজয় অৰ্জন কৰাইছিল, তেখেতৰ তিব্বত ভ্ৰমণৰ লগত বখতিয়াৰ খিলিজিৰ নালন্দা আক্ৰমণৰ যে কোনো সম্পৰ্ক নাই, তিব্বতত যে অতীশে কে’বাহাজাৰ সংস্কৃত পুথি তিব্বতলৈ অনুবাদ কৰিছিল, কৰাইছিল আৰু লিখিছিল শতাধিক পুথি, সি আমাক চমৎকৃত কৰিব আৰু অসম-ভাৰত-তিব্বত-বাংলাদেশ সম্পৰ্কতো নতুন আলোকপাত কৰিব। এই কিতাপৰ পৰা উৎসাহিত হৈ এইবাৰ মগাই আনিলো একে লেখিকাৰে সুবৃহৎ Atisa And Tibet নামৰ ৬০০ পৃষ্ঠাৰ কিতাপখন। পঢ়ি আছোঁ। হেন সময়তে আমাৰ হাতত পৰিল সন্মাত্ৰানন্দৰ ‘নাস্তিক পণ্ডিতেৰ ভিটা ঃ অতীশ দীপংকৰেৰ পৃথিৱী’ নামৰ আন এক কৌতূহল উদ্দীপক কিতাপ। কোৱা বাহুল্য, দীপংকৰৰ সময়ত হিন্দুসকলে বৌদ্ধসকলক নাস্তিক বুলি গণ্য কৰিছিল। যি কি নহওক আমাৰ হিন্দু-হিন্দুত্ববাদী বৰ্তমানক ভালকৈ বুজিবলৈ আমাৰ ইতি হাসৰ বৌদ্ধ-ইচলাম-হিন্দু-তন্ত্ৰ-নাথ-যোগী পাৰস্পৰিকতাতো বুজিব লাগিব। তাৰ বাবে অতীশ দীপংকৰ এক আঁৰিয়া হ’ব পাৰে।

**অসুৰৰ ভাষা!**

বংগত ১৩০০ বছৰ আগতে অস্ত্ৰ’-এচিয়াতিক অৰ্থাৎ আজিৰ মুণ্ডাৰী-চাওতালী-হো-খাৰিয়া ভাষাৰ প্ৰাধান্য ! ৭০৫-৭৭৪ সাধাৰণাব্দত (আজিকালি খৃস্তাব্দৰ সলনি ব্যৱহাৰ হয়) লিখিত বিখ্যাত বৌদ্ধ পুথি ‘মঞ্জুশ্ৰী মূলকল্প’ত অংগ-বংগৰ ভাষাক ‘পূৰ্বী’ বুলি কোৱাৰ লগতে ‘অসুৰাণাং ভৱেদ বাচা গৌড়পৌণ্ড্ৰোদ্ভৱাসদা’ অৰ্থাৎ গৌড় আৰু পৌণ্ড্ৰৰ অধিবাসীসকল অসুৰ ভাষাভাষী বুলি কোৱা হৈছিল। নীহাৰৰঞ্জন ৰয়ৰ মতে এই কথাই প্ৰাচীন বাংলাত অসুৰ অৰ্থাৎ অস্ত্ৰ’-এচিয়াতিক ভাষা-ভাষীৰ সংখ্যাধিক্যৰ সাখ্য বহন কৰে ! এনেকৈয়ে ধৰ্মগ্ৰন্থয়ো কেতিয়াবা ভাষিক-সামাজিক-অৰ্থনৈতিক বহু বিষয়ৰ সূত্ৰ যোগান ধৰিব পাৰে।

এতিয়া আমি চাওঁ নীহাৰৰঞ্জন ৰায়ে ‘বাঙালীৰ ইতিহাস ঃ আদি পৰ্ব’ত ‘আৰ্যমঞ্জুশ্ৰী মূলকল্প’ৰ ভাষিক প্ৰসংগ লৈ কি লিখিছে ঃ

আৰ্যমঞ্জুশ্ৰীমূলকল্প (অষ্টম শতক) নামৰ গ্ৰন্থত এই ভাষাগত বৈশিষ্ট্য সম্পৰ্কে এটি মন্তব্য আছে আৰু সম্ভৱতঃ প্ৰচলনস্থান সম্বন্ধেও অলপ ইংগিত আছে।... যি বৈশিষ্ট্যৰ কথা ‘মঞ্জুশ্ৰীমূলকল্প’ৰ লেখকে উল্লেখ কৰিছিল, আৰ্যভাষাৰ দৃষ্টিভংগীৰ পৰা অস্ত্ৰিক গোষ্ঠীৰ ভাষা সম্পৰ্কে সেয়া কোৱা অযৌক্তিক নহয়। অস্ত্ৰিক ভাষা ‘ল’ আৰু ‘ৰ’ৰ বাহুল্য লক্ষ্য কৰিবলগীয়া। এই অসুৰ ভাষা ভাষী লোকসকলেহে ঋগ্বেদত অসুৰ বুলি অভিহিত কৰিছে বুলি ক’লে অন্যায় কৰা নহ’ব। উক্ত গ্ৰন্থৰ আৰু এটি সাক্ষ্য এই প্ৰসংগত উল্লেখযোগ্য। গ্ৰন্থকাৰৰ মতে বংগ, সনতট, হৰিকেল, গৌড় আৰু পুণ্ড্ৰৰ মানুহে, অৰ্থাৎ পূব আৰু পশ্চিম, দক্ষিণ আৰু উত্তৰ বংগৰ লোকসকল অসুৰ ভাষা-ভাষী ‘অসুৰানাং ভৱেৎ বাচা গৌড়পুণ্ড্ৰোদ্ভৱাসদা’ কোল-মুণ্ডা গোষ্ঠীৰ অন্যতম প্ৰধান কথিত ভাষা এতিয়াও অসুৰ ভাষা; কাজেই- এই ভাষাই যে এসময়ত গৌড়-পুণ্ড্ৰত বহুল প্ৰচলিত আছিল। সহজেই অনুমান কৰা যায়। মধ্য ভাৰতৰ পূবখণ্ডত যিসকলে লোকে অসুৰ ভাষাত কথা কৈছিল তেওঁলোক যে আদি অস্ট্ৰেলিয় পৰিয়ালৰ লোক সেই সম্বন্ধে বোধহয় নাই। গৌড়-পুণ্ড্ৰেৰ আদিমতম স্তৰতো এই আদি-অস্ট্ৰেলিয়সকলৰ বিস্তৃতি আছিল; এই কথাও নৃতত্বৰ পৰা আগতেই জনা গৈছে। ভাষাৰ সাক্ষ্যৰ পৰাও এই কথা বহুলাংশে স্পষ্ট হ’ল। ‘মঞ্জুশ্ৰীমূলকল্প’ত গ্ৰন্থকাৰেই সেই কথা পৰিস্কাৰ কৰি ক’লে। অসমতো যে প্ৰাচীনতৰ কালত এই অসুৰ ভাষা-ভাষী লোকৰ বিস্তৃতি আছিল, তাক অনুমানৰো কাৰণ আছে। কামৰূপৰ বৰ্মন ৰাজবংশৰ আদি পুৰুষসকলেই অসুৰ বুলি পৰিচিত; অন্ততঃ সপ্তম শতিকাৰ ৰজাসকলে নিজৰ পূৰ্বপুৰুষসকলক অসুৰ বুলিয়েই জানিছিল আৰু মহিৰংগ অসুৰ, দানবাসুৰ, হাটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ, নৰকাসুৰ প্ৰভৃতি পূৰ্বপুৰুষসকলৰ বংশধৰ বুলিয়েই নিজৰ পৰিচয় দিছিল। এওঁলোক অসুৰ ভাষা-ভাষী আছিল বুলিয়েই কি এওঁলোকৰ নামত অসুৰ চিহ্ন ৰৈ গৈছে?’ (**বাঙালীৰ ইতিহাস**, আদিপৰ্ব, পৃ. ৯২-৯৩)

ইয়াৰ পৰা দেখা যায় যে ধৰ্ম-ভাষা আদি অন্তঃ সম্পৰ্কিত বিষয়। অতীশ দীপংকৰ শ্ৰীজ্ঞান নামৰ বৌদ্ধপণ্ডিতজনৰ বিষয়ে আলোচনা কৰিবলৈ গৈ আমি পালোগৈ **‘মঞ্জুশ্ৰীমূলকল্প’** নামৰ বৌদ্ধশাস্ত্ৰখন, আৰু তাৰ পৰা বংগ তথা অসমত কোল-চাওতাল-মুণ্ডাৰী-অসুৰ ভাষাৰ সূত্ৰ লাভ কৰিলোঁ। অসমৰ অতীত ইতিহাস আলোচনা কৰিবলৈ যাওঁতে আমি বাৰম্বাৰ তিব্বত-মায়ান্মাৰ-বাংলাদেশ আন্তঃসম্পৰ্কৰ লগতে ভাষা-ধৰ্ম-সমাজ-নৃতত্ব-প্ৰত্নতত্বৰ আন্তঃসম্পৰ্কত আলোকপাত কৰিব লাগিব।

লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক·
ফোন ঃ ৯৪৩৫৩৫১২৫৫





# দৰং জিলাৰ ছয়খন হাইমাদ্ৰাছা পৰ্যবসিত

*তিনি পৃষ্ঠাৰ পৰা* অসম চৰকাৰৰ মাদ্ৰাছা সঞ্চালকৰ অধীনত থকা মাৰুৱাচকী হাইমাদ্ৰাছা শিক্ষা বিভাগৰ শেহতীয়া এক নিৰ্দেশ মৰ্মে মাধ্যমিক শিক্ষা সঞ্চালকৰ অন্তৰ্ভুক্ত হোৱাৰ লগতে শিক্ষানুষ্ঠানখনৰ নাম সলনি কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকৰ পৰা যোৱা ন এপ্ৰিলৰ নিৰ্দেশৰ ভিত্তিত দৰং জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে যোৱা ২৬ এপ্ৰিলত (Memo No.IS/DAR/Mad_Edn/2020) এক চৰকাৰী আদেশযোগে মাৰুৱাচকী হাই মাদ্ৰাছাৰ উপৰি জিলাখনৰ বালাবাৰী হাইমাদ্ৰাছা, বোনমাঝা হাইমাদ্ৰাছা, পশ্চিম মঙলদৈ হাইমাদ্ৰাছা, সানোৱা হাইমাদ্ৰাছা আৰু শান্তি পুখুৰী হাইমাদ্ৰাছাক বিলুপ্তি কৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰূপে নামকৰণ কৰাৰ নিৰ্দেশ দিয়ে। শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি এতিয়াৰ পৰা উক্ত বিদ্যালয়কেইখনৰ মুৰব্বীসকলক অধীক্ষকৰ সলনি প্ৰধান শিক্ষকৰূপে গণ্য কৰা হ’ব।

দুমুনিচকীৰ মাৰুৱাচকী হাইমাদ্ৰাছাৰ নাম সলনিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। উল্লেখ্য যে ১৯৮১ত পশ্চিম দৰঙৰ দুমুনিচকীত মাৰুৱাচকী হাইমাদ্ৰাছা স্থাপিত হৈছিল। অঞ্চলটোৰ ইছলাম ধৰ্মৰ ছাত্ৰ-ছাত্ৰীসকলক আৰবী শিক্ষা গ্ৰহণত আগবঢ়াই নিয়াৰ লক্ষ্যৰে স্থানীয় সচেতন আৰু শিক্ষানুৰাগী লোকসকলৰ একান্ত প্ৰচেষ্টাত মাৰুৱাচকী হাইমাদ্ৰাছা স্থাপন কৰা হয়। সকলো আন্তঃগাঁথনিৰে পৰিপূৰ্ণ শিক্ষানুষ্ঠানখনে বিগত সময়ত দুমুনিচকী অঞ্চলত শৈক্ষিক দিশত ইতিবাচক ভূমিকা পালন কৰি আহিছে। আৰবী ভাষাৰ সমানে অন্য বিষয়ত সমান দখল আয়ত্ত কৰিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলে হাইমাদ্ৰাছা চূড়ান্ত পৰীক্ষাত উন্নত ফলাফল দেখুৱাই গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। কিন্তু অসম চৰকাৰৰ শিক্ষা বিভাগৰ শেহতীয়া নিৰ্দেশৰ ভিত্তিত ৰাজ্যৰ শিক্ষা বিভাগৰ স্বীকৃতিপ্ৰাপ্ত হাইমাদ্ৰাছাসমূহ বিলুপ্তি কৰিবলৈ দিয়া নিৰ্দেশ মৰ্মে দৰং জিলাৰ ছয়খন হাইমাদ্ৰাছাৰ নামকৰণ সলনি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। যোৱা ৪০ বছৰ হাইমাদ্ৰাছাৰূপে দুমুনিচকী অঞ্চলত শৈক্ষিক দিশত গৌৰৱ কঢ়িয়াই অনা মাৰুৱাচকী হাইমাদ্ৰাছা এতিয়া ইতিহাসত পৰিণত হ’ব।

# মৰিয়নিত সাজু ক’ভিড কেয়াৰ বিশেষ

*তিনি পৃষ্ঠাৰ পৰা* ৰেল বিভাগ আৰু স্বাস্থ্য বিভাগে সদৰী কৰা মতে, ২০ টা আইছ’লেছন দবাৰ প্ৰতিটোতে ১৬ খনকৈ বিছনা থাকিব। মুঠ ৩২০ গৰাকী ক’ভিড ৰোগীক শুশ্ৰূষা কৰিব পৰা যাব এই বিশেষ ৰেলখনত। তদুপৰি প্ৰতিটো দবাতেই দুটাকৈ অক্সিজেন চিলিণ্ডাৰ সংযোগ কৰা হৈছে। যিকোনো পৰিস্থিতিত যাতে ৰোগীক অক্সিজেন দিব পৰা যায় তাৰ বাবেই এই ব্যৱস্থাও কৰা হৈছে। একেদৰে প্ৰতিটো দবাতেই সুকীয়াকৈ শৌচাগাৰ আৰু স্নানাগাৰৰ ব্যৱস্থাও কৰা হৈছে। মুঠতে সকলো দিশ সামৰি প্ৰতিটো আইছ’লেছন দবাক ক’ভিড চিকিৎসালয়ৰ ৱাৰ্ডলৈ ৰূপান্তৰিত কৰি তুলি সম্পূৰ্ণৰূপে সাজু কৰি তোলা হৈছে। উল্লেখ্য যে মৰিয়নিত এখনো ক’ভিড চিকিৎসালয় নাই। আনকি নাই এটাও ক’ভিড কেয়াৰ চেন্টাৰ। যোৱাবাৰ মৰিয়নি বিধানসভা সমষ্টিৰ চুঙী লাহিঙত অৱস্থিত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ক ক’ভিড চিকিৎসালয়লৈ বদলি কৰা হৈছিল যদিও এইবাৰ তেনে কৰা হোৱা নাই। ফলত এইবাৰ যিকোনো আক্ৰান্ত লোকেই যোৰহাটলৈ যাবলগীয়া হৈছে। কিন্তু মৰিয়নি ৰেলৰে ষ্টেছনত নতুনকৈ সংযোজন কৰা ক’ভিড কেয়াৰ চেন্টাৰলৈ ৰূপান্তৰ কৰা আইছ’লেছন ডবাযুক্ত এই বিশেষ ৰেলখনে মৰিয়নিবাসীৰ বাবে যথেষ্ট সকাহ কঢ়িয়াই আনিছে।

লক্ষ্যণীয় যে যোৰহাট জিলাত কেৱল মৰিয়নি ষ্টেছনত থাকিবলগীয়া বিশেষ ৰেলখনত কেৱল কৰ’না চিনাক্ত হোৱা আৰু হোম আইছ’লেছনৰ পৰিৱৰ্তে চিকিৎসালয়ৰ সুবিধা বিচৰা ৰোগীসকলকহে পৰিচৰ্যা কৰা হ’ব। স্বাস্থ্য বিভাগৰ এক সূত্ৰই সদৰী কৰা মতে, জিলাখনৰ মৰিয়নি ষ্টেছনত সকলো দূৰণিবটীয়া ৰেলৰ ষ্ট’পেজ থকাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ নিতৌ বহু যাত্ৰীৰ আহ-যাহ হয়। ফলত ৰেলযাত্ৰীৰ মাজত ক’ভিড-১৯ পজিটিভ হোৱা লোক ওলোৱাটো স্বাভাৱিক। ইতিমধ্যে স্বাস্থ্য বিভাগে মৰিয়নি ষ্টেছনত স্থাপন কৰা ক’ভিড পৰীক্ষণ কেন্দ্ৰত বহু ৰেলযাত্ৰীৰ দেহত কৰ’নাৰ মাৰাত্মক ভাইৰাছ পোৱা গৈছে। পজিটিভ ওলোৱা একাংশ যাত্ৰীৰ একাংশ চিকিৎসালয়ৰ পৰিচৰ্যা বিচৰাৰ বাবে সেইসকলক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিবলগীয়া হয়। এনে লোকক এতিয়াৰে পৰা এই বিশেষ ৰেলখনত ৰাখিব পৰা যাব। ৰেলখনৰ সকলো কাৰিকৰী দিশ ৰেল বিভাগে চোৱা চিতা কৰাৰ বিপৰীতে চিকিৎসা আৰু স্বাস্থ্য সংক্ৰান্তীয় সকলো বিষয় ৰাজ্য চৰকাৰ স্বাস্থ্য বিভাগৰ দায়িত্বত থাকিব। ৰেলৰে স্বাস্থ্য বিভাগেও তাত সহযোগ কৰিব। চিকিৎসক-নাৰ্ছ-শুশ্ৰূষাকাৰী আদিৰ বাবেও ৰেলখনত ব্যৱস্থা থাকিব। ইফালে, নিৰাপত্তাৰক্ষীয়ে ৰেলখনৰ নিৰাপত্তা দিয়াৰ লগতে কোনো ৰোগী যাতে বিনা কাৰণত ৰেলখনৰ পৰা ওলাই আহিব নোৱাৰে তাৰো কটকটীয়া ব্যৱস্থা কৰা হৈছে। বাহিৰা কোনো ব্যক্তি ৰেলখনৰ ভিতৰত অনধিকাৰ প্ৰৱেশ কৰিব নোৱাৰিব বুলিও ৰেল বিভাগৰ সূত্ৰই জানিবলৈ দিছে। মন কৰিবলগীয়া যে ৰাজ্যখনৰ নিৰ্দিষ্ট কেইটামান স্থানতহে এইদৰে ৰেলৰ দবাক আইছ’লেছন দবা কৰি ক’ভিড কেয়াৰ চেন্টাৰৰূপে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰেই ভিতৰত মৰিয়নিও অন্যতম। বৰ্তমানলৈকে বিশেষ ৰেলখনত কোনো ৰোগী ভৰ্তি হোৱা নাই বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে।

# যোৰহাটত নিজ আৱাসতে হোম

*তিনি পৃষ্ঠাৰ পৰা* নহয় বুলি চৰকাৰে প্ৰকাশ কৰা নীতি-নিৰ্দেশনাত স্পষ্টকৈ উল্লেখ আছে। আনহাতে, বাগিচাৰ লাইনসমূহত জনবসতিও যথেষ্ট ঘন। বেছিভাগ শ্ৰমিকৰ গৃহতে লেট্ৰিন-বাথৰুম উমৈহতীয়া। এনে পৰিপ্ৰেক্ষিতত বাগিচাখনত দুগৰাকীকৈ ক’ভিড আক্ৰান্তক হোম আইছ’লেছনত ৰখাৰ পৰামৰ্শ কোনে আৰু কিয় দিব লগা হ’ল, সেই লৈ প্ৰশ্ন উত্থাপিত হৈছে। এই লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ই। আটছাৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালাই কয়, ‘জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ চৰম গাফিলতিৰ বাবেই চাহ বাগিচাসমূহত যিকোনো সময়তে ক’ভিড ভয়ংকৰ ৰূপত গণ সংক্ৰমণ হোৱাৰ আশংকা আছে। আটছাৰ সভাপতি গোৱালাই আৰু কয় যে বৰ্তমানলৈকে জিলাখনৰ সাতখন চাহ বাগিচাত ক’ভিড সংক্ৰমণ হৈছে। ইয়াৰে মাত্ৰ চিনামৰা আৰু হাতীগড় চাহ বাগিচাতে ১১জনকৈ লোক ক’ভিডত আক্ৰান্ত হৈছে। এই ১১জন ক’ভিড আক্ৰান্তক চিনামৰা চাহ বাগিচা হাস্পতালত চিকিৎসা আৰু আইছ’লেছনৰ ব্যৱস্থা কৰা হয় যদিও জিলাখনৰ আন কোনো বাগিচাত ক’ভিড আক্ৰান্তক চৰকাৰীভাৱে আইছ’লেছনৰ ব্যৱস্থা কৰা হোৱা নাই। জিলাখনৰ দিছৈ, চিনামৰা আৰু হাতীগড় চাহ বাগিচাৰ উপৰি তিতাবৰৰ চৰাইপানী, মেজেঙা আৰু পাণবাৰী চাহ বাগিচাত দুজনকৈ শ্ৰমিক ক’ভিডত আক্ৰান্ত হৈ বৰ্তমান নিজ গৃহতে চিকিৎসাধীন হৈ আছে। পাণবাৰী চাহ বাগিচাত অৱশ্যে বাগিচাৰে পুৰণা গৃহত সুকীয়াকৈ ৰখাৰ ব্যৱস্থা কৰি দিছে বাগিচা কৰ্তৃপক্ষই। ইপিনে, আটছাই কৰা অভিযোগ অনুসৰি জিলাখনৰ কোনো বাগিচাত জিলা প্ৰশাসনে ক’ভিড পৰীক্ষাৰ ব্যৱস্থা কৰা নাই। প্ৰতিষেধক দিয়া দূৰৰে কথা বুলি মন্তব্য কৰি গোৱালাই এই ক্ষেত্ৰত পোনপটীয়াকৈ জিলা উপায়ুক্ত ৰশ্মি অপৰঞ্জী কৰাটিক দোষাৰোপ কৰি কয়, ‘চৰকাৰে বাগিচা অঞ্চলৰ বাবে সুকীয়া সুকীয়া নীতি-নিৰ্দেশনা দিছে যদিও জিলা উপায়ুক্তগৰাকীৰ অহমিকা স্বভাৱৰ বাবেই সেইবোৰ জিলাখনত কাৰ্যকৰী হোৱা নাই। এই পৰ্যন্ত চাহ বাগিচাসমূহত কোনো ধৰণৰ ক’ভিড পৰ্যালোচনা অথবা সজাগতামূলক অনুষ্ঠিত কৰা নাই। আনকি বাগিচা কৰ্তৃপক্ষলৈ এই সংক্ৰান্তত কোনো নীতি-নিৰ্দেশনা প্ৰেৰণ কৰা নাই। বাগিচাসমূহক কৰা এনে অৱহেলাৰ বাবে জিলাখনত ভয়ংকৰ পৰিস্থিতিৰ উদ্ভৱ হ’ব পাৰে বুলিও আশংকা কৰে চাহ জনগোষ্ঠীয় ছাত্ৰ নেতাজনে। তেওঁ কয়, ‘জিলাখনত ৮৮খন সৰু-বৰ চাহ বাগিচা আছে। ইয়াৰ জনসংখ্যা কে’বা লাখ হ’ব। বাগিচাসমূহৰ জনবসতিও অতি ঘন। এনে অৱস্থাত এবাৰ যদি কোনো চাহ বাগিচাত ক’ভিড সংক্ৰমণ হ’বলৈ হয়, পৰিস্থিতিয়ে জটিল ৰূপ পাবই বেছি সময় নালাগিব।’ এই সংক্ৰান্তত আটছাই ইতিমধ্যে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক বিষয়টো অৱগত কৰি শীঘ্ৰে তৎপৰতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। ইপিনে, আজি ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাৰ উপস্থিতিত যোৰহাট আৰ্বত ভৱনত অনুষ্ঠিত পৰ্যালোচনা সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে এই সংক্ৰান্তত তৎপৰতা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিধায়ক কুৰ্মীয়ে অভিযোগ কৰি কয় যে বাগিচাৰ ক’ভিড আক্ৰান্তসকলে ৰেছন অথবা টকা-পইচা পোৱা নাই। এই সংক্ৰান্তত জিলা প্ৰশাসনৰে যোগাযোগ কৰাত অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ ফুকনে কয় যে আজিৰ পৰ্যালোচনা সভাত দিছৈ চাহ বাগিচাৰ বিষয়টো আলোচনা কৰা হৈছে আৰু এই সংক্ৰান্তত ব্যৱস্থা লোৱা হ’ব। তদুপৰি প্ৰত্যেক চাহ বাগিচাতে একোটাকৈ ক’ভিড কেয়াৰ চেন্টাৰ স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হ’ব বুলিও এই সংবাদদাতাক জানিবলৈ দিয়ে স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্তজনে। তেওঁ সদৰী কৰা অনুসৰি ক’ভিড পৰীক্ষা আৰু প্ৰতিষেধক টিকাকৰণৰ বাবে আজিৰ পৰ্যালোচনা সভাত সিদ্ধান্ত লোৱা হৈছে।

# ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ

*তিনি পৃষ্ঠাৰ পৰা* নিজেই বাঁহৰ দলং নিৰ্মাণ কৰিয়েই যাতায়াত অব্যাহত ৰাখিব লগা হৈছে। আজিলৈকে কোনো এখন চৰকাৰৰ উন্নয়নৰ আঁচনিয়েও ঢুকি নাপালে ঠেংগাল কছাৰী জনগোষ্ঠী অধ্যুষিত অঞ্চলটো। লালুকৰ পৰা ঢেকিয়াজুলি জৰীগুৰি হৈ দলপা পথাৰ তিনিআলিলৈ গতি কৰা গড়কাপ্তানী পথটোৰ দলপা পথাৰ তিনিআলিৰ পৰা উত্তৰ দিশে এটা পথ ফাটি গৈ দলপা পথাৰ আৰু বিষ্ণুপুৰ ঠেংগাল গাঁও সংযোগ কৰিছে। দলপা পথাৰ তিনিআলিৰ পৰা পাঁচশ মিটাৰ নিলগত থকা পাহাৰীয়া ডফলা জানৰ ওপৰত আজি পৰ্যন্ত নিৰ্মাণ নহ’ল এখন পকী দলং। বৃহৎ অঞ্চলটোৰ একমাত্ৰ পথটোৰ ডফলাজানৰ ওপৰত দলং অথবা কালভাৰ্ট নথকাৰ বাবে বাৰিষা-খৰালি উভয়তে অঞ্চলটোৰ ৰাইজে দুৰ্বিষহ যাতায়াত অব্যাহত ৰাখিব লগা হৈছে। অঞ্চলটোৰ ৰাইজে উল্লেখ কৰা মতে, যুগ যুগ ধৰি দলপা পথাৰবাসীয়ে এনেদৰে বাঁহৰ দলং সাজি বিপদসংকুল যাতায়াত অব্যাহত ৰাখিব লগা হৈছে। ইয়াৰ উপৰি দলপা পথাৰ তিনিআলিৰ পৰা বিষ্ণুপুৰ ঠেংগাল গাঁওলৈ সংযোগ কৰা দুই কিলোমিটাৰ পথৰ অৱস্থা অতি তথৈবচ। পথছোৱাত বাৰিষাৰ সময়ছোৱাত একাঁঠু বোকাৰে ভূঁই ৰুব পৰা পৰিস্থিতিৰ সৃষ্টি হয়। সেই পথটোৰে বাৰিষা কালত যাতায়াত কৰোতে অঞ্চলটোৰ ৰাইজে যমৰ যাতনা ভোগ কৰিব লাগে। অঞ্চলটোলৈ অহা পথটোত বাঁহৰ দলং আৰু পথছোৱাৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে ৰাইজে ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত বহু দুৰ্ভোগ ভোগ কৰিব লাগে। অঞ্চলটোৰ সচেতন ব্যক্তি প্ৰবীণ নেওগে উল্লেখ কৰা মতে, ডফলা জানৰ ওপৰত দলং নিৰ্মাণৰ বাবে ৰাইজে প্ৰতিবছৰে গাঁঠিৰ ধন ভাঙিব লগা হয়। এই দলংখনত বহু সৰু বৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ২০১৬তে ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ সময়ত পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰী, উপ-মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, গড়কাপ্তানী বিভাগৰ উচ্চ স্তৰীয়া লোক অঞ্চলটোত পৰিভ্ৰমণ কৰি অঞ্চলবাসীক অতি কম দিনৰ ভিতৰত ডফলা জানৰ ওপৰত দলংখন নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল বুলি অঞ্চলবাসীয়ে কয়। ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ১৭ নম্বৰ (লালুক) সমষ্টিৰ সদস্য থানেশ্বৰ শইকীয়াকো অঞ্চলটোৰ ৰাইজে বহুবাৰ উক্ত সমস্যাটো সমাধানৰ বাবে আবেদন কৰি আহিছে বুলি দলপা পথাৰবাসীয়ে উল্লেখ কৰে। আনকি সাংসদ প্ৰদান বৰুৱায়ো অঞ্চলটোত পৰিভ্ৰমণ কৰোতে অঞ্চলটোৰ ৰাইজে সাংসদজনকো উক্ত দলংখন নিৰ্মাণ কৰিবলৈ আবেদন জনাইছিল যদিও আজিলৈকে কোনো ফল নধৰিল। ৰাইজে ক্ষোভ প্ৰকাশ কৰি কয় যে ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদখনৰ ভিতৰছোৱাত বিভিন্ন আঁচনি ৰূপায়ণত ব্যাপক স্বজন তোষণ চলি আহিছে। দলপা পথাৰবাসীৰ এই অভিশাপ স্বৰূপ দলংখন নিৰ্মাণ কৰিবলৈ পৰিষদখনে আজিলৈকে কোনো ধৰণৰ পদক্ষেপ হাতত নোলোৱাটো অতি লজ্জাজনক বুলি ৰাইজে উল্লেখ কৰিছে। অঞ্চলবাসীৰ দীৰ্ঘদিনীয়া অভিযোগ আৰু যাতায়াতৰ দুখ কষ্টৰ বুজ ল’বলৈ অলপতে ঠেংগাল কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কেশৱ নেওগে অঞ্চলটো পৰিভ্ৰমণ কৰি যাতায়াতৰ বুজ লয়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিজনে ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদখনে ঠেংগাল কছাৰী অধ্যুষিত অঞ্চলটোৰ উন্নয়নৰ দিশত পিঠি দিয়া বুলি মন্তব্য কৰিছে। পৰিষদখনৰ বিভিন্ন আঁচনিত বিয়াগোম কেলেংকাৰিৰ কথা উল্লেখ কৰি কয় যে ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদখনে দলপা পথাৰ, বিষ্ণুপুৰ ঠেংগাল গাঁওবাসীক অৱহেলা কৰিছে। ঠেংগাল কছাৰী ৰাইজৰ উন্নয়নৰ হকে পৰিষদখনলৈ অহা কোটি কোটি টকাৰ আবণ্টনেও এই অঞ্চলটোক ঢুকি নোপোৱাটো অতি দুৰ্ভাগ্যজনক। লগতে সংগঠনটোৰ সভাপতিয়ে অতি শীঘ্ৰে ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদক দলপা পথাৰৰ ডফলাজানৰ ওপৰত পকী দলং নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। তদুপৰি সদৌ অসম ঠেংগাল কছাৰী ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি পুলক হাজৰিকা, সম্পাদক অৰুণ ঠেংগালেও ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদখনত অতি সোনকালে উক্ত দলংখন নিৰ্মাণ কৰিবলৈ দাবী জনাইছে।

# খুৰাকে লাঠিৰে কোবাই হত্যা

*তিনি পৃষ্ঠাৰ পৰা* লাভ কৰি শিঙৰী আৰক্ষী চকীৰ এদল আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে তোলন দাসক আটক কৰাৰ লগতে নিহত যুৱকজনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# নগালেণ্ডত এসপ্তাহৰ সম্পূৰ্ণ

*তিনি পৃষ্ঠাৰ পৰা* ৰাজ্যখনত বাস কৰা অধিকাংশ সৰ্বসাধাৰণ জনতাই চৰকাৰৰ নিৰ্দেশনা মানি তলাবন্ধৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে নগালেণ্ডত ক’ভিডৰ দ্ৰুত সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা ব্যাপক বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এনেদৰে এসপ্তাহৰ বাবে সম্পূৰ্ণ তলাবন্ধ দিবলৈ বাধ্য হৈ পৰে। তলাবন্ধৰ পৰা স্বাস্থ্য, জৰুৰীকালীন আৰু অত্যাৱশ্যকীয় সেৱাৰ স’তে জড়িতসকলক ৰেহাই দিয়াৰ লগতে ক’ভিড নিয়ম অনুসৰণ কৰা একাংশ চৰকাৰী বিভাগৰ কাম-কাজ চলোৱাত অনুমতি দিয়া হৈছে। তলাবন্ধৰ সময়ছোৱাত ৰাজ্যখনৰ স্বাস্থ্য বিভাগে ক্ষিপ্ৰতাৰে কাম-কাজ আৰম্ভ কৰিছে। একাংশ চহৰত ক’ভিডৰ তাৎক্ষণিক পৰীক্ষা কৰাৰো ব্যৱস্থা কৰিছে।

# সাপ্তাহিক বজাৰ বন্ধত স্তব্ধ

*তিনি পৃষ্ঠাৰ পৰা* কৰ’না কালৰ বাবেই চৰকাৰী নিৰ্দেশনা অনুসৰি উল্লিখিত সাপ্তাহিক বজাৰসমূহ বন্ধ হৈ পৰাত শগুনবাহী, বিদ্যানগৰ, নাইটৰ, অদলা গাঁৱৰ তিনি শতাধিক পৰিয়ালে বনোৱা বাঁহৰ বিভিন্ন সামগ্ৰীসমূহ বিক্ৰী কৰিব নোৱাৰি বিমোৰত পৰিছে। ২০ বছৰ ধৰি বাঁহৰ বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি জীৱিকা-নিৰ্বাহ কৰা নগৰবেৰাৰ তিনি শতাধিক পৰিয়াল লৈ সম্প্ৰতি অন্ধকাৰ নামি আহিছে। দৈনন্দিন অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰিব পৰা নাই উল্লেখিত গাঁৱৰ বাঁহ শিল্পীকৰ্মৰ লগত জড়িত পৰিয়ালবোৰে। এনে পৰিস্থিতিত পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে নগৰবেৰাৰ তিনি শতাধিক বাঁহ শিল্পী পৰিয়ালৰ। ৰাজ্য চৰকাৰে নগৰবেৰাৰ বাঁহ শিল্পৰ লগত জড়িত পৰিয়ালক বিশেষভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে শিল্পীসকলে।

# ডিমা হাছাৱতপিষ্টলসহ

*তিনি পৃষ্ঠাৰ পৰা* নগালেণ্ডৰ পৰা হাফলঙলৈ উগ্ৰপন্থী সংগঠনটোৰ বাবে অস্ত্ৰ সৰবৰাহৰ কামত জড়িত থকা বুলি চোৰাংচোৱা সূত্ৰে সেনাই তথ্য লাভ কৰে। লিংকমেনটোৱে শেহতীয়াকৈ এনেদৰে সৰবৰাহ কৰা মৰণাস্ত্ৰ নিজ ঘৰত লুকুৱাই ৰখা বুলি লাভ কৰা নিশ্চিত তথ্যৰ ভিত্তিত আজি পুৱতি নিশা সেনাৰ এটা দলে লাইচংস্থিত লিংকমেনটোৰ ঘৰত অভিযান চলায়। অভিযানকাৰী দলটোৱে লিংকমেনটোক নিজ ঘৰৰ পৰা আটক কৰাৰ লগতে ঘৰৰ পিছফালে লুকুৱাই থোৱা অৱস্থাৰ পৰা এটা পিষ্টল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উগ্ৰপন্থী সংগঠনৰ ধৃত লিংকমেনটোক সেনাই পাছত আৰক্ষীক চমজাই দিয়ে।

# কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষকৰ

*তিনি পৃষ্ঠাৰ পৰা* উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰি ৰাজ্যৰ কৃষি ক্ষেত্ৰ সমৃদ্ধিশালী কৰাৰ বাবে প্ৰকল্প গ্ৰহণ কৰিলে এই দিশত সফলতা লাভ কৰিব পৰা যাব বুলি তেওঁ কয়। তদুপৰি, ৰাজ্যৰ ভিতৰতে, ধান, মাহ আৰু তৈলবীজ উৎপাদনৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা উৎপাদিত উচ্চ উৎপাদনক্ষম পৰীক্ষাকৃত বীজসমূহ যাতে অসম চৰকাৰে ক্ৰয় কৰে আৰু তাৰ পৰা যাতে বিশ্ববিদ্যালয়ে বছৰি ২০-২৫ কোটি টকাৰ আয় কৰিব পাৰে তাৰ বাবে ব্যৱস্থা ল’বলৈ অনুৰোধ জনায়। এইসমূহ প্ৰস্তাৱ কাৰ্যকৰী কৰাৰ দিশত বিশ্ববিদ্যালয়ে সকলো দিহা-পৰামৰ্শ তথা কাৰিকৰী সহায়-সহযোগ আগবঢ়াব বুলিও উপাচাৰ্যই প্ৰতিশ্ৰুতি দিয়ে। আলোচনা কালত উপাচাৰ্য ড° ডেকাই অসম কৃষি বিশ্ববিদ্যালয়ত খালী হৈ থকা শিক্ষক আৰু অনাশিক্ষক পদসমূহ পূৰণৰ ক্ষেত্ৰত ব্যৱস্থা ল’বলৈ অনুৰোধ জনোৱাত মন্ত্ৰী বৰাই এই দিশত মুখ্যমন্ত্ৰীৰে আলোচনা কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি প্ৰকাশ কৰে। বিশ্ববিদ্যালয়ৰ ভ্ৰমণকালত কৃষিমন্ত্ৰীজনক ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীয়েও সংগ দিয়ে।

# টিংখাঙত ক’ভিডৰ কবলত

*তিনি পৃষ্ঠাৰ পৰা* আক্ৰান্ত হৈ ইতিমধ্যে এজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ৪০গৰাকীৰো অধিক ৰোগীয়ে আৰোগ্য লাভ কৰিছে। বৰ্তমানেও গাঁওখনত ৬৫গৰাকী কৰ’না ৰোগী হোম আইছ’লেছনত আছে। আক্ৰান্ত হৈছে সাংবাদিক দিলীপ বৰুৱা আৰু তেওঁৰ পৰিয়ালো। ইফালে, কৃষি প্ৰধান গাঁওখনৰ ২০৫টা পৰিয়াল বিগত ১০দিন ধৰি ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাৰ ফলত লোকসকলৰ মাজত খাদ্য সংকটে দেখা দিছে। এইদৰে সমষ্টিটোৰ লেঙেৰি-নখাট অঞ্চলত এতিয়া ক’ভিডে নমাই আনিছে সংকট। তেনে পৰিস্থিতিত গাঁওবাসীৰ মাজত খাদ্য সামগ্ৰীৰ যোগান ধৰিবলৈ আগবাঢ়ি আহিছে কে’বাটাও সংগঠন। স্থানীয় লেঙেৰী আঞ্চলিক ছাত্ৰ সন্থা, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু আহোম গণ মঞ্চৰ সদস্যসকলে বিপদগ্ৰস্ত লোকসকলৰ মাজত খাদ্য সামগ্ৰীৰ যোগান ধৰিছে। ইফালে, আৰক্ষী প্ৰশাসনৰ লগতে স্থানীয় গাঁওৰক্ষী বাহিনীয়েও ক’ভিড নিয়ম যাতে কোনেও উলংঘা কৰিব নোৱাৰে তাৰ ওপৰত দিনে-নিশাই দৃষ্টি ৰাখিছে। তদুপৰি মন্ত্ৰী তথা বিধায়ক বিমল বড়াই নখাটত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে। আতংকিত নহৈ সতৰ্কতা অৱলম্বন কৰিবলৈ ৰাইজক তেওঁ আহ্বান জনাইছে। স্থানীয় আৰক্ষী-প্ৰশাসন আৰু স্বাস্থ্য বিভাগেও আগবঢ়াইছে সেৱা। ইপিনে, সমষ্টিটোৰ কে’বাখনো গাঁৱত আৰু চাহ বাগিচাত অচিন লোকৰ প্ৰৱেশ নিষিদ্ধ কৰি জাননী আঁৰিছে।

# গোসাঁইগাঁৱত আদিবাসী দল

*তিনি পৃষ্ঠাৰ পৰা* চাওতালসকলৰ বাবে ১৫ মে’ আখ্যায়িত হোৱা আদিবাসী জনগোষ্ঠীৰ লোকসকলে আজিৰ দিনটো ক’লা দিৱস হিচাপে পালন কৰে। ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে সম্পূৰ্ণ ক’ভিড নিয়ম মানি আজি গোসাঁইগাঁও মহকুমাৰ সত্যপুৰৰ কাষত বৰবিল (সিংমুণ্ডু) গাঁৱত আদিবাসী কোব্ৰা মিলিটেণ্ট অৱ অসম (আকমা) চাওঁতাল টাইগাৰ ফ’ৰ্চ (এছটিএফ) সদৌ চাওঁতাল ছাত্ৰ সন্থা (এছু)ৰ উদ্যোগত ক’ভিড নিয়মৰ মাজেৰে অনুষ্ঠিত কৰিবলগীয়া ক’লা দিৱসত ছহিদসকলৰ স্মৃতিত ছহিদ বেদীত মাল্যাৰ্পণ কৰে আকমাৰ বড়োবিল শাখাৰ কমাণ্ডাৰ ৰবি টুডু আৰু পুষ্পাঞ্জলি প্ৰদান কৰে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ সম্পাদক বিমল সৰেনে লগতে শিংগীমাৰী (লকচা) লিলিবিচি ক্লাব কাম লাইব্ৰেৰীৰ সভাপতি ৰবিৰাম হেম্ব্ৰম, এছটিএফৰ এৰিয়া কমাণ্ডাৰ মংগল হেম্ব্ৰম আৰু গাঁৱৰ গাঁওবুঢ়া, ৰাইজৰ উপস্থিতিত অনুষ্ঠুপীয়াকৈ ক’লা দিৱস উদ্‌যাপন কৰে। এছু গোসাঁইগাঁও জিলা সমিতিৰ উপ-সভাপতি লধেয়া হেম্ব্ৰমে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে, আদিবাসী (চাওঁতাল) জনগোষ্ঠীটো আজিৰ দিনত ১৯৯৬ত যি আদিবাসী-বড়ো জনগোষ্ঠী দুটাৰ মাজত গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি হৈ বহু লোকে শিবিৰত থাকিবলগীয়া হৈছিল আৰু বহুত মানুহ মৃত্যুবৰণ কৰিছিল। ঠিক তেনেকুৱা ঘটনা ভৱিষ্যতে নহয় তাকে কামনা কৰাৰ লগতে আদিবাসী জনগোষ্ঠীটোক নতুন চৰকাৰখনে সৰ্বাংগীণ উন্নতি সাধন কৰাৰ উপৰি শিবিৰত থকা লোকসকল পুনৰ সংস্থাপনৰ দাবী জনায়।

# দণ্ডাধীশৰ কঠোৰ নিৰীক্ষণত

*তিনি পৃষ্ঠাৰ পৰা* কুমাৰ দাস, মঙলবাৰে সহকাৰী আয়ুক্ত গায়ত্ৰী শৰ্মা, বুধবাৰে সহকাৰী আয়ুক্ত লিনামী দাস, বৃহস্পতি আৰু দেওবাৰে কলগাছিয়াৰ ভাৰপ্ৰাপ্ত চক্ৰ বিষয়া দীপাংকৰ কলিতা, শুকুৰবাৰে সহকাৰী আয়ুক্ত উৰ্বশী চেতিয়া আৰু শনিবাৰে বৰপেটাৰ সংযুক্ত চক্ৰ বিষয়া চন্দন কলিতাক দায়িত্ব দিয়া হৈছে। এওঁলোকে সুকীয়া সুকীয়া দিনত কলগাছিয়াত থকা বৰপেটা অসামৰিক চিকিৎসালয়তো ক’ভিড ৰোগীৰ চিকিৎসা সেৱাৰ বুজ ল’ব। দায়িত্বপ্ৰাপ্ত কাৰ্যবাহী দণ্ডাধীশসকলে চিকিৎসালয়ত সকলো সময়তে চিকিৎসকৰ উপস্থিতি নিশ্চিত কৰাৰ উপৰি চিকিৎসালয়ত আৱশ্যকীয় ঔষধ, অক্সিজেন, মাস্ক, গ্লোভছ আৰু ক’ভিড চিকিৎসাৰ বাবে প্ৰয়োজনীয় সঁজুলিসমূহৰ উপলব্ধতা আদিও পৰ্যবেক্ষণ কৰিব। তদুপৰি চিকিৎসাধীন ৰোগীসকলৰ বাবে যোগান ধৰা খাদ্যৰ গুণগত মানো পৰীক্ষা কৰিব বুলি জিলা প্ৰশাসনৰ পৰা জানিব পৰা গৈছে। চিকিৎসাধীন ৰোগীসকলৰ ফোন নম্বৰ সংগ্ৰহ কৰি তেওঁলোকৰ স’তে যোগাযোগ ৰক্ষা কৰিবলৈকো নিৰ্দেশটোত কোৱা হৈছে। দণ্ডাধীশসকলক দৈনিক এই সম্পৰ্কত উপায়ুক্তক প্ৰতিবেদন দাখিল কৰিব লাগিব। উল্লেখ্য যে কিছুমান চিকিৎসালয়ত ক’ভিড ৰোগীয়ে উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হোৱা বুলি উত্থাপিত অভিযোগৰ পৰিপ্ৰেক্ষিততে জিলা উপায়ুক্তই এই নিৰ্দেশ জাৰি কৰি ক’ভিড ৰোগীৰ চিকিৎসাৰ বিষয়টো নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। যোৱা ১৩ মে’ত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অহা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তয়ো ক’ভিড ৰোগীৰ প্ৰতিটো মৃত্যুৰ ঘটনাৰ সম্পৰ্কত উচিত তদন্তৰ প্ৰতিবেদন বিচাৰিব বুলি উল্লেখ কৰি ক’ভিড ৰোগীৰ চিকিৎসাত গাফিলতি বা অৱহেলা কৰাৰ বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰাৰ ইংগিত দিছিল।

# বাগ্‌সাৰ নতুন বৰলাৰ ৰাইজে গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰিলে পথ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৫ মে’ ঃ** ৰাইঝে নখ জোঁকাৰিলে নৈ বয়। কথাফাঁকিকেই সৰোগত কৰি বাগ্‌সাৰ নতুন বৰলা গাঁৱৰ ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি আঙুলিয়াপাৰা আৰু ৰাজঘাট ৰাজহ গাঁও সংযোগী ৰাজঘাট গাঁৱৰ পথটো নিৰ্মাণ কৰি সম্পূৰ্ণ কৰে। স্বাধীনতাৰ ৭০ দশক পাৰ হৈ যোৱাৰ পাছতো কোনো এখন চৰকাৰেই চকুত নপৰা গাঁওখনৰ এই পথটো আজি গাঁওখনৰ বাসিন্দাসকলে প্ৰতি ঘৰৰ পৰা সাধ্যানুসাৰে বৰঙণি তুলি ৬০ হেজাৰ টকা ব্যয় সাপেক্ষে মাটি, শিল, বালি দি যাতায়াত কৰাৰ ক্ষেত্ৰত সুচল কৰে। বিগত



সময়ছোৱাত বোকাপানীৰে ভৰপূৰ হৈ থকা পথছোৱা বহু কষ্টৰে ৰাইজে চলাচল কৰিবলগীয়া হৈছিল। পথটোৰ দুৰৱস্থাৰ বাবে গাঁওখনলৈ কেতিয়াও এখন এম্বুলেন্সো যাব পৰা নাছিল। নিজৰ গাঁঠিৰ ধন ভাঙি পথছোৱা যাতায়াতৰ বাবে সুচল কৰি তোলে ৰাইজে। চৰকাৰক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।



*মৰিয়নিত ক’ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে ছেনিটাইজেছন, শনিবাৰে।*

# নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম মহোৎসৱৰ শ্ৰেষ্ঠ অভিনেতাৰ মনোনয়ন মঙলদৈৰ দ্বীপজ্যোতিৰ



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৫ মে’ ঃ** কৰ’না মহামাৰীৰ দুৰ্দশাৰ সময়তে সমগ্ৰ দৰংবাসীৰ বাবে আহিছে এটি সুখবৰ। অহা ৪-১৩ জুনলৈ নিউয়ৰ্কত হ’বলগীয়া নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেলৰ শ্ৰেষ্ঠ অভিনেতাৰ দৌৰত প্ৰথমবাৰৰ বাবে মনোনয়ন লাভ কৰিছে মঙলদৈৰ সন্তান দ্বীপজ্যোতি কলিতাই। তেওঁ সাজ এণ্টাৰটেইনমেণ্ট প্ৰযোজিত আৰু কৃষ্ণকান্ত বৰা প্ৰযোজিত অসমীয়া পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ ‘বৰষুণ’ (চংছ ফ’ৰ ৰেইন)ত অভিনয় কৰি শ্ৰেষ্ঠ অভিনেতাৰ মনোনয়ন লাভ কৰিছে। মঙলদৈ বামুণপাৰা নিবাসী, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰী কৰ্মচাৰী ডম্বৰুধৰ কলিতা আৰু গৃহিণী সঁফুৰা কলিতাৰ পুত্ৰ দ্বীপজ্যোতিয়ে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় ছিকিমৰ পৰা ডিপ্ল’মা লাভ কৰি অপেছাদাৰী নাট্য জগতৰ সমান্তৰালকৈ চলচ্চিত্ৰ আৰু টেলিভিছন ধাৰাবাহিকত অভিনয়ত আত্মনিয়োগ কৰে। তেওঁৰ প্ৰচেষ্টাত মঙলদৈত গঠন হোৱা জাগ্ৰত সাংস্কৃতিক গোষ্ঠীৰ জৰিয়তে বহু ন প্ৰতিভাক তেওঁ উদ্ভাসিত কৰি আহিছে। দ্বীপজ্যোতিৰ লগতে হৰিশ খান্না (গড অন দ্য বেলকনি), সিদ্ধাৰ্থ মেনন (জুন), তন্ময় ধননীয়া (নজৰবন্ধ) আৰু বিকাশ কুমাৰ (দ্যা নট/উলজ্বন)ও শ্ৰেষ্ঠ অভিনেতাৰ মনোনয়ন লাভ কৰিছে। মঙলদৈৰ প্ৰতিভাবান শিল্পীজন নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেলত উজলি উঠক তাৰেই কামনা কৰিছে দৰঙৰ সাংস্কৃতিক মহলে। উল্লেখ্য যে ‘বৰষুণ’ চলচ্চিত্ৰৰ পৰিচালক কৃষ্ণকান্ত বৰাও শ্ৰেষ্ঠ পৰিচালকৰ মনোনয়ন লাভ কৰিছে।

# নাহৰকটীয়াৰ উমাতাৰা চাহ বাগিচাত অনলাইন টীকাকৰণ পঞ্জীয়ন সহায়ক কেন্দ্ৰ মুকিল

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৫ মে’ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া শাখাৰ অন্তৰ্গত উমাতাৰা চাহ বাগিচাত ইংৰাজী আজি ‘অনলাইন টীকাকৰণ পঞ্জীয়নৰ সহায়ক কেন্দ্ৰ’ মুকলি কৰি লগে লগে কে’বাজনৰো নাম পঞ্জীয়ন কৰে। উক্ত কেন্দ্ৰত উমাতাৰা চাহ বাগিচাৰ শ্ৰমিকসকলৰ লগতে ওচৰ চুবুৰীয়া গাঁওবাসী ৰাইজে ক’ভিড-১৯ প্ৰতিষেধক টিকাকৰণৰ বাবে নাম পঞ্জীয়ন কৰিব পাৰি।

# পুত্ৰৰ বিয়াৰ দিনাই মাতৃৰ মৃত্যু ঃ নলবাৰীত শোকৰ ছাঁ

**বিশেষ সংবাদদাতা**



**নলবাৰী, ১৫ মে’ ঃ** পুত্ৰৰ বিয়াৰ দিনাই মাতৃৰ মৃত্যু ঘটা এক হৃদয়বিদাৰক ঘটনাই নলবাৰীত গভীৰ শোকৰ ছাঁ পেলাইছে। নলবাৰী মালিকুছিত সংঘটিত হৈছে এই ঘটনা। সাংস্কৃতিক কৰ্মী অলকেশ ভট্টৰ মাতৃ বিমলা ভট্ট (৬৫)ই বিগত কিছুদিন ধৰি ৰোগশয্যাত থাকিয়ে একমাত্ৰ পুত্ৰৰ বিয়াৰ বাবে হাবিয়াস কৰি আছিল। অৱশেষত ক’ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কালি অতি অনুষ্ঠুপীয়াকৈ পুত্ৰই বিবাহ কাৰ্য সম্পন্ন কৰে। সন্ধিয়াৰ ভাগত ন-কইনা আনি ঘৰ সুমুৱায় অলকেশে। কিন্তু নিয়তিৰ কি পৰিহাস! বোৱাৰীৰ মুখ দেখাৰ কেইঘণ্টামান পাছতে নিশা ৮-৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে সৰবৰহী মহিলাগৰাকীয়ে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ আৰু ন-বোৱাৰীয়েক, স্বামী গিৰিজা ভট্ট, দুই কন্যা এৰি যায়। আজি তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ইপিনে, মহিলাগৰাকীৰ মৃত্যুত নলবাৰীত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে উক্ত পৰিয়ালটোৰ মুখ্য পৃষ্ঠপোষকতাত গঠিত জোনাকী কাৰেং নামৰ সাংস্কৃতিক সংস্থাটোৱে ইতিমধ্যে অসমৰ অপেছাদাৰী নাট্যক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে।

# মোৰাঝাৰৰ আব্দুল বাচিত হত্যাকাণ্ড তিনিজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৫ মে’ ঃ** হোজাই জিলাৰ মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত চৌধুৰী বজাৰৰ আব্দুল বাচিত হত্যাকাণ্ডৰ গোচৰত অভিযুক্ত আন তিনি অভিযুক্তক আজি মোৰাঝাৰ আৰক্ষীয়ে হোজাই শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁলোকক জেল হাজোতলৈ প্ৰেৰণ কৰে। অভিযুক্ত তিনিজন হৈছে ফৰিজ উদ্দিন, হাচিব উদ্দিন আৰু বাঘাই। মোৰাঝাৰ আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি যোৱা নিশা মাঞ্জাৰ পৰা তিনিওকে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে মোৰাঝাৰ আৰক্ষী থানা তথা চৌধুৰী বজাৰ আৰক্ষী চকীৰ অধীনস্থ অকচেক গাঁৱৰ আব্দুল বাচিতক যোৱা ১২ মে’ৰ সন্ধিয়া এটা চক্ৰই মৰিয়াই হত্যা কৰিছিল। ইপিনে, এই হত্যাকাণ্ডৰ স’তে অভিযুক্ত বৰবালি গাঁৱৰ চৰকাৰী গাঁওবুঢ়া ফইজ উদ্দিনক কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল।

# এবছৰে চিকিৎসক নাই



*তিনি পৃষ্ঠাৰ পৰা* এজনো চিকিৎসক নথকাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰে। স্মাৰকপত্ৰ প্ৰদানৰ সময়ত বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক জুবিন দাস, মানাহ আঞ্চলক ছাত্ৰ সন্থাৰ সভাপতি জ্যোতিষ তাঁতী, সহকাৰী সম্পাদক উদয় সূত্ৰধৰ, সাংগঠনিক সম্পাদক মহন্ত দাস আদি উপস্থিত থাকে।

# এবছৰে তলা ওলমি থাকিল

*তিনি পৃষ্ঠাৰ পৰা* তত্ত্বাবধানতহে নিৰ্মাণ কৰা হৈছিল। পিছে সেয়া যিয়ে নহওক দেশৰ এই ভয়াৱহ পৰিস্থিতিৰ সময়তো জিলাখনৰ একমাত্ৰ অসামৰিক চিকিৎসালয়ত আজি আই চি ইউ কাৰ্যক্ষম নোহোৱাতো হৈছে স্বাস্থ্য বিভাগৰ দূৰ্বল দিশ। সকলো বাধা আঁতৰাই ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি আই চিইউ কক্ষটো ৰাইজৰ সেৱাৰ বাবে মুকলি কৰিব লাগে বুলি ৰাইজে দাবী জনাইছে।

# গৰাখহনীয়াই নিদ্ৰা হৰিছে দৰং

*তিনি পৃষ্ঠাৰ পৰা* শীঘ্ৰে এই খহনীয়া সমস্যাৰ স্থায়ী সমাধান নকৰিলে কৃষিভূমিয়েই নহয় ঘৰ-বাৰীও নৈৰ বুকুত জাহ যাব বুলি ৰাইজে আশংকা প্ৰকাশ কৰিছে। সেয়ে ৰাইজে তৎকালীন পদক্ষেপৰ বাবে নৱনিৰ্বাচিত বিধায়ক ড° পৰমানন্দ ৰাজবংশী আৰু ৰাজ্য চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।






অতিমাৰীৰ আঘাত এইবাৰ আৰু বেছি গভীৰ হ'ব বুলি আতংকিত হৈ পৰিছে গাড়ী শিল্পমহল। চৰকাৰী পৰিসংখ্যা দাঙি ধৰি গাড়ীৰ ডিলাৰসমূহৰ সংগঠন ফেডাৰেছন অৱ অট'মোবাইল ডিলাৰ্ছ এছ'চিয়েছন চমুকৈ ফাডাই সংবাদ মাধ্যমৰ আগত এই বুলি সদৰী কৰিছে যে যোৱা মাৰ্চৰ তুলনাত এপ্ৰিলত খুচুৰা ব্যৱসায়ত যথেষ্ট ঘাটি হৈছে আৰু চলিত মাহতো নতুন গাড়ীৰ বিক্ৰী হাৰ ৭০-৮০ শতাংশ পৰ্যন্ত কমাৰ সম্ভাৱনা আছে। সম্প্ৰতি শ্ব'ৰূমৰ পৰা গাড়ীৰ বিক্ৰী বিপুল পৰিমাণে হ্ৰাস পাইছে।

# দেশৰ গাড়ীৰ বজাৰতো কৰ'নাৰ আতংক

## ক'ভিড পৰিস্থিতিৰ বাবে ৭৫ শতাংশ শ্ব'ৰূম বন্ধ ঃ ঋণ পৰিশোধৰ সময়সীমা বৃদ্ধি কৰাৰ অনুৰোধ আৰবিআইক

**কৰ'নাৰ** দ্বিতীয় লহৰে বিগত বছৰত তলাবন্ধৰ প্ৰভাৱৰ পৰা মুক্ত হৈ লাহে লাহে গা পোনাই উঠিব ধৰা গাড়ীৰ বজাৰখনক পুনৰ এবাৰ ৰাম টাঙোন শোধাইছে। সংক্ৰমণৰ ভয়তে ৰাজহুৱা পৰিবহণ ব্যৱস্থা এৰাই চলিবৰ বাবে যোৱাটো বছৰত বহুতেই দুচকীয়া বাহন ক্ৰয় কৰিছিল বাবে দেশজুৰি শিল্পখণ্ডৰ ব্যাপক মন্দাৰ মাজতো কম বেছি পৰিমাণে লাভ বুটলিবলৈ সক্ষম হৈছিল গাড়ী বিক্ৰেতা সংস্থাসমূহে। পিছে এইবাৰ সেই আশাও নোহোৱা কৰি পেলাইছে কৰ'নাৰ সংহাৰী ৰূপে। অতিমাৰীৰ আঘাত এইবাৰ আৰু বেছি গভীৰ হ'ব বুলি আতংকিত হৈ পৰিছে গাড়ী শিল্পমহল। চৰকাৰী পৰিসংখ্যা দাঙি ধৰি গাড়ীৰ ডিলাৰসমূহৰ সংগঠন ফেডাৰেছন অৱ অট'মোবাইল ডিলাৰ্ছ এছ'চিয়েছন চমুকৈ ফাডাই সংবাদ মাধ্যমৰ আগত এই বুলি সদৰী কৰিছে যে যোৱা মাৰ্চৰ তুলনাত এপ্ৰিলত খুচুৰা ব্যৱসায়ত যথেষ্ট ঘাটি হৈছে আৰু চলিত মাহতো নতুন গাড়ীৰ বিক্ৰী হাৰ ৭০-৮০ শতাংশ পৰ্যন্ত কমাৰ সম্ভাৱনা আছে। সম্প্ৰতি শ্ব'ৰূমৰ পৰা গাড়ীৰ বিক্ৰী বিপুল পৰিমাণে হ্ৰাস পাইছে। আনকি, বিক্ৰীৰ পৰিমাণ ২০১৯ৰ এপ্ৰিলৰ তুলনাতো ভালেখিনি কমিছে। বৰ্তমানে ক'ভিড পৰিস্থিতিৰ বাবেই দেশৰ ৭৫ শতাংশ অৰ্থাৎ মুঠ ২৬,৫০০ টা শ্ব'ৰূমৰ ভিতৰত ২০,০০০ টাই বন্ধ হৈ আছে। মাৰুতি ছুজুকী নামৰ জনপ্ৰিয় সংস্থাটোৰ দেশজুৰি থকা ৩,১৪০টা শ্ব'ৰূমৰ ভিতৰত প্ৰায় ২,০০০টায়ে বৰ্তমান বন্ধ হৈ আছে। আনহাতে যিকেইটা খোলা আছে তাতো ক্ৰেতাৰ দেখাদেখি প্ৰায় নাই বুলিয়েই ক'ব পাৰি। পৰিস্থিতি একেধৰণে থাকিলে ডিলাৰ সংস্থাসমূহৰ ২০ হেজাৰ কোটি টকাৰ পৰা ২৫ হেজাৰ কোটি টকা পৰ্যন্ত আয় কমিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে ফাডাই। ফাডাৰ দাবী, কৰ'না পৰিস্থিতি উন্নত নহ'লে দুবছৰ পূৰ্বৰ ব্যৱসায়িক অৱস্থা পাবলৈও অহা ২০২৩ পৰ্যন্ত অপেক্ষা কৰিবলগীয়া হ'ব গাড়ী শিল্প খণ্ডটোৱে। বিভিন্ন ৰাজ্যত স্থানীয় তলাবন্ধ বা অন্যান্য কঠোৰ নিয়ম বলবৎ কৰাৰ ফলত শ্ব'ৰূমৰ পৰা গাড়ী ক্ৰয় কৰা ক্ৰেতাৰ সংখ্যা যে বৃহৎ হাৰত নিম্নমুখী হৈছে তাৰ প্ৰমাণ দিছে স্বয়ং কেন্দ্ৰীয় চৰকাৰৰ 'বাহন' মামৰ পোৰ্টেলটোৰ দ্বাৰা প্ৰকাশিত এক প্ৰতিবেদনে। আনহাতে কেৱল যে খুচুৰা বিক্ৰী কম হৈছে তেনে নহয়। গাড়ী নিৰ্মাতা সংস্থাসমূহৰ মতে, ক'ভিডসৃষ্ট পৰিস্থিতিৰ পূৰ্ণ প্ৰভাৱ পৰিছে পাইকাৰী বিক্ৰী বা ডিলাৰৰ হাতত সংস্থাসমূহৰ গাড়ী বিক্ৰীৰ হাৰত। গাড়ী নিৰ্মাতা সংস্থাসমূহৰ সংগঠন ছিয়েমে সংবাদ মাধ্যমক অৱগত কৰা মতে, যোৱা এপ্ৰিলত বিভিন্ন যাত্ৰীবাহী গাড়ীৰ বিক্ৰী মাৰ্চৰ তুলনাত প্ৰায় ১০.০৭ শতাংশ কমি হৈছে মাত্ৰ ২,৬১,৬৩৩খন। মাৰ্চত দেশজুৰি বিক্ৰী হৈছিল ২,৯০,৯৩৯খন যাত্ৰীবাহী শ্ৰেণীৰ গাড়ী। ইফালে অন্যান্য গাড়ীৰ বিক্ৰীৰ হাৰ আৰু শোচনীয় স্তৰলৈ হ্ৰাস পোৱা বুলি জনাইছে ছিয়েমৰ অধ্যক্ষ ৰাজেশ মেননে। যোৱা মাৰ্চত ভাৰতীয় বজাৰত মুঠ প্ৰায় ১৪,৯৮,৮০৬খন দুচকীয়া বাহনৰ বিক্ৰী হোৱাৰ বিপৰীতে মাত্ৰ এমাহ পাছতে অৰ্থাৎ এপ্ৰিলত এই শ্ৰেণীৰ বাহন বিক্ৰীৰ হাৰ ৩৩ শতাংশ কমি ৯,৯৫,০৯৭খনলৈ হ্ৰাস পাইছে। সময়ছোৱাত মটৰ চাইকেলৰ বিক্ৰী ৩৩ শতাংশ, স্কুটাৰৰ বিক্ৰী ৩৪ শতাংশ আৰু তিনিচকীয়া বাহনৰ বিক্ৰী ৫৭ শতাংশ নিম্নমুখী হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ভাৰতৰ উৎপাদনমুখী শিল্পৰ এক অতি গুৰুত্বপূৰ্ণ অংশ হৈছে এই গাড়ী শিল্প খণ্ডটো। কৰ'নাৰ পূৰ্বৰে পৰাই ইন্ধনৰ মূল্যবৃদ্ধিকে ধৰি বিভিন্ন কাৰণত দেশৰ গাড়ীৰ বজাৰখনৰ বিক্ৰীৰ লেখা চিত্ৰ নিম্নমুখী হোৱা পৰিলক্ষিত হৈছে।



তাতে আকৌ ভূতৰ ওপৰত দানহ পৰা দি কৰ'নাৰ দ্বিতীয় ঢৌৱ কোবে বিক্ৰী প্ৰায় নোহোৱাৰ দৰেই কৰি পেলাইছে চাৰিচকীয়াৰ পৰা দুচকীয়ালৈ সকলো ধৰণৰ বাহনৰ। ফলত নিৰ্মাণ কাৰ্য স্থগিত ৰাখিবলগীয়া হৈছে বহু সংস্থাই। স্বাভাৱিকতে ইয়াৰ প্ৰভাৱ পৰিছে কৰ্মসংস্থানতো। এইখিনিতে উনুকিয়াই থোৱাটো ভাল, অতিমাৰীৰ প্ৰথম পৰ্যায়ত কেন্দ্ৰই ঋণৰ মাহিলি কিস্তিৰ সময়সীমা বৃদ্ধি কৰা আৰু সুত পৰিশোধৰ ক্ষেত্ৰত সাময়িক স্বস্তি ঘোষণা কৰাৰ পৰা আৰম্ভ কৰি গাড়ী নিৰ্মাণ খণ্ডক এমএছএমইৰ মৰ্যাদা দিয়ালৈ বিভিন্ন ত্ৰাণ প্ৰকল্প মুকলি কৰিছিল। কিন্তু, এইসমূহৰ এটাও সুবিধা এইবছৰ প্ৰদান কৰা হোৱা নাই। ফাডাৰ অধ্যক্ষ ভিংকেশ গুলটিৰ মতে, এইবাৰ কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সম্পূৰ্ণ তলাবন্ধ দিয়াৰ পৰিৱৰ্তে ৰাজ্যসমূহে নিজাববীয়াকৈহে তলাবন্ধ ঘোষণা কৰাৰ ফলত কেন্দ্ৰৰ পৰা বৰ্তমানলৈ কোনো ধৰণৰ ত্ৰাণ প্ৰকল্প মুকলি কৰাৰ কথা কোৱা হোৱা নাই। সেয়ে প্ৰতিখন ৰাজ্যৰ তলাবন্ধৰ দিন অনুযায়ী অন্ততঃ ঋণ পৰিশোধৰ সময়সীমা বৃদ্ধি কৰাৰ নিৰ্দেশিকা জাৰি কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকক অনুৰোধ জনাইছে গাড়ী শিল্পমহলে।




# ঘৰৰ পৰাই অন্য শাখালৈ স্থানান্তৰ কৰিব পৰা যাব জমা একাউণ্ট

# এছবিআইৰ বৃহৎ ঘোষণা

এছবিআইৰ তৰফৰ পৰা ইয়াৰ গ্ৰাহকসকলক তেওঁলোকৰ জমা একাউণ্ট এটা শাখাৰ পৰা অন্য কোনো শাখালৈ ঘৰতে বহি স্থানান্তৰ কৰাৰ সুবিধা আগবঢ়োৱা হৈছে। অৰ্থাৎ আপোনাৰ এছবিআই একাউণ্টটো এই কৰ'না কালত ঘৰৰ বাহিৰ নোলোৱাকৈয়ে অনলাইনযোগে নিকটৱৰ্তী শাখালৈ স্থানান্তৰ কৰিব পৰা যাব এতিয়াৰে পৰা।

**দেশত** উত্তৰোত্তৰ বৃদ্ধি পাইছে কৰ'নাৰ সংক্ৰমণ। প্ৰশাসনৰ তৰফৰ পৰা জাৰি কৰা হৈছে একাধিক নিষেধাজ্ঞা। এনে সংকটকালীন পৰিস্থিতিত দেশৰ ৰাজহুৱা খণ্ডৰ সৰ্ববৃহৎ বেংকিং প্ৰতিষ্ঠান ভাৰতীয় ষ্টেট বেংকে বৃহৎ ঘোষণা কৰিছে। এছবিআইৰ তৰফৰ পৰা ইয়াৰ গ্ৰাহকসকলক তেওঁলোকৰ জমা একাউণ্ট এটা শাখাৰ পৰা অন্য কোনো শাখালৈ ঘৰতে বহি স্থানান্তৰ কৰাৰ সুবিধা আগবঢ়োৱা হৈছে। অৰ্থাৎ আপোনাৰ এছবিআই একাউণ্টটো এই কৰ'না কালত ঘৰৰ বাহিৰ নোলোৱাকৈয়ে অনলাইনযোগে নিকটৱৰ্তী শাখালৈ স্থানান্তৰ কৰিব পৰা যাব এতিয়াৰে পৰা। খুব সহজেই এছবিআইৰ ৱেবছাইটৰ উপৰি য়'ন' এছবিআই আৰু য়'ন' লাইট নামৰ এপ দুটা ব্যৱহাৰ কৰি নিজৰ একাউণ্ট স্থানান্তৰ কৰিব পাৰিব গ্ৰাহকে।

**জমা একাউণ্ট অন্য শাখালৈ স্থানান্তৰ কৰিবলৈ হ'লে কেনেদৰে আগবাঢ়িব ...**

১। প্ৰথমেই এছবিআইৰ ৱেবছাইট www.onlinesbi.comত লগ ইন কৰি ব্যৱহাৰকাৰীৰ নাম আৰু পাছৱৰ্ডসহ ব্যক্তিগত বেংকিঙৰ বিকল্পটো বাছনি কৰিব লাগিব।

২। পৰৱৰ্তী সময়ত মেনুবাৰৰ ই-ছাৰ্ভিচ অপছনটোত গৈ ট্ৰেন্সফাৰ অৱ ছেভিংছ একাউণ্টত ক্লিক কৰক। এইবাৰ আপুনি যিটো একাউণ্ট স্থানান্তৰ কৰিব বিচাৰিছে সেইটো বাছনি কৰক।

৩। আপোনাৰ নামত যদি কেৱল এটাই বেংক একাউণ্ট আছে আৰু উক্ত একাউণ্টটো গ্ৰাহক তথ্য ফাইল (CIF)ত ইতিমধ্যে অন্তৰ্ভুক্ত হৈ আছে তেন্তে স্বয়ংক্ৰিয়ভাৱে সেই একাউণ্ট নিৰ্বাচিত হৈ যাব।

৪। এইবাৰ বেংকৰ সেই বিশেষ শাখাটোৰ কোডটো লিখক যিটোলৈ আপুনি আপোনাৰ একাউণ্টটো স্থানান্তৰ কৰিব বিচাৰে। তাৰ পাছত স্ক্ৰীণত অহা চৰ্তাৱলীসমূহ ভালদৰে পঢ়ি ছাবমিট অপছনত ক্লিক কৰক।

৫। এইদৰে অনলাইনযোগে পূৰ কৰা সমস্ত তথ্য আকৌ এবাৰ ভালদৰে পৰীক্ষা কৰি সৰ্বশেষত কনফাৰ্ম অপছনত ক্লিক কৰিব লাগিব। কনফাৰ্ম কৰাৰ লগে লগে আপোনাৰ পঞ্জীয়নভুক্ত ম'বাইল নম্বৰলৈ বেংকৰ তৰফৰ পৰা এটা অ'টিপি প্ৰেৰণ কৰা হ'ব। উক্ত অ'টিপি পূৰ কৰি আকৌ এবাৰ কনফাৰ্ম কৰাৰ পাছত আপোনাৰ একাউণ্ট স্থানান্তৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উল্লেখ্য যে গ্ৰাহকসকলৰ ম'বাইল নম্বৰ স্থানান্তৰ কৰিব খোজা একাউণ্টটোৰ স'তে পঞ্জীয়ন কৰা নাথাকিলে এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পৰা নাযাব।






# ভাৰতীয় ষ্টেট বেংকৰ এটিএমৰ দ্বাৰা উলিয়াব পাৰিব ফিক্সড্ ডিপ'জিটৰ টকাও!

## কৰ'না সংকটৰ সময়ত গ্ৰাহকলৈ মাল্টি অপছন ডিপ'জিট স্কীমৰ সুবিধা

**দেশৰ** সৰ্ববৃহৎ চৰকাৰী বেংকিং প্ৰতিষ্ঠান ভাৰতীয় ষ্টেট বেংক চমুকৈ এছবিআয়ে ইয়াৰ গ্ৰাহকসকলক বিভিন্ন সময়ত বিভিন্ন ৰকমৰ সুবিধা প্ৰদান কৰি আহিছে। বৰ্তমান সময়ত দেশজুৰি কৰ'না সংকট চলি থকা বাবে চিকিৎসাৰ খৰচ বহুলভাৱে বৃদ্ধি পাইছে। এনে বিপদকালীন পৰিস্থিতিত পৰি গ্ৰাহকে যাতে ফিক্সড্ ডিপ'জিট একাউণ্ট ভাঙিবলগীয়া নহয় তাৰ উদ্দেশ্যে ভাৰতীয় ষ্টেট বেংকে মাল্টি অপছেন ডিপ'জিট স্কীম চমুকৈ এমঅ'ডিএছ নামেৰে এক নতুন আঁচনি মুকলি কৰিছে। এই আঁচনিৰ মাধ্যমেদি, ফিক্সড ডিপ'জিট নভঙাকৈয়ে গ্ৰাহকে যেতিয়াই প্ৰয়োজন হয়, এটিএমৰ পৰা এফডি একাউণ্টৰ ধন উলিয়াব পাৰিব। এমঅ'ডিএছ হ'ল এক ধৰণৰ টাৰ্ম ডিপ'জিট, যি গ্ৰাহকৰ জমা বা কাৰেণ্ট একাউণ্টৰ স'তে সংযুক্ত হৈ থাকে। গ্ৰাহকে যদি সেই লিংকযুক্ত একাউণ্টৰ পৰা অৰ্থ উলিয়াব খোজে কিন্তু একাউণ্টত সেই পৰিমাণৰ অৰ্থ জমা নাথাকে তেন্তে তেনে ক্ষেত্ৰত এমঅ'ডিএছৰ মাধ্যমেদি প্ৰয়োজনীয় ধন উলিয়াব পৰা যায়। ভাৰতীয় ষ্টেট বেংকৰ সাধাৰণ ফিক্সড্ ডিপ'জিটত যি সুতৰ হাৰ ধাৰ্য কৰা থাকে সেই একে সুতৰ হাৰ এমঅ'ডিএছৰ ক্ষেত্ৰতো প্ৰযোজ্য।

এই আঁচনিৰ কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য..

* এছবিআইৰ এই বিশেষ আঁচনিত গ্ৰাহকে সৰ্বনিম্ন ১০,০০০ টকাৰ এফডি কৰাব পাৰে। আনহাতে বিনিয়োগৰ কোনো সৰ্বাধিক সীমা নাই ইয়াত।

* এবছৰৰ পৰা পাঁচ বছৰ ম্যাদৰ বাবে এছ বি আইৰ মাল্টি অপছন ডিপ'জিট স্কীম বা চমুকৈ এমঅ'ডিএছ খুলিব পাৰি। এই আঁচনিত প্ৰিমিয়াৰ উইড্ৰ কৰাৰ সুবিধাও থাকে।

* এমঅ'ডিএছৰ মাধ্যমেদি ঋণ ল'ব পাৰি আৰু ঋণ ল'লে নমিনীৰো সুবিধা পাব পৰা যায়। তদুপৰি ইয়াক বেংকৰ এটা শাখাৰ পৰা অন্য এক শাখালৈ স্থানান্তৰো কৰিব পাৰি।



* এমঅ'ডিএছ কৰা গ্ৰাহকৰ লিংকযুক্ত জমা একাউণ্টত সৰ্বনিম্ন মাহিলি গড় বেলেন্স থকাটো বাধ্যতামূলক।

* এমওডিএছৰ মাধ্যমেদি টকা উলিওৱাৰ ক্ষেত্ৰত, যি সময় পৰ্যন্ত জমাৰাশি একাউণ্টত থাকে সেই সময় পৰ্যন্ত যি সুতৰ হাৰ চলি থাকে সেই হাৰমতেহে সুতসহ সমস্ত ধন পাব পৰা যায়।

* যদি অন্য কোনো নিৰ্দিষ্ট একাউণ্টৰ স'তে এই আঁচনিক লিংক বা সংযুক্ত কৰা হয়, তেন্তে তাৰ পাছত আৰু ইউনিট ভাঙিব পৰা নাযায়।



# হোৱাটছ এপৰ মাধ্যমেদি গ্ৰাহকে পাব বেংকিং সেৱা

## বেংক অৱ বৰোদাৰ ম'বাইল এপ মুকলি

**কৰ'নাৰ** সংক্ৰমণ হ্ৰাস কৰাৰ উদ্দেশ্যে বিভিন্ন ৰাজ্যত ইতিমধ্যে তলাবন্ধ দিয়া হৈছে। সাধাৰণ জনতাৰ জীৱন-যাপন একপ্ৰকাৰ অৱৰুদ্ধ হৈ পৰিছে। দোকান-পোহাৰ, হাট-বজাৰ, পৰিবহণ ব্যৱস্থা, সকলোতে জাৰি কৰা হৈছে কঠোৰ নিষেধাজ্ঞা। কিন্তু বেংকৰ দৰে জৰুৰী সেৱাৰ বাবে ঘৰৰ বাহিৰলৈ ওলাবলগীয়া হোৱাত নানা আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছে জনসাধাৰণ। সেয়ে কৰ'না সংকটৰ এই সময়ত ডিজিটেল পেমেণ্টৰ ওপৰতে ভৰসা কৰিবলগীয়া হৈছে বহুতে। গ্ৰাহকৰ এনে সমস্যাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এইবাৰ বেংক অৱ বৰোদাৰ তৰফৰ পৰা কেতবোৰ বিশেষ ম'বাইল নম্বৰ প্ৰৱৰ্তন কৰা হৈছে যাৰ মাধ্যমেদি গ্ৰাহকসকলে ঘৰত বহিয়েই কেৱল হোৱাটছ এপ ব্যৱহাৰ কৰি লেনদেন সম্পৰ্কীয় বিভিন্ন সেৱা উপলব্ধ কৰিব পাৰিব।

বেংক অৱ বৰোদা কৰ্তৃপক্ষই জাৰি কৰা এই নম্বৰসমূহৰ সহায়ত উপভোক্তাই দিনৰ ২৪ ঘণ্টাই বিভিন্ন বেংকিং সেৱা উপভোগ কৰিব পাৰিব। প্ৰয়োজন নাথাকিব টকা উলিয়াবলৈ এটিএম বা বেংকৰ শাখালৈ যোৱাৰো। আনহাতে, আপুনি যদি ডেবিট কাৰ্ড ব্লক কৰিবলৈ বিচাৰে নাইবা সুতৰ হাৰ সম্পৰ্কে কিবা তথ্য উপলব্ধ কৰিব খোজে তেতিয়াও এই হোৱাটছ এপ সেৱা ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ বাবে আপুনি কেৱল আপোনাৰ ম'বাইলৰ কণ্টেক্ট লিষ্টত বেংকটোৰ হোৱাটছ এপ' নম্বৰ (৮৪৩৩৮৮৮৭৭৭) ছেভ কৰিব লাগিব। এই নম্বৰৰ মাধ্যমেদি বেংকৰ বেলেন্স পৰীক্ষা কৰা, শেষৰ পাঁচটা লেনদেন সম্পৰ্কীয় তথ্য লাভ কৰাৰ লগতে চেকবুকৰ বাবে আবেদনো কৰিব পৰা যাব। স্মৰ্তব্য, বেংক অৱ বৰোদাই শেহতীয়াকৈ বৰোদা এম কনেক্ট প্লাছ নামেৰে এটা এপো মুকলি কৰিছে। গ্ৰাহকে এই এপটোৰ মাধ্যমেদিও কে'বাটাও গুৰুত্বপূৰ্ণ সুবিধা ঘৰতে বহি ল'ব পাৰিব। ইয়াৰ জৰিয়তে দিনটোৰ ২৪ ঘণ্টাই বেংকিং সুবিধা উপলব্ধ কৰিব পাৰিব উপভোক্তাই। উক্ত সুবিধাসমূহ উপলব্ধ কৰিবলৈ নিম্নোক্ত নম্বৰসমূহত যোগাযোগ কৰিব পাৰে গ্ৰাহকে।



* বেংক একাউণ্টৰ বেলেন্স পৰীক্ষা কৰাৰ বাবে— ৮৪৬৮০০১১১১

* শেষৰ পাঁচটা লেনদেন সম্পৰ্কীয় তথ্য লাভ কৰাৰ বাবে— ৮৪৬৮০০১১২২।

* বেংকৰ হোৱাটছ এপ সেৱাসমূহৰ বাবে- ৮৪৩৩৮৮৮৭৭৭।

* টোল ফ্ৰি নম্বৰ- ১৮০০২৫৮৪৪৫৫/১৮০০১০২৪৫৫।



# মন্দাৰ মাজতো স্বস্তি প্ৰবীণ নাগৰিকৰ

## ফিক্সড্ ডিপ'জিটত সাত শতাংশ পৰ্যন্ত সুত দিছে এই দুই বেংকে

**কৰ'না** মহামাৰীৰ কবলত পৰি আৰ্থিকভাৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে সমগ্ৰ দেশ। নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ জুই-ছাই দামৰ বিপৰীতে ক্ষুদ্ৰ সঞ্চয় আঁচনিসমূহৰ পৰা আয় ক্ৰমশঃ সংকুচিত হ'বলৈ ধৰাত কপালত চিন্তাৰ ভাঁজ পৰিছে সকলোৰে। সমান্তৰালভাৱে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰেপ'ৰেট কমাৰ ফলত যোৱা প্ৰায় এবছৰৰো অধিক কাল বেংকৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ হ্ৰাস পাই আহিছে। অৱসৰ গ্ৰহণৰ পাছত প্ৰতিমাহে এক নিৰ্দিষ্ট পৰিমাণৰ আয়ৰ বাবে আজিৰ তাৰিখতো যিহেতু দেশৰ অধিকাংশ প্ৰবীণ নাগৰিকৰ ভৰসা এই ফিক্সড্ ডিপ'জিট আঁচনিসমূহ, সেয়ে এইসকল উপভোক্তা সুতৰ হাৰ কমি যোৱাৰ ফলত বিপদত পৰিছে। দেশৰ বেছিভাগ চৰকাৰী বেংকৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ বৰ্তমান সময়ত মুঠেও আশাব্যঞ্জক নহয় যদিও তাৰ মাজতে বেচৰকাৰী খণ্ডত এতিয়াও কিছু বেংকিং প্ৰতিষ্ঠান আছে যিয়ে প্ৰবীণ নাগৰিকসকলৰ বাবে উচ্চ হাৰত সুত প্ৰদান কৰি আছে।

### ইণ্ডাছইণ্ড বেংক

যোৱা ২৬ এপ্ৰিলত ইণ্ডাছইণ্ড বেংকে ইয়াৰ টাৰ্ম ডিপ'জিটৰ সুতৰ হাৰ সংশোধন কৰিছে। বেংকটোৱে বৰ্তমানে প্ৰবীণ নাগৰিকৰ ম্যাদী জমাৰ ওপৰত অতিৰিক্ত ০.৫০ শতাংশকৈ সুত ঘোষণা কৰিছে। সাত দিনৰ পৰা পাঁচ বছৰীয়া ম্যাদৰ জমাৰ ক্ষেত্ৰত ন্যূনতম ৩.২৫ শতাংশৰ পৰা সৰ্বাধিক সাত শতাংশ পৰ্যন্ত সুত প্ৰদান কৰিছে এই ব্যক্তিগত খণ্ডৰ বেংকটোৱে।

বেচৰকাৰী বেংকিং খণ্ডৰো সৰহ সংখ্যক প্ৰতিষ্ঠানে সৰ্বাধিক পাঁচ-ছয় শতাংশতহে সুতৰ হাৰ সীমিত কৰি ৰাখিছে যদিও দুই-এক ব্যতিক্ৰমী প্ৰতিষ্ঠানে প্ৰবীণ নাগৰিকক বৰ্তমানে সাত শতাংশ পৰ্যন্ত সুত আগবঢ়াইছে।

**ইয়েছ বেংক ঃ** এই বেংকটোৱে ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ শেহতীয়াকৈ সংশোধন কৰিছে। সংশোধনৰ পাছত উপভোক্তাসকলক তেওঁলোকৰ এফডি একাউণ্টত জমা থকা পুঁজিৰ ওপৰত ৫০ বেছিছ পইণ্টকৈ অধিক সুত প্ৰদান কৰিছে। আনহাতে, সাধাৰণ জমাকাৰীৰ তুলনাত তিনি বছৰ আৰু ততোধিক সময়ৰ বাবে ধন স্থায়ীভাৱে জমা ৰখা প্ৰবীণ নাগৰিকক ৫০ বেছিছ পইণ্টৰ সলনি ৭৫ বেছিছ পইণ্ট বা ০.৭৫ শতাংশ অতিৰিক্ত হাৰত সুত আগবঢ়াইছে বেংকটোৱে।



নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে সমগ্ৰ দেশজুৰি মহিলা আৰু নৱজাতকৰ ভৱিষ্যৎ সুনিশ্চিতকৰণৰ হকে বিভিন্ন সময়ত বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত অন্যতম বুলি ক'ব লাগিব প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিখনক। গৰ্ভৱতী মহিলাৰ পুষ্টি আৰু নৱজাতকৰ বিকাশৰ লক্ষ্যৰে মুকলি কৰা এই প্ৰকল্পৰ আওতাত গৰ্ভৱতী আৰু স্তনপান কৰাই থকা মহিলাসকলক পাঁচ হেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

# কৰ'না কালত এইসকল মহিলাই পাব পাৰে পাঁচ হেজাৰ টকাৰ আৰ্থিক সাহায্য

**কৰ'না** মহামাৰীৰ ভয়াবহ পৰিস্থিতিয়ে ভাৰতৰ সকলো শ্ৰেণীৰ মানুহকে বিপৰ্যয়ৰ সন্মুখীন কৰিছে এইবাৰ। বিশেষকৈ মজুৰি কৰি জীৱন নিৰ্বাহ কৰা সাধাৰণ মজদুৰ বনুৱাসকলৰ আৰ্থিক অৱস্থা তথৈবচ কৰি তুলিছে কৰ'নাৰ দ্বিতীয় লহৰে। এনে পৰিস্থিতিত, এইসমূহ পৰিয়ালত প্ৰথমবাৰৰ বাবে গৰ্ভৱতী হোৱা মহিলাসকলৰ কল্যাণৰ হকে মুকলি কৰা প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাই যথেষ্ট সকাহ দিছে আৰু লাভজনক বুলি প্ৰমাণিত হৈছে। বিগত ২০১৭তে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰা এই আঁচনিৰ জৰিয়তে এই পৰ্যন্ত লাখ লাখ মহিলাই নিজৰ নাম পঞ্জীয়ন কৰি গৰ্ভাৱস্থাৰ সময়ত আৰু সন্তান জন্ম দিয়াৰ পাছত আৰ্থিক সুবিধা লাভ কৰিছে।

**প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনি ঃ**

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে সমগ্ৰ দেশজুৰি মহিলা আৰু নৱজাতকৰ ভৱিষ্যৎ সুনিশ্চিতকৰণৰ হকে বিভিন্ন সময়ত বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত অন্যতম বুলি ক'ব লাগিব প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিখনক। গৰ্ভৱতী মহিলাৰ পুষ্টি আৰু নৱজাতকৰ বিকাশৰ লক্ষ্যৰে মুকলি কৰা এই প্ৰকল্পৰ আওতাত গৰ্ভৱতী আৰু স্তনপান কৰাই থকা মহিলাসকলক পাঁচ হেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মুঠ তিনিটা কিস্তিত কেন্দ্ৰই এই পুঁজি হিতাধিকাৰীৰ একাউণ্টত জমা দিয়ে। মনত ৰাখিব, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিৰ আওতাত প্ৰথমবাৰৰ বাবে গৰ্ভৱতী হোৱা মহিলাইহে প্ৰয়োজনীয় পুষ্টিৰ বাবে কেন্দ্ৰৰ পৰা পাঁচ হেজাৰ টকাকৈ লাভ কৰে। পঞ্জীয়ন কৰাৰ পাছত প্ৰথম কিস্তিটো গৰ্ভাৱস্থাৰ ১৫০ দিনৰ ভিতৰত আৰু দ্বিতীয় কিস্তি পৰৱৰ্তী ১৮০ দিনৰ ভিতৰত দিয়া হয়। দ্বিতীয় কিস্তিত দুহেজাৰ টকা আৰু তৃতীয় কিস্তিতো দুহেজাৰ টকাকৈ প্ৰসৱৰ পাছত শিশুৰ প্ৰথম টিকাকৰণৰ সময়ত দিয়াৰ নিয়ম। অৱশ্যে, এই আঁচনিৰ সুবিধা সেইসকল মহিলাইহে পায় যিয়ে দৈনিক মজুৰি কৰে বা যাৰ আৰ্থিক অৱস্থা ভাল নহয়। আঁচনিখনৰ দ্বাৰা আৰ্থিক সাহায্যৰ লগতে গৰ্ভৱতী মহিলাসকলে প্ৰয়োজনীয় বিশ্ৰামো লাভ কৰে। উল্লেখ্য যে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ উদ্যোগৰ স'তে জড়িত মহিলাসকলৰ বাবে এই আঁচনি নহয়।



লগতে ১৯ বছৰৰ পূৰ্বে গৰ্ভৱতী হোৱা কোনো মহিলাকে এই সুবিধা প্ৰদান কৰা নহয়। পএমএমভিৱাই-২০২১ৰ আওতাত অনলাইনযোগে এই আঁচনিৰ বাবে আবেদন কৰিব পৰা যায়। ইচ্ছুকসকলে www.Pmmvy-cas.nic.inত লগইন কৰি ঘৰত বহিয়েই অনলাইন আবেদন কৰিব পাৰে।






# আজিৰ পৰা দুপৰীয়া ১২ৰ পৰা

*এক পৃষ্ঠাৰ পৰা* উল্লেখ কৰা হয় যে কাইলৈৰ পৰা পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত ৰাজ্যৰ নিৰ্দিষ্ট সেই অঞ্চলবোৰত দুপৰীয়া ১২ বজাৰ পৰা সান্ধ্য আইন বলৱৎ হ'ব। বৰ্তমানৰ দৰে পুৱা পাঁচ বজালৈ সান্ধ্য আইন বলৱৎ থাকিব। নতুন সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত উক্ত অঞ্চলসমূহৰ সকলো দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠান পুৱা ১১ বজাতে বন্ধ কৰিব লাগিব। জৰুৰী সেৱাকে ধৰি যিবোৰ ক্ষেত্ৰত বৰ্তমান চলাচলত শিথিলতা ঘোষণা কৰা হৈছিল সেইবোৰ একেদৰেই থাকিব। তাৰ বিপৰীতে ১২ বজাৰ পৰা অন্য ব্যক্তিগত আৰু অনুমতি নথকা চৰকাৰী বাহনৰ চলাচল নিষিদ্ধ হ'ব। বৰ্তমানৰ নিয়ম অনুসৰি দুপৰীয়া দুই বজাৰ পৰা পুৱা পাঁচ বজালৈ সান্ধ্য আইন থকাৰ লগতে এক বজাত দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰিব লাগে। আনহাতে, সুৱাৰ বিপণীসমূহ পুৱা ন বজাৰ পৰা ১১ বজালৈ খুলিবলৈ অনুমতি দিয়া হৈছে।

# প্ৰায় নিৰপেক্ষ

*এক পৃষ্ঠাৰ পৰা* কেবিনেটে দায়িত্ব ভাৰ গ্ৰহণ কৰে। সেইখিনিলৈকে ভাজপাৰ আৰু সংঘৰ সাত্ত্বিক সংস্কাৰবোধৰ চানেকি বুলি আমি ধৰি ললো। কিন্তু দশকৰ পাছত দশক ক্ষমতা নথকাকৈয়ো দল আৰু সংঘ কৰি থকা মূল মানুহখিনি ক'ত? নে তেওঁলোকৰ মূল পৰিৱৰ্তন হৈছে? সৰ্বানন্দ সোণোৱাল অগপৰ পৰা আহি অতি কম সময়ৰ ভিতৰতে ভাজপাৰ কে'বাটাও দশকৰ প্ৰচেষ্টাৰ ফল মুখ্যমন্ত্ৰীৰূপে পাঁচ বছৰ ভোগ কৰিলে। সেয়া ৰাজনৈতিক অৰ্থত লটাৰী লগাৰ নিচিনা (উইণ্ডফল) আছিল। তেতিয়াও মূল ভাজপা আৰু সংঘীয় আদৰ্শৰ কৰ্মীসকলে জনতাই গ্ৰহণ কৰিব পৰা মুখ্যমন্ত্ৰী নিজৰ পৰা দিব নোৱাৰিলে। পাছত কংগ্ৰেছত বিসম্বাদ কৰা হিমন্ত বিশ্ব শৰ্মাক ভাজপাৰ সিদ্ধাৰ্থ ভট্টাচাৰ্য আদি নেতাসকলে ভাজপালৈ অতি কামৰ মানুহ হ'ব বুলি আমন্ত্ৰণ কৰি আনিলে। কামৰ মানুহ হয় বাৰু, তেওঁ সদৌ গুৱাহাটী ছাত্ৰ সন্থা, অগপত অনানুষ্ঠানিকভাৱে কংগ্ৰেছত মন্ত্ৰীৰূপে কামৰ মানুহে আছিল, লগতে বাকপটুও। কিন্তু সংঘৰ পৰা ভাজপা কৰা মানুহখিনি তেনে কামৰ মানুহৰ দ্বাৰা মঞ্চ এৰি আৰু অধিক সেউজ ঘৰত সোমোৱাৰ সম্ভাৱিতাৰ কথা ভবা নহ'ল। বোধকৰোঁ, সোণোৱাল কেবিনেট আৰু শৰ্মা কেবিনেট দুটাতে তাৰ প্ৰভাৱ পৰিছে। প্ৰশান্ত ফুকনৰ দৰে দলৰ আৰম্ভণিৰ পৰা দলৰ বাবে লাগি থকা আৰু কে'বাবাৰো বিধায়ক হোৱা মানুহ নতুন মন্ত্ৰীসভাত নাই। অধিকাংশ মন্ত্ৰী মুখ্যমন্ত্ৰী শৰ্মাৰ কংগ্ৰেছৰ দিনৰ ঘনিষ্ঠ।

আৰ এছ এছৰ প্ৰধান মোহন ভাগৱতে এযাৰ কথা কৈছিল যে সংঘৰ মানুহক দেখা নযায়, অদৃশ্য হৈয়ে তেওঁলোকে নিজৰ কাম কৰি থাকে। কথাষাৰ সাম্প্ৰতিক অসমৰ দুটা নিৰ্বাচন আৰু দুখন মন্ত্ৰীসভাৰ ক্ষেত্ৰত অতি প্ৰযোজ্য। লটাৰী লগা (উইণ্ডফল) তাৰকা আমদানিকৃত খেলুৱৈজন এইবাৰ ড° শৰ্মা। বিৰোধীৰূপে ড° শৰ্মাৰ বিৰুদ্ধে বহু অভিযোগ আছে, প্ৰায় সকলো সংগঠন আৰু দলৰ। আমাৰো ছাত্ৰ ৰাজনীতিৰ এটা দীঘলীয়া অধ্যায় পদে পদে বাধা আৰু তৎকালীন কংগ্ৰেছ চৰকাৰৰ সহযোগত বিষময় কৰি তুলিছিল তেতিয়া যিকোনো মূল্যত ৰাজনৈতিক সাফল্য বিচৰা যুৱ নেতাজনে। আছু, কৃষক নেতা অখিল গগৈ আৰু পিছলৈ নিঃশেষ কৰি থৈ যোৱা বুলি অনুভৱ কৰা ৰাষ্ট্ৰীয় দল কংগ্ৰেছৰো প্ৰায় একেই অভিযোগ। কিন্তু আজিৰ হিমন্ত বিশ্ব শৰ্মাক মই শুদ্ধিকৰণৰ জৰিয়তে সংঘীয় ৰাজনীতিত মুখ্যমন্ত্ৰী হোৱা বুলি ধৰিছো বা আন্দাজ কৰিছো। আন্দাজ নকৰিয়ো উপায় নাই, তেওঁৰ কৌশল প্ৰয়োগ কৰি ভাজপাই অহিন্দী ভাষী ৰাজ্য এখনত দ্বিতীয়বাৰলৈ জিকি অহা বুলি কয়। সংঘৰ অদৃশ্য মানৰে আনকি সেউজ ঘৰৰ (বেকগ্ৰাউণ্ড) সাফল্যৰ প্ৰকাশ্যে দাবীদাৰ নহয় আজিকালি। যদি ৰাজনৈতিক পুতলাৰে চৰিত্ৰ গঠনৰ কুচকাৱাজ চলিছে, অতি বিনম্ৰ নিবেদন, মঞ্চ ৰাজনীতি মঞ্চ ৰাজনীতিয়ে। অদৃশ্য মানৰ, অপৰ পক্ষৰ হৈ (বাই প্ৰক্সি) ৰাজনীতি, সৰ্বভাৰতীয় ৰাজনীতি বা সামৰিক মহলৰ অংকুশেৰে মঞ্চ নাটক আৰু ড° শৰ্মাৰ দৰে চৰিত্ৰবোৰ কিছুদিন চলাই ৰাখিব পাৰি, কিন্তু জঁট লাগে এটা সময়ত। অসমৰ সেই আপাত সৰু জঁটে সৰ্বভাৰতীয় ছন্দত পতন আনিব পাৰে।

ব্যক্তিগতভাৱে মই ৰাজনীতিৰ পৰা নিলগত অৱস্থান কৰিবলগীয়া হ'ল। মই নিজৰ দৃষ্টিভংগী নিৰপেক্ষ প্ৰায় কৰাৰ চেষ্টা কৰো। যি বাটেৰে যোৱা নহ'ল তাৰ নিৰ্যাস লওঁ, শিকিব পৰাকৈ, দুখবোৰ দূৰত ৰাখো। গতিকে পক্ষপাতদুষ্টতা বা ঈৰ্ষাক প্ৰশ্ৰয় নিদিওঁ।

সকলো বিজয়ী বিধায়কলৈ শুভেচ্ছা, বিশেষকৈ কটন কলেজ বিশ্ববিদ্যালয়ৰ ড° হিমন্ত বিশ্ব শৰ্মা, অখিল গগৈ, ভূবন পেগু আদিলৈ। এটা সময়ত আমি দিন ৰাতি একাকাৰ কৰি কটনত বিভিন্ন দিশৰ পৰা সপোন দেখিছিলো। সকলো অসম হিতৈষীক একলগ কৰি এতিয়া সপোনবোৰ আৰ্তজনৰ স্বাৰ্থত বাস্তৱায়িত কৰাৰ বতৰ। একে সময়তে আমিবোৰ যে কেতিয়াবাই কটন এৰি বেলেগ বেলেগ ৰাজনৈতিক দৰ্শন গ্ৰহণ কৰিছো, একেজন মানুহ হৈ নাই, সেয়াও সকলোৱে মনত ৰখাৰ সময়।

### (২) হোমেন বৰগোহাঞিৰ মৃত্যুত

এই সপ্তাহটোত বিশিষ্ট লেখক, অতি সফল সাংবাদিক হোমেন বৰগোহাঞি দেৱৰ কায়িক অৱসান ঘটে। তেওঁৰ অতি ভাল লগা গুণটো আছিল প্ৰতিটো প্ৰজন্মৰে উঠি অহা লেখক সাহিত্যিকসকলক তেওঁ উৎসাহিত কৰিছিল। বেছিভাগেই প্ৰতিষ্ঠিত লেখক সাহিত্যিক, বিভিন্ন সময়ত। সেই কামটো তেওঁ প্ৰত্যাশী ৰাজনীতিবিদসকলৰ লগতো কৰিছিল। তেওঁ সম্পাদনা কৰা জনপ্ৰিয় কাকত আৰু কলমসমূহৰ দ্বাৰা। শৰৎ চন্দ্ৰ সিংহৰ পৰা আজিলৈকে এক সুদীৰ্ঘ সময় তেওঁ মুখ্যমন্ত্ৰী হ'ব পৰা প্ৰায় সকলোকে জন মানসত প্ৰতিষ্ঠিত কৰিছিল আৰু শাসনভাৰ শেষ হোৱাৰ লগে লগে মনৰ পৰা পেলনীয়া পাচিলৈ নিক্ষেপ কৰিছিল। তেওঁৰ এই কাৰ্য বহুতেই সহজভাৱে ল'ব পৰা নাছিল আৰু ৮৮ বছৰলৈ তেওঁৰ কৰ্মব্যস্ত সুগঢ়ি চেহেৰা, সেয়াও ঈৰ্ষাৰ কাৰণ আছিল বহুতৰে। তেওঁ অকলশৰীয়া জীৱন কটাইছিল, ঘড়ীৰ কাঁটাৰ স'তে আৰু এজন নে দুজন সহায়কৰ স'তে আৰু কেৱল গ্ৰন্থ অধ্যয়ন, সমগ্ৰ জীৱন জুৰি। ব্যক্তিগতভাৱে মই কৃতজ্ঞ তেওঁ মোক অসম বাণী আৰু আমাৰ অসম কাকতত লিখাৰ সুযোগ দিয়াৰ বাবে। কিন্তু মই লাহে লাহে ছাত্ৰ ৰাজনীতিত ইমানকৈ ব্যস্ত হৈ পৰো যে লিখাৰ অৱকাশ নাথাকিল আৰু তাৰ পাছত মই দিল্লীলৈ গুচি যাওঁ। সেয়াই শেষ দেখা। অন্যান্য কিছুমান বিখ্যাত সম্পাদকৰ দৰে তেওঁৰ বিৰুদ্ধে কেইজনীমান মহিলা সাংবাদিকৰ ইচ্ছা অবিহনে নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ অভিযোগ ৰাজহুৱা হৈছিল। কিন্তু মই জনাত আজিকালিৰ দৰে আদালতৰ দাৰস্থ কোনোৱে হোৱা নাছিল। গতিকে সেইবোৰ কেৱল অভিযোগ বা চৰিত্ৰহননৰ চেষ্টা বুলিও তেওঁৰ অনুৰাগীয়ে দাবী কৰে। হোমেন বৰগোহাঞিৰ মৃত্যুত অসমে এজন সু-সাহিত্যিক, অতি সফল গদ্য লেখক আৰু আমৃত্যু কে'বাদশক জোৱা এজন সফল সম্পাদকক হেৰুৱালে।

### (৩) অলপ কবিতা

সুকবি প্ৰণৱ কুমাৰ বৰ্মন আৰু সৰ্বানন্দ সোণোৱালক লৈ কবিতা লিখিবলৈ নাহে। তেওঁৰ নান্দনিক মূল্য থকা কবিতা এটা মনত পৰিছে, যদিও স্থানৰ অভাৱ।

**যিবোৰ গাভৰু প্ৰেমত পৰা নাই**

যিবোৰ গাভৰু প্ৰেমত পৰা নাই
তেওঁলোকেই শূন্যতা
শূন্যৰ পৰা তেওঁলোকৰ জীৱনৰ আৰম্ভণি
তেওঁলোকে স্মৃতিহীন আৰু গানহীন
তেওঁলোকৰ দীঘলীয়া ৰেল ভ্ৰমণ
কেৱল তেওঁলোকৰ বুকুৰ মাজতেই
যেন ছবিঘৰৰ পৰ্দাত উৰি ফুৰা উৰাজাহাজ এখন
যেন এখন কাগজৰ নাও—বঠাহীন
তেওঁলোকৰ বাবে মই দুখ প্ৰকাশ কৰিছো।

যিবোৰ গাভৰু কোনোদিন প্ৰেমত পৰা নাই
তেওঁলোকৰ বাবে পূৱৰ বেলি, পছিমৰ বেলি একেই কথা
গোলাপ ফুলবোৰ তেওঁলোকৰ বাবে নুফুলে
তেওঁলোকৰ খোপাত কপৌফুল নুশুৱায়
নীড়মুখী চৰাইবোৰ দেখি তেওঁলোক বিষণ্ণ নহয়
অস্তাচলৰ বেলি দেখি তেওঁলোকৰ মনত নপৰে বিষয় জীৱনলৈ
তেওঁলোকৰ প্ৰাৰ্থনাবোৰ নহয় অপাপ
সেই গাভৰুবোৰৰ ভৱিষ্যতত নাথাকে কোনো সোঁৱৰণ
যাক লৈ উচুপিব পাৰি
ঘৰহীন মানুহবোৰ তেওঁলোকতকৈ কম দুৰ্ভগীয়া

যিবোৰ গাভৰু প্ৰেমত পৰা নাই
-নক্ষত্ৰৰ
জোনাকৰ,
শইচৰ,
নৈ আৰু সেউজীয়াৰ

তেওঁলোকেই শূন্য—কিন্তু বৃত্ত নহয়!

চলিব।

লেখকৰ পৰিচিতি ঃ ধীমান সিন্‌হা বৃত্তিত টেলিভিছন সাংবাদিক আৰু নিবন্ধকাৰ। কটন কলেজ আৰু ভাৰতীয় জনসঞ্চাৰ সংস্থান, দিল্লীৰ পৰা শিক্ষা লাভ কৰা সিন্‌হা বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে অ-কাৰ্যৰত অৱস্থাত আছে। ম'বাইল ঃ +918822091544, ই মেইল ঃ dheemansinha.ds@gmail.com ফলো কৰিব পাৰে ঃ www.facebook.com/dheeman.sinha.3

# ৰাজ্যত কৰ'নাত পুনৰ পাঁচ হেজাৰ

*এক পৃষ্ঠাৰ পৰা* সম্পন্ন কৰা হয়। ইয়াৰে পাঁচ হেজাৰৰ কিছু অধিক লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। উল্লেখ্য যে কালি চাৰি হেজাৰ লোকৰ শৰীৰত ক'ভিড চিনাক্ত হৈছিল। পৰীক্ষাৰ সংখ্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি দৈনিক সংক্ৰমণৰ হাৰ বহুখিনি হ্ৰাস পায়। কালি ৯.২৬ শতাংশৰ পৰিৱৰ্তে আজিৰ সংক্ৰমণৰ হাৰ হৈছে ৮.২৬ শতাংশ। আজি সুস্থতাৰ হাৰ ৮৫.৩৯ শতাংশ। ইফালে, দৈনিক আক্ৰান্ত আৰু মৃত্যুৰ সংখ্যা কিছু হ্ৰাস পালেও ৰাজ্যৰ অন্যান্য জিলাসমূহৰ তুলনাত কামৰূপ মহানগৰ জিলা এতিয়াও শীৰ্ষত আছে। উল্লেখ্য যে মহানগৰ জিলাত দৈনিক সংক্ৰমণৰ সংখ্যা বিগত দুদিনমানত ক্ৰমাৎ নিম্নমুখী হোৱা পৰিলক্ষিত হৈছে। আজি ক'ভিডত মৃত্যু হোৱা লোকসকলৰ ভিতৰত প্ৰাক্তন ৰাজ্যিক ক্ৰিকেটাৰ, বিজেপিৰ জ্যেষ্ঠ কৰ্মী, লাটমণ্ডল আদিও আছে। আনহাতে, ৰঙিয়াৰ এজন ক'ভিড ৰোগীয়ে আজি আত্মহত্যা কৰে।

### হাস্পতাললৈ যোৱাৰ ভয়ত ৰঙিয়াত ক'ভিড ৰোগীৰ আত্মহত্যা

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** হাস্পতালত ভৰ্তি হোৱাৰ ভয়তে ৰঙিয়া মহকুমাৰ এজন ক'ভিড আক্ৰান্তই আত্মহত্যা কৰা ঘটনা সংঘটিত হৈছে। ৰঙিয়া চেপ্টি নিবাসী বিবেকানন্দ শৰ্মা নামৰ বৰ্ষীয়ান লোকজনে আজি নিজ গৃহতে চিপ লৈ আত্মঘাতী হয়। পৰিয়ালৰ লোকে জনোৱা মতে, শৰ্মা আৰু তেওঁৰ পত্নী জ্বৰ-কাহত ভুগি থকাৰ বাবে বুধবাৰে পৰীক্ষা কৰাইছিল। তেতিয়াই দুয়োৰে পৰীক্ষাৰ ফলাফল পজিটিভ আহে। প্ৰথমে দুয়োকে নিজ গৃহতে আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছিল। অৱশ্যে শৰ্মাৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোক তথা প্ৰতিবেশীয়ে তেওঁক হাস্পতালত ভৰ্তি হোৱাৰ পৰামৰ্শ দিয়ে। কিন্তু তেওঁ ৰঙিয়াৰ বাহিৰলৈ যাবলৈ মান্তি হোৱা নাছিল আৰু কৰ'না একো বেমাৰ নহয়, তেওঁৰ একো নহয় আদি অবাস্তৱ কথা কৈ বিষয়টো আওকাণ কৰিছিল। অৱশেষত আজি লোকজনৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাৰ লক্ষ্য ৰাখি পৰিয়ালৰ লোকে এম্বুলেন্সযোগে তেওঁক হাজোৰ কলিতাকুছিৰ ক'ভিড কেন্দ্ৰলৈ নিয়াৰ সিদ্ধান্ত লয়। সেই মৰ্মে শৰ্মাৰ পুত্ৰই এম্বুলেন্সক খবৰ দি পিতৃক পোছাক পৰিধান কৰিবলৈ কয় কিন্তু শৰ্মাই পোছাক পৰিধান কৰাৰ পৰিৱৰ্তে আতংকতে নিজ গৃহৰ বাৰাণ্ডাত চিপ লয়। ইফালে, তেওঁৰ পত্নীয়ে কাপোৰ লৈ আহি চিপ লোৱা মৃতদেহ প্ৰত্যক্ষ কৰি হুৱাদুৱা লগায়। পৰিয়ালৰ লোকে জনাইছে যে শৰ্মাই কোনো কাৰণতে হাস্পতাললৈ নাযায় বুলি কৈ আহিছিল। অৱশ্যে যোৱা নিশাৰ পৰা লোকজন কিছু মানসিকভাৱে ভাঙি পৰিছিল বুলি পৰিয়ালৰ লোকে জনাইছে। ইফালে, ঘটনাৰ খবৰ পাই আৰক্ষী আৰু স্বাস্থ্য কৰ্মীৰ দলে শৰ্মাৰ গৃহত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি নিজৰ জিম্মাত লয়।

### ডিব্ৰুগড়ত পুনৰ পাঁচজনৰ মৃত্যু ঃ আক্ৰান্ত দ্বি-শতাধিক

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত ক'ভিড পৰিস্থিতি বৰ্তমানেও জটিল অৱস্থাত আছে। আজি জিলাখনত পুনৰ ২৪৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আনহাতে, আজিৰ দিনটোত জিলাখনৰ পাঁচজন ক'ভিড ৰোগীৰ মৃত্যু হয়। কৰ'নাৰ দ্বিতীয় লহৰত জিলাখনত এই পৰ্যন্ত ৮১ জন আক্ৰান্তৰ মৃত্যু হৈছে। আনহাতে, ডিব্ৰুগড় জিলাত আক্ৰান্ত লোকৰ সংখ্যা সাত হেজাৰ ৩৫৬ জনলৈ বৃদ্ধি পাইছে। সম্প্ৰতি জিলাখনত চাৰি হেজাৰ ২০৭ জন সক্ৰিয় ৰোগী আছে।

### মৰাণত পুনৰ দুজনৰ মৃত্যু

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত পুনৰ দুজন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ডিব্ৰুগড় জিলাৰ মৰাণ কুশল নগৰৰ নিবাসী ছতেলাল মাহাতো (৫৮)ৰ যোৱা নিশা লেঙেৰী ক'ভিড সেৱা কেন্দ্ৰত মৃত্যু হয়। আনহাতে, যোৱা নিশাই ভামুন চাহ বাগিচাৰ দুই নম্বৰ লাইনৰ নিবাসী জয়ৰাম চাহু (৭৫)ৰ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। বৃহত্তৰ মৰাণ অঞ্চলত এই পৰ্যন্ত ১৪ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইফালে, ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ৫৫ জন ক'ভিড ৰোগী চিনাক্ত হয়। আনহাতে, চৰাইদেউ জিলাৰ পাটসাঁকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অঞ্চলত আজি নতুনকৈ ২৭ জন লোক আক্ৰান্ত হয়। ফলত সামগ্ৰিকভাৱে বৃহত্তৰ মৰাণ অঞ্চলত আক্ৰান্ত লোকৰ সংখ্যা এহেজাৰ ৩৮২ জনলৈ বৃদ্ধি পালে।

### বিশ্বনাথত ৭৮ জন আক্ৰান্ত ঃ দুখন দৈনিক বজাৰ বন্ধৰ নিৰ্দেশ

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাতো ক'ভিড ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। আজি জিলাখনত নতুনকৈ ৭৮ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ১,০৮০ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৪৯২ জন ৰোগী ইতিমধ্যে ক'ভিডমুক্ত হৈছে। আনহাতে, জিলাখনত সম্প্ৰতি ৫৭৮ জন সক্ৰিয় ৰোগী আছে। ইফালে, ক'ভিড সংক্ৰমণৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি আজি বিশ্বনাথৰ উপায়ুক্তই এক নিৰ্দেশযোগে বিশ্বনাথঘাটৰ মথাউৰি চেন্টাৰৰ দৈনিক বজাৰ আৰু বাঘমাৰী চেন্টাৰৰ দৈনিক বজাৰ সম্পূৰ্ণৰূপে বন্ধ কৰে।

### নামতিত কুৰিয়াৰ সেৱাৰ কৰ্মচাৰী আক্ৰান্ত

**নামতি ঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চলতো সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। আজি দুজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে এজন কুৰিয়াৰ সেৱাৰ কৰ্মচাৰী হোৱাৰ পৰিপ্ৰেক্ষিতত সংক্ৰমণ বৃদ্ধিৰ আশংকা সৃষ্টি হৈছে। সম্প্ৰতি দুয়োকে নিজ গৃহতে পৰ্যবেক্ষণত ৰাখিছে। ইফালে, নামতিৰ ৰাজহুৱা স্থানত প্ৰশাসনৰ তৰফৰ পৰা ছেনিটাইজেছন নকৰাৰ অভিযোগ উঠিছে।

### তেজপুৰত প্ৰাক্তন ৰঞ্জী ক্ৰিকেটাৰসহ তিনিজনৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** কৰ'নাৰ কৰাল গ্ৰাসত এইবাৰ প্ৰাণ হেৰুৱালে এজন প্ৰাক্তন ক্ৰিকেট খেলুৱৈয়ে। আজি প্ৰাক্তন ৰাজ্যিক ক্ৰিকেটাৰজনসহ তেজপুৰত তিনিজন ক'ভিড আক্ৰান্ত ৰোগীৰ মৃত্যু হয়। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা লোক তিনিজন হৈছে ঘোঁৰামাৰীৰ বৰপাট গাঁৱৰ ভুবন চন্দ্ৰ মেধি (৮২), তেজপুৰ পল'ফিল্ডৰ নিবাসী ৰাজীৱ কলিতা (৬০) আৰু তেজপুৰ চানমাৰীৰ সবিতা শৰ্মা (৭৬)। উল্লেখ্য যে প্ৰাক্তন ক্ৰিকেটাৰ প্ৰয়াত কলিতাই অলৰাউণ্ডাৰৰূপে অসম দলৰ হৈ ৮০ৰ দশকত কোচবিহাৰ ট্ৰফী আৰু চি কে নাইডু ট্ৰফীৰ লগতে ছিনিয়ৰ দলৰ হৈ ৰঞ্জী ট্ৰফীতো খেলাৰ সুযোগ পাইছিল। এ পি ডি চি এলৰ চাকৰিৰ পৰা ২০১৯ত স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰা কলিতাৰ মৃত্যুত আজি তেজপুৰত শোকৰ ছাঁ পৰে। উল্লেখ্য যে শোণিতপুৰ জিলাত আজি নতুনকৈ ৩০৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ বিপৰীতে আজি জিলাখনৰ ১৬১ জন ৰোগী ক'ভিডমুক্ত হয়। সম্প্ৰতি জিলাখনত এহেজাৰ ৬৩৫ জন সক্ৰিয় ৰোগী আছে।

### মঙলদৈৰ জ্যেষ্ঠ বিজেপি কৰ্মীৰ মৃত্যু

**মঙলদৈৰ অগ্ৰদূত বাৰ্তা ঃ** মঙলদৈৰ ভেবাৰঘাটৰ এগৰাকী জ্যেষ্ঠ বিজেপি কৰ্মীৰ আজি ক'ভিডত মৃত্যু হয়। ভেবাৰঘাট নিবাসী অভিনেতা তথা সমাজকৰ্মী নীলকান্ত চহৰীয়াৰ পত্নী অঞ্জলি চহৰীয়া (৬৭) কিছুদিনৰ পৰা আন ৰোগত আক্ৰান্ত হৈ আছিল। আজি মঙলদৈ অসামৰিক চিকিৎসালয়ত তেওঁৰ ক'ভিড পৰীক্ষা কৰোৱাৰ পাছত ফলাফল পজিটিভ আহে। কিন্তু কিছু সময়ৰ পাছতে মহিলাগৰাকীৰ মৃত্যু হয়। বিজেপিৰ জন্মলগ্নৰে পৰা জড়িত মহিলাগৰাকীৰ মৃতদেহৰ সৎকাৰ ভেবাৰঘাটৰ ৰাজহুৱা শ্মশানত সম্পন্ন হয়। তেওঁৰ মৃত্যুত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, ভেবাৰঘাট কৃষ্টি সংঘ আদিয়ে শোক প্ৰকাশ কৰে। মহিলাগৰাকীয়ে স্বামীৰ লগতে এজন পুত্ৰ আৰু দুগৰাকী কন্যাক এৰি গৈছে।

### নগাঁও চহৰত পুনৰ দুজনৰ মৃত্যু

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও চহৰৰ দুজন লোকৰ আজি ক'ভিডত মৃত্যু হয়। আজি মৃত্যু হোৱা প্ৰবীণ লোক দুজন হৈছে চহৰৰ পানীগাঁৱৰ লক্ষী সৰকাৰ (৭৫) আৰু পানীগাঁও ছয়আলি ৰত্নপুৰৰ শৰৎ শৰ্মা (৮০)। সৰকাৰে ক'ভিডত আক্ৰান্ত হৈ চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত চিকিৎসাধীন হৈ আছিল। আনহাতে, শৰ্মাৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিশিষ্ট সমাজকৰ্মী শৰ্মা চহৰখনৰ কে'বাটাও সামাজিক অনুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁ পত্নীৰ লগতে এহাল পুত্ৰ-কন্যাক এৰি গৈছে। শৰ্মাৰ মৃত্যুত চহৰখনত আজি শোকৰ ছাঁ পৰে। ইয়াকে লৈ জিলাখনত এই পৰ্যন্ত ২৫ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। আজিৰ দিনটোত জিলাখনত ৩৪২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ৪৩ জনক ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আজি জিলাখনৰ মুঠ ৪৮ জন ৰোগী ক'ভিডমুক্ত হয়। সম্প্ৰতি জিলাখনত ২,৪৫৪ জন সক্ৰিয় ৰোগী আছে। ইফালে, জটিল ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ ১৩ টা অঞ্চলত ইতিমধ্যে উপায়ুক্তই কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। ৰাজ্যৰ স্বাস্থ্য বিভাগৰ সূত্ৰই জনোৱা মতে, ক'ভিড-১৯ৰ দ্বাৰা দ্ৰুত আক্ৰান্ত বা সংক্ৰমণ বা জিলাসমূহৰ ভিতৰত সম্প্ৰতি নগাঁও জিলা দ্বিতীয় স্থানত আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাতো সম্পূৰ্ণ তলাবন্ধৰ আশংকা ঘনীভূত হৈ পৰিছে।

### কলিয়াবৰত প্ৰথমজন কৰ'না ৰোগীৰ মৃত্যু

**কলিয়াবৰৰ অগ্ৰদূত বাৰ্তা ঃ** নগাঁও জিলাৰ কলিয়াবৰ মহকুমাত আজি প্ৰথমদিন কৰ'না আক্ৰান্তৰ মৃত্যু হয়। মৃত লোকজন হৈছে কলিয়াবৰ হাটবৰৰ সমীপৰ দলগাঁৱৰ নিবাসী সাগৰ শইকীয়া (৪৫)। মুম্বাইত এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত শইকীয়াই কিছুদিনৰ পূৰ্বে নিজ গৃহলৈ আহি কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰ পাছৰে পৰা তেওঁ নিজ গৃহতে স্বাস্থ্য বিভাগৰ পৰ্যবেক্ষণত আছিল যদিও নদিনত সম্পন্ন কৰিবলগীয়া ক'ভিড পৰীক্ষাৰ পৰা তেওঁ বিৰত আছে। আজি বিয়লি প্ৰায় ৪-৩০ বজাত লোকজনৰ মৃত্যু হয়। লক্ষ্যণীয়ভাৱে শইকীয়াৰ স্বাস্থ্যৰ কোনো অৱনতি ঘটা নাছিল বুলি স্বাস্থ্য বিভাগে জনাইছে। ইফালে, আক্ৰান্ত লোকজনৰ সৎকাৰৰ বাবে গাঁওবাসীয়ে প্ৰথমে কিছু সংকোচ কৰিছিল যদিও পাছত প্ৰশাসনৰ তৎপৰতাত ক'ভিড বিধি অনুসৰি শেষকৃত্য সম্পন্ন কৰা হয়।

### বঙাইগাঁৱত পুনৰ দুজনৰ মৃত্যু

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত আজি নতুনকৈ ৮৩ জন লোকৰ ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ফলত জিলাখনত সক্ৰিয় ৰোগীৰ সংখ্যা ৫৮০ জন হ'লগৈ। জিলাখনৰ ১৩৮ জন ৰোগী এই পৰ্যন্ত সুস্থ হৈছে। ইফালে, জিলাখনত আজি পুনৰ দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। অৱশ্যে স্বাস্থ্য বিভাগে আৰু জিলা প্ৰশাসনে বিতং তথ্য প্ৰকাশ কৰা নাই।

### বিলাসীপাৰাত লাটমণ্ডলৰ মৃত্যু

**বিলাসীপাৰাৰ বিশেষ সংবাদদাতা ঃ** কৰ'নাত আক্ৰান্ত হৈ আজি বিলাসীপাৰা মহকুমাৰ এজন লাটমণ্ডলে প্ৰাণ হেৰুৱালে। মৃত ৰোগীজন হৈছে বিলাসীপাৰা চহৰৰ নয়াপাৰাৰ নিবাসী তথা বিলাসীপাৰা ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাটমণ্ডল নাৰায়ণ চন্দ্ৰ নাথ (৫২)। টাইফয়েডত আক্ৰান্ত হৈ কিছুদিনৰ পূৰ্বে নাথে বিলাসীপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি হৈছিল। তেতিয়াই তেওঁৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। পাছত স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁক চিকিৎসকে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছিল। আজি চিকিৎসাধীন অৱস্থাতে নাথৰ মৃত্যু হয়। মহকুমাটোত এই পৰ্যন্ত পাঁচজন কৰ'না ৰোগীৰ মৃত্যু হৈছিল।

### বকলীয়াঘাটত ফাৰ্মাচিষ্টৰ মৃত্যু

**ডিফুৰ বিশেষ সংবাদদাতা ঃ** কাৰ্বি আংলঙৰ বকলীয়াঘাটৰ এজন ফাৰ্মাচিষ্টৰ ক'ভিডত মৃত্যু হৈছে। মৃত ৰোগীজন হৈছে মতিচান্দ চৌহান বিগত কিছুদিন ধৰি জ্বৰ-কাহত আক্ৰান্ত হৈ থকা লোকজনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছতে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। আজি সন্ধিয়া চিকিৎসাধীন অৱস্থাতে লোকজনৰ মৃত্যু হয়।

### কোকৰাঝাৰত ৬৮ আক্ৰান্ত

**গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত আজি ৬৮ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত ছজন হৈছে শ্ৰীৰামপুৰত চিনাক্ত হোৱা বহিঃৰাজ্যৰ ৰোগী। সম্প্ৰতি জিলাখনত ৪২৬ জন সক্ৰিয় ৰোগী আছে। ২৪ জন ৰোগী ইতিমধ্যে ক'ভিডমুক্ত হৈছে। উল্লেখ্য যে জিলাখনৰ দোতমাত এটি পাঁচমহীয়া শিশুৰ মাতৃ এগৰাকীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাত এখন গাঁৱত আতংকৰ সৃষ্টি হৈছে। আজি বিয়লি প্ৰায় চাৰি বজাত দোতমাৰ বৰাগাড়ীৰ মনিচ'ৰা গাঁৱত এখন সভা অনুষ্ঠিত হৈছিল আৰু তাৰ পাছতে সভাত উপস্থিত থকা মহিলাগৰাকীৰ শৰীৰত কৰ'না চিনাক্ত হয়। গাঁওবাসীয়ে জনোৱা মতে, গাঁওখনৰ তিনিজন লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত এই সভাৰ আয়োজন কৰি গাঁওখনত সতৰ্কতামূলক অৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু সভাখনত উপস্থিত থকা মহিলাগৰাকীৰ শৰীৰতে ক'ভিডৰ উপস্থিতি ধৰা পৰাত অঞ্চলটোত আতংকৰ সৃষ্টি হৈছে। ইফালে, দোতমা অঞ্চলত আজিৰে পৰা ১৮ বছৰ উৰ্ধ্বৰ লোকক ক'ভিড প্ৰতিষেধক দিয়া আৰম্ভ হৈছে। আজিৰ দিনটোত দোতমাত মুঠ পাঁচজন কৰ'না ৰোগী চিনাক্ত হয়। জিলাখনৰ গোসাঁইগাঁৱতো আজিৰে পৰা পুনৰ দুটা স্থানত টিকাকৰণ আৰম্ভ হৈছে।

### গোৱালপাৰাত ১৬৫ জন আক্ৰান্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত আজি নতুনকৈ ১৬৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্তৰ সংখ্যা ৮০৭ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৪৫ জন বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আনহাতে, আজি জিলাখনৰ ৭৭ জন লোক ক'ভিডমুক্ত হয়।

### জুৰীয়াত ক্ৰমাৎ বৃদ্ধি পাইছে সংক্ৰমণ

**জুৰীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** নগাঁও জিলাৰ জুৰীয়া অঞ্চলত সম্প্ৰতি ক'ভিড সংক্ৰমণ ব্যাপক হাৰত বৃদ্ধি পাইছে। ইতিমধ্যে অঞ্চলটোত এশজন লোক ক'ভিডত আক্ৰান্ত হৈছে। আজিও জুৰীয়াৰ দগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। উল্লেখ্য যে অঞ্চলটোৰ কল'নী জলাহৰ এগৰাকী মহিলাৰ ইতিমধ্যে ক'ভিডত মৃত্যু হৈছে।

### টিহুত নতুনকৈ ২৪ জন আক্ৰান্ত

**টিহুৰ অগ্ৰদূত বাৰ্তা ঃ** টিহু মহকুমাত আজি নতুনকৈ ২৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ফলত মহকুমাটোত আক্ৰান্ত ৰোগীৰ সংখ্যা ২৮৯ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৩৪ জন সম্প্ৰতি চিকিৎসালয়ত ভৰ্তি হৈ আছে।

### বাসুগাঁৱৰ শিশু মংগল পথ কণ্টেইনমেণ্ট জ'ন

**গৰুভাষাৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাৰ বাসুগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বাসুগাঁও চহৰৰ এক নম্বৰ ৱাৰ্ডৰ শিশু মংগল পথ আজি কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা হৈছে। অঞ্চলটোত দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখিয়ে প্ৰশাসনে এই সিদ্ধান্ত লয়। আজি বিয়লি চাৰি বজাৰ পৰাই এই সিদ্ধান্ত কাৰ্যকৰী কৰা হৈছে।

### নলবাৰীত ১৯৬ জন আক্ৰান্ত

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত ক'ভিডৰ জটিল পৰিস্থিতি অব্যাহত আছে। আজিও জিলাখনত ১৯৬ জন লোকৰ শৰীৰত ক'ভিড চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৩,৩৬৩ জনলৈ বৃদ্ধি পালে।

### তামুলপুৰত ২৩ জন লোক আক্ৰান্ত

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰ মহকুমাত আজি ২৩ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। তামুলপুৰত ১০ জন, নাগ্ৰীজুলিত নজন, গান্ধীবাৰীত এজন, কুমাৰীকাটাত দুজন আৰু দৰংগামেলাত এজন লোকৰ শৰীৰত ক'ভিড পজিটিভ ধৰা পৰে।

### পলাশবাৰীত ৪৫ জন, আজাৰাত ৪৪ জন আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** বৃহত্তৰ পলাশবাৰী অঞ্চলত আজি ৪৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। অঞ্চলটোৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত সম্পন্ন কৰা পৰীক্ষাত এইসকলৰ ফলাফল পজিটিভ আহে। আনহাতে, আজাৰা অঞ্চলত ৪৪ জন লোক ক'ভিডত আক্ৰান্ত হৈছে। ইয়াৰে ২১ জনক বিভিন্ন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

### কমাৰকুছিত ৩৭ জন ক'ভিড পজিটিভ

**বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ বৰভাগৰ কমাৰকুছি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বিভিন্ন স্থানত আজি একাংশ লোকৰ শৰীৰত কৰ'না পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ৩৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

# নিহতৰ পৰিয়ালক পাঁচ লাখকৈ সাহায্য

এক পৃষ্ঠাৰ পৰা চৰকাৰে পাঁচ লাখকৈ টকাৰ আৰ্থিক সাহায্য আগবঢ়াব। এই ঘটনাত আহত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা লোক দুজনৰ সুচিকিৎসা নিশ্চিত কৰিবলৈও তেওঁ প্ৰশাসনক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। ৰাজ্যখনত যাতে শান্তিৰ পৰিৱেশ অটুট থাকে তাৰ বাবে সকলোকে সহযোগিতা আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আজিৰ এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে তৰংগ গগৈ, ভাস্কৰ শৰ্মা, ৰূপেশ গোৱালা, সুৰেন ফুকন, বলীন চেতিয়া, তিনিচুকীয়া জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপাতি, মহকুমা আৰক্ষী বিষয়া আদি উপস্থিত আছিল।

# যুদ্ধবিৰতি আলফা (স্বা)ৰ

এক পৃষ্ঠাৰ পৰা আনকি এই পৰ্যন্ত অপহৃত অ'এন জি চিৰ ৰিতুল শইকীয়া নামৰ এজন কৰ্মচাৰী সংগঠনটোৰ জিম্মাত থকা বুলি চৰকাৰে দাবী কৰি আহিছে। এন এছ চি এনৰ স'তে যৌথভাৱে আলফা (স্বা)ই বিভিন্ন সামৰিক অভিযান ৰূপায়ণ কৰি আহিছে। সংগঠনটোৰ আজিৰ সিদ্ধান্তৰ পাছত এইদৰেও প্ৰশ্ন উঠিছে যে পৰেশ বৰুৱা মূলসুঁতিলৈ উভতি অহাৰ এয়া প্ৰস্তুতি নেকি? ইতিমধ্যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শপতগ্ৰহণৰ দিনাই আলফা (স্বা)ক আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনাইছে। তদুপৰি আলফাৰ বিৰুদ্ধে সামৰিক অভিযানো শেহতীয়াকৈ অসম, অৰুণাচল প্ৰদেশ আৰু নগালেণ্ডত তীব্ৰতৰ কৰা হৈছে।

ইপিনে, আলফা (স্বা)ৰ তিনিমহীয়া যুদ্ধবিৰতিৰ সন্দৰ্ভত আজি মন্তব্য কৰাৰ পৰা বিৰত থাকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। তিনিচুকীয়া ভ্ৰমণৰ সময়ত ড° শৰ্মাই সাংবাদিকৰ আগত কয় যে এই সন্দৰ্ভত গুৱাহাটীলৈ আহিহে তেওঁ খা-খবৰ ল'ব। অৱশ্যে তেওঁ কয়, 'ৰাজ্যত শান্তি বৰ্তাই ৰাখিবলৈ সকলোৰে সহযোগ লাগিব।' আনহাতে, ডিগবৈৰ টিংৰাইত সংঘটিত গ্ৰেনেড বিস্ফোৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ঘটনাটো আলফা(স্বা)ই অস্বীকাৰ কৰা হেতুকে আৰু কিছু তথ্য-পাতি হাতলৈ নহালৈকে তেওঁ কাকো দায়ী কৰিব বিচৰা নাই। অ'এনজিচিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াৰ সন্দৰ্ভত তেওঁ কয়, 'ৰিতুল শইকীয়া বৰ্তমান ম্যানমাৰত আছে; কিন্তু কাৰ লগত আছে মই ক'ব বিচৰা নাই। কিন্তু তেওঁ সুস্থ আৰু সুৰক্ষিত হৈ আছে। যিসকলে ৰিতুল শইকীয়াক ৰাখি থৈছে তেওঁলোকক বৃদ্ধা মাতৃ আৰু কণমানি শিশুটিৰ মুখলৈ চাই মুকলি কৰি দিবলৈ আহ্বান জনাইছো।'

# ইউপিৰ ২৭ জিলাত গংগাৰ পাৰত শ শ

*এক পৃষ্ঠাৰ পৰা* কিলোমিটাৰ যাত্ৰাপথত নদীৰ পাৰত দুহেজাৰৰ অধিক মৃতদেহ কবৰ দিয়াৰ তথ্যই সম্প্ৰতি ৰাজ্যখনৰ পৰিৱেশৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। লগতে বৃদ্ধি কৰিছে কৰ'নাৰ গণ সংক্ৰমণৰ আশংকাও।

এক স্থানীয় সংবাদ মাধ্যমৰ তথ্য অনুসৰি উত্তৰপ্ৰদেশৰ বিজনৌৰ, মুজাফ্‌ফৰনগৰ বুলন্দচহৰ, আলিগড়, শ্বাহজাহানপুৰ, কানপুৰ, কনৌজ, ৰাইবেৰেলী, মিৰ্জাপুৰ, প্ৰয়াগৰাজ, বাৰানসী আদি বিভিন্ন জিলাত এই ভয়ানক দৃশ্য পৰিলক্ষিত হৈছে। সবাতোকৈ শোচনীয় অৱস্থা দেখা গৈছে কানপুৰ, কনৌজ, উন্নাও, গাজিপুৰ আৰু বালিয়া জিলাত। প্ৰাপ্ত তথ্য অনুসৰি কনৌজৰ মহাদেৱী গংগা ঘাটৰ সমীপত ৩৫০ টাৰ অধিক মৃতদেহ কবৰ দিয়া হৈছে। উক্ত ঘাটত কৰ্মৰত ৰাজ নাৰায়ণ পাণ্ডে নামৰ এজন লোকে কয়, 'বাৰে বাৰে মৃতদেহসমূহ মাটিৰে ঢাকি দিয়া হৈছে; কিন্তু গংগাৰ জলস্তৰ বাঢ়িলেই সেই মাটি আঁতৰি যায়। ফলত কেতিয়াবা মৃতদেহ নদীত ভাহি গৈছে।' কানপুৰ শেৰেশ্বৰ ঘাটৰ সমীপতো দেখা গৈছে অনুৰূপ দৃশ্য। চৌদিশে সিঁচৰতি হৈ আছে অসংখ্য মৃতদেহ। স্থানীয় লোকে জনোৱা মতে, উক্ত স্থানত চাৰি শতাধিক মৃতদেহ কবৰ দিয়া হৈছে। ইয়াৰে কিছু মৃতদেহ মাটি আঁতৰি বাহিৰলৈ ওলাই পৰিছে। সেইবোৰত দেখা গৈছে শগুন, শেন আদি চৰাই। ইয়াৰ পৰা সংক্ৰমণ আৰু প্ৰদূষণ বিয়পিব পাৰে বুলি আশংকা কৰিছে পৰিৱেশবিদে। উন্নাওৰ অৱস্থা সবাতোকৈ শোচনীয়। জিলাখনৰ শুকলাগঞ্জ আৰু বক্সাৰঘাটৰ সমীপত এই পৰ্যন্ত নশ মৃতদেহ কবৰ দিয়া হৈছে। ইয়াৰে বহু মৃতদেহ ইতিমধ্যে শিয়াল-কুকুৰে টানি উলিয়াই ভক্ষণ কৰিছে। ইয়াৰ উপৰি অন্যান্য অঞ্চলতো বহুসংখ্যক মৃতদেহ কবৰ দিয়াৰ ফলত স্থানীয় লোকৰ মাজত আতংকৰো সৃষ্টি হৈছে। কিছু স্থানত স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰাত প্ৰশাসনে এই মৃতদেহসমূহ গাঁতৰ পৰাই উলিয়াই দাহ কৰাৰ ব্যৱস্থা কৰিছে। গাজিপুৰৰ গংগাৰ পাৰত এই পৰ্যন্ত উদ্ধাৰ হৈছে ২৮০ টা মৃতদেহ। ইয়াৰে বহুসংখ্যক মৃতদেহ আৰক্ষী আৰু স্থানীয় প্ৰশাসনে গাঁতৰ পৰা উলিয়াই দাহ কৰিছে। অথচ প্ৰায় প্ৰতিদিনে ১২ৰ পৰা ১৫টাকৈ মৃতদেহ আনি এই অঞ্চলত মাটিত পুতি দিয়া হৈছে। যাৰ বাবে কবৰস্থ মৃতদেহৰ সংখ্যা বৃদ্ধি পাই আছে। লক্ষ্যণীয়ভাৱে এই ঘটনা কোনে সংঘটিত কৰিছে সেই বিষয়ত প্ৰশাসনে এই পৰ্যন্ত মুখ খোলা নাই। গাজিপুৰৰ নিকটৱৰ্তী বালিয়াৰ গংগাৰ পাৰত আৰক্ষীয়ে ইতিমধ্যে ১৫ টা মৃতদেহ গাঁতৰ পৰা উলিয়াই দাহ কৰিছে। নতুনকৈ যাতে আৰু কোনো মৃতদেহ উক্ত স্থানত কবৰ দিব নোৱাৰে তাৰ বাবে নিৰাপত্তাৰক্ষীও নিয়োজিত কৰিছে।

উত্তৰপ্ৰদেশতে এই ধৰণৰ দৃশ্য ওপৰলৈ অহাত স্বাভাৱিকতে আতংকৰ সৃষ্টি হৈছে। পৰিৱেশবিদসকলে মন্তব্য কৰিছে যে কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ মৃতদেহৰ সৎকাৰৰ এটা বিশেষ পদ্ধতি আছে। অথচ এইদৰে মুকলিভাৱে কবৰ দিলে সেয়া কেৱল পৰিৱেশৰ বাবেই ক্ষতিকাৰক নহয়, বৰঞ্চ তাৰ পৰা দ্ৰুতগতিৰে সংক্ৰমণো বিয়পিব পাৰে। ইয়াৰ উপৰি এই মৃতদেহবোৰৰ একাংশ গংগাত ভাহি যোৱাৰ ফলত নদীখনৰ পানীও দূষিত হোৱাৰ আশংকাই দেখা দিছে। সেয়েহে প্ৰশাসনক কঠোৰভাৱে এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ পৰিৱেশবিদসকলে আহ্বান জনাইছে। ইপিনে, শ শ মৃতদেহ এইদৰে কবৰ দিয়াৰ ফলত স্বাভাৱিকতে সমালোচনাৰ সন্মুখীন হৈছে উত্তৰ প্ৰদেশ চৰকাৰ। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ঘটনাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি তৎকালীনভাৱে গংগাৰ পাৰৰ বিস্তীৰ্ণ অঞ্চলত টহলদাৰীৰ ব্যৱস্থা কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে।

# প্ৰতিজন ক'ভিড ৰোগীকেই চিকিৎসকৰ

*এক পৃষ্ঠাৰ পৰা* আহ্বান জনায়। চৰকাৰে দিয়া ব্যৱস্থাসমূহ যাতে কঠোৰভাৱে বলৱৎ হয় তাৰ বাবে মুখ্যমন্ত্ৰীয়ে আৰক্ষী আৰু প্ৰশাসনক নিৰ্দেশ দিয়া বুলিও মহন্তই আজি নগাঁৱত এক সংবাদমেলত সদৰী কৰে। তেওঁ কয় যে সংক্ৰমণ ৰোধ কৰিব নোৱাৰিলে অন্য ব্যৱস্থাৰে এই মহামাৰীৰ পৰা কোনেও পৰিত্ৰাণ পাব নোৱাৰে। সেয়েহে কঠোৰ বিধি বলৱৎ কৰা হৈছে। মহন্তই লগতে কয়, 'আমি অসমত দৈনিক এক লাখ ক'ভিডৰ নমুনা পৰীক্ষা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছো। অহা ১৭ মে'ৰ পৰা এই লক্ষ্য কৰা হৈছে। সেই বাবে সমগ্ৰ ৰাজ্যত পৰীক্ষা কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰা হৈছে। ৰাইজৰ মাজতো সজাগতা সৃষ্টি কৰা হৈছে। ক'ভিড পৰীক্ষা কেন্দ্ৰত সুকীয়া গাড়ীৰ ব্যৱস্থা কৰা হৈছে যাতে কোনো লোক ক'ভিড পজিটিভ বুলি চিনাক্ত হোৱাৰ লগে লগে ক'ভিড কেয়াৰ চেন্টাৰ অথবা হাস্পতাললৈ নিয়াৰ ব্যৱস্থা কৰিব পৰা যায়। এজন লোকক যেতিয়া আমি ক'ভিড পজিটিভ বুলি জানিব পাৰিম তেওঁক কোনোপধ্যে চিকিৎসকৰ দৃষ্টিৰ আওতাৰ বাহিৰত থাকিবলৈ নিদিও। চিকিৎসকে যেনেকৈয়ে নহওক, যাৰ জৰিয়তেই নওক, পৰ্যবেক্ষণত ৰাখিব। ক'ভিড ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত কোনো ধৰণৰ হেমাহি কৰা নহয়। এতিয়া আমি ঠিক কৰিছো যে ক'ভিড কেয়াৰ চেন্টাৰত যিসকল থাকিব তেওঁলোকক দৈনিক তিনিশ টকাৰ মূল্যৰ খাদ্য সামগ্ৰী যোগান ধৰা হ'ব। যদি কোনো অঞ্চল কণ্টেইনমেন্ট জ'ন কৰা হয়, তেতিয়া সেই অঞ্চলত থকা দৰিদ্ৰ সীমাৰেখা তলৰ লোকক দুহেজাৰ টকাৰ খাদ্যসামগ্ৰী দিয়া হ'ব।' চাহ বাগিচাৰ প্ৰসংগত মন্ত্ৰীজনে কয় যে বাগিচাত কোনো লোকক হোম আইছ'লেছনত থাকিবলৈ দিয়া নহ'ব। তেওঁলোকৰ খোৱা-বোৱা চৰকাৰৰ ফালৰ পৰা আগবঢ়োৱা হ'ব। আনহাতে, মহন্তই সদৰী কৰে যে স্বাস্থ্য বিভাগৰ হাতত কমেও তিনি লাখ ৭০ হেজাৰ প্ৰতিষেধক মজুত আছে। প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত দ্বিতীয় পালি ল'বলগীয়াসকলক অগ্ৰাধিকাৰ দিয়া হ'ব।

ইপিনে, নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত আৰু নতুনকৈ আৰু ৪০ খন আইচিইউ বিছনা সংস্থাপন কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীয়ে জনায়। তেওঁ কয় যে যোৱাবাৰ ২০ খন বিছনা সংস্থাপন কৰা হৈছে। নতুন বিছনাকেইখন সংস্থাপনৰ কাম অহা ১০ দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। অসমৰ একমাত্ৰ এইখন চিকিৎসালয়তে সৰ্বাধিক ৬০ খন আইচিইউ বিছনাৰ সুবিধা গঢ়ি উঠিব বুলিও মহন্তই কয়। জিলাখনৰ বাকী অঞ্চলতো ক'ভিড ৰোগীৰ বাবে কে'বাখনো চিকিৎসালয় সাজু কৰা হৈছে বুলি তেওঁ জনাই চিকিৎসাৰ ক্ষেত্ৰত কোনো নাটনি নহ'ব বুলি তেওঁ দাবী কৰে। ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত অক্সিজেন উৎপাদন প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে আৰু সেইটোৰ পৰা ৰোগীয়ে পোনপটীয়াকৈ অক্সিজেন পাব। নগাঁৱত কাইলৈৰ পৰা ৰাইজৰ চকুত পৰা ধৰণে নিৰ্বীজাণুকৰণ আৰম্ভ হ'ব বুলিও সদৰী কৰা স্বাস্থ্যমন্ত্ৰীয়ে আজি আগবেলা ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ ক'ভিড চিকিৎসাৰ ব্যৱস্থাসমূহ পৰ্যবেক্ষণ কৰে। মন্ত্ৰীজনৰ লগত স্থানীয় বিধায়ক ৰূপক শৰ্মা, উপায়ুক্ত কৰিথা পদ্মনাভন আৰু স্বাস্থ্য বিষয়াসকল উপস্থিত থাকে।

নগাঁও আৰ্ত ভৱনত আজি নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে স্বাস্থ্যমন্ত্ৰী মহন্তক সাক্ষাৎ কৰি বিভিন্ন অভাৱ-অভিযোগসমূহ পূৰণৰ আহ্বান জনায়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়েও স্বাস্থ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ প্ৰদান কৰি ক'ভিডৰ প্ৰতিষেধক গাঁৱে-ভূঞে, নগৰে-চহৰে সকলোতে উপলব্ধ কৰা, ৰাজহুৱা স্থানত ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰা, অন্যৰোগীসকলেও যাতে ভালদৰে চিকিৎসা লাভ কৰে তাক সুনিশ্চিত কৰাৰ দাবী জনায়।

স্বাস্থ্যমন্ত্ৰীয়ে আজি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হৈ জিলাখনৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তাৰ পাছত তেওঁ সাংবাদিকৰ আগত কয়, 'চৰকাৰে ৰাজ্যত কৰ'নাৰ সংক্ৰমণ ৰোধৰ চেষ্টা চলাই আছে। যদিহে এসপ্তাহৰ ভিতৰত সংক্ৰমণৰ হাৰ হ্ৰাস নহয়, তেনেহ'লে চহৰ অঞ্চলৰ যিবোৰ স্থানত সংক্ৰমণ অধিক হৈছে তেনে স্থানৰ ক্ষেত্ৰত অধিক কঠোৰ সিদ্ধান্ত লোৱা হ'ব পাৰে। বৰ্তমান গুৱাহাটী মহানগৰ, তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ পৰিস্থিতি জটিল। চৰকাৰে তলাবন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰিলে এই তিনিখন জিলাতে হ'ব পাৰে। তলাবন্ধৰ সমান্তৰালভাৱে শ্ৰমিকসকলৰ কথাও চৰকাৰে চিন্তা কৰিছে। তলাবন্ধ হ'লে শ্ৰমিকসকলক চৰকাৰীভাৱে আৰ্থিক অনুদান আগবঢ়োৱাৰ বিষয়ে আলোচনা কৰি থকা হৈছে।' অসমলৈ দুদিনৰ মূৰে মূৰে প্ৰতিষেধক আহি থাকিব বুলি স্বাস্থ্যমন্ত্ৰীজনে জনায়। ইপিনে, ক'ভিড কেয়াৰ চেন্টাৰৰ খাদ্যৰ মান নিম্ন হোৱা বুলি উত্থাপিত অভিযোগৰ সন্দৰ্ভত তেওঁ কয় যে এই খাদ্য চৰকাৰে প্ৰস্তুত কৰি যোগান ধৰা নাই। তেনে কেন্দ্ৰৰ কাষৰ কোনো লোক, স্বেচ্ছাসেৱী, ছ'চাইটি আদিহে যোগান ধৰিছে।

## জ্যেষ্ঠ সাংবাদিক শিৱচৰণ কলিতাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৫ মে' ঃ** বৃহত্তৰ কামৰূপ জিলাৰ মফচলীয় সাংবাদিকৰ বাটকটীয়া, জ্যেষ্ঠ সাংবাদিক, লেখক, প্ৰবন্ধকাৰ কামৰূপ জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি শিৱচৰণ কলিতাৰ মৃত্যুত শুৱালকুছি সাংবাদিক সন্থাই শোক প্ৰকাশ কৰিছে। জিলাখনৰ সাংবাদিক মহলৰ অভিভাৱক স্বৰূপ কলিতাৰ মৃত্যুত সাংবাদিক আৰু সাহিত্য জগতৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে সন্থাৰ সভাপতি দিলীপ মেধি আৰু সম্পাদক পুলিন দাসে।

# প্ৰতিষেধকৰ নাটনিত বজালীত হাহাকাৰ

## দিনক দিনে দ্ৰুত গতিত বৃদ্ধি পাইছে কৰ'নাত আক্ৰান্ত লোকৰ সংখ্যা

**পাটাছাৰকুছি, ১৫ মে' ঃ** কৰ'নাৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ স্বাস্থ্য বিভাগে বিভিন্ন সজাগতামূলক পদক্ষেপ গ্ৰহণ কৰাৰ সমান্তৰালভাৱে জনসাধাৰণক ভেকচিন প্ৰদান কৰিছে যদিও নৱগঠিত বজালী জিলাৰ অসামৰিক চিকিৎসালয়ৰ লগতে বিভিন্ন প্ৰান্তত থকা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ভেকচিনৰ নাটনি দেখা দিছে। অঞ্চলটোৰ বিভিন্ন গাঁৱৰ ৰাইজে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোলৈ প্ৰতিষেধক ল'বলৈ গৈ উভতিবলগীয়া হৈছে। বৰ্তমান বজালীত ১০ৰো অধিক লোকৰ ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হৈছে। দেশত আতংকৰ সৃষ্টি কৰা কৰ'নাৰ পৰা নিজকে সুৰক্ষিত কৰি ৰখাৰ লগতে সকলোকে প্ৰতিষেধক ল'বলৈ চৰকাৰে জনোৱা আহ্বানৰ সঁহাৰি জনাই বজালীৰ সৰহ সংখ্যক লোকে পাঠশালা অসামৰিক চিকিৎসালয়ত, বেজকুছিৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, নিত্যানন্দ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ লগতে অঞ্চলটোৰ বিভিন্ন প্ৰান্তত থকা কেন্দ্ৰবোৰলৈ আহি পৰ্যাপ্ত পৰিমাণৰ প্ৰতিষেধকৰ অভাৱত উভতি যাবলৈ লগা হৈছে। পুৱা সাত বজাৰ পৰা শাৰী পাতি থকা একাংশ লোকে সময়ত ভেকচিন গ্ৰহণৰ পৰা বঞ্চিত হোৱাত স্বাভাৱিকতে ক্ষুব্ধ হৈ পৰিছে। বজালীত কৰ'নাত আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোৰ সকলো স্বাস্থ্য কেন্দ্ৰত পৰ্যাপ্ত পৰিমাণৰ ভেকচিন যোগান ধৰিবলৈ ৰাইজে স্বাস্থ্য বিভাগক দাবী জনাইছে।

## আমিনগাঁও ৰাষ্ট্ৰীয় ঘাইপথত একাঁঠু পানী

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১৫ মে' ঃ** ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অদূৰদৰ্শিতাৰ বাবে ২৭ নম্বৰ ঘাইপথৰ আমিনগাঁৱত যাতায়াতৰ নামত জীয়াতু ভুগি আহিছে। আমিনগাঁও কামৰূপ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখৰ পথৰ দাঁতিত নলা নথকাৰ উপৰি পথৰ এছোৱা গাঁত সদৃশ হোৱাত পাহাৰৰ পৰা নামি অহা পানীয়ে বুৰাই ৰাখিছে। একাঁঠু পানীত পথছোৱা বুৰ গৈ থকাত পথচাৰী আৰু বাহন চলাচলত চৰম অসুবিধাৰ সন্মুখীন হৈছে। ইফালে, আমিনগাঁও উৰণীয়া সেতুৰ তলতো পুখুৰী সদৃশ গাঁতৰ বাবে বিগত দুবছৰৰ পৰা পানী জমা হৈ যাতায়াতৰ অসুবিধা কৰিছে। ঘাইপথ প্ৰাধিকৰণৰ বিষয়া-অভিযন্তাৰ কাণ্ডজ্ঞানহীনতাৰ বাবে কোটি টকা খৰচ কৰা পথত একাঁঠু পানী জমা হয়। ইফালে, পথছোৱাত জমা হোৱা পানীৰ বাবে দোকানী সকলো অসুবিধাত পৰিছে। শীঘ্ৰে এই বিষয়ত ব্যৱস্থা গ্ৰহণ নকৰিলে দুৰ্ঘটনা হোৱাৰ অশংকা স্থানীয় লোকৰ।

## বদন দাসৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ দাবী ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন কৰ্মচাৰী সংস্থাৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৫ মে' ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, গুৱাহাটীস্থ মুখ্য কাৰ্যালয়ত কাৰ্যালয় প্ৰৱন্ধক হিচাপে কৰ্মৰত বদন দাস নামৰ কৰ্মচাৰীজন ক'ভিড আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে। উল্লেখ্য যে বদন দাসে বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত জৰুৰীকালীন ক'ভিড ডিউটিত নিয়োজিত হৈ থকাৰ মাজতে মাৰাত্মক ক'ভিড-১৯ত আক্ৰান্ত হয় আৰু চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী দাসৰ অকাল মৃত্যুত দিশহাৰা হৈ পৰে পৰিয়ালটো। যাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন কৰ্মচাৰী সংস্থাৰ সভাপতি ডাঃ মলয় কুমাৰ দাসে পৰিয়ালটোক আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক আহ্বান জনাইছে। এই সন্দৰ্ভত সভাপতি ডাঃ দাসে কয় যে ঠিকাভিত্তিক কৰ্মীসকলে সেইদিনালৈকেহে মজুৰি বা পাৰিতোষিক লাভ কৰে যিদিনালৈকে তেওঁ সেৱা আগবঢ়াই থাকে। যাৰ বাবে দুৰ্ভগীয়া পৰিয়ালটোক আৰ্থিক সাহায্য প্ৰদান কৰি সকাহ দিবলৈ আহ্বান জনাইছে সংস্থাই।

### প্ৰয়াসৰ ঈদ উপলক্ষে অনলাইন অনুষ্ঠান

## ক'ভিড নিয়ম মানি চলিবলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

**বিহালী, ১৫ মে' ঃ** বিশ্বনাথৰ সক্ৰিয় আৰ্থ-সামাজিক বেচৰকাৰী সংস্থা প্ৰয়াসৰ উদ্যোগত পৱিত্ৰ ঈদ উল ফিটৰ উপলক্ষে কালি ১০-৩০ বজাত বিশ্বনাথ স্থানীয় দল-সংগঠনৰ বিষয়বীয়াসকলৰ সহযোগত এখন অনলাইন সভা অনুষ্ঠিত কৰে। প্ৰয়াসৰ সভাপতি আবিদদুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত এই অনলাইন সভাৰ আঁত ধৰে প্ৰয়াসৰ সম্পাদক জেহিৰুল ইছলাম প্ৰিন্সে। প্ৰয়াসৰ অন্যতম সদস্য ওৱাহেদ আলী আৰু ছাইফুদ্দিন আহমেদৰ আয়োজনত অনুষ্ঠিত সভাত বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰা, গৱেষক ছাত্ৰ মোবাৰক হুছেইন, উম্মে ছালমা মাদ্ৰাছাতুল বানাতৰ অধ্যক্ষ মৌলানা আবু তাহিৰ, যুৱ সাংবাদিক আব্দুল বাৰেক, প্ৰয়াসৰ সদস্য তথা শিক্ষক নুৰ হুছেইন, আফজালুৰ ৰহমান, চানমিয়া, শিক্ষক ইৰফান আলী, তেজপুৰৰ নজৰুল ইছলাম, মতিউৰ ৰহমান, নেমছুৰ ছফিকুৰ ৰহমান, উদীয়মান যুৱ কবি তথা বাঘমাৰী আঞ্চলিক সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি ইমাম হুছেইন, বাঘমাৰী আঞ্চলিক আমছুৰ সভাপতি আলী আহমেদকে ধৰি কে'বাজনো নেতৃস্থানীয় ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত পৱিত্ৰ ৰমজানত এমাহজোৰা ৰোজাৰ অন্তত বিশ্বব্যাপী সংহাৰী ৰূপ ধাৰণ কৰা মাৰাত্মক কৰ'না মহামাৰীৰ মাজতে পৱিত্ৰ ঈদ উল ফিটৰ উদ্‌যাপন শুভকামনাৰে অন্তৰংগ ভাব বিনিময় কৰে। সভাত বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই প্ৰথিতযশা সাহিত্যিক, সাংবাদিক, কথাশিল্পী, সাহিত্য সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, হোমেন বৰগোহাঞিৰ মহাপ্ৰয়াণৰ লগে লগে অসমীয়া সাহিত্য জগতখনৰ এটা যুগৰ অৱসান ঘটিল বুলি কৈ বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি অন্যতম অভিভাৱক স্বৰূপ হোমেন বৰগোহাঞিৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰে। প্ৰয়াসৰ সম্পাদক তথা বিশ্বনাথ চাৰিআলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আঁচনি প্ৰৱন্ধক প্ৰিন্সে সংখ্যালঘু অঞ্চলক ক'ভিড মহামাৰীৰ সজাগতা, ভেকচিন সম্পৰ্কত বক্তব্য আগবঢ়ায়। আমছু কেন্দ্ৰীয় উপ-সভাপতি ছাইফুদ্দিন আহমেদেও সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাত উপস্থিত সকলোৱেই উল্লিখিত তথা সংখ্যালঘু অঞ্চলত চৰকাৰ প্ৰশাসনে জাৰি কৰা ক'ভিড নিয়ম মানি চলা বিষয়ৰ ওপৰত আলোচনা কৰে আৰু প্ৰয়াসৰ এনে পদক্ষেপক প্ৰসংশা কৰে। প্ৰয়াসৰ সদস্য ওৱাহেদ আলীয়ে আগন্তুক দিনত প্ৰয়াসৰ উদ্যোগত কিছু কাৰ্যসূচী হাতত লোৱাৰ কথা উল্লেখ কৰে।

## মঙলদৈত মহিলা দৰ্জীৰ আকস্মিক বিয়োগত শোক

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১৫ মে' ঃ** বস্ত্ৰ চিলোৱাত সুদীৰ্ঘ দিনে সুনাম অৰ্জন কৰি থকা মঙলদৈৰ এগৰাকী মহিলা দৰ্জীৰ কালি বিয়োগ ঘটে। বিগত সাতবছৰে চহৰখনৰ কৃষ্ণেন্দু ডেকা 'ফেঞ্চী লেডিজ টেইলৰিং' নামৰ প্ৰতিষ্ঠানখনত দৰ্জীৰূপে স্বাৱলম্বী হৈ থকা কৰিমচ'কৰ (মা দুৰ্গা মন্দিৰৰ সমীপৰ) যোগমায়া মণ্ডল (৫৩) যোৱা ১৩ মে'ৰ নিশা উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাত মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। কিন্তু ক'ভিডসৃষ্ট পৰিৱেশ নেওচি চিকিৎসাধীন হয় যদিও কালি বিয়লি দুই বজাত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে আজীৱন চিলাই মেচিনৰ স'তে উমলি থকা আবিয়ৈ মহিলাগৰাকীয়ে ইহসংসাৰত পৰিয়ালৰ সদস্যৰ নামত ভগ্নী-ভাগিনক এৰি যায়। সুদক্ষ কাৰিকৰী দক্ষ মহিলাগৰাকীৰ বিয়োগত মঙলদৈত শোকৰ ছাঁ পৰিছে।

## ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ বহী, পেঞ্চিল, মাস্ক বিতৰণ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ মে' ঃ** ভাৰতী ফাউণ্ডেছনৰ সহযোগত সাধাৰুপাৰ প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত কালি বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপাংকৰ বায়নৰ চিন্তাৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অন্নমণি বৰা, ভাৰতী ফাউণ্ডেছনৰ পায়েল কলিতা আৰু শিক্ষয়িত্ৰী ৰূমা বৰুৱাই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰে ঘৰে গৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একোখনকৈ বহী, পেঞ্চিল, মাস্ক আৰু এটাকৈ ছেনিটাইজাৰ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকল যাতে শিক্ষাৰ পৰা আঁতৰি নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখি আজি সম্পূৰ্ণ ক'ভিড নিয়ম মানি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বস্তুখিনি বিতৰণ কৰা হয়।

## যোৰহাটত সক্ৰিয় মটৰ চাইকেল চোৰ

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৫ মে' ঃ** মহামাৰীৰ আতংকৰ মাজতে যোৰহাটত মটৰ চাইকেল চোৰ অন্য এক আতংকৰ কাৰণ হৈ পৰিছে। শেহতীয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদত সংঘটিত হোৱা এক মটৰ চাইকেল চুৰি কাণ্ডৰ কথা কালি আৰক্ষীক এজাহাৰ দিয়াৰ পৰতহে পোহৰলৈ আহিছে। যোৰহাট গড়মূৰ নিৱাসী সুনীল চৌধুৰীয়ে চিকিৎসালয়ত থকা পিতৃৰ কাষত থকা অৱস্থাতে ১০ মে'ত চোৰে মেডিকেল চৌহদৰ পৰাই তেওঁৰ এ এছ- ০৩ কে-৯৪৫৭ নম্বৰৰ স্প্লেণ্ডাৰ মটৰ চাইকেল লৈ উধাও হয়। ঘটনা সন্দৰ্ভত কালি আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।



*নাহৰকটীয়াত ধুমুহাত বিধ্বস্ত গৃহ, শনিবাৰে।*

## বৰেণ্য সাহিত্যিক হোমেন বৰগোহাঞিৰ মৃত্যুত কলিতা জনগোষ্ঠীৰ শোক

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৫ মে' ঃ** অসমৰ পিতাসহ স্বৰূপ বিশিষ্ট সাহিত্যিক, সাংবাদিক, কথাশিল্পী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিৰ বিয়োগত শোক প্ৰকাশ কৰিছে বঙাইগাঁও জিলা কলিতা জলগোষ্ঠীয়ে। এক বিবৃতিত সংগঠনটোৰ সভাপতিত্ব জয়ন্ত দাস আৰু সম্পাদক ভবেন দাসে কয় যে প্ৰয়াত বৰগোহাঞিৰ বলিষ্ঠ ভাবমূৰ্তিয়ে প্ৰতিজন অসমীয়াকে গৌৰৱান্বিত কৰিছিল। অসমীয়া জাতিক প্ৰাণৱন্ত কৰি ৰাখিবলৈ জীৱনজোৰা প্ৰচেষ্টাৰে তেওঁ যি অৱদান, আদৰ্শ ৰাখি গ'ল সেয়া প্ৰতিগৰাকী অসমীয়াৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব। কথাশিল্পীগৰাকীৰ মৃত্যুৰে অসমৰ বৌদ্ধিক, সামাজিক জগতখনত এক শূন্যতাৰ সৃষ্টি কৰা বুলিও প্ৰকাশ কৰে সংগঠনটোৱে। তেওঁৰ সৃষ্টিৰাজিক শ্ৰদ্ধাৰে স্মৰণ কৰি অসমবাসীয়ে এগৰাকী সুযোগ্য অভিভাৱক হেৰুৱালে বুলি শোক বাৰ্তাটোত উল্লেখ কৰে। সংগঠনটোৱে বৰগোহাঞিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## প্ৰয়াত পিতৃৰ সোঁৱৰণত সদানন্দ ফাউণ্ডেছনৰ হৈ পত্নী-জীয়ৰীৰ মাস্ক, ছেনিটাইজাৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ মে' ঃ** পিতৃৰ সোঁৱৰণত দৰিদ্ৰ লোকক মাস্ক, ছেনিটাইজাৰ আদি সামগ্ৰী বিতৰণ কৰি বিশ্বনাথত দুই জীয়ৰীয়ে দেখুৱাইছে আদৰ্শ। বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত সদানন্দ হাজৰিকাৰ সোঁৱৰণত স্থাপিত সদানন্দ ফাউণ্ডেছন নামেৰে এটা সংস্থা নিৰ্মাণ কৰি বিভিন্ন সামাজিক কাৰ্য কৰি অহাৰ লগতে বৰ্তমান চলি থকা ক'ভিড পৰিস্থিতিত বিশ্বনাথৰ অন্তৰ্গত বিভিন্ন ঠাইত, হাট-বজাৰ, চতিয়াকে আদি কৰি অন্যান্য ঠাইসমূহত নিত্য ব্যৱহায্য সামগ্ৰী, মাস্ক, ছেনিটাইজাৰ, চাবোন ইত্যাদি দৰিদ্ৰ আৰু অসচেতন লোকসকলক বিতৰণ কৰি সজাগতা অনাৰ ক্ষেত্ৰত এক প্ৰয়াস কৰে। এই ক্ষেত্ৰত সকলো লোককে সজাগ আৰু সচেতন হৈ থাকিবলৈ অনুৰোধ জনায় ফাউণ্ডেছনটোৰ স্বত্বাধিকাৰী প্ৰয়াত সদানন্দ হাজৰিকাৰ পত্নী আৰু দুই জীয়ৰী।

## জ্যেষ্ঠ সাংবাদিক শিৱচৰণ কলিতাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ১৫ মে' ঃ** জ্যেষ্ঠ সাংবাদিক তথা কামৰূপ জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি শিৱচৰণ কলিতাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে কামৰূপ জিলা সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি লক্ষী ডেকা তথা বাইহাটা চাৰিআলি প্ৰেছ ক্লাবে। কামৰূপ জিলাৰ ছয়গাঁও নিৱাসী অশীতিপৰ সাংবাদিক তথা নিবন্ধকাৰ কলিতাৰ মৃত্যুত কামৰূপ জিলা সাংবাদিক সন্থাই এগৰাকী অভিভাৱক হেৰুৱালে বুলি কাৰ্যকৰী সভাপতিজনে মত প্ৰকাশ কৰিছে। আনহাতে, শিৱচৰণ কলিতাৰ মৃত্যুত গ্ৰাম্য সাংবাদিকসকলে এগৰাকী পথ প্ৰদৰ্শক হেৰুৱালে বুলি মত প্ৰকাশ কৰি বাইহাটা চাৰিআলি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক জ্যোতি প্ৰসাদ ডেকাই শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## নাহৰকটীয়াৰ পৌৰসভাৰ কৰ্মচাৰীৰ আত্মহত্যা

**নাহৰকটীয়া, ১৫ মে' ঃ** নাহৰকটীয়া আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ ঘূৰণীয়া গাঁৱত যোৱা ১৩ মে'ত নাহৰকটীয়া পৌৰসভাৰ এজন কৰ্মচাৰীয়ে আত্মহত্যা কৰে। জানিব পৰা মতে, এক নম্বৰ ঘূৰণীয়া গাঁৱৰ হৰকান্ত গগৈৰ পুত্ৰ সন্তোষ গগৈ (৩৫)য়ে যোৱা ১৩ মে'ৰ দুপৰীয়া নিজ গৃহতে চিপ লৈ আত্মহত্যা কৰে। নাহৰকটীয়া পৌৰসভাৰ গাড়ী চালক হিচাপে কৰ্মৰত বিবাহিত যুৱকজনে কি কাৰণত এই পথ বাছি ল'ব লগা হ'ল সেই বিষয়ে নিশ্চিতভাৱে জানিব পৰা হোৱা নাই। মৃত্যুৰ সময়ত তেওঁৰ গৰ্ভৱতী পত্নীৰ লগতে ন বছৰীয়া এটি পুত্ৰ সন্তান এৰি যায়।

## সেউজ ধৰণী গঢ়াৰ লক্ষ্যৰে বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

**টিহু, ১৫ মে' ঃ** ভোগবাদী চিন্তা-চৰ্চাই সমাজ জীৱন গ্ৰাস কৰি অনা সময়তে প্ৰাকৃতিক পৰিৱেশ গঢ় দিয়া আৰু সাম্প্ৰতিক পৰিস্থিতিত বৃক্ষৰ পৰা অক্সিজেন সৃষ্টিৰ লক্ষ্যৰে সেউজ ধৰণী গঢ়াৰ মানসেৰে কালি বালি গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু প্ৰকৃতিপ্ৰেমী সংগঠন 'শ্যামলী স্বপ্ন'ৰ সহযোগত বালি শ্মশানঘাট প্ৰাংগণত ক'ভিড প্ৰট'কল মানি এশজোপা গছপুলি ৰোপণ কৰি এক আদৰ্শ সৃষ্টি কৰে। শ্যামলী স্বপ্নৰ অধীক্ষক তথা হাৰিভাঙা উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক গোবিন্দ চন্দ্ৰ ভাগৱতীয়ে আঁত ধৰা বৃক্ষৰোপণ অনুষ্ঠানটোত কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে গাঁও উন্নয়ন সমিতিৰ সভাপতি হেমন্ত কুমাৰ ভাগৱতী, জ্যেষ্ঠ নাগিৰক সৰ্বেশ্বৰ বৈশ্য আৰু আনন্দ মেধিয়ে। বালি ৰাজহ গাঁৱৰ গাঁওবুঢ়া নগেন্দ্ৰ নাথ বৈশ্য, বালিগাঁও উন্নয়ন সমিতিৰ সম্পাদক কৰুণা ডেকা, সহকাৰী সম্পাদক সত্যৱান মেধি, অৱসৰপ্ৰাপ্ত শিক্ষক অনিল শৰ্মা আৰু মুকুল ভাগৱতী, নাট্যশিল্পী উপেন শৰ্মা, গাঁও উন্নয়ন সমিতিৰ সদস্য ভৱানী প্ৰসাদ শৰ্মা, শৰত বৈশ্য, দ্বিজেন শৰ্মা, সোণেশ্বৰ বৈশ্য, বনজিৎ ভাগৱতী, পবিন বৈশ্য হৰগোবিন্দ বৈশ্য, অৰবিন্দ হালৈ, কনক কলিতা আদিয়ে অংশগ্ৰহণ কৰা কাৰ্যসূচীটোত মালয়েচিয়া শাল, চেগুন, মেহগনি, ৰঙাপমা আদি এশজোপা গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানত 'শ্যামলী স্বপ্ন'ৰ স্ৰষ্টা গোবিন্দ চন্দ্ৰ ভাগৱতীয়ে নিজৰ জন্মদিনত সকলোকে গছপুলি ৰোপণৰ আহ্বান জনোৱাৰ লগতে ২০১৫ তে প্ৰতিষ্ঠা লাভ কৰা শ্যামলী স্বপ্ন'ৰ উদ্যোগত ১০ বছৰত এহেজাৰ গছপুলি ৰোপণৰ লক্ষ্য লোৱা বুলি প্ৰকাশ কৰে।

## সদৌ অসম মইনা পাৰিজাতৰ হোমেন বৰগোহাঞিলৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ১৫ মে' ঃ** অসমৰ নৱনিৰ্বাচিত চৰকাৰখনলৈ সদৌ অসম মইনা পাৰিজাতে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। সদৌ অসম মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক ৰাতুল বৰাই এক প্ৰেছ বিজ্ঞপ্তি যোগে অসমৰ জনপ্ৰিয় ৰাজনৈতিক নেতা হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠন হোৱা চৰকাৰখনলৈ শুভেচ্ছা জনাই আশা প্ৰকাশ কৰিছে যে জনসাধাৰণৰ আশা-আকাংক্ষাবিলাক প্ৰতিফলিত হোৱাত চৰকাৰখন সফল হ'ব। সদৌ অসম মইনা পাৰিজাতৰ সভাপতি কেশৱ মহন্তক নতুন চৰকাৰখনে মন্ত্ৰীসভাত স্থান দিয়াত সন্তোষ প্ৰকাশ কৰাৰ লগতে মইনা পাৰিজাতক গতিশীলতা প্ৰদান কৰাত মহন্ত সফল হ'ব বুলি আশা প্ৰকাশ কৰে। অন্য এক বিবৃতি যোগে ৰাতুল বৰাই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কথাশিল্পী, বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

## চাহ শ্ৰমিকক ক্ষিপ্ৰতাৰে টিকাকৰণৰ দাবী আটাছা শিৱসাগৰ জিলা সমিতিৰ

### জিলা যুটীয়া সঞ্চালকক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৫ মে' ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়ে চাহ বাগিচা আৰু চাহ অধ্যুষিত অঞ্চলসমূহত যুদ্ধকালীন ক্ষিপ্ৰতাৰে ক'ভিড ১৯ৰ টিকাকৰণ কৰাৰ দাবী জনাইছে। আটছাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ৰাজকিশোৰ ভূমিজ আৰু সম্পাদক জয়ন্ত নায়কে শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক প্ৰদান কৰা এখন স্মাৰকপত্ৰত এই দাবী জনাই সন্থাই প্ৰতিখন চাহ বাগিচাতে ক'ভিড কেয়াৰ চেন্টাৰ বনোৱাৰ লগতে পৰ্যাপ্ত পৰিমাণে অক্সিজেন চিলিণ্ডাৰৰ ব্যৱস্থা কৰা, চাহ বাগিচাত কৰ্মৰত শ্ৰমিকক মাস্ক, ছেনিটাইজাৰৰ ব্যৱস্থা কৰা, চাহ বাগিচা কৰ্তৃপক্ষই ক'ভিড প্ৰট'কল মানি শ্ৰমিকক কৰ্মত নিয়োজিত কৰা আৰু ক'ভিড আক্ৰান্ত শ্ৰমিকক হোম কোৱাৰেন্টাইনৰ পৰিৱৰ্তে আন স্থানত কোৱাৰেন্টাইন কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। পাঁচ দফীয়া এই দাবী সম্বলিত স্মাৰকপত্ৰখনত চাহ শ্ৰমিকসকলৰ অধিকাংশই নিৰক্ষৰ হোৱাৰ বাবে চৰকাৰে প্ৰদান কৰা টিকাকৰণৰ পৰা বঞ্চিত হোৱাৰ লগতে স্বাস্থ্য বিভাগেও তেওঁলোকক টিকাকৰণত গুৰুত্ব প্ৰদান নকৰাৰো অভিযোগ উত্থাপন কৰিছে আটছাৰ জিলা সমিতিৰ সভাপতি সম্পাদকদ্বয়ে।

## নিজ টেঙাখাত ব'হাগী বিদায় সন্মিলন

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১৫ মে' ঃ** নিজ টেঙাখাত ব'হাগী বিদায় সন্মিলনখন কালি টেঙাখাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ৰংগমঞ্চত দুটি কাৰ্যসূচীৰে অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰা হয়। অতিমাৰী কৰ'না সংক্ৰমণৰ পৰিপ্ৰেক্ষিত ৩৫ সংখ্যক নিজটেঙাখাত ব'হাগী বিদায় মঞ্চই সন্মিলনখন পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উদ্‌যাপনৰ পতাকা উত্তোলন কৰে নিজটেঙাখাত ব'হাগী বিদায় বিহু সন্মিলনৰ উদ্‌যাপন সমিতিৰ সভাপতি ললিত চমুৱাই। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ লগতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদক পলাশজ্যোতি শৰ্মাই। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক দীপক গগৈয়ে আঁত ধৰা স্মৃতি তৰ্পণ কাৰ্যসূচীত টেঙাখাত প্ৰেছ ক্লাবৰ সভাপতি দীপক গগৈ, সাংবাদিক মনজিৎ বৰাকে ধৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া, সদস্যসকলে অংশগ্ৰহণ কৰে। স্মৃতি তৰ্পণ স্থলীতে প্ৰেছ ক্লাবৰ সভাপতি দীপক গগৈ, উদ্‌যাপন সমিতিৰ সভাপতি ললিত চমুৱা, সাংস্কৃতিক সম্পাদক পলাশজ্যোতি শৰ্মাই বক্তব্য আগবঢ়ায়। ব'হাগী বিদায় সন্মিলনৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ প্ৰত্যেককে কৃতজ্ঞতা জ্ঞাপন কৰে উদ্‌যাপন সমিতিৰ সম্পাদক দীপক গগৈয়ে।

## ৩৯ বছৰে ৰাজ্য চৰকাৰত মন্ত্ৰিত্ব লাভৰ পৰা বঞ্চিত মৰিগাঁও সমষ্টি

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৫ মে' ঃ** বিধানসভা নিৰ্বাচনৰ পাছত ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাত বিভিন্ন সমষ্টিৰ ৰাইজৰ দৰে মৰিগাঁও সমষ্টিৰ ৰাইজেও সমষ্টিটোত এজন বিধায়কক মন্ত্ৰিত্ব প্ৰদানৰ বাবে প্ৰতিবাৰে আশা কৰে। কিন্তু মৰিগাঁও ৮০ নম্বৰ বিধানসভা সমষ্টিবাসী ৰাইজক দীৰ্ঘদিন ধৰি অৱহেলা কৰি আহিছে প্ৰতিটো শাসক দলে চাই আহিছে। প্ৰতিখন চৰকাৰৰ দিনত মৰিগাঁও সমষ্টিত জয়ী হোৱা বিধায়কজনক যোগ্যতা থকাৰ পাছতো মন্ত্ৰিত্বৰ পৰা বঞ্চিত কৰি অহাত ক্ষুব্ধ হৈ পৰিছে মৰিগাঁও সমষ্টিবাসী ৰাইজ। উল্লেখ্য যে ১৯৮১ৰ প্ৰয়াত মুখ্যমন্ত্ৰী কেশৱ চন্দ্ৰ গগৈৰ নেতৃত্বত গঠন হোৱা চৰকাৰৰ কাৰ্যকালত মৰিগাঁও সমষ্টিৰ সেই সময়ৰ বিধায়ক কালিৰাম ডেকাৰজাই মাত্ৰ ১৪ দিনৰ বাবে মন্ত্ৰী পদ লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু সেই সময়ত অসমত সঘনাই চৰকাৰ ভঙা-পতাৰ ৰাজনীতি চলিছিল। প্ৰয়াত মুখ্যমন্ত্ৰী কেশৱ চন্দ্ৰ গগৈৰ নেতৃত্বত গঠন হোৱা চৰকাৰখন অকল্পনীয় অস্থিৰতাৰ বাবেই চৰকাৰখনৰ পতন ঘটিছিল। মৰিগাঁৱৰ তেতিয়াৰ বিধায়ক কালিৰাম ডেকাৰজাই মন্ত্ৰিত্ব লাভ কৰাত মৰিগাঁও সমষ্টিবাসী উৎফুল্লিত হৈ পৰিছিল যদিও তদানীন্তন মুখ্যমন্ত্ৰী কেশৱ চন্দ্ৰ গগৈৰ নেতৃত্বত গঠন হোৱা চৰকাৰখন ভংগ হোৱাত কালিৰাম ডেকাৰজাৰ আশা ভংগ হয় আৰু মৰিগাঁও সমষ্টিবাসী মন্ত্ৰিত্ব লাভ কৰাৰ পৰা বঞ্চিত হয়। ইয়াৰ পাছত ১৯৮৫ত অসমত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত নতুন জাতীয়তাবাদী দল অসম গণ পৰিষদৰ চৰকাৰ গঠন হয়। মৰিগাঁও সমষ্টিৰ পৰা সেইবাৰ নিৰ্বাচিত হয় হৰেন্দ্ৰ বৰা। অসম আন্দোলনৰ পটভূমিত নিৰ্বাচিত হোৱা চৰকাৰখনত মৰিগাঁও সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰা হৰেন্দ্ৰ বৰাৰ যথেষ্ট যোগ্যতা থকাৰ পাছতো জাতীয়তাবাদী চৰকাৰ মন্ত্ৰীসভাত মন্ত্ৰিত্বৰ পৰা বঞ্চিত হ'ল মৰিগাঁও সমষ্টি। উপেক্ষিত হ'ল মৰিগাঁও সমষ্টিবাসী ৰাইজ। ১৯৯১ত ৰাজ্যখনত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ গঠন হ'ল। সেই সময়ত মৰিগাঁৱত বিধায়ক আছিল চিপিআইৰ মুনীন মহন্ত। বিৰোধী দলত থকাৰ বাবে মুনীন মহন্তই মন্ত্ৰীসভাত স্থান লাভ নকৰিলে। ১৯৯৬ত অসমত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অসম গণ পৰিষদৰ চৰকাৰ গঠন হয়। মৰিগাঁও সমষ্টিত অসম গণ পৰিষদৰ মিত্ৰদল চিপিআই নেতা মুনীন মহন্তই পুনৰ সমষ্টিটোত বিধায়ক হিচাপে নিৰ্বাচিত হয়। যোগ্যতা থকা সত্বেও অসম গণ পৰিষদৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত গঠন হোৱা চৰকাৰৰ মন্ত্ৰীসভাত মহন্তই স্থান লাভ নকৰিলে। শাসনাধিষ্ঠ দলটোত মৰিগাঁৱৰ পৰা মিত্ৰদলৰ বিধায়ক থকাৰ পাছতো পুনৰ উপেক্ষিত হ'ল মৰিগাঁও সমষ্টি। পৰৱৰ্তী সময়ত অসমত কংগ্ৰেছ চৰকাৰ গঠন হয়। ২০০১ৰ পৰা তিনিবাৰকৈ মৰিগাঁও সমষ্টিৰ পৰা বিধানসভাত প্ৰতিনিধিত্ব কৰিলে কংগ্ৰেছৰ জোনজোনালী বৰুৱাই। একেৰাহে ১৫ বছৰ কাল ধৰি তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ মন্ত্ৰীসভাত কাৰ্যনিৰ্বাহ কৰাৰ পাছতো চৰম উপেক্ষিত হ'ল মৰিগাঁও সমষ্টি। কেবিনেট পৰ্যায়ৰ মন্ত্ৰী পদ লাভ কৰিবলৈ সক্ষম নোহোৱা জোনজোনালীক মাত্ৰ নিচুকনি বঁটা হিচাপে সংসদীয় সচিব পদ এটা দিয়েই মৰিগাঁও সমষ্টিবাসীক পুনৰবাৰ উপেক্ষিত কৰে। কংগ্ৰেছৰ বিধায়িকা জোনজোনালী বৰুৱাৰ দক্ষতা থকাৰ পাছতো কংগ্ৰেছ চৰকাৰখনে প্ৰতাৰণা কৰে মৰিগাঁও কংগ্ৰেছৰ লগতে মৰিগাঁওবাসী ৰাইজক। ২০১৬ত মৰিগাঁও সমষ্টিত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হ'ল ৰমাকান্ত দেউৰী। মৰিগাঁও সমষ্টিবাসী ৰাইজে আশা কৰিছিল তিৱা অধ্যুষিত মৰিগাঁও সমষ্টিত বিধায়ক ৰমাকান্ত দেউৰীক বিজেপি চৰকাৰখনত মন্ত্ৰী পদ লাভ কৰিব। সেই আশাও পূৰ্ণ নহ'ল মৰিগাঁওবাসী ৰাইজৰ। দেউৰীয়ে মন্ত্ৰিত্ব লাভ নকৰিলে। দেউৰীকো দিয়া হ'ল মীন উন্নয়ন নিগমৰ অধ্যক্ষৰ পদ। কিহৰ বাবে বাৰে বাৰে প্ৰতাৰিত হয় মৰিগাঁও সমষ্টি। ২০২১ৰ পুনৰ অসম বিধানসভালৈ নিৰ্বাচিত হ'ল বিধায়ক ৰমাকান্ত দেউৰী। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰখন ইতিমধ্যে গঠন হ'ল। ড° শৰ্মাৰ মন্ত্ৰী সভাতো স্থান লাভ নকৰিলে বিধায়ক দেউৰীয়ে। পুনৰ প্ৰতাৰিত হ'ল মৰিগাওঁ সমষ্টি। এটা মন্ত্ৰিত্ব পদৰ পৰা বাৰে বাৰে উপেক্ষিত হৈ গ'ল মৰিগাঁৱৰ পৰা প্ৰতিনিধিত্ব কৰা জনপ্ৰতিনিধি আৰু মৰিগাঁও সমষ্টিবাসী ৰাইজ। তাৎপৰ্যপূৰ্ণ যে মৰিগাঁও সমষ্টিত ৩৯ বছৰৰ পাছতো এজনো বিধায়ক ৰাজ্যৰ মন্ত্ৰীসভাত কেবিনেট বা ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰিত্ব পদ দিয়া নহ'ল। প্ৰায় ৪০ টা বছৰ ধৰি মৰিগাঁও সমষ্টিত উপেক্ষিত হ'ল এজন মন্ত্ৰী।

## মনোজ পাণ্ডেৰ কাব্যগ্ৰন্থ 'ক'ত কি বাজিছে' উন্মোচন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৫ মে' ঃ** অসমৰ কাব্য জগতৰ এটি পৰিচিত নাম মনোজ পাণ্ডেৰ 'ক'ত কি বাজিছে' শীৰ্ষক এখন কাব্যগ্ৰন্থ আজি শিৱসাগৰ নগৰত অৱস্থিত বৰ্ণিল প্ৰকাশনৰ কাৰ্যালয়ত সম্পূৰ্ণ ক'ভিড নিময় মানি উন্মোচন কৰা হয়। পাণ্ডেৰ কাব্য সংকলনটো উন্মোচন কৰি বিশিষ্ট কবি পুঞ্জন বৰুৱাই কবিজনৰ প্ৰায়বোৰ কবিতাত পৰিশ্ৰমী মানুহৰ দুখ-বেদনাৰ কথা ফুটি উঠে বুলি মন্তব্য কৰে। গ্ৰন্থ উন্মোচনী কাৰ্যসূচীত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, মাধৱ চুতীয়া, লেখক প্ৰশান্ত বৰগোহাঁই, লক্ষী ভূঞা আদি কে'বাজনো সাহিত্যানুৰাগী উপস্থিত থাকে।

## হোলোঙাপাৰ গোহাঁই গাঁৱৰ ৰুণজুন গগৈয়ে কৃষিৰে কঢ়িয়াইছে আশাৰ বতৰা



অগ্ৰদূত বাৰ্তা

**কাকজান, ১৫ মে' ঃ** সি সময়ত অসমৰ হেজাৰ হেজাৰ শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলিছে লগতে তলাবন্ধৰ প্ৰভাৱৰ সমগ্ৰ অসমৰ গ্ৰাম্য অৰ্থনীতি থৰক-বৰক হৈ পৰিছে সেই সময়তে ঐতিহাসিক হোলোঙাপাৰ গোহাঁই গাঁৱৰ এগৰাকী স্নাতক ডিগ্ৰীধাৰী শিক্ষিতা যুৱতী ৰুণজুন গগৈয়ে দাঙি ধৰিছে স্বাৱলম্বিতাৰ উৎকৃট নিদৰ্শন। জাতিলাউ, ৰঙালাউ, কুণ্ডুলি, দাংবডিৰ লগতে বৰ্তমান অসমত যথেষ্ট চাহিদা থকা ষ্ট্ৰবেৰী খেতি কৰিছে ৰুণজুনে। ষ্ট্ৰবেৰী খেতিৰ যোগেদি বৰ্তমানলৈকে প্ৰায় ডেৰলাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। চৰকাৰী অথবা বেচৰকাৰী চাকৰিৰ পাছত লাগি নাথাকি পিতৃৰ লগতে সম্প্ৰতি ব্যস্ত হৈ পৰিছে এইগৰাকী যুৱতী। এটি কৃষক পৰিয়ালৰ জীয়ৰী হিচাপে সৰুৰে পৰাই কৃষিৰ প্ৰতি ধাউতি থকা আৰু কৃষিকৰ্মৰ জৰিয়তে কিবা এটা কৰাৰ সপোন থকা ৰুণজুন উৎপাদিত সামগ্ৰীসমূহ নিজে বিক্ৰীৰ বাবে নিয়ে স্থানীয় বজাৰলৈ। নিজেই বজাৰলৈ গৈ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰি আনন্দ লভাৰ লগতে ঘৰৰ অভাৱ দূৰ কৰিবলৈ সক্ষম হৈছে ৰুণজুন। কৃষি বিভাগেও বীজ আৰু পুলি যোগান ধৰি সকাহ দিছে এইগৰাকী যুৱতীক। কৃষি কৰ্মৰ যোগে স্বাৱলম্বিতাৰ পৰিচয় দিয়া ৰুণজুন এতিয়া সাহস আৰু প্ৰেৰণা হৈ পৰিছে অঞ্চলটোৰ সকলোৰে বাবে।

# ৰাইজ-চৰকাৰৰ অৱজ্ঞাৰ বাবেই দেশত

*এক পৃষ্ঠাৰ পৰা* আজি কিছু হ্ৰাস পাইছে। বিগত ২৪ ঘণ্টাত দেশত মৃত্যুৰ সংখ্যা ৩,৮৯০জন। মহাৰাষ্ট্ৰ, দিল্লী, উত্তৰপ্ৰদেশ, চত্তিছগড়, গুজৰাট, মধ্যপ্ৰদেশৰ দৰে ৰাজ্যত বিগত ২৪ ঘণ্টাত সংক্ৰমণৰ সংখ্যা পূৰ্বতকৈ বহু হ্ৰাস পাইছে। ইয়াৰ ফলত দেশতো কমিছে সংক্ৰমণ। মহাৰাষ্ট্ৰত আক্ৰান্তৰ সংখ্যা ৪০ হেজাৰৰ তললৈ নামিছে। ৩১ মাৰ্চৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যখনত এই পৰিস্থিতি দেখা গৈছে। দিল্লীত বিগত ২৪ ঘণ্টাত আক্ৰান্ত হৈছে ৮,৫০৬জন। ১০ এপ্ৰিলৰ পাছত প্ৰথমবাৰৰ বাবে দিল্লীত আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ কম হৈছে। চত্তিছগড়ত আক্ৰান্তৰ সংখ্যা প্ৰায় ৭,৫০০, উত্তৰপ্ৰদেশত এই সংখ্যা ১৫,০০০। গুজৰাটত আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ কম আৰু মধ্যপ্ৰদেশত এই পৰিসংখ্যা প্ৰায় আঠ হেজাৰ হ'ব। অৱশ্যে এই ৰাজ্যসমূহত হ্ৰাস পালেও অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, কৰ্ণাটক, কেৰালা আৰু পশ্চিমবংগত আক্ৰান্তৰ সংখ্যা প্ৰায় একে আছে।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ দাবী অনুসৰি কৰ'নাৰ দ্বিতীয় ঢৌৰ প্ৰকোপ এতিয়া বহু পৰিমাণে স্তিমিত। আজি পৰিসংখ্যাক লৈ এনে দাবী কৰিলে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে। কেন্দ্ৰৰ মতে, ক্ৰমাৎ নিম্নগামী হৈছে সংক্ৰমণৰ হাৰ। কেন্দ্ৰৰ দাবী অনুসৰি তিনি মে'ৰ পৰা দিল্লী, মধ্যপ্ৰদেশ, হাৰিয়ানাত সংক্ৰমণৰ গ্ৰাফ নামিবলৈ আৰম্ভ কৰিছে। চৰকাৰে কৰ'নাৰ মোকাবিলাত যিসমূহ পদক্ষেপ গ্ৰহণ কৰিছে সেইসমূহ যথেষ্ট কাৰ্যকৰী হৈছে। সেয়ে নিয়মিত নতুন আক্ৰান্ততকৈ সুস্থতাৰ সংখ্যা বৃদ্ধি পাইছে। কৰ'নাৰ গ্ৰাফ ভাৰতত নিম্নগামী হোৱাৰ যুক্তি দাঙি ধৰি স্বাস্থ্য মন্ত্ৰণালয়ৰ সচিব লৱ আগৰৱালাই কয় যে ভাৰতৰ ৮৫ শতাংশ কৰ'না আক্ৰান্ত মাত্ৰ ১০খন ৰাজ্যৰ। অৰ্থাৎ বাকী ৰাজ্যসমূহৰ পৰিস্থিতি শোচনীয় নহয়। ১০খন ৰাজ্যৰ সক্ৰিয় ৰোগীৰ সংখ্যা ৫০ হেজাৰৰ পৰা এক লাখৰ ভিতৰত আৰু বাকী ৰাজ্যসমূহত পৰিস্থিতি নিয়ন্ত্ৰণাধীন। মহাৰাষ্ট্ৰ, দিল্লী, উত্তৰপ্ৰদেশ, ৰাজস্থান, মধ্যপ্ৰদেশ, চত্তিছগড়ত ভয়াৱহ সংক্ৰমণ হৈছিল আৰু এতিয়া ই হ্ৰাস পাবলৈ ধৰিছে। বিগত এসপ্তাহত দেশৰ সংক্ৰমণৰ হাৰ ২১.৯ শতাংশৰ পৰা হ্ৰাস হৈ ১৮.৮ শতাংশলৈ অৱনমিত হৈছে।

ইফালে, শাসকীয় বিজেপিৰ অভিভাৱক সংগঠন ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰএছএছ)ৰ মুৰব্বী মোহন ভাগৱতে আজি কয় যে দেশজুৰি সকলো শ্ৰেণীৰ লোকৰ পৰা চৰকাৰলৈ ক'ভিডৰ প্ৰথম ঢৌৰ পাছত প্ৰদৰ্শন কৰা অৱহেলাৰ বাবে দেশত এই জটিল চিকিৎসা সংকটে দেখা দিছে। 'চৰকাৰ, প্ৰশাসন অথবা ৰাইজ সকলোৱে চিকিৎসকৰ তাগিদাৰ পাছতো প্ৰথমলানি ক'ভিডৰ পাছত সুৰক্ষা ব্যৱস্থা আঁতৰোৱাৰ বাবে আমি এই পৰিস্থিতিৰ সন্মুখীন হৈছো। এতিয়া কোৱা হৈছে যে তৃতীয় ঢৌ আহিব পাৰে। আমি ভয় খোৱা উচিত নে? ভাইৰাছৰ বিৰুদ্ধে যুঁজ কৰি বিজয়ী হোৱাৰ আমাৰ মনোবল আছে নে?' এইদৰে ভাগৱতে এক ভাষণত কয়। 'জীৱন আৰু মৃত্যু'ৰ চক্ৰ অব্যাহত থাকিব। এই বিষয়বোৰে আমাক ভীতিগ্ৰস্ত কৰিব নোৱাৰে। এই পৰিস্থিতিয়ে আমাক ভৱিষ্যতৰ বাবে শিক্ষা দিব।' এইদৰে তেওঁ ভাৰতীয়সকলক আত্মবিশ্বাস বৃদ্ধিৰ বাবে উৎসাহ যোগায়।

# দিন-দুপৰতে ডিফু-ধনশিৰি পথত যুৱ

*এক পৃষ্ঠাৰ পৰা* সম্প্ৰতি পাৰ্বত্য জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, আজি দিনৰ ১০-৫০ বজাত ডিফু চহৰৰ নিবাসী যুৱ ব্যৱসায়ী দেবজিৎ সিনহাই পূৰ্ণিমা সিং নামৰ এগৰাকী যুৱতীৰ স'তে মটৰ চাইকেল আহি থকা অৱস্থাতে এই ঘটনা সংঘটিত হয়। দুজন অস্ত্ৰধাৰী যুৱকে তেওঁলোকক আগভেটি ধৰি প্ৰথমে বাক-বিতণ্ডাত লিপ্ত হয়। ইয়াৰ পাছতে এজন দুৰ্বৃত্তই পইণ্ট ২২ পিষ্টলেৰে ব্যৱসায়ীজনৰ মূৰত গুলীয়ায়। ফলত সিনহাৰ ঘটনাস্থলীতে মৃত্যু হয়। ইয়াৰ পাছতে যুৱতীগৰাকীক ঘটনাস্থলীতে এৰি দুই দুৰ্বৃত্তই সিনহাৰ এ এছ-৩১-৪৮৬৬ নম্বৰৰ মটৰ চাইকেলখন লৈ উধাও হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, আজি পুৱা যুৱ ব্যৱসায়ীজনে ধনশিৰিত থকা নিজৰ মাহীয়েকৰ ঘৰলৈ গৈছিল। ইয়াৰ পাছতে তেওঁ উক্ত যুৱতী গৰাকীৰ স'তে নিজ গৃহলৈ উভতি অহাৰ সময়তে এই ঘটনা সংঘটিত হয়। ঘটনাৰ পাছতে কাৰ্বি আংলঙৰ আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰীসহ আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত কৰাৰ লগতে এটা খালী কাৰ্টিজ উদ্ধাৰ কৰে। আনহাতে, মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, এই হত্যাকাণ্ড কোনে কি কাৰণত সংঘটিত কৰিলে সেই বিষয়ত আৰক্ষী এই পৰ্যন্ত নিশ্চিত হ'ব পৰা নাই। আৰক্ষী অধীক্ষক দেউৰীয়ে এই ঘটনা ডিমাছা উগ্ৰপন্থী সংগঠন ডি এন এল এৰ হাত থকাৰ সম্ভাৱনাও নুই কৰা নাই। অৱশ্যে মটৰ চাইকেলখন অপহৰণ কৰি নিয়াৰ পৰিপ্ৰেক্ষিতত কোনো গাড়ী চুৰি চক্ৰও এই ঘটনাত জড়িত থকাৰ সম্ভাৱনা আছে বুলি আৰক্ষী সূত্ৰই জনাইছে।

উল্লেখ্য যে ঘটনাৰ আকস্মিকতাত যুৱ ব্যৱসায়ীজনৰ লগত থকা যুৱতীগৰাকী মানসিকভাৱে বিধ্বস্ত হৈ পৰে। পৰৱৰ্তী সময়ত কিছু ধাতস্থ হোৱাত যুৱতীগৰাকীয়ে কয় যে আক্ৰমণকাৰী যুৱকদ্বয়ে ডিমাছা ভাষাত কথা পাতিছিল। তেওঁ জনায় যে উক্ত পথৰ নাহৰবাৰী অঞ্চলত উক্ত দুৰ্বৃত্তদ্বয় মটৰ চাইকেলৰ স'তে আগৰে পৰা অপেক্ষাৰত আছিল। উক্ত স্থানতে যুৱ ব্যৱসায়ীজনে মটৰ চাইকেলখন ঘূৰাই পুনৰ ধনশিৰি অভিমুখে যাবলৈ লয়। তেতিয়াই যুৱক দুজনেও পাছে পাছে গৈ হাতীকেম্পত তেওঁলোকক আগভেটি ধৰি প্ৰথমে সিনহাৰ মটৰ চাইকেলৰ চাবি কাঢ়ি লয় আৰু দুয়োৰে ম'বাইল ফোন বিচাৰে; কিন্তু সিনহাই ফোন দিবলৈ অস্বীকাৰ কৰাত দুই পক্ষৰ মাজত বাক-বিতণ্ডাৰ সৃষ্টি হয়। যুৱতীগৰাকীয়ে কয় যে তেওঁলোকে হাবিৰ মাজত অসৎ কাৰ্যত লিপ্ত হোৱা বুলি দুই দুৰ্বৃত্তই অভিযোগ কৰিছিল। তেতিয়াই সিনহাই তেওঁলোকৰ স'তে বাক-বিতণ্ডাত লিপ্ত হয়। সিনহাৰ কোনো কথাতে যুৱকদ্বয় সৈমান হোৱা নাছিল আৰু তেওঁলোকক মটৰ চাইকেলৰ পৰা নামিবলৈ নিৰ্দেশ দিছিল। দুয়ো মটৰ চাইকেলৰ পৰা নামি পৰাৰ পাছতে এজন যুৱকে সিনহাৰ মূৰত গুলীয়ায়। আৰক্ষীয়ে ইতিমধ্যে যুৱতীগৰাকীক সোধ-পোছৰ বাবে আটক কৰিছে। ইফালে, আততায়ী দুজনে অপহৰণ কৰি নিয়া ব্যৱসায়ী সিনহাৰ মটৰ চাইকেলখন নগালেণ্ডৰ ডিমাপুৰৰ পৰা আৰক্ষীয়ে আজি বিয়লি উদ্ধাৰ কৰে। ডিমাপুৰৰ এখন পুৰণা বজাৰত এজন যুৱকে উক্ত মটৰ চাইকেলখন চলাই ফুৰাৰ তথ্য লাভ কৰি বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাসৰ নেতৃত্বত আৰক্ষীৰ দল এটাই নগালেণ্ড আৰক্ষীৰ সহযোগত ডিমাপুৰৰ পদুম পুখুৰীৰ জেলিয়াং বস্তিত অভিযান চলায়। অৱশ্যে আৰক্ষীক দেখি যুৱকজনে পলায়ন কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে মটৰ চাইকেলখন জব্দ কৰাৰ লগতে যুৱকজনৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। সম্প্ৰতি মটৰ চাইকেলখন খটখটি আৰক্ষী থানালৈ অনা হৈছে।

# পুৱতি নিশাও উপযুক্ত চিকিৎসাৰ নিৰ্দেশ

*এক পৃষ্ঠাৰ পৰা* ভাস্কৰ শৰ্মা, সুৰেন ফুকন, তৰংগ গগৈ আৰু ৰূপেশ গোৱালাৰ উপস্থিতিত জিলা প্ৰশাসন তথা স্বাস্থ্য বিভাগৰ সৈতে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকত তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকে জিলাখনৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতি, স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ, ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে যাৱতীয় অতিৰিক্ত ব্যৱস্থা ইত্যাদিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত প্ৰতিদিনে কমেও পাঁচশটা আৰ টি পি চি আৰ পৰীক্ষাসহ ন্যূনতম দুহেজাৰটা ক'ভিড পৰীক্ষা সম্পন্ন কৰাৰ নিশ্চিত পদক্ষেপ ল'বলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ প্ৰদান কৰে। জিলাখনত বিগত কিছুদিন ধৰি প্ৰতিদিনে ১৫০ ৰ পৰা ২০০ গৰাকী পৰ্যন্ত ক'ভিড ৰোগী চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত সান্ধ্য আইনৰ সময় দুঘণ্টা আগুৱাই আনিবলৈও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে জিলা উপায়ুক্তক পৰামৰ্শ আগবঢ়ায়। জিলাখনত যাতে চিকিৎসাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ অক্সিজেন উপলব্ধ কৰোৱাব পৰা যায় তাৰ বাবে তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয়ত শীঘ্ৰে এটা অক্সিজেন প্লাণ্ট গঢ়ি তোলাৰ লগতে আই চি ইউ বিচনাৰ সংখ্যা তাৎক্ষণিকভাৱে বৃদ্ধি কৰাৰ ব্যৱস্থা ল'বলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালকক মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ প্ৰদান কৰে।

পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই তিনিচুকীয়া জিলাত ক'ভিড প্ৰতিষেধক প্ৰদানৰ শেহতীয়া স্থিতিৰো বুজ লয়। জিলাখনৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলকে ধৰি সকলো অঞ্চলৰ ৰাইজক পৰ্যাপ্ত সংখ্যক ক'ভিড প্ৰতিষেধক উপলব্ধ কৰোৱাৰ বাবে দৈনিক প্ৰতিষেধক প্ৰদানৰ সংখ্যা বৃদ্ধি কৰিবলৈ তেওঁ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। স্থানীয় বিধায়কসকলৰ পৰামৰ্শ অনুসৰি জিলাখনত ক'ভিড ৰোগীক চিকিৎসালয়লৈ নিয়াৰ বাবে পৰ্যাপ্ত সংখ্যক অক্সিজেনৰ সুবিধা থকা এম্বুলেন্সৰ ব্যৱস্থা কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাত আজিলৈকে ১৪,৮২৫ সংখ্যক ক'ভিড পৰীক্ষা সম্পন্ন কৰা হৈছে আৰু ১৬৮০ গৰাকী ক'ভিড ৰোগী চিনাক্ত কৰা হৈছে। সংক্ৰমণৰ হাৰ হৈছে ১১.৩৩ শতাংশ। জিলাখনৰ ১২৫ টা টিকাকৰণ কেন্দ্ৰত এই পৰ্যন্ত ১,০৮,৯২১ পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে।

ইয়াৰ পিছতে সাংবাদিকৰে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা ১০ দিন ধৰি তিনিচুকীয়া জিলাৰ ক'ভিড পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ চাহ বাগিচা অঞ্চলতো এই ৰোগ সংক্ৰমিত হৈছে। ক'ভিড সংক্ৰমণ ধৰা পৰা বাগিচাসমূহক কণ্টেইনমেণ্ট জ'ন ঘোষণাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ অৱগত কৰে। তেওঁ জানিবলৈ দিয়ে যে এই ব্যৱস্থাসমূহ গ্ৰহণৰ ফলত বাগিচাৰ শ্ৰমিকসকলৰ লগতে দুখীয়া লোকসকলৰ যাতে বিশেষ অসুবিধাৰ সৃষ্টি নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে অচিৰেই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

আলফাৰ স্ব-ঘোষিত মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ বিবৃতিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পৰেশ বৰুৱাই বিবৃতিটোত নতুনকৈ গঠন হোৱা চৰকাৰখনৰ প্ৰতি কিছু সদিচ্ছা প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে। আলোচনাৰ বাবে পৰিৱেশ সৃষ্টি কৰাৰ দায়িত্ব চৰকাৰ আৰু আলফা উভয় পক্ষৰে আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই দিশত অনুকূল পৰিৱেশ নিৰ্মাণৰ বাবে উপযুক্ত পদক্ষেপ লোৱা হ'ব। ক'ভিডৰ এই জটিল সময়ত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ বাবে মুখ্যমন্ত্ৰীয়ে সকলোৰে সহযোগিতা কামনা কৰে।

ইফালে, মুখ্যমন্ত্ৰী শৰ্মাই আজি ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি জিলা উপায়ুক্ত, অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু জ্যেষ্ঠ বিষয়াসকলৰ স'তেও সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা প্ৰশাসনে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপ, ক'ভিড প্ৰট'কল বলৱৎ কৰা আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক'ভিড ৰোগীসকলৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থাৰাজিৰো পৰ্যালোচনা কৰে।

গভীৰ নিশাৰ সময়ত ক'ভিড ৰোগীসকলৰ মৃত্যুৰ সংখ্যা বৃদ্ধিৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক আনকি পুৱতি নিশাও হাস্পতালখনলৈ চিকিৎসাৰ বাবে অহা ক'ভিড ৰোগীসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ বাবে নিৰ্দেশ দিয়াৰ লগতে ইয়াৰ বাবে অভিজ্ঞ চিকিৎসকক নিয়োজিত কৰাৰ বাবে নিৰ্দেশ দিয়ে।

ক'ভিড ৰোগৰ চিকিৎসাৰ আন্তঃগাঁথনি বৃদ্ধিৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয়ত নিৰ্মাণ কৰা চুপাৰস্পেচিয়েলিটি হাস্পতালখন এক সপ্তাহৰ ভিতৰতে কাৰ্যক্ষম কৰি তোলাৰ ব্যৱস্থা ল'বলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ পৰিচালন সঞ্চালক আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই চুপাৰস্পেচিয়েলিটি হাস্পতালত ৬০ খন আই চি ইউ বিচনা উপলব্ধ হ'ব আৰু ক'ভিড ৰোগীসকলৰ উন্নত চিকিৎসাত বিশেষভাৱে সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষক হাস্পতালখনত ৪০ হেজাৰ লিটাৰ উৎপাদনক্ষম এটা অক্সিজেন প্লাণ্ট নিৰ্মাণৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ স'তে যোগাযোগ চলাবলৈও নিৰ্দেশ দিয়ে। ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা কণ্টেইনমেণ্ট আৰু ক'ভিড পৰীক্ষাৰ দিশটো পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী শৰ্মাই আৰু অধিক কণ্টেইনমেণ্ট সম্বন্ধীয় পদক্ষেপ লোৱাৰ উপৰি প্ৰয়োজন সাপেক্ষে কণ্টেইনমেণ্ট জ'নৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ক'ভিড ৰোগীসকলক প্ৰথম অৱস্থাতে চিনাক্তকৰণৰ বাবে জিলাখনত প্ৰতি দিনে অতি কমেও ৭০০ টা আৰ টি পি চি আৰ পৰীক্ষা কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

জিলাখনত ক'ভিডৰ দ্ৰুত সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে ব্যৱসায়ী তথা গণ্য-মান্য নাগৰিকৰ স'তে আলোচনা কৰি সান্ধ্য আইনৰ সময়সীমা বিয়লি দুই বজাৰ পৰিৱৰ্তে দুপৰীয়া ১২ বজালৈ আগুৱাবলৈও নিৰ্দেশ দিয়ে। ৫০ বছৰ বয়সৰ উৰ্দ্ধৰ ক'ভিড আক্ৰান্ত ব্যক্তিক হোম কোৱাৰেণ্টাইনৰ অনুমতি প্ৰদানৰ দিশত জিলা প্ৰশাসনক অধিক সচেতন হ'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। যিসকল এনে ব্যক্তিৰ গৃহত সঠিক সা-সুবিধা আৰু পৰিবহনৰ সুবিধা থাকে তেনে লোককহে এই ক্ষেত্ৰত অনুমতি প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। কণ্টেইনমেণ্ট জ'নত থকা দুখীয়া পৰিয়ালসকলে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকলৈ জীৱিকাৰ সকাহ প্ৰদানৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৪৫ বছৰৰ উৰ্দ্ধৰ ব্যক্তিসকলক প্ৰতিষেধক প্ৰদান অবিৰতভাৱে চলাই যোৱাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তক তেওঁ নিৰ্দেশ দিয়ে।

পৰ্যালোচনা বৈঠকৰ আৰম্ভণিতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্তই মুখ্যমন্ত্ৰী ড° শৰ্মাক জিলাখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি তথা ক'ভিড আক্ৰান্ত ৰোগীসকলক প্ৰদান কৰি থকা চিকিৎসা ব্যৱস্থাৰ সবিশেষ অৱগত কৰে।

পৰ্যালোচনা বৈঠকৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মা শৰ্মাই অসম চিকিৎসা মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা চুপাৰস্পেচিয়েলিটি হাস্পতাল আৰু টাটা ট্ৰাষ্টৰ সাহায্যৰে চিকিৎসা মহাবিদ্যালয়খনত নিৰ্মাণ কৰি থকা ৩০০ বিচনাযুক্ত কৰ্কট চিকিৎসালয়খনো পৰিদৰ্শন কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী বিমল বৰা, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, চক্ৰ গগৈ, তেৰচ গোৱালা, পোনাকন বৰুৱা, তৰংগ গগৈ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ পৰিচালন সঞ্চালক ডাঃ লক্ষ্মণন এছ আদি উপস্থিত থাকে।

# ভয়াৱহ আৰ্থিক সংকটত ৰাজ্যৰ

*এক পৃষ্ঠাৰ পৰা* কৰিছে। ইউনিয়নৰ সাধাৰণ সম্পাদক তপন শৰ্মাই ৰাজ্য চৰকাৰলৈ আহ্বান জনাই আজি কয়, 'বেমাৰত মৰিলেও অসংগঠিত খণ্ডত কৰ্মৰত দুখীয়া শ্ৰমিকসকলক নাখাই মৰিবলৈ এৰি নিদিব। চৰকাৰে সহানুভূতিশীলতা প্ৰকাশ কৰক আৰু অনতিপলমে সাহায্য ঘোষণা কৰক।'

সাম্প্ৰতিক সময়ত বলৱৎ হৈ থকা ক'ভিডৰ নীতি-নিৰ্দেশনা ভাইৰাছৰ সক্ৰমণ ৰোধৰ অৰ্থে নিতান্তই প্ৰয়োজনীয় আৰু অনুকৰণীয় বুলি মন্তব্য কৰি শৰ্মাই কয় যে দীৰ্ঘ দিনৰ কাৰণে দিনৰ এক বজাৰ পৰা পুৰা পাঁচ বজালৈকে চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আৰু ব্যৱসায়-বাণিজ্য বন্ধ থকাৰ ফলস্বৰূপে ৰাজ্যৰ প্ৰায় ৮৫ লাখ দুখীয়া শ্ৰমিকৰ জীৱনলৈ অন্ধকাৰ নামি আহিছে। পৰিয়ালসহিতে শ্ৰমিকসকলে দুবেলা দুমুঠি খাবৰ কাৰণেও এতিয়া মানসিক পীড়াত ভুগিবলগীয়া হৈছে। 'এনে পৰিস্থিতিত এখন চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য ব্যাখ্যাৰ নিষ্প্ৰয়োজন।' শৰ্মাই এইদৰে কয়। সংকটকালৰ সময়ত ৰাজ্য চৰকাৰৰ মৌনতাক সমালোচনা কৰি তেওঁ আৰু কয় যে চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ শ্ৰমজীৱী মানুহৰ জীৱন-জীৱিকাৰ প্ৰতি উদাসীনতা গভীৰ উদ্বেগজনক। আয়কৰৰ বাহিৰত থকা প্ৰতিটো দুখীয়া পৰিয়ালক সান্ধ্য আইনৰ সময়ত ন্যূনতম ৭৫০০ টকাৰ আৰ্থিক সাহায্য নিদিলে ভোকত মৰিবলৈ এৰি দিয়াৰ দৰে হ'ব বুলি শোভেৰে প্ৰকাশ কৰে। বৰ্তমানৰ তলাবন্ধ সদৃশ পৰিস্থিতিত শ্ৰমিকসকলে সন্মুখীন হৈ অহা প্ৰত্যাহ্বানৰ কথা ক'বলৈ গৈ শ্ৰমিক নেতাজনে কয় যে ৰাজ্যৰ প্ৰায় ১০ লাখ নিৰ্মাণ খণ্ডৰ শ্ৰমিক, ১০ লাখ মটৰ পৰিবহণ শ্ৰমিক আৰু ২০ লাখতকৈ অধিক পদ-পথৰ ব্যৱসায়ীৰ আৰ্থিক অৱস্থা একেবাৰে শোচনীয়। সেই শ্ৰমিকসকলৰ এফালে বেমাৰৰ ভয় আনফালে খাদ্য সামগ্ৰীৰ অভাৱত নাখাই মৰাৰ ভয়। এই সকলো কথা চৰকাৰৰ দৃষ্টিগোচৰ হোৱাৰ পাছতো কোনো পেকেজ ঘোষণা নকৰাটোক আমি এক প্ৰকাৰ অপৰাধ বুলিয়েই গণ্য কৰি লাগিব।' কৰ'না মহামাৰীৰ প্ৰথম ঢৌত ঘোষণা কৰা তলাবন্ধৰ সময়ত কেৱল গুৱাহাটী মহানগৰীতে চৰকাৰী সাহায্যৰ আশাত প্ৰায় ৩০ হেজাৰ অসংগঠিত খণ্ডৰ শ্ৰমিকে শ্ৰম বিভাগত নিজৰ নাম পঞ্জীয়ন কৰিছিল বুলি উল্লেখ কৰি শৰ্মাই কয়, 'অলপ সময় ল'ব পাৰে; কিন্তু চৰকাৰৰ সদিচ্ছা থাকিলে যোগ্য হিতাধিকাৰী চিনাক্ত কৰি সাহায্য প্ৰদান কৰাটো কোনো কাৰণতে অসম্ভৱ নহয়। চৰকাৰে ক্ষিপ্ৰতাৰে চিনাক্তকৰণৰ ব্যৱস্থা কৰক।'

নৱনিৰ্বাচিত চৰকাৰে শ্ৰমিকসকলৰ অৰ্থনৈতিক দুৰৱস্থাৰ কথা জানিও নজনাৰ ভাও ধৰি আছে বুলি অভিযোগ কৰি শৰ্মাই লগতে কয় যে যোৱা ১২ মে'ত ৰাজ্য চৰকাৰৰ মুখ্য সচিবক সেই সকলো কথা বিৱৰি স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে যদিও কোনো সদুত্তৰ পোৱা নগ'ল। উল্লেখ্য যে আজি চিআইটিইউৰ অসম ৰাজ্যিক সমিতিয়ে ক'ভিড বিধি সঠিকভাৱে প্ৰয়োগ কৰা, চৰকাৰী-বেচৰকাৰী শিল্প-প্ৰতিষ্ঠানৰ শ্ৰমিকৰ মজুৰি বা দৰমহা আদায় নিশ্চিত কৰা, যদৃচ্ছিত ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰা, সকলো শিল্প আৰু উদ্যোগিক ক্ষেত্ৰত শিবিৰ পাতি বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা আৰু আয়কৰৰ বাহিৰত থকা প্ৰতিটো দুখীয়া পৰিয়ালক সান্ধ্য আইনৰ সময়ত ৭৫০০ টকা সাহায্য প্ৰদান কৰা।

# ষষ্ঠ অনুসূচী-ভূমিপট্টা প্ৰদান

*এক পৃষ্ঠাৰ পৰা* মিত্ৰজোঁট পুনৰ শাসনলৈ অহাৰ এক উল্লেখযোগ্য দিশ আছিল এয়ে যে বিগত বৰ্ষৰ নিৰ্বাচনসমূহৰ পৰম্পৰা ভংগ কৰি ২০২১ৰ বিধানসভা নিৰ্বাচনত ৰাজ্যৰ প্ৰায় সকলোবোৰ জনজাতীয় ছাত্ৰ সংগঠনেই শাসক দল বিজেপি আৰু আন আন মিত্ৰদলৰ প্ৰাৰ্থীসকলক মুকলি সমৰ্থন আগবঢ়াইছিল। ফলত এন আৰ চিৰ লগতে নাগৰিকত্ব আইনৰ সংশোধন বিৰোধী আন্দোলন আৰু বিগত চৰকাৰৰ সামগ্ৰিক উন্নয়নমূলক বিফলতাই শাসকীয় মিত্ৰজোঁটক নিৰ্বাচনী যুদ্ধত বিপদত পেলাব নোৱাৰিলে। আশা কৰা ধৰণেই জনজাতীয় বসতিপ্ৰধান সমষ্টিসমূহত শাসকীয় মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিপুল ভোটত জয়ী হ'ল। মিত্ৰজোঁটে দিছপুৰত বিজয়ৰ মুকুট পিন্ধি পুনৰ প্ৰৱেশ কৰিলে। এতিয়া সময় আহিল জনজাতীয় ৰাইজক প্ৰতিদান দিয়াৰ। প্ৰশ্ন হ'ল — নৱনিৰ্বাচিত চৰকাৰখনে কাক কি দিব?

প্ৰতিটো জনজাতিৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট আৰু সাম্প্ৰতিক সময়ৰ অভাৱ-অভিযোগ, দাবী পৃথক পৃথক যদিও সামগ্ৰিকভাৱে সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি, ভূমিপট্টা প্ৰদান, মাতৃভাষাৰ সংৰক্ষণ আৰু প্ৰসাৰেই মূল দাবী। এই তিনিওটা মূল দাবী পূৰণৰ উদ্দেশ্যে ৰাজ্যৰ জনজাতীয় ছাত্ৰ সংগঠনসমূহে বিগত নিৰ্বাচনৰ সময়ত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেনে ধৰণৰ ভূমিকা পালন কৰিলে আৰু তাৰ প্ৰতিদান হিচাপে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নৱনিৰ্বাচিত চৰকাৰখনৰ পৰা কি প্ৰতিদান বিচাৰে। সেই সম্পৰ্কত জনজাতীয় সংগঠনৰ নেতৃত্বৰ ভাষ্য আগবঢ়োৱা হ'ল।

### আদিত্য খাখলাৰী, সাধাৰণ সম্পাদক, সদৌ অসম ট্ৰাইবেল সংঘ

শাসকীয় দলৰ ক্ষমতা পুনৰ দখলৰ ক্ষেত্ৰত জনজাতীয় ছাত্ৰ সংগঠনকে ধৰি সাধাৰণ জনজাতীয় ৰাইজৰ বিপুল সমৰ্থন লেখত ল'বলগীয়া। পৰিতাপৰ বিষয় যে বিগত চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্যকালত জনজাতীয় সমস্যাসমূহৰ কোনো সমাধানেই নহ'ল। বিশেষকৈ জনজাতিৰ বাবে সংৰক্ষিত চৰকাৰী পদসমূহ পূৰণ কৰা আৰু কৰ্মৰত জনজাতীয় বিষয়াক পদোন্নতি দিয়াৰ ক্ষেত্ৰত চৰকাৰ দুখলগাকৈ বিফল হ'ল। ভূমি নীতিৰ ১০ নম্বৰ দফা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰতো চৰকাৰখন বিফল হ'ল। জনজাতীয় 'আৱেষ্টনী আৰু খণ্ড'সমূহক বেদখলকাৰীৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে। বন অধিকাৰ আইন-২০১৬ কাৰ্যকৰী কৰিব নোৱাৰিলে; যাৰ ফলস্বৰূপে লক্ষ লক্ষ জনজাতীয় বনবাসী ৰাইজৰ চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ পৰা বঞ্চিত হ'ল। তদুপৰি সেই বনবাসী ৰাইজ বেংকৰ ক্ষুদ্ৰ ঋণৰ পৰাও বঞ্চিত হ'ল। আমাৰ দাবী— নৱনিৰ্বাচিত চৰকাৰখনে যিসকল ৰাইজৰ বিপুল ভোটৰ সহায়ত পুনৰ ক্ষমতালৈ ঘূৰি আহিছে সেই ৰাইজক নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি কাৰ্যত ৰূপায়ণ কৰক।

### ৰাজকুমাৰ মৰাং, সভাপতি টাকাম মিচিং পৰিন কেবাং

অসমৰ সমগ্ৰ জনজাতীয় ছাত্ৰ সংগঠন আৰু সাধাৰণ জনজাতীয় ৰাইজে ৰাজ্যত মিত্ৰজোঁটৰ চৰকাৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যি ধৰণৰ ভূমিকা পালন কৰিলে, টাকাম মিচিং পৰিন কেবাং তাৰ অন্যতম গুৰি ধৰোতা বুলি ক'ব লাগিব। ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শপত গ্ৰহণ কৰা মিত্ৰজোঁটৰ দ্বিতীয় কাৰ্যকালৰ নতুন চৰকাৰখনে মিচিং সমাজে দশক দশক ধৰি সন্মুখীন হৈ অহা সমস্যাসমূহক অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। বিশেষকৈ মিচিং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ নিৰ্দেশাৱলী অনুসৰি মিচিঙকে ধৰি ৰাজ্যৰ সকলো জনজাতীয় মাতৃভাষাক প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰা, মিচিং ভাষাটো পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়া আদি আমাৰ মূল দাবীক চৰকাৰখনে অগ্ৰাধিকাৰ ভিত্তিত পূৰণ কৰিব বুলি আমি আত্মবিশ্বাসী।

### খনিন্দ্ৰ বসুমতাৰী, সাধাৰণ সম্পাদক, নিখিল বড়ো ছাত্ৰ সন্থা

আমি মিত্ৰজোঁটক কেনে ধৰণৰ সমৰ্থন আগবঢ়ালো এয়া সোঁৱৰাৰ প্ৰয়োজনবোধ কৰা নাই। পৰিৱৰ্তন, দুৰ্নীতিমুক্ত বিটিচি আমাৰ লক্ষ্য আছিল। আমি সফল হৈছো বুলিও ভাবিছো। এতিয়া নৱনিৰ্বাচিত চৰকাৰলৈ আমাৰ আহ্বান — বিটিআৰ চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে পালন কৰক। বিটিচিক প্ৰকৃতাৰ্থত সন্ত্ৰাসবাদমুক্ত কৰিবলৈ হ'লে নিবনুৱা সমস্যা সমাধান কৰক। নিৰ্বাচনৰ সময়ত জাতি-জনগোষ্ঠীৰ মাজত যি ধৰণৰ ভেদাভেদৰ সৃষ্টি হ'ল তাক নিৰাময়ৰ কাৰণে চৰকাৰে শান্তি প্ৰতিষ্ঠাৰ বিশেষ কাৰ্যসূচী হাতত লওক।

### চেমচন টেৰণ, সভাপতি, কাৰ্বি ছাত্ৰ সন্থা

ভাৰতীয় সংবিধানপ্ৰদত্ত স্বায়ত্তশাসিত ৰাজ্য কাৰ্বিসকলৰ দশকজোৰা সংগ্ৰামৰ মূল দাবী। আমি অত্যন্ত আশাবাদী যে নৱনিৰ্বাচিত চৰকাৰে এই দাবী পূৰণৰ ক্ষেত্ৰত এক উল্লেখ্য ভূমিকা পালন কৰিব। বহু দশক ধৰি কাৰ্বি পাহাৰৰ ৰাইজে অসম-নগালেণ্ড আৰু অসম-মেঘালয় আন্তঃৰাজ্যিক সীমা বিবাদৰ ভুক্তভোগী। আমি দাবী জনাইছো— নৱনিৰ্বাচিত চৰকাৰে সীমা বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত দক্ষতা দেখুৱাওক। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও অসমৰ অন্যতম তিনিখন অনুন্নত জিলা। সেই তিনিওখন জিলাৰ শিক্ষা, স্বাস্থ্য আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ কাৰণে অনাগত দিনত নতুন চৰকাৰে ক্ষিপ্ৰতাৰে কাৰ্যসূচী হাতত ল'ব বুলি আমি আশাবাদী।

### নবিন জহৰি, সভাপতি, সদৌ ডিমাছা ছাত্ৰ সন্থা

জনজাতীয় দল-সংগঠনে নতুন চৰকাৰখনলৈ নিৰ্বাচনৰ সময়ত অভূতপূৰ্ব সঁহাৰি জনাইছিল। তাৰ প্ৰতিদান স্বৰূপে জনজাতীয় সমস্যাসমূহ অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰিব বুলি আশা কৰিছো। নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মা যথেষ্ট দক্ষ, অভিজ্ঞ আৰু বিচক্ষণ। এনে এজন যোগ্য মুখ্যমন্ত্ৰীৰ দিনতেই জনজাতীয় সমস্যাসমূহ সমাধান হ'ব বুলি আমি আশাবাদী। আম দাবী জনাইছো— কেৱল বড়োসকলৰ বাবেই নহৈ, নৱনিৰ্বাচিত চৰকাৰখনে সমগ্ৰ ৰাজ্যৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতিসকলকো সমদৃষ্টিৰে চাই সমস্যাসমূহ সমাধান কৰক। আমাৰ মূল দাবী ডিমা হাছাওৰ বাহিৰত বাস কৰা ডিমাছাসকলৰ কাৰণে উপগ্ৰহীয় স্বায়ত্তশাসন প্ৰদান কৰা আৰু ডিমাছা ভাষা প্ৰাথমিক পৰ্যায়লৈকে প্ৰৱৰ্তন কৰা আদিক চৰকাৰে অগ্ৰাধিকাৰ দিব বুলি আশা কৰিছো।

### নৃপেন খণ্ড, সভাপতি, নিখিল ৰাভা ছাত্ৰ সন্থা

বিগত পাঁচ বছৰীয়া কাৰ্যকালত সদ্যপ্ৰাক্তন বিত্ত আৰু স্বাস্থ্যমন্ত্ৰী তথা নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীক ৰাজ্যৰ জনজাতীয় সমস্যাসমূহক লৈ খুবেই সংবেদনশীল দেখা গৈছিল। আমি ভাবিছো, ড° শৰ্মাৰ মুখ্যমন্ত্ৰিত্বই জনজাতীয় সমস্যাক সমাধানৰ ক্ষেত্ৰত এক ঐতিহাসিক সুযোগ আনি দিছে। অপ্ৰিয় হ'লেও সত্য, বিগত চৰকাৰৰ দিনত আমাৰ কোনো এটা দাবীয়েই পূৰণ নহ'ল। প্ৰতিশ্ৰুতি অনুসৰি ৰাভা স্বায়ত্তশাসিত পৰিষদখনক সাংবিধানৰ মৰ্যাদা প্ৰদানত বিফল হ'ল। পৰিষদৰ বাহিৰৰ ৰাভাসকলৰ কাৰণে সুকীয়াকৈ উন্নয়ন ব'ৰ্ড গঠন কৰিব নোৱাৰিলে। নৱনিৰ্বাচিত চৰকাৰখনে সেই সমস্যাসমূহ পূৰণ কৰাৰ প্ৰতিশ্ৰুতিৰেই ক্ষমতালৈ আহিছে।

# দ্ৰুত চৰিত্ৰ সলনি কৰ'না

*এক পৃষ্ঠাৰ পৰা* দুদিন পূৰ্বেই ঘোষণা কৰিছিল যে যিসকলে কৰ'নাৰ দুটা পালি প্ৰতিষেধক গ্ৰহণ কৰিছে সেইসকলে মাস্ক পৰিধান কৰিব নালাগে। অৱশ্যে ভাৰতত সেই নিয়ম প্ৰযোজ্য নহ'ব। এইদৰে স্পষ্ট কৰিছে ডাঃ গুলেৰিয়াই। তেওঁ কয়, 'দেশৰ মানুহ সতৰ্ক হৈ থাকিব লাগিব। অধিক তথ্য লাভ নকৰা পৰ্যন্ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাযাব। মনত ৰাখিব লাগিব যে ভাইৰাছে ক্ৰমাৎ চৰিত্ৰ সলনি কৰিছে। নতুন নতুন প্ৰজাতিৰ ওপৰত প্ৰতিষেধকে কিমান কাম কৰিব পাৰে সেয়া পৰীক্ষা কৰিহে চূড়ান্ত সিদ্ধান্ত ল'ব লাগিব। সেই পৰ্যন্ত সাধাৰণ মানুহে নিয়মিত মাস্ক পৰিধান কৰিব লাগিব, দূৰত্ব বিধি মানি চলিব লাগিব।' কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ ভাষ্য অনুসৰি, এই মুহূৰ্তত কোনো নিৰ্দেশনা সলনিৰ সিদ্ধান্ত কেন্দ্ৰই গ্ৰহণ কৰা নাই। আমেৰিকাই ক'লেও সাধাৰণ মানুহে মাস্ক ব্যৱহাৰ কৰিব লাগিব।

# অধিক প্ৰাণঘাতী

*এক পৃষ্ঠাৰ পৰা* দ্বিতীয় বৰ্ষত এই অতিমাৰী অধিক প্ৰাণঘাতী হ'ব। আগন্তুক জুলাইত জাপানৰ টকিঅ'ত অলিম্পিকৰ পূৰ্বে ভাৰতসহ বিভিন্ন দেশত ক'ভিড-১৯ৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ মাধমাৰত উদ্বিগ্ন হু। চলিত সপ্তাহতে হুৱে কৰ'নাৰ ভাৰতীয় ৰূপ বুলি পৰিচিত বি ১.৬১৭ প্ৰজাতিক উদ্বেগজনক বুলি অভিহিত কৰিছে। ২০২০ৰ অক্টোবৰত ভাৰতত এই প্ৰজাতিৰ সন্ধান লাভৰ পাছত বিশ্বৰ ৪৪খন দেশতে বিয়পিছে। ইয়াৰ সংক্ৰমণ অতি দ্ৰুত।

# ভূমি বিবাদ! নগাঁৱত ঘৰৰ ভিতৰতে বৃদ্ধ

*এক পৃষ্ঠাৰ পৰা* যোৱা নিশা নিজ গৃহৰ ভিতৰতে ভতিজাক কাৰ্তিক শইকীয়াই এখন কুঠাৰেৰে ঘপিয়াই হত্যা কৰে। হত্যাত অভিযুক্ত কাৰ্তিকক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। স্থানীয় সূত্ৰই জনোৱা মতে, বৃদ্ধ দম্পতীৰ দুই পুত্ৰৰ এজনে হায়দৰাবাদত এটা কোম্পানীত কাম কৰে। আনজন পুত্ৰ ঘৰতে থাকে যদিও পিতৃ-মাতৃৰ স'তে সু-সম্পৰ্ক নাই। আনহাতে, দম্পতীৰ দুই কন্যাক ইতিমধ্যে বিয়া দিছে। স্থানীয় সূত্ৰই লগতে জনায় যে বৃদ্ধ শইকীয়াই ইতিমধ্যে একেটা ঘৰতে দুটা ভাগ কৰি ভ্ৰাতৃৰ পৰিয়ালৰ স'তে পৃথকে বাস কৰিছিল। শইকীয়াৰ ভ্ৰাতৃৰ পৰিয়ালৰ স'তে পৰিয়ালটোৰ এক পথাৰৰ ভূমিক কেন্দ্ৰ কৰি দীৰ্ঘদিনৰ পৰা বিবাদ চলি আহিছিল। শেহতীয়াকৈ শইকীয়া দম্পতীৰ এক জী-জোঁৱাইৰ ৰোগৰ চিকিৎসাৰ বাবে ধনৰ প্ৰয়োজন হোৱাত তেওঁলোকে উক্ত বিবাদমান ভূমিডৰা বিক্ৰীৰ সিদ্ধান্ত লয়। ইয়াকে লৈ অভিযুক্ত কাৰ্তিকে কালি পুৱাৰ ভাগতে বৰদেউতাক আৰু বৰমাকৰ স'তে কাজিয়াত লিপ্ত হৈছিল। আনহাতে, সন্ধিয়া সুৰাপান কৰি কাৰ্তিক প্ৰায় উন্মাদৰ দৰে হৈ পৰিছিল বুলিও স্থানীয় সূত্ৰই জনাইছে। নিশাও তেওঁলোকৰ বিবাদ অব্যাহত আছিল। ইফালে, নিশা প্ৰায় ১০ বজাত ধুমুহা-বৰষুণৰ বাবে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ পৰে। চৌদিশে অন্ধকাৰ হোৱাৰ সুযোগ গ্ৰহণ কৰি অভিযুক্ত কাৰ্তিকে শইকীয়া দম্পতীৰ গৃহত প্ৰৱেশ কৰি এখন কুঠাৰেৰে ঘপিয়াই বৰদেউতাক আৰু বৰমাকক হত্যা কৰে। আনকি এই নৃশংস হত্যাকাণ্ড সংঘটিত কৰাৰ পাছত কাৰ্তিকে মৃতদেহ দুটা চোঁচৰাই চোতাললৈ আনি দলিয়াই দিয়ে। তাৰ পাছত হাতত ৰক্তাক্ত কুঠাৰখন লৈ বাৰাণ্ডাৰ এখন চকীত বহি কাৰ্তিকে মৃতদেহ পৰ দি ৰয়। ইফালে, হত্যাকাণ্ডৰ বিষয়ে অৱগত হোৱা চুবুৰিটোত হুৱা-দুৱা লাগে আৰু প্ৰতিবেশীয়ে ননৈ আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী নিশাই ঘটনাস্থলীত উপস্থিত হৈ হাতত কুঠাৰ লৈ বহি থকা অৱস্থাতে কাৰ্তিকক গ্ৰেপ্তাৰ কৰাৰ লগতে মৃতদেহ দুটা উদ্ধাৰ কৰে। নগাঁৱৰ উচ্চ পদস্থ আৰক্ষী বিষয়ায়ো ঘটনাস্থলীত উপস্থিত হৈ তদন্ত কৰে। ইফালে, মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে আৰক্ষীয়ে নগাঁও ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। সম্প্ৰতি ধৃত কাৰ্তিকক নগাঁও সদৰ আৰক্ষী থানাত হত্যাৰ প্ৰকৃত কাৰণ উলিওৱাৰ বাবে জেৰা অব্যাহত ৰাখিছে। স্থানীয় লোকে অভিযোগ কৰিছে যে কোনো উপাৰ্জনমুখী কামত নিয়োজিত নথকা উদণ্ড স্বভাৱৰ কাৰ্তিকে কিছু দিনৰ পূৰ্বে সামান্য কথাতে নিজৰ মাতৃকো আক্ৰমণ কৰিছিল।

# ক'ভিডত অকাল বিয়োগ সদৌ কৰ্মচাৰী

*এক পৃষ্ঠাৰ পৰা* হৃদৰোগ আৰু মধুমেহত গুৰুতৰভাৱে আক্ৰান্ত হৈ থকা দাস শেহতীয়াকৈ দাসৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল। ইয়াৰ ফলত তেওঁৰ শাৰীৰিক অৱস্থা বিগত কে'বাদিনৰ পৰা অধিক জটিল হয়। কিন্তু চিকিৎসকৰ সকলো প্ৰচেষ্টাও বিফল কৰি আজি দাসে শেষ নিশ্বাস ত্যাগ কৰাৰ লগে লগে এক বৰ্ণিল অধ্যায়ৰো সামৰণি পৰে। পৰিয়ালৰ লোকে জনোৱা মতে, কেইদিনমান পূৰ্বে তেওঁ অসুস্থ হৈ পৰাত জিএমচিএইছত ভৰ্তি কৰা হৈছিল। সেই সময়ত তেওঁৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰা নাছিল। পাছতহে সংক্ৰমণৰ তথ্য পোহৰলৈ আহে। ছাত্ৰাৱস্থাৰ পৰাই সামাজিক আৰু সাংস্কৃতিকভাৱে অতি সক্ৰিয় ভূমিকা পালন কৰি অহা দাসৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁ এগৰাকী দক্ষ আবৃত্তিকাৰ, কুইজ পৰিচালক, অভিনেতাৰূপেও সুপৰিচিত আছিল। মৃত্যুৰ সময়লৈ তেওঁ নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ ভাৰপ্ৰাপ্ত গাণনিক বিষয়াৰ পদত কৰ্মৰত আছিল। ২০২০লৈ তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰা দাস আছিল এগৰাকী সুদক্ষ সংগঠক। তাৰ ফলতে সেই বছৰতে তিনিচুকীয়াত অনুষ্ঠিত সদৌ অসম কৰ্মচাৰী পৰিষদৰ অধিবেশনত তেওঁক সচিবপ্ৰধানৰ দায়িত্ব ন্যস্ত কৰা হয়। দাসৰ মৃত্যুৰ বাতৰিত তামুলপুৰত শোকৰ ছাঁ পৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা প্ৰয়াত দাসৰ সামাজিক জীৱনৰ গতি লাভ কৰিছিল। অসম আন্দোলনৰ এগৰাকী আগশাৰীৰ নেতা প্ৰয়াত দাস তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক আছিল। তামুলপুৰৰ বিভিন্ন অনুষ্ঠানৰ তেওঁ আছিল জন্মদাতা। তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলন, তামুলপুৰ শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰ, তামুলপুৰ আঞ্চলিক হৰি মন্দিৰ, তামুলপুৰ জিলা ক্ৰীড়া সন্থা, তামলুপুৰ জিলা শাখা সাহিত্য সভা, অসম নাট্য সন্মিলন আদিৰ লগত তেওঁ ওতঃপ্ৰোতভাৱে জড়িত। বহুকেইখন নাটকত অভিনয় কৰা দাসে কে'বাখনো অসমীয়া ধাৰাবাহিক আৰু ছবিতো অভিনয় কৰিছিল। দূৰদৰ্শনত প্ৰচাৰিত 'খিৰিকী মুখৰ আলহী' নামৰ এখন ধাৰাবাহিক তেওঁ প্ৰযোজনাৰ উপৰি অভিনয়ো কৰিছিল। সমীৰণ বৰুৱা আহি আছে, সূৰ্যাস্ত আদি কে'বাখনো ছবিৰ লগতে টেলিফিল্মতো তেওঁ অভিনয় কৰিছিল। প্ৰয়াত দাসৰ অভিনয় দক্ষতাৰ স্বাক্ষৰ বহন কৰা কেইখনমান উল্লেখযোগ্য নাটক হ'ল— কফি হাউছত অপেক্ষা, দ্য গেম অফ চেছ, মাউছ ষ্ট্ৰেপ আৰু এন ইনস্পেক্টৰ কলছ। দাসৰ মৃত্যুৰ লগে লগে তামুলপুৰৰ এক আগশাৰীৰ সত্তাও হেৰাই গ'ল। ইহসংসাৰত তেওঁ পত্নী, দুই সন্তানসহ আত্মীয়-স্বজন আৰু অসংখ্য গুণমুগ্ধক এৰি যায়।

তেওঁৰ মৃত্যুত ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, শিক্ষা সম্পাদক ভৰজিত বেজবৰুৱা, অসম সাহিত্য সভাৰ বাৰ্তা সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকা, তামুলপুৰৰ বিধায়ক লেহো ৰাম বড়ো, প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰী, বিটিচি চৰকাৰৰ মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভা, প্ৰাক্তন ছাত্ৰ নেতা হিৰণ্য চৌধুৰী, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি কন্দৰ্প ডেকা, বাগ্‌সা জিলা ছাত্ৰ সন্থা, তামুলপুৰ মহকুমা ছাত্ৰ সন্থা, তামুলপুৰ, কুমাৰীকাটা, দক্ষিণ ডেফেলি, দ্বাৰকুছি, দেবীতোলা আঞ্চলিক ছাত্ৰ সন্থা, তামুলপুৰ শাখা সাহিত্য সভা, তামুলপুৰ প্ৰেছ ক্লাব, তামুলপুৰ জিলা ক্ৰীড়া সন্থা, তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদ, তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনী, তামুলপুৰ আঞ্চলিক হৰি মন্দিৰ সমিতি, তামুলপুৰ আঞ্চলিক দুৰ্গা মন্দিৰ সমিতি, তামুলপুৰ শ্ৰীন্ত শংকৰদেৱ শাখা সত্ৰ আদিকে ধৰি বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উত্তৰ-পূব ছাত্ৰসন্থা, সদৌ অসম চাত্ৰ সন্থায়ো তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

### মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান মৃণাল দাসৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত মৃণাল দাস এগৰাকী নিষ্ঠাৱান কৰ্মচাৰী হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি সংগঠনটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰাজি সমাধান কৰাৰ ক্ষেত্ৰতো উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে। ইয়াৰ উপৰি এগৰাকী অভিনেতা হিচাপেও প্ৰয়াত দাসে আমাৰ সাংস্কৃতিক জগতলৈ অৰিহণা আগবঢ়াই গৈছে। তেওঁৰ মৃত্যু-বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বৰপেটাৰ বিশেষ সংবাদদাতাই জনায় যে** বৰপেটাৰ প্ৰকৃত বাসিন্দা দাসৰ মৃত্যুত বৰপেটা জিলা কৰ্মচাৰী পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ মৃত্যুত বৰপেটাতো শোকৰ ছাঁ পৰিছে। জিলা কৰ্মচাৰী পৰিষদৰ সভানেত্ৰী মাধন ভূঞা আৰু সম্পাদক উৎপল দাসে এক শোকবাৰ্তাত কয় যে দাসৰ মৃত্যু কৰ্মচাৰী পৰিষদৰ বাবে অপূৰণীয় ক্ষতি। ৰাজ্যৰ কৰ্মচাৰী পৰিষদে এগৰাকী প্ৰকৃত অভিভাৱক হেৰুৱালে। তেওঁৰ বিয়োগৰ বাতৰি লাভৰ পাছতে বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক উৎপল কুমাৰ দাস সমন্বিতে বিষয়ববীয়াসকল পৰিষদৰ কাৰ্যালয়ত সমবেত হৈ এক শোকসভা অনুষ্ঠিত কৰাৰ উপৰি সংগঠনৰ পতাকাও তিনিদিনলৈ অৰ্ধনমিত কৰা হয়।

সদৌ অসম পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ বৰপেটা জিলা সমিতিৰ সভাপতি গুণধৰ দাস আৰু সম্পাদক ধীমান মেধিয়েও শোক প্ৰকাশ কৰিছে।

**যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰে জনোৱা মতে,** মৃণাল দাসৰ বিয়োগত যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি হৰিশ শইকীয়াৰ পৌৰোহিত্যত আজি অনুষ্ঠিত শোক সভাই গভীৰ শোক প্ৰকাশ কৰে। দাসৰ প্ৰতি শ্ৰদ্ধা জনাই কৰ্মচাৰী পৰিষদৰ পতাকাও অৰ্ধনমিত কৰা হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সন্থায়ো শোক প্ৰকাশ কৰিছে।

**মুছলপুৰৰ অগ্ৰদূত বাৰ্তাই জনায় যে** মৃণাল দাসৰ বিয়োগত বাগ্‌সা জিলা কৰ্মচাৰী পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। জিলাখনৰ ভাৰপ্ৰাপ্ত সভাপতি পানীৰাম ৰামছিয়াৰী, সম্পাদক প্ৰাণেশ্বৰ কলিতা, বাগ্‌সা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি মধুমোহন লাহাৰী আৰু সম্পাদক শান্তি নেওগে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাইছে।

**বৰুৱা বামুণগাঁও/দেৰগাঁৱৰ অগ্ৰদূৰ্ত বাৰ্তাই জনায় যে** গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰূপজ্যোতি ফুকন আৰু সম্পাদক কৰুণাকান্ত ৰাজবংশীয়ে মৃণাল দাসৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

**যমুনামুখৰ অগ্ৰদূত বাৰ্তাই জনোৱা মতে,** দাসৰ মৃত্যুত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভপতি জামাল আহমেদে এক বিবৃতিত শোক প্ৰকাশ কৰি কয় যে এয়া ৰাজ্যৰ পাঁচ লাখ চৰকাৰী কৰ্মচাৰীৰ বাবে এক অপূৰণীয় ক্ষতি। হোজাই জিলা কৰ্মচাৰী পৰিষদেও শোক প্ৰকাশ কৰিছে। তেনেদৰে অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ প্ৰচাৰ সম্পাদক আব্দুল কাদিৰ, হোজাই জিলা সমিতিৰ সভাপতি কফিল উদ্দিন বৰভূঞাৰ লগতে জিলা কৰ্মচাৰী পৰিষদৰ বিভিন্ন শাখা সমিতিয়ে শোক প্ৰকাশ কৰিছে।

**মাটিয়াৰ অগ্ৰদূত বাৰ্তাই জনায় যে** সদৌ অসম বুনিয়াদী শিক্ষক সন্থাৰ সভাপতি ৰত্নাকৰ নাথ আৰু সাধাৰণ সম্পাদক নৰেশ চন্দ্ৰ হাজৰিকাই শোক প্ৰকাশ কৰিছে। একেদৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ জিলা সভাপতি তথা সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি শৰৎ দাস আৰু জিলা সম্পাদক ভগদত্ত নাথেও শোক প্ৰকাশ কৰে।

**ছিপাঝাৰৰ অগ্ৰদূত বাৰ্তাই জনোৱা মতে,** মৃণাল দাসৰ মৃত্যুত সদৌ অসম গ্ৰমোন্নয়ন কৰ্মচাৰী সন্থাৰ দৰং জিলা সমিতিয়ে শোক প্ৰকাশ কৰিছে।

**নদুৱাৰৰ অগ্ৰদূত বাৰ্তাই জনায় যে** সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি ৰণজিত বৰঠাকুৰ আৰু সম্পাদক লক্ষ্যজ্যোতি শইকীয়াই শোক প্ৰকাশ কৰিছে। জামুগুৰি আঞ্চলিক কৰ্মচাৰী পৰিষদেও শোক প্ৰকাশ কৰাৰ লগতে সন্থাৰ পতাকা তিনিদিনৰ বাবে অৰ্ধনমিত কৰি ৰখা হ'ব বুলি জনায় পৰিষদৰ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সদস্য ৰণজিত বৰঠাকুৰে।

**চামতাৰ অগ্ৰদূত বাৰ্তাই জানিবলৈ দিয়ে যে** নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিকাশ ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক পংকজ বৰ্মনেও মৃণাল দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি ধনেশ্বৰ শৰ্মা, হৰমোহন বৰ্মন, প্ৰাক্তন যুটীয়া সম্পাদক হৰিমোহন তহবিলদাৰ, বৰ্তমানৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য উমেশ দাস, তপন কুমাৰ শৰ্মা, কুশল মজুমদাৰ, দীনবন্ধু ডেকা, বিনা ডেকা, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পংকজ বৰ্মন, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি কেশৱ বৰ্মন, জগদাচৰণ তালুকদাৰ, হৰেকৃষ্ণ মেধি, প্ৰাক্তন সম্পাদক প্ৰভাত ডেকা, উদয় বৰ্মন, প্ৰাক্তন উপ-সভাপতি প্ৰমোদ কুমাৰ তালুকদাৰ। নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুনজিৎ পাঠক, সম্পাদক অক্ষয় ডেকা, অসম উন্নতি সভাৰ কেন্দ্ৰীয় সদস্য সুকুমাৰ শৰ্মা, নলবাৰী জিলা ৰেডক্ৰছ ছ'চাইটী, সংস্কৃতিক সংগ্ৰাহালয় পূৰ্বভাৰতী, প্ৰাক্তন ছাত্ৰ নেতা মদন মালাকাৰ, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা, পশ্চিম নলবাৰী কৰ্মচাৰী পৰিষদ, পশ্চিম নলবীৰ প্ৰেছ ক্লাব প্ৰমুখ্যে বিভিন্ন অনুষ্ঠানে দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

**বাগানপাৰাৰ অগ্ৰদূত বাৰ্তাই জনায় যে** মৃণাল দাসৰ মৃত্যুত বড়োলেণ্ড কৰ্মচাৰী পৰিষদৰ সভাপতি দীপক কুমাৰ ৰামছিয়াৰী আৰু সাধাৰণ সম্পাক নবীন কলিতাই শোক প্ৰকাশ কৰি ৰাজ্যৰ কৰ্মচাৰী সমাজখন এক অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ল বুলি মন্তব্য কৰে।

**বৰহোলাৰ অগ্ৰদূত বাৰ্তাই জনায় যে** তিতাবৰ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি সঞ্জয় দত্ত, সম্পাদক সঞ্জীৱ গগৈ, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সাংগঠনিক সম্পাদক কেশৱ মহন্ত, সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য গোলাপ হাজৰিকা আৰু শচীন ঠাকুৰে মৃণাল দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ চিৰশান্তি কামনা কৰিছে।

## কেনেদৰে বৃদ্ধি কৰিব ৰোগ-প্ৰতিৰোধ ক্ষমতা



প্ৰতিগৰাকী ব্যক্তিৰে ৰোগ-প্ৰতিৰোধ ক্ষমতা বেলেগ বেলেগ। কিছুমান লোকৰ এনে প্ৰতিৰোধী ক্ষমতা বেছি আৰু আন কিছুমানৰ কম। আগতে মানুহে শৰীৰৰ ৰোগ-প্ৰতিৰোধ ক্ষমতাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল যদিও ক'ভিড-১৯ৰ ভয়াবহ ৰূপৰ পাছত অতি সম্প্ৰতি এই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। পিছে সকলোৰে জানি থোৱা ভাল যে মানুহৰ ৰোগ-প্ৰতিৰোধী ক্ষমতা এদিনতে গঢ়ি নুঠে। ইয়াৰ বাবে সময়ৰ প্ৰয়োজন। খাদ্য গ্ৰহণৰ পৰা আৰম্ভ কৰি শোৱা ফুৰা আদি বিষয়বোৰো প্ৰতিৰোধী ক্ষমতা বৃদ্ধি তথা স্বাভাৱিক কৰি ৰখাত সহায় কৰে। প্ৰতিৰোধী ক্ষমতা শক্তিশালী কৰিবলৈ হ'লে খাদ্য তালিকাত শৰীৰৰ প্ৰয়োজনীয় উপযুক্ত আৰু সঠিকভাৱে অন্তৰ্ভুক্ত কৰিবই লাগিব।

### এণ্টি অক্সিডেণ্ট

এইটো প্ৰায়ভাগ লোকৰে জ্ঞাত যে এণ্টি অক্সিডেণ্ট শৰীৰত থকা ফ্ৰিৰেডিকেলসমূহ ধ্বংস কৰে। আনহাতে, এই এণ্টি অক্সিডেণ্টে ফ্ৰিৰেডিকেল সৃষ্টিটো বাধা জন্মায়। শৰীৰৰ কোষসমূহৰ পৰা সৃষ্টি হোৱা বৰ্জ্য পদাৰ্থই হ'ল ফ্ৰিৰেডিকেল। এনেবোৰ অপকাৰী পদাৰ্থৰ বাবে বৃক্ক, ডায়েবেটিছ, উচ্চ ৰক্তচাপ, চকুৰ সমস্যা আদিৰ সৃষ্টি কৰে। আনকি জটিলতাও বৃদ্ধি কৰে। আনকি কৰ্কট ৰোগ আদিৰো সৃষ্টি কৰাৰ আশংকা থাকে। সেইবাবে এইবোৰ অপ-পদাৰ্থ সৃষ্টিত বাধা জন্মাবলৈ ভিটামিন 'চি', ভিটামিন 'এ' আৰু ভিটামিন 'এ' আৰু ভিটামিন 'ই'ৰ উপৰি দস্তা, ছেলেনিয়াম, আয়ৰণ মেগনেছিয়াম আদি নিতৌ প্ৰচুৰ পৰিমাণে খাবই লাগিব। এইবোৰ উপাদান শৰীৰে যিমানেই নিয়মীয়াকৈ লাভ কৰে সিমানেই ৰোগ-প্ৰতিৰোধী ক্ষমতা বৃদ্ধি পায়। সেইবাবে এনে ধৰণৰ উপাদানযুক্ত খাদ্য গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত।

### ভিটামিন 'চি'



ভিটামিন 'চি' খালে ৰোগ-প্ৰতিৰোধী ক্ষমতা বৃদ্ধি পায়। এইবিধ ভিটামিনে শৰীৰৰ শ্বেতৰক্ত কণিকাৰ পৰিমাণ বৃদ্ধি কৰা অৰ্থাৎ লিফোচাইট আৰু ফেগোচাইট বৃদ্ধি হোৱা বাবে বীজাণুৰ সংক্ৰমণ আদি প্ৰতিৰোধ কৰে। এইবিধ ভিটামিন আমলখি, মধুৰীআম, আপেল, নেমুটেঙা, কমলা, আনাৰস আদিত প্ৰচুৰ পৰিমাণে পোৱা যায়। সেইবাবে এইবোৰ ফলমূল নিতৌ খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰা উচিত।

এইবিধ ভিটামিন সাধাৰণতে মাছৰ তেল, কণী, চিকেন, গাজৰ, কোমোৰা, শাক-পাচলিত বিশেষকৈ পালেং, ব্ৰকোলি, পুইশাক আদিত পোৱা যায়। এইবোৰ শাক-পাচলিত পোৱা বিটা কেৰোটিনে শৰীৰত ভিটামিন 'এ' হিচাপে পৰ্যবসিত হয়। গাজৰত থকা লুটিন আৰু জিয়াজেন্থিম নামৰ উপাদান দুবিধ চকুৰ বাবে তেনেই উপকাৰী। অৰ্থাৎ এনে ধৰণৰ উপাদান ৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে।

### ভিটামিন 'ই'



ভিটামিন 'ই' ৰোগ-প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। এলমন্ত, বাদাম আদিত এইবিধ ভিটামিন প্ৰচুৰ পৰিমাণে পোৱা যায়। এইবোৰে ফেটেন শৰীৰক যোগান ধৰে।

### দস্তা-ছেলেনিয়াম প্ৰয়োজন




দস্তা, ছেলেনিয়াম, ভিটামিন বি আদিয়ে তেজত শোষিত ৰক্ত কণিকাৰ পৰিমাণ স্বাভাৱিক কৰি ৰাখে। এনে ধৰণৰ খনিজ পদাৰ্থ মুৰ্গীৰ মাংস আদিত প্ৰচুৰ পৰিমাণে পোৱা যায়। চিকেনৰ হাড়ত থকা জিলেটিন আৰু কনড্ৰয়াটিন নামৰ উপাদান দুবিধে হাড়ৰ অস্থিমজ্জাৰ সুস্বাস্থ্য বজাই ৰখাত সহায় কৰা দেখা যায়। অস্থিমজ্জাৰ সমস্যাৰ সৃষ্টি নোহোৱা মানে শ্বেতৰক্ত কণিকাৰ উৎপাদন স্বাভাৱিক কৰি ৰখা। সেইবাবে যদিহে সম্ভৱ হয় তেতিয়া হ'লে চিকেন আদি খাব লাগে।

আনহাতে কল, তিল, সূৰ্যমুখী বীজ, কোমোৰাৰ জালি, ব্ৰক'লী, মটৰ গুটিত প্ৰচুৰ পৰিমাণে পোৱা যায় মেগনেছিয়াম। এইবিধ উপাদানে তেজত শ্বেতৰক্ত কণিকা সক্ৰিয় কৰি ৰখাত সহায় কৰে। সেইবাবে খাদ্য তালিকাত এনে ধৰণৰ খাদ্য অন্তৰ্ভুক্ত কৰা উচিত।

### ইতিবাচক চিন্তা কৰক

মানুহৰ চিন্তা-চৰ্চাৰ স'তেও ৰোগ-প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ বিষয়টো জড়িত। শেহতীয়াভাৱে গৱেষকসকলে এই বিষয়ত কিছু নতুন নতুন তথ্য লাভ কৰিছে। ইতিবাচক চিন্তা কৰিলে শৰীৰত যিবোৰ হৰম'ন নিঃসৰন হয়, নেতিবাচক চিন্তা কৰিলে ইয়াৰ বিপৰীত প্ৰভাৱ পৰে।

## ফলৰ ৰজা আম কিয় খাব লাগে



২০১২ৰ এপ্ৰিলত ডিয়েগোত অনুষ্ঠিত 'ফেডাৰেছন অৱ আমেৰিকান ছ'চাইটিজ ফ'ৰ এক্সপেৰিমেণ্টেল বায়'ল'জি'ৰ বৈঠকত উল্লেখ কৰা প্ৰতিবেদনত আমাক পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ খাদ্য বুলি আখ্যা দিয়া হৈছিল। ২০০১ৰ পৰা ২০০৮ লৈকে চলোৱা সমীক্ষাত এটা কথা প্ৰকাশ পায় যে যিসকলে নিয়মীয়াকৈ আম খায় তেওঁলোকৰ আম নোখোৱা লোকতকৈ স্বাস্থ্য ভাল। নিয়মীয়াকৈ আম খালে তেওঁলোকৰ তেজত চি-ৰিএক্টিভ প্ৰ'টিনৰ পৰিমাণে বহু পৰিমাণে হ্ৰাস পায়। উল্লেখ্য যে এই প্ৰ'টিনৰ পৰিমাণ হ্ৰাস পোৱা মানে শৰীৰত প্ৰদাহ হ্ৰাস পায়। এনেধৰণৰ প্ৰদাহ হ্ৰাসৰ ফলত হৃদৰোগ হোৱাৰ আশংকা ভালেখিনি হ্ৰাস পায়। নিউট্ৰিচন ইমপেক্ট, এল এল চিৰ গৱেষণাত আৰু এটা স্পষ্ট হৈ পৰিছে যে যিসকল লোকে প্ৰতিটো বতৰতে আম বেছিকৈ খায় তেওঁলোকৰ ভৱিষ্যতে শৰীৰত কম পৰিমাণে চৰ্বি জমা হয়।

১৬০ গ্ৰাম ওজনৰ আম এটাত (পকা) শৰীৰৰ বাবে প্ৰয়োজনীয় বহুতো উপাদান থাকে। বিশেষকৈ এনে ওজনৰ এটা আমত এগৰাকী প্ৰাপ্তবয়স্ক লোকক দৈনিক যিমান পৰিমাণৰ ভিটামিন 'চি'ৰ প্ৰয়োজন হয় সেয়া লাভ কৰে। ১০০ গ্ৰাম ওজনৰ আম এটাত ২৭.৭ মিলিগ্ৰাম ভিটামিন 'চি' থাকে। এইখিনিতে উল্লেখ কৰিব লাগিব যে কেঁচা আমত তুলনামূলকভাৱে ভিটামিন 'চি' বেছি থাকে। পকা আমত এইবিধ ভিটামিন তুলনামূলকভাৱে অলপ কম থাকে। ইয়াত পটাছিয়াম আৰু ছ'ডিয়াম দুই মিলিগ্ৰাম পোৱা যায়। সেই বাবে উচ্চ ৰক্তচাপত আক্ৰান্তসকলেও নিশ্চিন্তে আম খাব পাৰে। ডাঃ চি হাৰ্টওৱেলে তেওঁৰ গ্ৰন্থ 'প্লেণ্টছ এগেইনষ্ট কেন্সাৰ'ত উল্লেখ কৰা মতে নিয়মীয়াকৈ আম খোৱাৰ ফলত গ'লব্লাডাৰ কেন্সাৰ বা পিত্তাশায়াৰ কৰ্কট হোৱাৰ আশংকা কম থাকে।

ইউনিভাৰ্চিটি অৱ কুইন্সলেণ্ডৰ গৱেষক ড° এছলি উইলকিচনে উল্লেখ কৰা মতে আমাৰ শৰীৰত অপকাৰী ক'লেষ্টেৰল হ্ৰাস কৰা আৰু ডায়েবেটিছ প্ৰতিৰোধৰ বাবে যিবোৰ ফলমূলে বিশেষ ভূমিকা গ্ৰহণ কৰে সেইবোৰৰ ভিতৰত অন্যতম হ'ল আম। সেই বাবে বতৰত সকলোৰে নিতৌ এটা আম খোৱা উচিত। তেওঁ পুনৰ উল্লেখ কৰা মতে বিপাকীয় প্ৰক্ৰিয়াত যিবোৰ ৰোগৰ সৃষ্টি হয় সেয়া প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। আমত থকা পলিফেনলৰ মাজত কোষ ধ্বংসকাৰী অসুখ যেনে হৃদৰোগ, কৰ্কটৰোগ আদি প্ৰতিৰোধ কৰিব পৰা জানথোন গোত্ৰৰ মেংগিফেৰিণ পোৱা যায়। আমত থকা মেংগিকেৰিয়ে অপকাৰী ক'লেষ্টেৰলৰ পৰিমাণ হ্ৰাস কৰে। তদুপৰি ট্ৰাইগ্লিচাৰাইডো হ্ৰাস কৰিব পৰা ক্ষমতা আছে আমৰ। আমত থকা বিভিন্ন উপাদানে শৰীৰৰ বাবে উপকাৰী ক'লেষ্টেৰলৰ শক্তি বৃদ্ধিত সহায় কৰে। আমত বিভিন্ন ধৰণৰ কুলীন পলিফেনল পোৱা যায়। এইসকলোবোৰ এণ্টিঅক্সিডেণ্ট সমৃদ্ধ।

### ভিটামিন-খনিজ পদাৰ্থৰ ভঁৰাল

আমক ভিটামিন আৰু খনিজ পদাৰ্থৰ ভঁৰাল বুলি কোৱা হয়। ভিটামিন 'এ' 'চি' 'ই' 'কে' আৰু 'বি' কমপ্লেক্স থাকে। তদুপৰি বিভিন্ন ধৰণৰ খনিজ পদাৰ্থ বিশেষকৈ ছ'ডিয়াম, পটাছিয়াম, কেলছিয়াম, আয়ৰণ, ফছফ'ৰাছ, মেংগানিজ, মেগনেচিয়াম, দস্তা, আম আদি থাকে। এইবোৰ উপাদান থাকে বাবে আম নিয়মীয়াকৈ খালে উপকাৰ লাভ কৰাটো সম্ভৱ।

### পলিফেনল পোৱা যায়

পলিফেনল সম্পৰ্কে প্ৰায়ভাগ লোকেই জ্ঞাত নহয়। পলিফেলন হ'ল প্ৰকৃতিগতভাৱে লাভ কৰা জৈৱিক যৌগ। আমত থকা পলিফেনলৰ ভিতৰত অন্যতম হ'ল মেংগিফেৰিণ, গেলিক এচিড, গেলোটেনিক, কেটেচিন, এস্থোচয়োনিন, কুয়েৰছেটিন, এলাজিক এচিড ইত্যাদি। এই উন্নত পলিফেনলে এণ্টি অক্সিডেণ্ট হিচাপে কাৰ্য সম্পাদন কৰে। সেইবাবে এনে ধৰণৰ ফল খালে শৰীৰৰ উপকাৰ হয়। পলিফেনলে বিভিন্ন ধৰণৰ ৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। পলিফেনলৰ ভিতৰত মেংগিফেৰিণে বিভিন্ন ধৰণৰ কৰ্কটৰোগ, ডায়েবেটিছ, হৃদৰোগ আদি প্ৰতিৰোধ কৰে।

### শক্তি সমৃদ্ধ ফল

আমক শক্তি সমৃদ্ধ ফল হিচাপে আখ্যা দিয়া হয়। কাৰণ ইয়াত থকা কাৰ্বোহাইড্ৰেটৰ উপৰি বিভিন্ন ধৰণৰ ভিটামিন, খনিজ পদাৰ্থ থাকে। এইবোৰে শৰীৰক অফুৰন্ত শক্তি যোগায়। ক্লান্তি অনুভৱ কৰিলে পকা আম খোৱাৰ পাছত সতেজ অনুভৱ হয়। আম নিয়মীয়াকৈ খালে টোপনি ভাল হয়। টোপনি ভাল হ'লে শৰীৰটো সতেজ অনুভৱ কৰে। আম শক্তিৰ ভাণ্ডাৰ হ'লেও যদিহে ডায়েবেটিছ আদিত আক্ৰান্ত তেতিয়াহ'লে আম খাওঁতে সতৰ্কতা অৱলম্বন কৰা উচিত। কাৰণ এনে ৰোগীয়ে কিমান পৰিমাণৰ আম খাব পাৰে সেয়া পুষ্টি বিশেষজ্ঞই নিৰ্ধাৰিণ কৰিব। নিজ ইচ্ছা মতে খালে বিপদত পৰাৰ আশংকাও নুই কৰিব নোৱাৰি। বহুতে আম খায় যদিও ইয়াৰ পৰা লাভ কৰা শক্তিৰ বিষয়ে জ্ঞাত নহয় বাবে কেতিয়াবা প্ৰয়োজনতকৈ বেছি খায়। পিছে প্ৰয়োজনতকৈ বেছি খালেও বিপদ হ'ব পাৰে।

### বৃদ্ধি কৰে স্মৃতিশক্তি

আমত এনে কিছুমান উপাদান আছে যিবোৰে স্মৃতিশক্তি বৃদ্ধিত সহায় কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। ইয়াত থকা ভিটামিন বি$_6$ গ্লুটানিক এচিডে মস্তিষ্কৰ কোষসমূহক উজ্জীৱিত আৰু সতেজ কৰি ৰাখে। স্মৃতিশক্তি বৃদ্ধিত সহায় কৰে। এইবোৰ উপাদানে এলঝেইমাৰাৰ ৰোগো প্ৰতিৰোধ কৰা দেখা যায়। আমত থকা এণ্টি অক্সিডেণ্টসমূহে মস্তিষ্কৰ পাবা হৰম'ন নিঃসৰণত সহায় কৰাৰ উপৰি অৱসাদ, ক্লান্তি আদি আঁতৰ কৰে। গৱেষকসকলে লাভ কৰা তথ্য অনুসৰি যিসকল লোকে সৰুৰে পৰাই নিয়মীয়াকৈ আম খাই তেওঁলোকৰ স্মৃতিশক্তি তুলনামূলকভাৱে বেছি।

### কৰ্কট ৰোগ প্ৰতিৰোধ কৰে

আমত থকা উপাদানে কৰ্কট ৰোগ প্ৰতিৰোধ কৰিব পাৰে। ইয়াত থকা এণ্টি অক্সিডেণ্টে কৰ্কট ৰোগ প্ৰতিৰোধ কৰে। বিভিন্ন প্ৰকাৰৰ কেৰোটিনয়ড যৌগ, গেলিক এচিড, কুৱেৰচিটিন আদি যোগসমূহে কৰ্কট ৰোগৰ আশংকা কমায়।

### দৃষ্টিশক্তি স্বাভাৱিক কৰি ৰাখে

আমৰ স'তে দৃষ্টি শক্তিৰ সম্পৰ্ক আছে। আমত প্ৰচুৰ পৰিমাণে কেৰোটিনয়েড, ভিটামিন 'এ' আৰু ই থাকে বাবে এইবোৰ এণ্টিঅক্সিডেণ্ট হিচাপে সৃষ্টিশক্তি স্বাভাৱিক কৰি ৰাখিব পাৰে। কুকুৰীকণা, বয়সৰ পূৰ্বে ছানি পৰা ৰোগ আদিও প্ৰতিৰোধ কৰে।

### ছালখন মসৃণ কৰে

নিয়মীয়াভাৱে আম খোৱাৰ ফলত শৰীৰে ভিটামিন 'চি' লাভ কৰে আৰু এইবিধ ভিটামিনে কোলাজেন কলা উৎপাদনত সহায় কৰে। ইয়াত থকা 'এ' আৰু 'বি' ভিটামিনে বাৰ্ধক্য প্ৰতিৰোধত সহায় কৰিব পাৰে।

### ডায়েবেটিছ ৰোগীৰ বাবে উপকাৰী কিয়

ডায়েবেটিছত আক্ৰান্তই পকা আম খাব নালাগে বুলি বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে। পকা আম বেছিকৈ খালেহে বিপদ। নিৰ্দিষ্ট পৰিমাণৰ খোৱাত বাধা নাই। কাৰণ আমত থকা যৌগসমূহে তেজত ইনছুলিনৰ পৰিমাণ নিয়ন্ত্ৰণ কৰি এইবিধ ৰোগে জটিল ৰূপ ধাৰণ কৰাতহে বাধা দিয়ে। অৱশ্যে ডায়েবেটিছে জটিল ৰূপ লোৱাৰ সময়ত





এইবিধ ফল খোৱাৰ পূৰ্বে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

### হৃদৰোগীৰ বাবে উপকাৰী

আম হৃদৰোগীৰ বাবেও উপকাৰী বুলি কোৱা হয়। কাৰণ ইয়াৰ পটাছিয়াম, মেগনেছিয়াম, ফাইবাৰ আদি প্ৰচুৰ পৰিমাণে থাকে। ইয়াৰ বিপৰীতে ছ'ডিয়াম কম পৰিমাণে পোৱা যায়। ইয়াৰ বিপৰীতে বহুতো এণ্টি অক্সিডেণ্ট পোৱা যায়। এই এণ্টি অক্সিডেণ্ট হৃদযন্ত্ৰ সুস্থ কৰি ৰখাত সহায় কৰে। হৃদযন্ত্ৰ সুস্থ হৈ থকাৰ উপৰি উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰে। এইবোৰৰ উপৰি বিভিন্ন ধৰণৰ কাৰ্ডিঅ' ভাস্কুলাৰ ৰোগো প্ৰতিৰোধ কৰাত সহায়ক। তেজত শৰীৰৰ বাবে অপকাৰী ক'লেষ্টেৰলৰ পৰিমাণ হ্ৰাস কৰে বাবে পৰোক্ষভাৱে হৃদৰোগ আদিও প্ৰতিৰোধ কৰে। ইয়াত থকা মেংগিফেৰিণে হৃদৰোগ প্ৰতিৰোধ কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে।

### ৰক্তহীনতাৰ সমস্যা আঁতৰ কৰাত

আমত থকা বিভিন্ন উপাদানে প্ৰতিৰোধ কৰে ৰক্তহীনতা বা এনিমিয়া। আমত থকা ফোলেট, আয়ৰণ, ভিটামিন 'চি' আদিয়ে ৰক্তহীনতা প্ৰতিৰোধ কৰে বাবে সৰুৰে পৰা আম খোৱাৰ অভ্যাস গঢ়ি তোলা উচিত। উল্লেখ কৰিব লাগিব যে আমত থকা ভিটামিন 'চি' এ আয়ৰণ বা লোহা শোষণ কৰে।

## ৰোগী-চিকিৎসকৰ সম্পৰ্ক আৰু ৰোগ উপশম





ডাঃ হিতেশ বৰুৱা
পৰিচালন সঞ্চালক
নেমকেয়াৰ হাস্পতাল
৯৪৩৫০-১৪৭০১

বিখ্যাত চিকিৎসক হ'বলৈ সহজ। কিন্তু ভাল চিকিৎসক হ'বলৈ কঠিন। ৰোগীৰ চিকিৎসা আৰম্ভ হয় চিকিৎসকৰ ভাল ব্যৱহাৰেৰে। যিকোনো ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত ৰোগী আৰু চিকিৎসকৰ মাজত গঢ়ি উঠা সম্পৰ্কয়ো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। চিকিৎসকে যিদৰে ৰোগীয়ে কোৱা সমস্যাৰ বিষয়ে মনোযোগেৰে শুনিব লাগে তেনেদৰে ৰোগী বা অভিভাৱককেও লুক-ধাক নকৰাকৈ সকলোবোৰ ক'ব লাগে। কেতিয়াবা চিকিৎসকে ৰোগীক পুংখানুপুংখভাৱে সুধিলেও তাৰ মাজতে দুই এটা কথা লুকাই বা লাজতে ক'ব নোখোজে। ফলত যদিও ৰোগীজনে ভাবে যে চিকিৎসকে যি ঔষধ দিব তাৰ বাবে লুকুৱাই ৰখা সমস্যাৰো সমাধান হ'ব। পিছে এনেদৰে কথা লুকুওৱাৰ বাবে ৰোগীয়ে সম্পূৰ্ণৰূপে উপশম লাভ নকৰিবও পাৰে। তেতিয়া ৰোগী বা ৰোগীৰ পৰিয়ালে পোনছাটে চিকিৎসকৰ ওপৰত সমস্ত দোষ জাপি দিয়ে। আনকি চিকিৎসকৰ যোগ্যতাৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰে। এনে কৰিলে যদিহে কেনেবাকৈ চিকিৎসকগৰাকীৰ কাণত কথাটো পৰে তেতিয়া মনত বৰ দুখ পায়। আনহাতে, কেতিয়াবা ৰোগীয়ে সম্পূৰ্ণভাৱে সমস্যাৰ বিষয়ে ক'ব খোজে যদিও চিকিৎসকে দীঘলীয়াকৈ শুনিব নোখোজে। সমস্যা বা ৰোগৰ বিষয়ে ভালদৰে নুশুনাৰ ফলত ৰোগীৰ বা অভিভাৱকৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু চিকিৎসকজনৰ ওপৰত বিশ্বাস নোহোৱা হয়।

চিকিৎসকৰ ওচৰলৈ যিকোনো ৰোগী আহে মনত এটা আশা লৈ। ৰোগীৰ বাবে চিকিৎসকগৰাকী হ'ল ভগৱান সদৃশ। কাৰণ ৰোগৰ পৰা উপশম লাভৰ পৰামৰ্শ দিব পাৰে কেৱল চিকিৎসকেহে। চিকিৎসকগৰাকী এল'পৈথিক, আয়ুৰ্বেদিক আৰু হোমিঅ' যিয়েই নহওক কিয় ৰোগীয়ে তেওঁৰ ওপৰত ভৰসা কৰিয়েই চিকিৎসা কৰে। এনে পৰিস্থিতিত চিকিৎসকগৰাকীয়ে ৰোগীগৰাকী অহাৰ লগে লগে ৰোগীৰ অৱস্থাটো অনুমান কৰিয়েই আৰম্ভ কৰিব লাগে কথা-বতৰা। কেতিয়াবা কিছুমান ৰোগীয়ে চিকিৎসকগৰাকীক দেখাৰ লগে লগে ক'বলগীয়া কথাও পাহৰি যায়। তদুপৰি সকলো ৰোগীয়ে যে বেমাৰৰ বিষয়ে ভালদৰে উপস্থাপন কৰিব পাৰে সেয়াও আশা কৰিব নোৱাৰি। কাৰণ সকলো মানুহৰে কথাবোৰ সাবলীলভাৱে উপস্থাপন কৰিব পৰা ক্ষমতা নাথাকে। আনহাতে, ৰোগীৰ লগত অহা ব্যক্তিগৰাকীয়েও ৰোগীৰ কিছুমান কথা নাজানিব পাৰে। সেইবাবে চিকিৎসকগৰাকীৰ প্ৰথম কাম ৰোগীক বিভিন্ন প্ৰশ্ন কৰি তেওঁৰ সমস্যাৰ বিষয়ে জানি লোৱা। পিছে কিছু চিকিৎসকে কেতিয়াবা অধিক ব্যস্ততাৰ বাবে ৰোগীক কিছুমান প্ৰশ্ন সুধিবলৈ থাকি যোৱাটো অস্বাভাৱিক বিষয় নহয়। চিকিৎসকৰ সুধিবলগীয়া প্ৰশ্ন আৰু ৰোগীৰ ক'বলগীয়া কথাৰ মাজত থাকি যোৱা ব্যৱধানৰ বাবে কেতিয়াবা ৰোগীগৰাকীয়ে উপশম লাভ কৰাত পলম হয়। কেতিয়াবা জটিলো হৈ পৰে। এনে পৰিস্থিতিত কাক দোষাৰোপ কৰিব চিকিৎসক নে ৰোগীক?

চিকিৎসকৰ ব্যৱহাৰৰ ওপৰত প্ৰায়েই অভিযোগ উত্থাপিত হোৱা দেখা যায়। দুই এগৰাকী চিকিৎসকৰ ব্যৱহাৰ উগ্ৰ বা ৰূঢ় হ'ল বুলিয়েই সকলো চিকিৎসকক দোষাৰোপ কৰিব তেনে নহয়। অৱশ্যে এটা কথা ঠিক যে ৰোগীৰ স'তে মিঠা ব্যৱহাৰ কৰাটো প্ৰতিগৰাকী চিকিৎসকৰে প্ৰধান কৰ্তব্য। কৰ্তব্য এই কাৰণে বুলি কৈছো যে চিকিৎসকৰ সু-ব্যৱহাৰতে বহুতো ৰোগীয়ে বহু পৰিমাণে উপশম লাভ কৰিব পাৰে। চিকিৎসকৰ ব্যৱহাৰ ভাল হ'লে ৰোগীগৰাকীৰ চিকিৎসকৰ ওপৰত বিশ্বাসো জন্মে। তেতিয়া ৰোগীয়ে মনৰ কথা বা সমস্যাৰ বিষয়ে মুকলিকৈ ব্যক্ত কৰিব পাৰে। ইয়াৰ বিপৰীতে যদি চিকিৎসকে খঙাল ভাৱেৰে পৰামৰ্শ আগবঢ়ায় বা প্ৰশ্ন কৰে তেতিয়া পৰোক্ষভাৱে ৰোগীগৰাকীৰ মনতো ক্ষোভ জন্মে। সেয়া বৃত্তিত অৰ্থৰ সমানেই ব্যৱহাৰো গুৰুত্বপূৰ্ণ বিষয়। অৱশ্যে কোনোবাই যদি বিনামূলীয়াকৈও সেৱা আগবঢ়ায় তথাপি তেওঁ ৰোগীক দুৰ্ব্যৱহাৰ কৰাৰ অধিকাৰ নাই। আনহাতে, ৰোগীয়েও চিকিৎসকক দুৰ্ব্যৱহাৰ কৰাৰ যুক্তি নাই। চিকিৎসকে চিকিৎসাহে কৰে। কেতিয়াবা ৰোগী-চিকিৎসকৰ সংযোগ নিমিলিলে ৰোগৰ পৰা বেমাৰীয়ে উপশম লাভ নকৰে। চিকিৎসকেও ৰোগীৰ ৰোগৰ উপশম ঘটাবলৈকে চেষ্টা কৰে। পৃথিৱীৰ কোনো চিকিৎসকে ৰোগীৰ আৰোগ্য হোৱাৰ বিষয়ে এশ শতাংশ নিশ্চিত দিব নোৱাৰে। কোনো চিকিৎসকে ৰোগীক মৃত্যুমুখলৈ ঠেলি দিব নোৱাৰে। যদি কোনোবাই চিকিৎসকৰ বিৰুদ্ধে এনে মনোভাব লয় তেতিয়া হ'লে তাক ভ্ৰান্ত ধাৰণা বুলিহে ক'ব লাগিব।

পৃথিৱীত এনে এখন চিকিৎসালয় নাই য'ত ৰোগীৰ মৃত্যু হোৱা নাই। এনে এজন চিকিৎসক নাই যিয়ে চিকিৎসা কৰোঁতে এজনো ৰোগীৰ মৃত্যু নোহোৱাকৈ আছে। চিকিৎসক বিধাতা নহয় যে মানুহৰ আয়ুসৰেখা লিখিব। চিকিৎসকসকল হ'ল এটা মাধ্যম যাৰ দ্বাৰা শাৰীৰিক-মানসিক সমস্যাসমূহ সমাধানৰ চেষ্টা কৰা হয়। কাৰোবাৰ উপশম ঘটে অথবা ৰোগীৰ পৰিয়ালৰ লোকে চিকিৎসকৰ বিৰুদ্ধে কেতিয়াও নেতিবাচক মনোভাব গ্ৰহণ কৰিব নালাগে।

'The good Physician treats the disearse the great Physician treats the Pattien who has the disearse' কানাডাৰ বিখ্যাত চিকিৎসক উইলিয়াম অ'ছলাৰ (১৮৪৯-১৯১৯)ৰ এই বিখ্যাত উক্তিটোৰ পৰাই এটা কথা স্পষ্ট হৈ পৰে এগৰাকী চিকিৎসকে ৰোগীৰ প্ৰতি আগবঢ়োৱা সেৱা কিমান গুৰুত্বপূৰ্ণ। এগৰাকী ভাল চিকিৎসকে ৰোগৰ চিকিৎসা কৰে। ইয়াৰ বিপৰীতে এগৰাকী প্ৰখ্যাত চিকিৎসকে ৰোগীক চিকিৎসা কৰে যিগৰাকী ৰোগাক্ৰান্ত। যেতিয়াই ৰোগী এগৰাকী চিকিৎসকৰ ওচৰলৈ আহি ৰোগৰ বিষয়ে ব্যাখ্যা কৰি লৈ ধৰাৰ পৰাই আৰম্ভ হ'ল চিকিৎসক ৰোগীৰ সম্পৰ্ক। চিকিৎসকৰ যিদৰে ৰোগীৰ উপশমৰ বাবে দায়িত্ব আছে তেনেদৰে ৰোগী বা আত্মীয়ৰো চিকিৎসকৰ প্ৰতি বিশ্বাস থকাৰ লগতে সন্মানো প্ৰদৰ্শন কৰিব লাগিব।



পৰস্পৰৰ সহযোগিতাৰেহে চিকিৎসা প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াটো সম্ভৱ।

কেতিয়াবা চিকিৎসকে ৰোগীৰ নিদানপত্ৰত যদি ঔষধ বেছি নিলিখে বা বেছি পৰীক্ষা কৰিবলৈ নিদিয়ে তেতিয়া ৰোগী তথা অভিভাৱকে চিকিৎসকজনৰ নিপুণতা বা অভিজ্ঞতাক লৈও প্ৰশ্ন কৰে। প্ৰতিগৰাকী ৰোগীয়ে চিকিৎসকৰ বাবে গৱেষণা। কাৰণ প্ৰতিগৰাকী ৰোগীয়ে ৰোগ বেলেগ আৰু প্ৰকৃতিত ভিন্ন। তেনেদৰে প্ৰতিগৰাকী ৰোগীয়েও নতুন চিকিৎসকৰ ওচৰলৈ যোৱা মানে ভিন্ন অভিজ্ঞতা লাভ কৰাৰ ফলত কোন চিকিৎসকৰ প্ৰকৃতি কেনেকুৱা সেয়া জানিব পাৰে। পৃথিৱীত কোনো চিকিৎসকে ৰোগীৰ মৃত্যু হোৱাটো নিবিচাৰে। ৰোগৰ পৰা উপশম কৰাটোৱে চিকিৎসকৰ লক্ষ্য। পিছে কেতিয়াবা জটিল অৱস্থাৰ সৃষ্টি হ'ব পাৰে। চিকিৎসকে ৰোগী চোৱাৰ ক্ষেত্ৰত গাফিলতি নকৰে। সেইবাবে ৰোগীয়েও চিকিৎসকৰ ওপৰত বিশ্বাস কৰাটো গুৰুত্বপূৰ্ণ বিষয়।

চিকিৎসকে ৰোগীৰ স'তে কেনেদৰে কথোপকথন হৈ ৰোগৰ বিষয়ে জানিব পাৰিব সেয়া নিৰ্ভৰ কৰে চিকিৎসকগৰাকীৰ নিজৰ সামৰ্থৰ ওপৰত। যিহেতু চিকিৎসা এটা সেৱা, সেয়েহে এগৰাকী শান্ত ৰোগীক যিদৰে ব্যৱহাৰ কৰিব, এজন ৰূঢ় প্ৰকৃতিৰ ৰোগীকো তেনেই ব্যৱহাৰ কৰিব লাগিব। সকলোকে সমভাৱেই পৰীক্ষা কৰাৰ লগতে চিকিৎসা কৰিব লাগে নিজৰ সামৰ্থ অনুযায়ী। চিকিৎসক হ'ল বুলিয়ে যে ৰোগীৰ উৰ্দ্ধত থাকিব তেনে নহয়। আনহাতে, ৰোগীয়ে ধন ব্যয় কৰি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিলে বুলিয়ে যে চিকিৎসকৰ উৰ্দ্ধত হ'ব সেয়া মানি ল'ব নোৱাৰি। মানুহ হিচাপে দুয়ো সমান। গতিকে চিকিৎসকৰ ভুল হ'ল বুলিয়ে খলনায়ক হ'ব সেয়াও মানি ল'ব নোৱাৰি। মানুহ মাত্ৰেই ভুল হোৱাটো স্বাভাৱিক। যেতিয়া ৰোগীয়ে ৰোগৰ পৰা উপশম লাভ কৰিব তেতিয়া তেওঁৰ বাবে চিকিৎসজন হৈ পৰে ভগৱান সদৃশ। যদি মৃত্যু হয় তেতিয়া খলনায়ক সজোৱা হয়। দুয়োটাই গ্ৰহণযোগ্য নহয়।

*অনুলিখন ঃ নয়ন কুমাৰ শৰ্মা*

# সমষ্টি উন্নয়নৰ তাৎক্ষণিক পদক্ষেপ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৫ মে’ ঃ** তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই সমষ্টি উন্নয়নৰ তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিছে। বিধায়ক বৰুৱাই উল্লেখ কৰা মতে তিতাবৰ সমষ্টিৰ অন্তৰ্গত জৰাজীৰ্ণ ধোদৰ আলি, তিতাবৰ-বৰহোলা সংযোগী ন-আলি, গড়আলিৰ ৰঙাজানৰ পৰা জালুকণিবাৰী হৈ চুণ্ডী আলিৰ উন্নয়নৰ পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি তিতাবৰ চাৰিআলিৰ পৰা মহিমাবাৰী হৈ গড়আলি আৰু মেলামাটি ডফলাটিঙৰ পৰা ন-আলি সংযোগী বিৰিণাশায়েক পথৰ উন্নয়নৰ বাবে তেওঁ আঁচনি গ্ৰহণ কৰিছে। আনহাতে, তিতাবৰ সমষ্টিৰ ৰাইজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় বিশুদ্ধ খোৱাপানীৰ পৰ্যাপ্ত যোগান ধৰিবলৈ গ্ৰেটাৰ তিতাবৰ পানী যোগান আঁচনিখন পুনৰ উন্নয়নৰ আঁচনি গ্ৰহণ কৰিছে। তিতাবৰ সমষ্টিৰ ৰাইজে যাতে আৰ্চেনিকযুক্ত পানী খাবলগীয়া নহয়, তাৰ ওপৰত বিধায়ক বৰুৱাই অধিক গুৰুত্ব আৰোপ কৰিছে। এই সন্দৰ্ভত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মাজুলীত ১৩ মে’ত সাক্ষাৎ কালত উনুকিয়াই যদিও বিভাগীয় অনুমোদনৰ কাৰণে অচিৰে দিছপুৰলৈ যোৱাৰ কথা অৱগত কৰে। এই ক্ষেত্ৰত তেওঁ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসকো সাক্ষাৎ কৰিব। বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই জনোৱা মতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অতি ইতিবাচক দৃষ্টিভংগীৰ ব্যক্তি বুলি উল্লেখ কৰি কয় যে তিতাবৰ সমষ্টিৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী সহানুভূতিশীল।

# ওদালগুৰি জিলাত ক’ভিড বিধি ধোঁৱাচাঙত




**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৫ মে’ ঃ** অতিমাৰী কৰ’নাই সমগ্ৰ বিশ্বতে সংহাৰী ৰূপ ধাৰণ কৰাৰ সমান্তৰালভাৱে ওদালগুৰি জিলাতো সম্প্ৰতি জটিল ৰূপ লৈছে। তথাপি ওদালগুৰি জিলাত বৰ্তমানেও সজাগ হোৱা নাই ৰাইজ। ওদালগুৰি জিলাত ক’ভিড-১৯ত ইতিমধ্যে ১০জন লোকৰ মৃত্যু হৈছে। পূৰ্বৰ তুলনাত এইবাৰ ব্যাপক গণ সংক্ৰমণ হৈছে যদিও জিলাখনৰ বিভিন্ন স্থানৰ বেংকত গ্ৰাহকৰ ভিৰ আৰু হাট-বজাৰসমূহত বেছি। চৰকাৰ, প্ৰশাসন, আৰক্ষী, স্বাস্থ্য বিভাগ আদিয়ে বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি ক’ভিড নিয়ম নীতি-নিৰ্দেশনা জাৰি কৰি গাঁৱে-ভূঞে, চহৰে-নগৰে প্ৰচাৰ-প্ৰসাৰ কৰিছে যদিও সতৰ্ক হোৱা নাই জনসাধাৰণ। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী কিষাণ যোজনাৰ অধীনত প্ৰদান কৰা ধন মোকলাই নিবলৈ আজি জিলাখনৰ ভেৰগাঁও, খৈৰাবাৰী আৰু টংলা, ডিমাকুছি আদি অঞ্চলত স্থাপিত বেংকসমূহত কোনো সামাজিক দূৰত্বত অৱস্থান নকৰাকৈ দীঘলীয়া শাৰী পাতে হিতাধিকাৰীয়ে। সেইদৰে টংলা তিনিআলি দৈনিক বজাৰ আৰু অন্যান্য বজাৰসমূহত ক’ভিড নীতি অমান্য কৰি ভিৰ কৰা পৰিলক্ষিত হৈছে। সচেতন নাগৰিকসকলে বেংক কৰ্তৃপক্ষ, প্ৰশাসন যন্ত্ৰক কঠোৰ হৈ নীতি নিৰ্ধাৰণ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰি কৰ’নাৰ দৰে মহামাৰী ৰোধ কৰিবলৈ আহ্বান জনাইছে।

### বেংকত গ্ৰাহকৰ ভিৰ

# জোৰশিমুলীত ৰাইজৰ মাজত মাস্ক বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ১৫ মে’ ঃ** সম্প্ৰতি অসমত কৰ’না অতিমাৰীয়ে জটিল ৰূপ ধাৰণ কৰাত ৰাইজৰ মাজত স্বাভাৱিক জীৱন ধাৰণ অধিক জটিল হৈ পৰিছে। এনে অতিমাৰীৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে নতুন নীতি-নিৰ্দেশনা জাৰি কৰি সামাজিক দূৰত্ব আৰু মাস্ক পৰিধান বাধ্যতামূলক কৰিছে। এই ক্ষেত্ৰত একাংশ লোকে কিছু অসচেতন হোৱাত কৰ’নাক গণ সংক্ৰমণ কৰিব সেয়া নিশ্চিত। ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে আজি জোৰশিমুলী গাঁও পঞ্চায়তৰ বিষয়ববীয়াই আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু কোষৰ সহযোগত এই মাস্ক বিতৰণ কৰে। উল্লেখ্য যে জোৰশিমুলী পঞ্চায়তৰ অন্তৰ্গত জোৰশিমুলী, কান্ধুলিমাৰী, হাঁহচৰী, চৌধুৰীপাম, চৌতাৰা আদি গাঁৱৰ লোকৰ মাজত মাস্ক বিতৰণ কৰে। এই মাস্ক বিতৰণ অনুষ্ঠানত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু বিভাগৰ সাধাৰণ সম্পাদক তথা কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ সম্পাদক আজিৰুল সৰকাৰ, জোৰশিমুলী গাঁও পঞ্চায়তৰ সভাপতি জামাল উদ্দিন, জোৰশিমুলী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ছেকান্দাৰ আলী, পঞ্চায়তৰ একাউন্টেণ্ট মহিদুল ইছলামে সহযোগ কৰি ৰাইজৰ মাজত ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ সজাগতাৰ সৃষ্টি কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰে।

**১০৭১গৰাকীক প্ৰতিষেধক প্ৰদান কৰিয়েই সামৰিলে মাজুলীৰ স্বাস্থ্য বিভাগে**

# মাজুলীত ১৮-৪৪ বছৰ বয়সৰ লোকৰ বাবে প্ৰতিষেধকৰ অভাৱ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৫ মে’ ঃ** মাজুলীত ক’ভিড-১৯ৰ সংক্ৰমণ শতকৰ ঘৰ অতিক্ৰম কৰিছে যদিও বৰ্তমানেও পৰিস্থিতি নিয়ন্ত্ৰণাধীন। মুখ্যমন্ত্ৰীৰ ভ্ৰমণ কালত হোৱা সমাগমৰ বাহিৰে কোনো ধৰণৰ সমাগম মাজুলীত দেখা পোৱা নাই। উজনি মাজুলীৰ নিকিনি খোৱা আৰু দক্ষিণ পাঠত দলঙৰ কামত নিয়োজিত শ্ৰমিকৰ গাত ৰোগৰ লক্ষণ ধৰা পৰাৰ বাহিৰে মাজুলীৰ বাহিৰৰ পৰা অহা লোকৰ গাতহে সংক্ৰমণৰ লক্ষণ ধৰা পৰে। জিলা প্ৰশাসনে সদৰী কৰা তথ্য অনুসৰি কাইলৈকে ২.১৬ শতাংশ লোক মাজুলীত আক্ৰান্ত হোৱাৰ বিপৰীতে ৯৪.৮৮ শতাংশ লোক সুস্থ হৈ উঠিছে। তদুপৰি এতিয়ালৈকে ৩৬,৩৫০গৰাকী লোকক প্ৰতিষেধক প্ৰদান কৰিছে। চৰকাৰে ১৮-৪৪ বছৰ বয়সৰ লোকক প্ৰতিষেধক দিয়াৰ বাবে পঞ্জীয়ন কৰাৰ আহ্বান জনাইছিল



যদিও মাজুলীৰ এই বয়সৰ লোকে পঞ্জীয়ন কৰাৰ পাছত বাৰে বাৰে চেষ্টা কৰিও প্ৰতিষেধক লোৱাৰ সুবিধা পোৱা নাই। প্ৰতিবাৰতে এইসকল লোকক প্ৰতিষেধক নাই বুলি মেছেজ আহে বুলি অভিযোগ উঠিছে। ফলত মাজুলীৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীৰ মাজত এক হতাশাজনক পৰিৱেশৰ সৃষ্টি হৈছে। আনহাতে, জিলা প্ৰশাসনে সদৰী কৰা তথ্য অনুসৰি যোৱা সাত মে’ত ৫০৭জন আৰু আঠ মে’ত ৫৬৪গৰাকী লোকক প্ৰতিষেধক প্ৰদান কৰাৰ পাছত যোৱা দুদিনত প্ৰতিষেধক প্ৰদান কৰা নাই। মুখ্যমন্ত্ৰীয়ে প্ৰতিষেধকৰ অভাৱ নহ’ব বুলি ঘোষণা কৰাৰ পাছত মাজুলীত প্ৰতিষেধকৰ অভাৱত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

**কমলাবাৰী ব্যৱসায়ী সন্থাৰ আদৰণীয় পদক্ষেপ**

সাধাৰণতে ব্যৱসায় প্ৰতিষ্ঠান আৰু দৈনিক বজাৰসমূহ সংক্ৰমণৰ হটস্পট হিচাপে গণ্য কৰা হয়। এই বিষয়টোত গুৰুত্ব প্ৰদান কৰি কমলাবাৰী ব্যৱসায় সন্থাৰ উদ্যোগত কমলাবাৰী অঞ্চলৰ ব্যৱসায়ীসকলক ক’ভিড-১৯ পৰীক্ষণ সম্পন্ন কৰিবলৈ আহ্বানক্ৰমে আজি সকলো ব্যৱসায়ীয়ে পৰীক্ষণ কৰাৰ বাবে ওলাই আহি সহযোগ কৰে। স্বাস্থ্য বিভাগৰ কৰ্মচাৰী আৰু আৰক্ষীৰ সহযোগত ক’ভিডৰ নিয়ম মানি আজি মুঠ ১৪৭জন লোকক পৰীক্ষা কৰা হয়। এইসকল লোকৰ মাজত এজনো লোকৰ শৰীৰত ক’ভিড-১৯ৰ সংক্ৰমণৰ লক্ষণ নোলাল। উক্ত কাৰ্যসূচীত সহযোগিতা আগবঢ়াই ব্যৱসায় সন্থাৰ সভাপতি, সম্পাদক ক্ৰমে জীৱন বৰুৱা, গৌতম চৌধুৰী আৰু অখিল ঠাকুৰে। ব্যৱসায়ী সন্থাৰ এনে পদক্ষেপক আদৰণি জনাই সচেতন ৰাইজে হয় মাজুলীৰ অন্যান্য ঠাইতো এনে কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়।

# দুবছৰত দুটা খুঁটাও সম্পূৰ্ণ নহ’ল ভঁৰালটোলাৰ পকী দলঙৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ মে’ ঃ** হাজো আৰু বৰক্ষেত্ৰী সমষ্টিৰ মধ্যস্থ স্থান ভৰাঁলটোলাত বৰলীয়া নৈৰ ওপৰৰ পকী দলংখনৰ দুবছৰ পাছতো দুটি খুঁটাও সম্পূৰ্ণ নোহোৱাত ৰাইজৰ মাজত চৰ্চা হৈছে। উল্লেখ্য যে বিগত ২০১৯ৰ ১০ ফেব্ৰুৱাৰীত বৰক্ষেত্ৰী সমষ্টিৰ তদানীন্তন বিধায়ক নাৰায়ণ ডেকাই আৰম্ভ কৰিছিল দলংখনৰ। এম এল চি এছ এন এ অধীনৰ আৰ আই ডি এফ আঁচনিৰ দ্বাৰা উক্ত দলংঙৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিছিল। দলংখন নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰে যথেষ্ট লেহেমীয়া কৰাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, দলংখনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা দুবছৰ অতিক্ৰম হোৱাৰ পাছতো ঠিকাদাৰে দুটা খুঁটাও সম্পূৰ্ণ কৰিব পৰা নাই। ইতিমধ্যে পুনৰ বাৰিষা সমাগত। বাৰিষা নৈখন ফেনেফোটোকাৰে বাঢ়ি আহিলে ওচৰতে থকা কাঠৰ দলংখনৰ ক্ষতি কৰি যোগাযোগত ব্যাহত হোৱাৰ শংকা আছে। ইতিমধ্যে পূৰ্বৰ প্ৰতিটো বাৰিষাতে তদ্ৰূপ ঘটনা ঘটি আহিছে। উল্লেখ্য যে নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ পাছতে ঠিকাদাৰে সামগ্ৰী কঢ়িয়াই অনাত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি অৱগত কৰিছিল যদিও বৰ্তমান তেনে কোনো অসুবিধাও নাই। অঞ্চলটোৰ প্ৰায়ভাগ বাট-পথে যথেষ্ট উন্নত হৈছে। ৰাইজৰ অভিযোগ যে চৰকাৰে দিছে কিন্তু ঠিকাদাৰৰ হেমাহিত কাম সম্পূৰ্ণ নহয়।

# নগাঁৱৰ বামুণী পাহাৰত বনৰীয়া হাতীৰ ৰহস্যজনক মৃত্যু ঃ আছা-আছুৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৫ মে’ ঃ** দুদিন পূৰ্বে নগাঁও জিলাৰ বামুণী পাহাৰত ৰহস্যজনকভাৱে ১৮টাকৈ বনৰীয়া হাতীৰ মৃত্যু হোৱা ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘটনাৰ উচিত তদন্ত বিচাৰিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ লগতে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছুৰ মানাহ আঞ্চলিক সমিতিয়ে। আজি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰীত আছাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকা, বাগ্‌সা জিলা আছুৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ দাস প্ৰমুখ্যে কে’বাজনো নেতাই বামুণী পাহাৰত ১৮টাকৈ বনৰীয়া হাতী বজ্ৰপাতত মৃত্যুমুখত পৰা বুলি যি খবৰ ওলাইছে সেয়া প্ৰকৃত খবৰ নহয় বুলি দাবী কৰিছে। প্ৰাথমিক পৰ্যায়ত বজ্ৰপাতত নিহত হোৱা বুলি সন্দেহ কৰা হৈছে যদিও সেয়া সম্পূৰ্ণ ৰহস্যৰ আৱৰ্তত বুলি কয় সংগঠন দুটাৰ নেতৃত্বই। এনেদৰে ১৮টাকৈ হাতীৰ মৃত্যু বজ্ৰপাতৰ ফলত কোনোপধ্যে হ’ব নোৱাৰে বুলি উল্লেখ কৰি প্ৰকৃত ৰহস্য অতি শীঘ্ৰে ফাদিল কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰক আহ্বান জনায়।

### উচিত তদন্তৰ দাবী

# ভটীয়াপাৰত পথ দুৰ্ঘটনাত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৫ মে’ ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ভটীয়াপাৰত আজি দিনৰ ১০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন স্কুটী আৰোহীৰ মৃত্যু হয়। নিহত লোকজনৰ নাম নৰেন গগৈ। তেওঁ শিৱসাগৰ জিলাৰ চিন্তামণি গড়ৰ নাওবৈচা গাঁৱৰ ভটীয়াপাৰ সতী জয়মতী উদ্যানৰ সমীপৰ এটি ৰোডেৰে নিহত লোকজনে এ এছ-০৪ টি-৩০৮৪ নম্বৰ স্কুটীখনেৰে জয়সাগৰ দিশৰ পৰা নিজ ঘৰলৈ আহি থকা অৱস্থাত সেই একে সময়তে বিপৰীত দিশৰ পৰা আহি থকা এ এছ-০৩ চি চি-০১৯১ নম্বৰৰ এখন পিক আপ ভানত গৈ খুন্দা মাৰি স্কুটীখনৰ স’তে ৰাস্তাত পৰি যায়। আনহাতে, পিক আপ ভানখনৰ পিছ চকাটো নিহত লোকজনৰ মূৰৰ ওপৰেৰে পাৰ হৈ যোৱাত তেওঁৰ ঘটনাস্থলীতে মৃত্যু হয়।

# নাহৰকটীয়াত ধুমুহা-বৰষুণৰ তাণ্ডৱ ঃ শতাধিক ঘৰ-দুৱাৰৰ ক্ষতিসাধন



**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৫ মে’ ঃ** যোৱা নিশা পাৰ হৈ যোৱা এজাক প্ৰচণ্ড ধুমুহাই নাহৰকটীয়াৰ বিভিন্ন অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। নিশা ১০ বজাত তীব্ৰ বেগত অহা ধুমুহা-বৰষুণ জাকে নাহৰকটীয়াৰ অসমীয়া গাঁও, বাঘমৰা, জয়পুৰ, ফাল্টুটোলা, বালিজান, বলিমৰা আদি অঞ্চলৰ প্ৰায় শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ-টিনপাত আদি উৰুৱাই নিয়াৰ উপৰি প্ৰকাণ্ড প্ৰকাণ্ড গছ, বাঁহনি, বিদ্যুতৰ খুঁটা আদি উভালি পেলায়। ইফালে, অঞ্চলটোৰ অৰ্ধশতাধিক লোকৰ ঘৰ-দুৱাৰ সম্পূৰ্ণৰূপে ভাঙি চুৰমাৰ হয়। শোৱাপাটীত থকাৰ সময়তে ধুমুহাজাক অহাৰ বাবে অসমীয়া গাঁৱত শিশুকে ধৰি কে’বাজনো লোক আঘাতপ্ৰাপ্ত হয়। আনহাতে, ধুমুহাই ধানৰ ভড়াল উৰুৱাই নিয়াত লগতে হোৱা বৰষুণে বছৰটোৰ বাবে গওঁৱা ৰাইজে মজুত কৰি ৰখা কুইন্টলে কুইন্টলে ধান নষ্ট হয়। প্ৰকাণ্ড প্ৰকাণ্ড গছ-গছনি উভালি পৰাৰ ফলত বন্ধ হৈ পৰে গাঁৱৰ যাতায়াত।

# গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মী ইউনিয়নৰ কৰ্মবিৰতি সাময়িকভাৱে স্থগিত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৫ মে’ ঃ** অৱশেষত কৰ্মবিৰতি সাময়িকভাৱে স্থগিত ঘোষণা কৰিছে গোৱালপাৰা পৌৰসভা চাফাই কৰ্মী ইউনিয়নে। ইউনিয়নৰ সভাপতি ননী দাসে কয় যে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ইউনিয়নৰ প্ৰতিনিধিৰ স’তে জিলা প্ৰশাসনৰ এখন সভা অনুষ্ঠিত হয়। গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰ, অতিৰিক্ত উপায়ুক্ত পল্লৱজ্যোতি নাথ, সহকাৰী আয়ুক্ত সৌৰভ দাস, জিলা কোষাগাৰ বিষয়া, পৌৰসভাৰ কনিষ্ঠ অভিযন্তা মফিদুৰ ইছলাম আৰু ভাৰপ্ৰাপ্ত অভিযন্তা ইছফাকুৰ ৰহমানে উপস্থিত থকা সভাখনত কে’বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুমাহৰ দৰমহা প্ৰদান, চাফাই কৰ্মীসকলৰ নিযুক্তিৰ অনুমোদনৰ বাবে উৰ্দ্ধতন কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা আৰু তাৰ প্ৰতিলিপি ইউনিয়নক দিয়াৰ ব্যৱস্থা কৰা, বৰ্ধিত দৰমহাৰ অনুমোদনৰ বাবে বিভাগীয় কৰ্তৃপক্ষলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰি ইয়াৰ প্ৰতিলিপি ইউনিয়নক দিয়াৰ ব্যৱস্থা কৰাকে ধৰি কে’বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাত ইউনিয়নে কৰ্মবিৰতি সাময়িকভাৱে স্থগিত ৰাখে। উল্লেখ্য যে পৌৰসভাৰ চাফাই কৰ্মীসকলক নিযুক্তি পত্ৰ প্ৰদান, বকেয়া আৰু বৰ্ধিত মাননি আদায়কে ধৰি কে’বাটাও সমস্যা সমাধানৰ দাবীৰে গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মী ইউনিয়নে যোৱা ১৩ এপ্ৰিলৰ পৰা অনিৰ্দিষ্টকালীন কৰ্মবিৰতি আৰম্ভ কৰিছিল। পাছত ২২ এপ্ৰিলত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত চাফাই কৰ্মী ইউনিয়নৰ বিষয়ববীয়া আৰু কে’বাটাও ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত জিলা প্ৰশাসনৰ স’তে অনুষ্ঠিত হোৱা এক সভাত জিলা উপায়ুক্তই চাফাই কৰ্মীসকলৰ সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। কিন্তু আশ্বাস মতে, কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ লগতে ঈদৰ বতৰতো চাৰি মাহৰ বকেয়া থকা সত্বেও কোনো মাননি আদায় নিদিয়াত যোৱা ১২ মে’ৰ পৰা চাফাই কৰ্মীসকলে পুনৰ কৰ্মবিৰতি আৰম্ভ কৰে। ফলত চহৰখনত জাৱৰ-জোঁথৰেৰে পৰিপূৰ্ণ হৈ এক পুতিদুৰ্গন্ধ ময় পৰিস্থিতিৰ সৃষ্টি হৈছে। অৱশেষত আজি অনুষ্ঠিত হোৱা গুৰুত্বপূৰ্ণ বৈঠকখনত চাফাই কৰ্মীসকলৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ফলপ্ৰসূ সিদ্ধান্ত লোৱাৰ বাবেই ইউনিয়নে সাময়িকভাৱে কৰ্মবিৰতি স্থগিত ঘোষণা কৰি পুনৰ কৰ্মত যোগদানৰ সিদ্ধান্ত লোৱা বুলি ননী দাসে কয়।

# ১৮ গৰাকী লোক আক্ৰান্ত হোৱাত যোৰহাটৰ ন-আলি মাজগাঁও কণ্টেইনমেণ্ট কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৫ মে’ ঃ** দক্ষিণ যোৰহাটৰ ন-আলি মাজগাঁৱত ১৮ গৰাকী লোক ক’ভিড-১৯ত আক্ৰান্ত হোৱাৰ পাছতে একাংশ গাঁওবাসীয়ে সম্পূৰ্ণ গাঁওখনক কণ্টেইনমেণ্ট কৰাৰ দাবী কৰিছে। উল্লেখ্য যে এখন বিবাহক কেন্দ্ৰ কৰি সংক্ৰমণ হোৱা গাঁওখনত বৰ্তমানলৈকে এগৰাকী ন-বোৱাৰীসহ মুঠ ১৮ গৰাকী আক্ৰান্ত হোৱাটো পোহৰলৈ আহিছে। ইয়াৰে এজনৰ ইতিমধ্যে মৃত্যু হৈছে। স্থানীয় আশাকৰ্মীগৰাকীয়ে উল্লেখ কৰা মতে, গাঁওখনৰ বহুলোক বৰ্তমান জ্বৰ-কাহত আক্ৰান্ত হৈ আছে। বিশেষকৈ দিন হাজিৰা কৰা এই লোকসকলে দৈনিক বিভিন্ন স্থানলৈ গৈ কাম কৰি থকাৰ লগতে আক্ৰান্তৰ পৰিয়ালৰ একাংশই বিভিন্ন স্থানলৈ গৈ লোকৰে মিলামিছা কৰি আছে। এই সন্দৰ্ভত তেওঁ স্বাস্থ্য বিভাগক অৱগত কৰিছে। সাম্প্ৰতিক পৰিস্থিতিত আতংকিত হৈ পৰা একাংশ লোকে গাঁওখনক কণ্টেইনমেণ্ট কৰাৰ দাবী জনাইছে বুলিও আশাকৰ্মীগৰাকীয়ে মত প্ৰকাশ কৰিছে।

# গোসাঁইগাঁৱত ক’লা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**দোতমা/শ্ৰীৰামপুৰ, ১৫ মে’ ঃ** আদিবাসী-বড়োৰ গোষ্ঠী সংঘৰ্ষৰ আজি ২৫ বছৰ হ’ল। আজিৰ দিনটো কোনেও পাহৰা নাই। বিগত ১৯৯৬ আৰু ৯৮ত সংঘটিত হোৱা হিংসাৰ অগনি আজিও মানসপটত ভাহি আছে। ১৫ মে’ত আদিবাসী জনগোষ্ঠীৰ লোকসকলে ক’লা দিৱস হিচাপে পালন কৰে। ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে সম্পূৰ্ণ ক’ভিড নিয়ম মানি আজি গোসাঁইগাঁও মহকুমাৰ এক নম্বৰ হাতীগড় গাঁৱত সদৌ আদিবাসী ছাত্ৰ সন্থাৰ গুৰুফেলা আঞ্চলিক কমিটীৰ উদ্যোগত ক’ভিড নিয়মৰ মাজেৰে অনুষ্ঠিত ক’লা দিৱসৰ পতাকা অৰ্ধ উত্তোলন আৰু ছহিদসকলৰ স্মৃতিত ছহিদ বেদীত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি প্ৰদান কৰি ক’লা দিৱস উদ্‌যাপন কৰে। গুৰুফেলা আঞ্চলিক কমিটীৰ উপদেষ্টা ছাবেদ মুৰ্মুই কয় যে আদিবাসী জনগোষ্ঠীটো আজিৰ দিনত ১৯৯৬ত আদিবাসী-বড়ো জনগোষ্ঠী দুটাৰ মাজত গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি হৈ বহুত লোকে শিবিৰত থাকিবলগীয়া হৈছিল। বহুত মানুহ মৃত্যুবৰণ কৰিছিল। তেনেকুৱা ঘটনা ভৱিষ্যতে নহয়, তাকে কামনা কৰাৰ লগতে আদিবাসী জনগোষ্ঠীটোক নতুন চৰকাৰখনে সৰ্বাংগীণ উন্নতি সাধন কৰে তাৰ বাবে তেওঁ দাবী জনায়।

# ৰঙাপৰাত বনৰীয়া হাতীৰ উপদ্ৰৱ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৫ মে’ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা থানাৰ অন্তৰ্গত নামগাঁও চাহ বাগিচাৰ ২২ নম্বৰ শ্ৰমিক লাইনত যোৱা কালি নিশা এটা বনৰীয়া হাতীয়ে তিনিটাকৈ ঘৰ বিধ্বস্ত কৰে। নিশা প্ৰায় দুটা বজাত এটা বনৰীয়া হাতীয়ে ভাঙিলে নামগাঁও চাহ বাগিচাৰ তিনিটাকৈ বাসগৃহ। নামগাঁও চাহ বাগিচাৰ কিৰণ দাস, আটছাই দাস আৰু ৰবিন্দৰ দাস নামৰ ব্যক্তি তিনিজনৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে বনৰীয়া হাতীয়ে। খাদ্যৰ সন্ধানত ওলাই অহা এটা হাতীয়ে নামগাঁও চাহ বাগিচাত প্ৰৱেশ কৰে আৰু প্ৰথমে কিৰণ দাস নামৰ লোকজনৰ ঘণত উপদ্ৰৱ চলাই বাসগৃহ ভাঙি পেলাই আৰু দুটাকৈ টিভি, ফেন, ৫০ কেজি চাউল খাই তহিলং কৰে। পাছত হাতীটোৱে পুনৰ স্থানীয় আটছাই দাস আৰু ৰবিন্দৰ দাসৰ তিনিটা বাসগৃহৰ ক্ষতিসাধন কৰে। অৱশ্যে হাতীৰ আক্ৰমণৰ উমান পাই গৃহস্থই কথমপি পলাই প্ৰাণৰক্ষা কৰে। উল্লেখ্য যে অঞ্চলটোত বনৰীয়া হাতীয়ে সঘনে উপদ্ৰৱ চলাই সা-সম্পত্তি ধ্বংস কৰাৰ লগতে একাধিক লোকৰ হাতীৰ আক্ৰমণত মৃত্যু হৈছে। বন বিভাগে কিন্তু বনৰীয়া হাতীৰ সন্ত্ৰাসৰ পৰা অঞ্চলৰ জনসাধাৰণক সুৰক্ষা দিব নোৱাৰাৰ অভিযোগ উঠিছে।

# দৰঙৰ চমুৱাপাৰাত একেখন গাঁৱতে ১৬ জন পজিটিভ

### প্ৰতিখন গাঁৱতে ছেনিটাইজেছনৰ ব্যৱস্থা কৰিবলৈ আহ্বান ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৫ মে’ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে দৰং জিলাতো দৈনিক বৃদ্ধি পাইছে ক’ভিড আক্ৰান্তৰ সংখ্যা। আজি জিলাখনৰ গণেশ কুঁৱৰী গাঁও পঞ্চায়তৰ অধীনৰ চমুৱাপাৰা গাঁৱত মুঠ ১৬ গৰাকী ব্যক্তিৰ ক’ভিড পজিটিভ ধৰা পৰে। ন জনৰ হোম আইছ’লেছনৰ বিপৰীতে সাতজনক ক’ভিড কেয়াৰ চেন্টাৰত ভৰ্তি কৰা হৈছে বুলি সদৰী কৰিছে গাঁওখনৰ গাঁওবুঢ়াই। ইফালে, একেখন পঞ্চায়তৰে অন্তৰ্গত কুঁৱৰীজান গাঁৱত এগৰাকী ব্যক্তিৰ দেহত ধৰা পৰে ক’ভিড পজিটিভ। তদ্ৰূপ আজি কামৰূপ আৰু দৰং জিলাৰ সীমান্তৱৰ্তী দুমুনিচকী ৰাজ্যিক চিকিৎসালয়তো ক’ভিড পৰীক্ষাৰ অন্তত দুজন ব্যক্তিৰ চিনাক্ত হৈছে ক’ভিড পজিটিভ। ক’ভিড পজিটিভ ধৰা পৰা কুৰুৱা আৰু খলিহৈৰ দুজন ব্যক্তিক হোম আইছ’লেছনত থকাৰ পৰামৰ্শ দিয়া হৈছে। আনহাতে, গণেশ কুঁৱৰী পঞ্চায়তৰ অন্তৰ্গত ক’ভিড আক্ৰান্ত প্ৰতিখন গাঁৱতে প্ৰশাসনক ছেনিটাইজেছন ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে ৰাইজে।



*ঢকুৱাখনাত ক’ভিড সম্পৰ্কীয় পৰ্যালোচনা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ, শনিবাৰে।*

**চান্দপুৰ ৰাইজে স্বাধীনতাৰ পাছতো নাপালে পকী দলং**

# বিপদসংকুল কাঠৰ দলঙেৰে শিক্ষাৰ্থীৰ যাত্ৰা



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৫ মে’ ঃ** চিৰাং জিলাৰ চিদলী উন্নয়ন খণ্ডৰ গৰুভাষা ভি চি ডি চিৰ অন্তৰ্গত চান্দপুৰ আদিবাসী অঞ্চলত চৰকাৰৰ সুদৃষ্টি নপৰাত ৰাইজৰ লগতে শিক্ষাৰ্থীৰ মাজত হাহাকাৰ লাগিছে। চান্দপুৰ ৰাইজে স্বাধীনতাৰ পাছতো নাপালে পকী দলং। চান্দপুৰ মৰাভূৰ নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰিবলৈ বহু আবেদন-নিবেদন কৰিছিল যদিও চৰকাৰ তথা বিটিচি চৰকাৰে কোনো গুৰুত্ব নিদিলে। ইয়াৰ পাছত চৰকাৰ আহিছে আৰু গৈছে কিন্তু চান্দপুৰ ৰাইজৰ সমস্যা সমস্যা হৈয়ে থাকিল। স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই অহাৰ পাছতো অঞ্চলটোত এখন পকী দলং নিৰ্মাণ নহ’ল। স্থানীয় ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও যাতায়াতত যমৰ যাতনা ভোগ কৰি থাকিব লগা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে পাঠদানৰ বাবে মৰাভূৰ নদীৰ ওপৰত থকা জৰাজীৰ্ণ আৰু বিপদসংকুল কাঠৰ দলঙেৰে অতি কষ্টৰ মাজেৰে চান্দপুৰ প্ৰাথমিক বিদ্যালয়লৈ অহা-যোৱা কৰি আছে। ইমানৰ পাছতো খবৰ নাই। চৰকাৰ তথা জিলা প্ৰশাসনৰ। কিয়নো মৰাভূৰ নৈৰ ওপৰত পকী দলং নথকাৰ বাবে ১০৮ জৰুৰীকালীন এম্বুলেন্স আহিব নোৱাৰে। আদিবাসী চান্দপুৰ গাঁও শিক্ষা, স্বাস্থ্য, যাতায়াত, খোৱাপানীকে ধৰি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত। যি সময়ত গড়কাপ্টানী বিভাগত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে সেই সময়তে চিৰাং জিলাৰ গৰুভাষাৰ নিকটৱৰ্তী চান্দপুৰ ৰাইজে আৰু ছাত্ৰ-ছাত্ৰীয়ে বিপদসংকুল অৱস্থাত আহ-যাহ কৰি থাকিব লগা হৈছে।



বলিউদত ৰাজত্ব কৰিছে তাৰকা সন্তান বা ছবিৰ উদ্যোগটোৰ স’তে জড়িত লোকৰ আত্মীয়ই। ফলত প্ৰতিভাই মৰ্যাদা নোপোৱাৰ অভিযোগ সততে উত্থাপিত হৈ আহিছে। আকৌ কোৱা হয় যে প্ৰতিভা থাকিলে তাৰ বিকাশ ঘটিবই। তাৰেই যেন জ্বলন্ত উদাহৰণ বলিউদৰ পৰা উপেক্ষিত হোৱা একাংশ তাৰকা। কৰ’নাৰ পৰিস্থিতিত হঠাৎ জনপ্ৰিয় হৈ পৰা অ’টিটি প্লেটফৰ্মৰ জৰিয়তে এইসকল তাৰকাই এতিয়া নিজক পুনৰ বিচাৰি পাইছে।



# বলিউদত উপেক্ষিতৰ জয়যাত্ৰা অ’টিটিত

**স্বজন**-তোষণৰ বাবে বহু প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে নিজৰ কেৰিয়াৰ গঢ়িবলৈ হাবাথুৰি খাই আছে। ইয়াৰ বিপৰীতে এতিয়া বলিউদত ৰাজত্ব কৰিছে তাৰকা সন্তান বা ছবিৰ উদ্যোগটোৰ স’তে জড়িত লোকৰ আত্মীয়ই। ফলত প্ৰতিভাই মৰ্যাদা নোপোৱাৰ অভিযোগ সততে উত্থাপিত হৈ আহিছে। আকৌ কোৱা হয় যে প্ৰতিভা থাকিলে তাৰ বিকাশ ঘটিবই। তাৰেই যেন জ্বলন্ত উদাহৰণ বলিউদৰ পৰা উপেক্ষিত হোৱা একাংশ তাৰকা। কৰ’নাৰ পৰিস্থিতিত হঠাৎ জনপ্ৰিয় হৈ পৰা অ’টিটি প্লেটফৰ্মৰ জৰিয়তে এইসকল তাৰকাই এতিয়া নিজক পুনৰ বিচাৰি পাইছে।



নায়ক হোৱাৰ সকলো উপাদান আছিল গুলজাৰৰ ‘মাচিছ’ ছবিৰে বলিউদত প্ৰৱেশ কৰা জিমি শেৰগিলৰ। ইয়াৰ উপৰি তেওঁ ‘মোহব্বতেঁ’, ‘তনু ৱেডছ্ মনু’, ‘মুন্নাভাই এমবিবিএছ’, ‘এ ৱেডনেছ ডে’, ‘স্পেচিয়েল ২৬’, ‘মাই নেম ইজ খান’ৰ দৰে সফল ছবিতো অভিনয় কৰিছিল। তৎসত্ত্বেও বলিউদৰ পৰা ক্ৰমাৎ হেৰাই গৈছিল জিমি। কেৱল চৰিত্ৰ অভিনেতাৰূপেহে তেওঁ পৰিচিতি লাভ কৰিছিল। সেইজন প্ৰতিভাৱান অভিনেতাই এতিয়া ঘৰে ঘৰে প্ৰতিভাৰ পোহৰ বিলাইছে। যোৱা বছৰৰ অ’টিটিত মুক্তি পোৱা ‘ইয়ৰ অ’নাৰ’ ছিৰিজত এজন ন্যায়াধীশৰ চৰিত্ৰত অভিনয় কৰি জিমিয়ে অৰ্জন কৰিছে প্ৰচুৰ জনপ্ৰিয়তা। এই ছিৰিজে তেওঁৰ অভিনয় জীৱনক অক্সিজেন প্ৰদান কৰা বুলি অভিনেতাজনে নিজেই স্বীকাৰ কৰিছে। বলিউদৰ এগৰাকী প্ৰতিভাৱান অভিনেত্ৰী শেফালী শ্বাহ। মনোজ বাজপেয়ী, অমিতাভ বচ্চন, অনিল কাপুৰৰ দৰে তাৰকাৰ বিপৰীতে দক্ষতাৰে অভিনয় কৰা শেফালীয়ে ২৫ বছৰ ধৰি বলিউদত কাম কৰাৰ পাছতো এতিয়া অ’টিটিত অভিনয় কৰিবলৈ বাধ্য হৈছে। অ’টিটিয়ে নিজৰ জীৱন সলনি কৰি দিয়া বুলি উল্লেখ কৰি শেফালীয়ে কয়, ‘৪০ পাছৰ হ’লেই অভিনেত্ৰীসকল বুঢ়ী হৈ পৰে। মাক, আইতাকৰ চৰিত্ৰহে কপালত থাকে। মোক কেতিয়া শেষবাৰৰ বাবে মুখ্য চৰিত্ৰত অভিনয় কৰা দেখিছিল? বহুতেই মুখ্য চৰিত্ৰত নিৰ্বাচন কৰিবলৈ সাহস কৰিব পৰা নাই। অ’টিটি প্লেটফৰ্মে সেয়া পাৰিছে।’



বলিউদৰ কেবাখনো উল্লেখনীয় ছবিত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে পংকজ ত্ৰিপাঠীয়ে। তৎসত্ত্বেও বলিউদৰ ছবিত তেওঁ বিশেষ গুৰুত্ব পোৱা নাছিল। কিন্তু অ’টিটিৰ ৰহস্যঘন ছিৰিজ ‘মিৰ্জাপুৰ’ৰ অভিনয়ে পংকজৰ ভাগ্যই সলনি কৰি পেলালে। এতিয়া তেওঁক সকলো পৰ্যায়ৰ দৰ্শকে চিনি পায়। অভিনেতাজনে এই কথা স্বীকাৰো কৰিছে। অত্যন্ত প্ৰতিভাৱান অভিনেত্ৰীৰূপে চিহ্নিত ৰাধিকা আপ্তে। বাণিজ্যিক, কলাত্মক সকলো ধৰণৰ ছবিতে ৰাধিকাৰ অভিনয় স্বাচ্ছন্দ্য। কে’বাখনো সফল ছবিত তেওঁ অভিনয় কৰিছে। তৎসত্ত্বেও ডাঙৰ পৰ্দাত তেওঁ প্ৰায় উপেক্ষিত হৈয়ে আছিল। সেই ৰাধিকা এতিয়া অ’টিটিৰ সম্ৰাজ্ঞী। দুৰ্দান্ত কাহিনী, শ্বাসৰুদ্ধকাৰী নাটক, বহুস্তৰীয় চিত্ৰনাট্য আৰু আবেগ হৈছে অ’টিটিৰ প্ৰাণভোমোৰা। ইয়াৰ সমান্তৰালকৈ নিজৰ অসামান্য অভিনয় গুণেৰে ৰাধিকাই দৰ্শকৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছে। এসময়ত টিভিৰ সমান্তৰালকৈ ৰূপালী পৰ্দাতো সমানে অভিনয় কৰিছিল মিতা বশিষ্ঠই। সেইদৰে নাটকতো তেওঁৰ উপস্থিতি আছিল দৃষ্টি আকৰ্ষণকাৰী। ‘চান্দনী’, ‘তাল’, ‘দিল ছে’, ‘গোলাম’ আদিৰ দৰে ছবি আৰু ‘ভাৰত এক খোজ’, ‘মিঃ যোগী’, ‘কাহানী ঘৰ ঘৰ কি’ৰ দৰে জনপ্ৰিয় ধাৰাবাহিকত অভিনয় কৰা মিতাই এতিয়া অ’টিটি প্লেটফৰ্মৰ জৰিয়তে নিজৰ কেৰিয়াৰ ৰক্ষা কৰিবলগীয়া হৈছে।



‘ৰমন ৰাঘৱ’, ‘২.০’ৰ দৰে ছবিত অভিনয় কৰা সবিতা ধূলিপালাই বহু ছবিত সৰু চৰিত্ৰতো অভিনয় কৰিছিল। তথাপি বলিউদৰ দৰ্শকৰ মাজত কোনো ধৰণৰ পৰিচিতি নাপালে। জয় আখতাৰৰ ‘মেড ইন হেভেন’ৰ জৰিয়তে অ’টিটি প্লেটফৰ্মত ভৰি দিয়েই সফলতা অৰ্জন কৰাৰ পাছত সবিতা এতিয়া ঘৰে ঘৰে পৰিচিত হৈ পৰিছে। ‘মিচন মংগল’, ‘উৰি ঃ দ্য ছাৰ্জিকেল ষ্ট্ৰাইক’, ‘পিংক’ৰ দৰে সফল ছবিত অভিনয় কৰা কীৰ্তি কুলহাৰিকো বলিউদে বিশেষ একো স্বীকৃতি নিদিলে। সেইগৰাকী অভিনেত্ৰী এতিয়া ৱেবছিৰিজৰ তাৰকা।



ইটোৰ পাছত সিটো ছিজন, সাহসী বিষয়, অভিনয়ৰ স্বাধীনতা আৰু নিমিষতে ঘৰে ঘৰে উপস্থিত হোৱাৰ বাবে অ’টিটি সম্প্ৰতি অতি জনপ্ৰিয়। ইয়াৰ দৌলততে জনপ্ৰিয়তা অৰ্জন কৰিছে এই তাৰকাসকলে।



ভিডিঅ’ অতিমাৰীৰ পৰিস্থিতিৰ সময়ত সামাজিক মাধ্যমত প’ষ্ট কৰিছে বলিউদৰ কেমেৰামেন বৰিন্দাৰ চাওলাই। সেই ভিডিঅ’তে নিজৰ জীৱনৰ কঠিন অভিজ্ঞতাৰ কথা সদৰী কৰি মানুহক নিজৰ মনৰ পৰা সকলো ভয় দূৰ কৰি আগবাঢ়ি যোৱাৰ বাৰ্তা দিছিল হৃত্বিকে।

# ছয় আঙুলিৰেও পাৰি তাৰকা হ’বলৈ

**অতিমাৰীৰ** কবলত চাৰিওফালে মৃত্যুৰ বিভীষিকাই গ্ৰাস কৰাৰ সময়তে আতংকক জয় কৰাৰ বাৰ্তা দিলে হৃত্বিক ৰোছনে। প্ৰায় তিনি বছৰ পূৰ্বেই মহাতাৰকাজনে কোৱা কিছু কথাৰ এটা ভিডিঅ’ অতিমাৰীৰ পৰিস্থিতিৰ সময়ত সামাজিক মাধ্যমত প’ষ্ট কৰিছে বলিউদৰ কেমেৰামেন বৰিন্দাৰ চাওলাই। সেই ভিডিঅ’তে নিজৰ জীৱনৰ কঠিন অভিজ্ঞতাৰ কথা সদৰী কৰি মানুহক নিজৰ মনৰ পৰা সকলো ভয় দূৰ কৰি আগবাঢ়ি যোৱাৰ বাৰ্তা দিছিল হৃত্বিকে।

ভিডিঅ’ত হৃত্বিকে কয় যে তাৰকা সন্তান হ’লেও অভিনেতা হোৱাৰ পথ কিন্তু তেওঁৰ সন্মুখত একেবাৰে মসৃণ নাছিল। বলিউদৰ ‘গ্ৰীক গড’ আখ্যা পোৱা সুদৰ্শন অভিনেতাজনেও শুনিবলগীয়া হৈছিল ‘ছটা আঙুলিৰে অভিনেতা হ’ব নোৱাৰি।’ অৱশ্যে এই ধৰণৰ কটাক্ষত ভাঙি পৰা নাছিল তাৰকা অভিনেতাজন। সকলো সমালোচনা ওফৰাই ঘূৰি থিয় দিয়ে। আগুৱাই গৈছে নিজৰ লক্ষ্যৰ দিশে। নিজৰ দুৰ্বলতাক শক্তিলৈ ৰূপান্তৰিত কৰাৰ উপদেশ দিছিল হৃত্বিকে।

ব্যক্তিগত আৰু পেছাদাৰী জীৱনত অনেক উত্থান-পতনৰ সাক্ষী হৈছিল হৃত্বিক। ‘কহো না প্যায় হ্যে’ৰ দৰে ছুপাৰহিট ছবিৰে আত্মপ্ৰকাশ কৰাৰ পাছতো তেওঁ কে’বাখনো ছবিত সাফল্যৰ মুখ দেখা নাছিল। তেতিয়াও তেওঁ পৰাজয় স্বীকাৰ কৰিব খোজা নাছিল। উভতি থিয় দিছিল অভিনেতাজনে। ২০১৪ত পত্নী ছুজান খানৰ স’তে তেওঁৰ ১৪ বছৰৰ দাম্পত্য জীৱন ভাঙি পৰাৰ পাছতো তেওঁ নিজক চম্ভালিবলৈ সক্ষম হৈছিল। আনকি প্ৰাক্তন পত্নীৰ স’তে তেওঁ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অটুট ৰাখিবলৈকো সক্ষম হৈছে। অভিনেত্ৰী কংগনা ৰণৌটৰ স’তে প্ৰেমৰ সম্পৰ্কক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিবাদ আৰু কংগনাৰ নানা অভিযোগৰ সময়তো তেওঁ অবিচল থাকিব পাৰিছে।আনহাতে, পেছাদাৰী জীৱনত ‘ক’য়ি মিল গয়া’, ‘কভি খুছি কভি গম’, ‘ধুম-২’, ‘কৃষ’ আদি ছুপাৰহিট ছবি উপহাৰ দিয়াৰ পাছত কিছুদিন হৃত্বিকে ব্যৰ্থতাৰ মুখ দেখিছিল। কিন্তু ‘কাবিল’, ‘ছুপাৰ ৩০’, ‘ৱাৰ’ৰ দৰে সফল ছবিৰ পাচত হৃত্বিকৰ পেছাদাৰী জীৱনৰ ৰেখাচিত্ৰডালো এতিয়া পুনৰ উৰ্ধ্বমুখী হৈছে। তেওঁ যে পৰাজয় স্বীকাৰ কৰিবলৈ শিকা নাই, সেয়া নিজৰ জীৱনৰেই প্ৰমাণ কৰিছিল হৃত্বিকে। সেয়ে নিজৰ জীৱনৰ অভিজ্ঞতাৰ দোহাই দিয়েই এই অতিমাৰীৰ সময়ত সকলোকে ভয়-শংকা আঁতৰ কৰি আগবাঢ়ি যোৱাৰ পৰামৰ্শ দিছে মহাতাৰকাজনে।



# শাৰীৰিক গঠনক লৈ চিন্তিত নহয় প্ৰিয়ংকা

**একালৰ** বিশ্বসুন্দৰী প্ৰিয়ংকা চোপ্ৰা এসময়ত নিজৰ শাৰীৰিক সৌন্দৰ্যৰ বাবেও বহুতৰে প্ৰিয় আছিল। নিজৰ শাৰীৰিক গঠনক লৈ তেওঁ সদায় আত্মবিশ্বাসী। অৱশ্যে এতিয়া বয়স বঢ়াৰ বাবে তেওঁৰ শাৰীৰিক গঠনতো কিছু প্ৰভেদ আহিছে। এই বিষয়তে সম্প্ৰতি মুখ খুলিছে ‘দেছি গাৰ্ল’ প্ৰিয়ংকাই।

৩৮ বছৰীয়া অভিনেত্ৰীগৰাকীৰ হাতত এতিয়া বলিউদৰ সমানেই হলিউদৰো অনেক ছবি আছে। তথাপি বয়সৰ বাবে সলনি হোৱা শাৰীৰিক গঠনৰ বাবে তেওঁ অনেক সমালোচনাও শুনিবলগীয়া হৈছে। এইবোৰত অৱশ্যে তাৰকাগৰাকীয়ে বিশেষ গুৰুত্ব নিদিয়ে। শেহতীয়া এক সাক্ষাৎকাৰত প্ৰিয়ংকাই কয়, ‘মই মিছা কথা নকওঁ যে মোৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ নপৰে। বয়স বঢ়াৰ লগে লগে মোৰ শৰীৰৰ গঠনো বহু সলনি হৈছে। ঠিক যেনেকৈ বাকীসকলৰো হয়। তাৰ পাছত লাহে লাহে মানি লৈছো যে এয়াই মোৰ এতিয়াৰ গঠন। কাৰণ মই এতিয়াৰ শৰীৰৰে যত্ন ল’ব লাগিব, ১০-২০ বছৰৰ আগৰ শৰীৰৰ নহয়।’ তাৰকা অভিনেত্ৰীগৰাকীয়ে লগতে কয় যে নিজৰ শৰীৰৰ গঠন কেনে সেয়া নাভাবি আমি কিদৰে নিজক উপস্থাপন কৰিছো, সেইটো ভবাহে জৰুৰী। তেওঁ কয়, ‘যেনেকৈ মই সকলো সময়তে ভাবো যে মই সমাজৰ কাৰণে কি কৰিছো? মোৰ উদ্দেশ্য কি? প্ৰতিদিনে মোৰ মই নিজৰ কামখিনি ভালদৰে কৰিছো নে? যেতিয়া নিজৰ চেহেৰাক লৈ বৰ বেছি সন্তুষ্ট নহওঁ, তেতিয়া এনে কোনো কামত মনোযোগ দিওঁ যি মোক আনন্দ দিয়ে।’ অৱশ্যে অভিনেত্ৰীগৰাকীয়ে লগতে স্বীকাৰ কৰিছে যে শৰীৰৰ সলনি হোৱা গঠনে তেওঁৰ আত্মবিশ্বাস ম্লান কৰিব পৰা নাই।

# প্ৰথম সাক্ষাতৰ প্ৰেমত বিশ্বাসী নহয় ঐশ্বৰ্য



**ঐশ্বৰ্য** ৰাই বচ্চন। প্ৰাক্তন বিশ্বসুন্দৰী তথা বলিউদৰ এসময়ৰ আগশাৰীৰ নায়িকা। অৱশ্যে এতিয়াও তেওঁৰ জনপ্ৰিয়তা ম্লান হোৱা নাই। নিজৰ নামৰ স’তে বচ্চন উপাধি যুক্ত হোৱাৰ পূৰ্বেও ঐশ্বৰ্যৰ জীৱনলৈ প্ৰেম আহিছিল। ছলমান খান আৰু বিবেক অ’বেৰয়ৰ স’তে ঐশ্বৰ্যৰ প্ৰেম কাহিনী আছিল এসময়ৰ অতি গৰম বাতৰি। অথচ তাৰকা অভিনেত্ৰীগৰাকীয়ে বাৰু প্ৰেম-ভালপোৱা-সম্পৰ্ক আদিৰ বিষয়ত কি ভাবে? সেই প্ৰশ্নৰেই উত্তৰ পোৱা গ’ল সম্প্ৰতি পোহৰলৈ অহা ঐশ্বৰ্যৰ এক পুৰণি সাক্ষাৎকাৰত।

ঐশ্বৰ্যই জনাইছিল যে প্ৰথম সাক্ষাততে প্ৰেমত পৰাত তেওঁ বিশ্বাসী নহয়। এই সন্দৰ্ভত ঐশ্বৰ্যৰ মন্তব্য আছিল, ‘সম্পৰ্কলৈ অহাটো মোৰ বাবে অতি গুৰুত্বপূৰ্ণ এক বিষয়। সম্পৰ্কলৈ অহাৰ পূৰ্বে এজন মানুহক কিছু ভালদৰে চিনি ল’ব লাগিব। মই এনে মানুহ নহয় যে প্ৰথম দেখিলেই কাৰোবাৰ প্ৰেমত পৰি যাম। সেইটো মোৰ দ্বাৰা নহ’ব।’ উল্লেখ্য যে অভিষেক বচ্চনৰ স’তেও একেলগে ছবিত কাম কৰাৰ পাছতহে তেওঁৰ স’তে ঐশ্বৰ্যৰ বন্ধুত্ব গঢ়ি উঠিছিল। তাৰ পাছতহে পৰ্দাৰ প্ৰেম বাস্তৱলৈ ৰূপান্তৰিত হৈছিল। নিজৰ সম্পৰ্কসমূহক যে তেওঁ সদায় গুৰুত্ব দি আহিছে, সেয়াও কাৰো অবিদিত নহয়। এতিয়া মাতৃৰূপে কন্যা আৰাধ্যাক তেওঁ সকলো সময়তে নিজৰ দৃষ্টিত ৰাখিছে। যথাসম্ভৱ শিশু কন্যাক তেওঁ আলোচনাৰ কেন্দ্ৰবিন্দুৰ পৰা দূৰত ৰখাৰ চেষ্টা কৰি আহিছে। বিয়াৰ পাছত বচ্চন পৰিয়ালৰ মাজলৈ গৈও তেওঁ নিজক সহজে খাপ খুৱাই লৈছে। উল্লেখ্য যে কৰণ জোহৰৰ ‘কফি উইথ কৰণ’ অনুষ্ঠানলৈ আহি ঐশ্বৰ্যৰ এই স্বভাৱৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছিল তেওঁৰ শাহুৱেক জয়া বচ্চন।



# ৰজত কমল বঁটাৰে সন্মানিত স্পনীলে অঞ্জন

**জীৱন** যাত্ৰাত একাগ্ৰতা, অধ্যৱসায় আৰু দৃঢ়তা থাকিলে যিকোনো ক্ষেত্ৰত বাস্তৱায়িত কৰাত হেঙাৰ হ’ব নোৱাৰে। কেৱল লাগে আত্মবিশ্বাস তথা জীৱনটোৰ প্ৰতি থকা প্ৰেমেৰেহে অবৰ্তমানত সফলতা লাভ কৰিব পাৰি। একমাত্ৰ নিজৰ একাগ্ৰতা আৰু প্ৰতিভাৰ বলত আৰু পিতৃ-মাতৃৰ অনুপ্ৰেৰণাত অসমৰ বিশাল সাংস্কৃতিক জগতখনত পৰিচয় দাঙি ধৰা নৱ প্ৰজন্মৰ এজন প্ৰতিভাৱান লোকশিল্পী স্পনীল অঞ্জন বড়া। পূৰ্বতে বোকাখাটত কুৰুৱাবাহী গাঁৱৰ আৰু সম্প্ৰতি গুৱাহাটী দক্ষিণ শৰণীয়াৰ বিশিষ্ট লোকশিল্পী সোমনাথ বড়া (ওজা) আৰু সুগায়িকা নিতুমনি বড়াৰ সুযোগ্য সন্তান স্পনীল অঞ্জন। স্পনীলে লোক বাদ্য-ঢোল-খোল-নাগাৰা আৰু লোকসংগীত বিহুনাম আৰু দিহানামৰ উপৰি অভিনয় জগতখনত যাত্ৰা আৰম্ভ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। কদম তলে-কৃষ্ণ নাচে, জোনাকবিহীন জীৱন আদি ছবিত বাস্তৱিক অভিনয় কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কদম তলে কৃষ্ণ নাচে ছবিত ৰাষ্ট্ৰীয় পুৰস্কাৰ ৰজত কমল বঁটাৰে সন্মানিত হৈছে। ইয়াৰ সমান্তৰালকৈ স্পনীলে বিহু গীতৰ এলবাম, লোক-সংগীতৰ এলবাম আৰু আধুনিক গীতৰ এলবামত কণ্ঠৰ নিজৰা বোৱাইছে। ২০০৩-ত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সদৌ অসম ভিত্তিত আয়োজিত বিহুগীত প্ৰতিযোগিতাত শীৰ্ষ স্থান, ২০০৬-ত নতুন দিল্লীত বিহু নৃত্যত, ২০১১ত বাংলাদেশৰ ঢাকা চহৰত বিহু নৃত্য, ঢোলবাদন, লোক-সংগীত আদিত প্ৰথম পুৰস্কাৰ লাভ কৰি অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰি আহিছে। স্পনীলৰ এই যাত্ৰা অবৰ্তমানলৈকে অব্যাহত থাকক এয়া আমাৰ কাম্য।

**জয়ন্ত হাজৰিকা**

# সত্ৰীয়া সংস্কৃতিৰ সাধক তিতাবৰৰ ভোলাৰাম কলিতা



**সত্ৰনগৰী** মাজুলীৰ পৰম সান্নিধ্যৰ ঠাই তিতাবৰ। ব্ৰহ্মপুত্ৰৰ বান খহনীয়াত বিধস্ত হৈ মাজুলীৰ পৰা কে’বাখনো সত্ৰ তিতাবৰলৈ আহিল। অসম চৰকাৰে তেওঁলোকক তিতাবৰত সংস্থাপন কৰিছে বিভিন্ন সময়ত। তিতাবৰ মাধপুৰত মাজুলীৰ কৰতিপাৰ সত্ৰ স্থাপন হ’ল। নাম সেই মাজুলীৰ কৰতিপাৰেই। তিতাবৰৰ জোনাকী মণ্ডল গাঁৱত কাকদোঙা নৈৰ পাৰত স্থাপন হ’ল মাজুলীৰ বগীআই বৰ এলেঙী সত্ৰ। তিতাবৰ মহিমাবাৰীত স্থাপন হ’ল মাজুলীৰ কমলাবাৰী সত্ৰ আৰু পুণিয়া সত্ৰ। তিতাবৰ বৰ এৰাত স্থাপন কৰা হ’ল মাজুলীৰ ভোগপুৰ সত্ৰ। ইয়াৰ উপৰি তিতাবৰচ ভাগৱতী জনা বৰ এলেঙী সত্ৰ, ৰাঙলীবাৰী সত্ৰ, থকৰিয়াস সত্ৰ, গজলা সত্ৰ, জকাই সত্ৰ, ধলৰ সত্ৰ, পুৰণি মাটি সত্ৰ, কাংসপাৰ সত্ৰ, চেঁচা সত্ৰ, বালিপৰিয়া সত্ৰ, থকৰিয়াল সত্ৰ, , গজলা সত্ৰ, জকাই সত্ৰ, ধলৰ সত্ৰ, পুৰণি মাটি সত্ৰ, কাংসপাৰ সত্ৰ, , চেঁচা সত্ৰ, বালিপৰিয়া সত্ৰ, থকৰিয়াল সত্ৰ, গজলা সত্ৰ, জকাই সত্ৰ, ধলৰ সত্ৰ, পুৰণি মাটি সত্ৰ, কাংসপাৰ সত্ৰ, চেঁচা সত্ৰ, বালিপৰিয়া সত্ৰ, জৰিগুৰি সত্ৰ, ইত্যাদি ভালেসংখ্যক সত্ৰ তিতাবৰত আছে। কাজেই তিতাবৰো বাস্তৱকতে সত্ৰৰ সাংস্কৃতিক ভেঁটি ৰূপে পৰিগণিত হৈছে। প্ৰতিখন সত্ৰৰ লগত স্বনামধন্য শিল্পীৰ সম্পৰ্ক মনকৰিবলগীয়া। আজি তিতাবৰ মহিমাবাৰীৰ কমলাবাৰী সত্ৰৰ আৰু পুণিয়া সত্ৰৰ লগত বাল্যকালৰে পৰা সান্নিধ্য লাভ কৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ নিজৰ জীৱনটো শিল্প সাধনাত নিয়োজিত কৰিলে, সেইগৰাকী শিল্পী ভোলাৰাম কলিতাৰ শিল্প সাধনাৰ প্ৰসংগত আলোকপাত কৰিবলৈ প্ৰয়াস কৰিছে।

১৯৭৪ত মাজুলীৰ পৰা আহি তিতাবৰ মহিমাবাৰীত বসতি স্থাপন কৰে। অৰ্থাৎ ১৯৭৪ৰ অক্টোবৰত তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ কাৰ্যকালত মাজুলীৰ পৰা শ্ৰীশ্ৰী কমলাবাৰী সত্ৰ তিতাবৰৰ মহিমাবাৰীত সংস্থাপন দিয়ে। ১৯৭৫ত স্থাপন কৰা আদৰ্শ মহিমাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল ভোলাৰাম কলিতা। তেওঁ স্কুলীয়া শিক্ষা বেছি ল’ব নোৱাৰিলে। সৰুতেই তেওঁৰ পিতৃ বিয়োগ হ’ল ১৯৬২ত। ১৯৮০ত তেওঁলোকে প্ৰতিষ্ঠা কৰা মধ্য ইংৰাজী বিদ্যালয়খন প্ৰাদেশিকীকৰণ হ’ল। ঘৰতে পঢ়া-শুনা কৰি প্ৰাইভেটকৈ বি এলৈকে পঢ়িছিল কিন্তু সম্পূৰ্ণ নহ’ল। সংগীতৰ একান্ত সাধনাৰ ফলত বৰগীতৰ বিশাৰদ হ’ল। এন এছ ডিত প্ৰশিক্ষণ গ্ৰহণ কৰি নাটকৰ সাধনা কৰিবলৈ প্ৰয়াস কৰে আৰু সকলো হ’ল। কেৱল সেয়াই নহয় মহাপুৰুষ শংকৰদেৱ আৰু মাধবদেৱে দি থৈ যোৱা নাট আৰু ভাওনাৰ সাধনাও কৰিবলৈ সক্ষম হ’ল।

গুৰু দুজনাৰ পৰা লাভ কৰা ভক্তিৰ সাধনাৰে ভোলাৰাম কলিতাই মাধপুৰ শলগুৰিৰ বামপথাৰ উত্তৰণ সাংস্কৃতিক বিদ্যালয়ৰ অধ্যক্ষ আৰু তেওঁৰ পৰিচালনাতে ছাত্ৰ-ছাত্ৰীসকলক বৰগীতৰ প্ৰশিক্ষণ দিছে। তেনেদৰে মহিমাবাৰী শংকৰদেৱ সংগীত বিদ্যালয়ৰ অধ্যক্ষ আৰু তেওঁৰেই বৰগীতৰ প্ৰশিক্ষণ দিছে। আনহাতে ৰাসৰ পৰিচালক হিচাপেও তেওঁ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ প্ৰায় ২৫ বছৰ ধৰি আদৰ্শ মহিমাবাৰী নৱজ্যোতি মিলন সংঘৰ সৌজন্যত অনুষ্ঠিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ সংগীত আৰু নাট পৰিচালক ৰূপে কুখ্যাতি লাভ কৰিছে। তিতাবৰ বগাৰগাঁৱত অনুষ্ঠিত ৰাসলীলাৰ নৃত্য প্ৰশিক্ষক হিচাপে সুনাম অৰ্জন কৰে। তিতাবৰ নগৰৰ সমীপৰ বেঙেনাখোৱা উত্তৰণ সাংস্কৃতিক গোষ্ঠীৰ লগত প্ৰায় ২০ বছৰ ধৰি সামাজিক নাটকত মুখ্য চৰিত্ৰত অভিনয় কৰি ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। তিতাবৰৰ এমেচাৰ নাট্য গোষ্ঠীৰ লগতো জড়িত হৈ অভিনয় জগতত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে শিল্পী ভোলানাথ কলিতা। সত্ৰ মহাসভাৰ তত্ত্বাৱধানত ২০০৬ত দিল্লীত সেতুবন্ধন অনুষ্ঠানত পাৰিজাত হৰণ নাটত নাৰদৰ চৰিত্ৰত অভিনয় কৰি প্ৰশংসা লাভ কৰে। বৰহোলাৰ কলাকুঞ্জ সাংস্কৃতিক অনুষ্ঠানৰ লগত শিল্পী ভোলাৰাম কলিতা একান্তভাৱে জড়িত। শিৱসাগৰ, জালুকণিবাৰী, তেজপুৰতো শিল্পী কলিতাই অংকীয়া নাটত অভিনয় কৰি সুখ্যাতি লাভ কৰে। চিত্ৰশিল্পী আৰু ভাস্কৰ্য, শিল্পী হিচাপেও ভোলাৰাম কলিতা বিখ্যাত। সামাজিক নাটকৰ ক্ষেত্ৰত ফুল চন্দন তুলসী, নবীন মাষ্টৰ আৰু পূজাৰ ফুল নাটকত অভিনয় কৰি কৃতিত্ব লাভ কৰিছে। চৰকাৰী চাকৰিয়ালৰূপে ২০২১ৰ ৩১ মাৰ্চত অৱসৰগ্ৰহণ কৰে। পৰিয়ালৰ অলৈ আহুকাল আৰু চৰকাৰী চাকৰিয়ালৰ কৰ্তব্য পালন কৰাৰ উপৰি সামাজিক আৰু সাংস্কৃতিক জগতত আত্মপ্ৰকাশ কৰি নিজে ধন্য হোৱাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ সাধনাত নতুন প্ৰজন্মক উদগণি যোগাবলৈ সক্ষম হৈছে। কলিতা বৰ্তমানো তেওঁ সংস্কৃতিৰ সাধনাত একান্তভাৱে জড়িত হৈ আছে। ভৱিষ্যৎ কামনা কৰিলো।

**বিমান শইকীয়া**






# চেম্পিয়ন মানচেষ্টাৰ চিটীৰ জয়যাত্ৰা

## অসমৰ প্ৰাক্তন ক্ৰিকেটাৰ ৰাজীৱ কলিতাৰ মৃত্যুত শোক



**গুৱাহাটী, ১৫ মে' ঃ** অসমৰ প্ৰাক্তন ক্ৰিকেটাৰ তেজপুৰৰ ৰাজীৱ কলিতাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে অসম ক্ৰিকেট সন্থাই। উল্লেখ্য যে আজি পুৱা তেজপুৰ মেডিকেল কলেজত পৰলোকগামী হয় ৰাজীৱ কলিতাৰ। অসম দলৰ প্ৰাক্তন ক্ৰিকেটাৰ ৰাজীৱ কলিতাৰ মৃত্যুৰ সময়ত বয়স হৈছিল 62 বছৰ। হৃদৰোগত আক্ৰান্ত হৈ পৰলোকগামী হোৱা ৰাজীৱ কলিতাই মৃত্যুৰ সময়ত পত্নীৰ লগতে কন্যা-পুত্ৰক সংসাৰত এৰি থৈ যায়। তেজপুৰ জিলাক প্ৰতিনিধিত্ব কৰি ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত খেলা ৰাজীৱ কলিতাই অসমৰ হৈ 1978-80 লৈ কোচ বিহাৰ ট্ৰফী আৰু চি কে নাইডু জুনিয়ৰ ৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ লৈছিল।



## ইংলিছ প্ৰিমিয়াৰ লীগ ঃ ট'ৰেছৰ হেট্ৰিক ঃ নিউকাষ্টল পৰাস্ত

**লণ্ডন, ১৫ মে' ঃ** ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত মানচেষ্টাৰ চিটীয়ে 4-3 গ'লৰ ব্যৱধানত পৰাস্ত কৰে নিউকাষ্টল ইউনাইটেডক। উল্লেখ্য মেচখনত দুবাৰকৈ পিছ পৰাৰ পাছতো প্ৰত্যাবৰ্তন কৰি মেচখনত জয়ী হয় ই পি এলৰ নতুন চেম্পিয়ন চিটীয়ে। খেলৰ 42, 64, 66 মিনিটত তিনিটা গ'ল কৰি মানচেষ্টাৰ চিটীৰ হৈ হেট্ৰিক অৰ্জন কৰে ফাৰেন ট'ৰেছে। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে ইতিমধ্যে ই পি এলৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। মানচেষ্টাৰ চিটীয়ে 36 খন মেচত 83 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 36 খন মেচত 70 পইণ্ট লাভ কৰিছে। আনহাতে, লেইচেষ্টাৰ চিটীয়ে 36 খন মেচত 66 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। চতুৰ্থ স্থানত আছে চেলছি। 36 খন মেচত 64 পইণ্ট লাভ কৰিছে চেলছিয়ে। উল্লেখ্য যে ই পি এলৰ তিনিখন মেচ খেলিবলৈ বাকী থাকোতেই ট্ৰফী শীৰত লোৱাটো নিশ্চিত কৰিছে মানচেষ্টাৰ চিটীয়ে। যোৱা চাৰিটা ছিজনত এয়া হ'ব মানচেষ্টাৰ চিটীৰ তৃতীয়টো ই পি এলৰ ট্ৰফী। চেম্পিয়নছ লীগৰ ফাইনেল খেলাৰ পূৰ্বেই ইংলিছ প্ৰিমিয়াৰ লীগত খিতাপ জয় নিশ্চিত হ'ল মানচেষ্টাৰ চিটীৰ। উল্লেখ্য যে চলিত মাহতে চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিৰ বিৰুদ্ধে ফাইনেল খেলিব মানচেষ্টাৰ চিটীয়ে। কিন্তু ই পি এলৰ অন্তিম মেচত মানচেষ্টাৰ চিটীক 1-2 গ'লত পৰাস্ত কৰিছে চেলছিয়ে। চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে'ত লিছবনত অনুষ্ঠিত হ'ব।



## আজিয়ে নিৰ্ণয় হ'ব ফৰাচী লীগৰ চেম্পিয়ন কোন

# খিতাপৰ দৌৰত লিলি-পি এছ জি

**পেৰিছ, ১৫ মে' ঃ** প্ৰদৰ্শনৰ লগতে ভাগ্যৰ সহায় লাগে পি এছ জিক। চেম্পিয়নছ লীগত ব্যৰ্থতাৰ পাছত দুটাকৈ ট্ৰফী জয়ৰ সুযোগ আহিছে পি এছ জিৰ হাতলৈ। এটা ফ্ৰেন্স কাপ। আনটো ফৰাচী লীগ। উল্লেখ্য যে ফ্ৰেন্স কাপ ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব পি এছ জি আৰু ম'নাকোৰ মাজত। উল্লেখ্য যে প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত পি এছ জি মুখামুখি হয় ম'ণ্টপেলিয়াৰ। টাইব্ৰেকাৰত পি এছ জিয়ে 6-5 গ'লৰ ব্যৱধানত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰপূৰ্বে মেচখন 2-2 গ'লত ড্ৰ হৈছিল। পি এছ জিৰ হৈ দুয়োটা গ'ল কৰে এমবাপ্পে (10, 55 মিনিট)। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত ম'নাকো ভেলিয়াৰ্ছৰ মুখামুখি হয়। একপক্ষীয় মেচত ম'নাকোই 5-1 গ'লত জয়লাভ কৰে। অহা 19 মে'ত অনুষ্ঠিত হ'ব ফাইনেল। ইফালে, ফৰাচী লীগত পইণ্ট তালিকাৰ দ্বিতীয়স্থানত আছে পি এছ জি। উল্লেখ্য যে এইবাৰ ফৰাচী লীগৰ শীৰ্ষত থকা লিলিয়ে 36 খন মেচৰ পৰা লাভ কৰিছে 79 পইণ্ট। আনহাতে, পি এছ জি 36 খন মেচৰ পৰা লাভ কৰিছে 76 পইণ্ট। ইফালে, ম'নাকোই 36 খন মেচৰ পৰা 74 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। কাইলৈ ফৰাচী লীগত পি এছ জি মুখামুখি ৰেইমাছৰ। আনহাতে, লিলিয়ে খেলিব ছাইণ্ট ইটিনেৰ বিৰুদ্ধে। উল্লেখ্য যে লিলিয়ে আৰু দুখন মেচ খেলিবলৈ বাকী আছে। দলক খিতাপ জয়ৰ বাবে প্ৰয়োজন চাৰি পইণ্ট। অন্তিম মেচত লিলিয়ে 3-0 গ'লৰ ব্যৱধানত জয়লাভ কৰিছিল। যদি কাইলৈ লিলিয়ে জয়লাভ কৰে তেন্তে পি এছ জিয়ে এইবাৰ ফৰাচী লীগৰ খিতাপ জয়ৰ সম্ভাৱনা কম। অন্তিম মেচত পি এছ জিয়ে 1-1 গ'লত ড্ৰ খেলে ৰেনেছৰ বিৰুদ্ধে। ফলত পইণ্ট তালিকাৰ দ্বিতীয় স্থানতে থাকিব লগা হয় পি এছ জি।



### ২০২২ ৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন

## আজি ৱেষ্ট ব্ৰমৰ বিৰুদ্ধে পুনৰ অগ্নিপৰীক্ষাত লিভাৰপুল



**লণ্ডন, ১৫ মে' ঃ** লিভাৰপুলে চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ পইণ্ট তালিকাৰ পঞ্চম স্থানতে আছে। কিন্তু দলে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে। কাইলৈ দলৰ বাবে আন এক অগ্নিপৰীক্ষা। কাইলৈ লিভাৰপুল মুখামুখি হ'ব ৱেষ্ট ব্ৰমৰ। তিনি পইণ্ট লাভ কৰাৰ কোনো বিকল্প নাই লিভাৰপুলৰ সন্মুখত। অৱশ্যে দল আত্মবিশ্বাসী। অন্তিম মেচত লিভাৰপুলে মানচেষ্টাৰ ইউনাইটেডক 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰি আত্মবিশ্বাসৰে প্ৰত্যাৱৰ্তন কৰিছে। অ'ল্ড ট্ৰাফৰ্ডত অনুষ্ঠিত হোৱা হাইভ'ল্টেজ মেচত ইংলিছ প্ৰিমিয়াৰ লীগৰ বিগত বৰ্ষৰ চেম্পিয়ন লিভাৰৰপুলৰ হৈ ফাৰ্মিনোই (45, 47 মিনিট) দুটা গ'ল কৰাৰ লগতে জ'টা [34 মিনিট) আৰু মহম্মদ ছালাহে [90 মিনিট) এটাকৈ গ'ল কৰে। উল্লেখ্য যে লিভাৰপুলে চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ যুঁজ দি আছে। ইয়াৰবাবে দলে বাকী থকা আটাইকেইখন মেচত জয়লাভ কৰিব লাগিব। কিন্তু তাৰপাছতো অংকৰ খেল আছে। কাৰণ লিভাৰপুলে 35 খন মেচত 60 পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে।

## ইংলণ্ড টেষ্ট দলত স্থান নাপাব আই পি এল খেলা খেলুৱৈয়ে



**লণ্ডন, ১৫ মে' ঃ** আসন্ন ইংলণ্ড আৰু নিউজিলেণ্ডৰ মাজৰ টেষ্ট শৃংখলাত ঘৰুৱা দলত স্থান নাপাব পাৰে আই পি এল খেলা কেবাজনো ক্ৰিকেটাৰে। আজি ই চি বিয়ে ইয়াৰ এক ইংগিত দিছে। উল্লেখ্য যে কৰ'নাৰ নিয়মৰ বাবেই জ'নী বেয়াৰষ্ট্ৰো, জ'ছ বাটলাৰ, ক্ৰিছ ৱাকছ আৰু ছাম কুৰাণে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্ট শৃংখলাত ইংলণ্ড দলত স্থান পোৱাৰ আশা ক্ষীন। উল্লেখ্য যে নিউজিলেণ্ডৰ বিৰুদ্ধে ইংলণ্ড দলে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাটো আৰম্ভ হ'ব অহা দুই জুনৰ পৰা। প্ৰথমখন টেষ্ট দুইৰ পৰা ছয় জুনলৈ। আনহাতে, দ্বিতীয়খন টেষ্ট 10 ৰ পৰা 14 জুনলৈ আৰম্ভ হ'ব।



### ইটালীয়ান অপেন টেনিছ প্ৰতিযোগিতা

## ছেমিফাইনেলত ছাৱিটেক-ক'ক ন'ভাক ডক'ভিচ-ল'ৰেনজো

**ৰোম, ১৫ মে' ঃ** ন'ভাক ডক'ভিচো চলিত ইটালীয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথম ছেটত পৰাস্ত হোৱাৰ পাছতো ডক'ভিছে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি কোৱাৰ্টাৰ ফাইনেলত 4-6, 7-5, 7-5 ৰ ব্যৱধানত পৰাস্ত কৰে ষ্টেফানোছক। উল্লেখ্য যে তিনি ঘণ্টা 16 মিনিট ধৰি চলে মেচখন। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ছাৰ্বিয়াৰ ডক'ভিছে 6-2, 6-1 ৰ ব্যৱধানত জয়লাভ কৰিছিল। এতিয়া ছেমিফাইনেলত ডক'ভিচ মুখামুখি হ'ব ল'ৰেনজোৰ। কোৱাৰ্টাৰ ফাইনেলত 3-6, 6-4, 6-3 ৰ ব্যৱধানত জয়ী হয় ল'ৰেনজো। উল্লেখ্য যে শীৰ্ষ বাচনিৰ টেনিছ তাৰকা ৰাফেল নাডাল ইতিমধ্যে চলিত ইটালীয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত নাডালে 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে আলেজন্দাৰ জেৰভক। ইফালে, মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলতে যাত্ৰা সামৰে অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে। ক'ক' গফৰ বিৰুদ্ধে খেলা মেচখন 6-4, 2-1 ৰ ব্যৱধানত চলি থকা সময়ত আঘাত পাই ক'ৰ্ট ত্যাগ কৰে বাৰ্টিয়ে। ফলত ক'ক ছেমিফাইনেলত প্ৰৱেশ কৰে। ক'ক মুখামুখি হ'ব পোলেণ্ডৰ ইগা ছাৱিটেকৰ। কোৱাৰ্টাৰত ইগাই 6-2, 7-5 ৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ



## ইংলণ্ডৰ ফুটবলপ্ৰেমীৰ বাবে মুকলি থাকিব লিছবনৰ ষ্টেডিয়াম

**লিছবন, ১৫ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে'ত পৰ্টুগালৰ লিছবনত অনুষ্ঠিত হ'ব। উল্লেখ্য যে চেম্পিয়নছ লীগৰ ফাইনেলৰ দিন নিশ্চিত হৈছিল যদিও মেচৰ স্থান নিশ্চিত হোৱা নাছিল।প্ৰথমে এই মেচখন ইষ্টানবুলত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু এতিয়া সেয়া বাতিল কৰা হৈছে। কৰ'নাৰ বাবে ইষ্টানবুলত অনুষ্ঠিত নহয় চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল। তাৰপাছত ফাইনেল মেচখন লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত আয়োজন কৰাৰ বিষয়ে ভবা হৈছিল যদিও সেয়াও বাতিল কৰা হয়। কৰাণ এইবাৰৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন দুটা ইংলণ্ডৰ ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিয়ে খেলিব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে। সকলো আলোচনাৰ পাছত পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল। ইফালে, ফাইনেল মেচৰ বাবে লিছবনে আদৰণি জনাইছে ইংলিছ ফুটবপ্ৰেমীক। যিহেতু দুটা ইংলিছ ক্লাবে ফাইনেল খেলিব সেয়ে ষ্টেডিয়ামৰ গেলেৰী ইংলণ্ডৰ ফুটবলপ্ৰেমীৰ বাবে মুকলি কৰা হ'ব বুলি জনায়। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে।





## দ্বিতীয় ৰাষ্ট্ৰীয় টাং ছু ডু ভাৰ্ছুৱেল প্ৰতিযোগিতা

**গুৱাহাটী, ১৫ মে' ঃ** আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে অহা 19 আৰু 20 জুনত আয়োজন কৰিছে সৰ্বভাৰতীয় পৰ্যায়ত দ্বিতীয় ৰাষ্ট্ৰীয় টাং ছু ডু ভাৰ্ছুৱেল প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে খেলুৱৈসকলে যাত ঘৰতে থাকি প্ৰতিযোগিতাত অংশ ল'ব পাৰে সেই উদ্যেশ্যে এই প্ৰতিযোগিতা আয়োজন কৰিছে আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে। কঠিন পৰিস্থিতিৰ মাজতো সমৰকলাৰ ছাত্ৰ-ছাত্ৰীসকলক খেলৰ লগত জড়িত ৰখাৰ লক্ষ্যৰে দ্বিতীয় ৰাষ্ট্ৰীয় টাং ছু ডু ভাৰ্ছুৱেল প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি কয় দেৱজিত গগৈয়ে। তেওঁ লগতে জনাই যে উক্ত সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত মুঠ চাৰিটা বিভাগত খেল অনুষ্ঠিত হ'ব। ইফালে, দেৱজিত গগৈয়ে অবগত কৰা অনুসৰি সমৰকলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মিত অনুশীলনৰ বাবে যোৱা এপ্ৰিলৰ পৰাই আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে অনলাইন প্ৰশিক্ষন চলাই আছে। খেলুৱৈয়ে 9864109201, 9873799099 নম্বৰত যোগাযোগ কৰিব পাৰিব।

## স্পেনিছ লা-লিগাত আজি স্পষ্ট হ'ব ছবি

# খিতাপৰ লক্ষ্য এথলেটিকো মাদ্ৰিদ, ৰিয়াল মাদ্ৰিদ, বাৰ্চিলোনা, ছেভিলাৰ



**মাদ্ৰিদ, ১৫ মে' ঃ** স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদ, ৰিয়াল মাদ্ৰিদ আৰু বাৰ্চিলোনা তিনিওটা দলৰে খিতাপ জয়ৰ সুযোগ আছে। কিন্তু চেম্পিয়ন ট্ৰফী কোনো হাতত ল'ব সেয়া এতিয়াও ৰোমাঞ্চকৰ স্থিতিত আছে। কাইলৈ ছুপাৰ ছান ডে'ত ইয়াৰ সমাধান সূত্ৰ ওলোৱাৰ সম্ভাৱনা আছে। কাৰণ পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত থকা চাৰিওটা দলে কাইলৈ নিজৰ নিজৰ মেচ খেলিব। শীৰ্ষত থকা এথলেটিকো মাদ্ৰিদ মুখামুখি হ'ব অ'ছাছুনাৰ। দ্বিতীয় স্থানত থকা ৰিয়াল মাদ্ৰিদে খেলিব এথলেটিকো বিলবাঅ'ৰ বিৰুদ্ধে। চেল্টা ভিগোৰ বিৰুদ্ধে খেলিব বাৰ্চিলোনাই। আনহাতে, ছেভিলাই খেলিব ভিল্লা ৰিয়ালৰ বিৰুদ্ধে। উল্লেখ্য যে স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদে 36 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। ইফালে, ৰিয়াল মাদ্ৰিদে 36 খন মেচত 78 পইণ্ট লাভ কৰি দ্বিতীয়ত থকাৰ বিপৰীতে বাৰ্চিলোনাই 36 খন মেচত 76 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। আনহাতে, ছেভিলাই 36 খন মেচত 74 পইণ্ট লাভ কৰি চতুৰ্থস্থানত আছে। উল্লেখ্য যে জয়যাত্ৰা অব্যাহত ৰখা ৰিয়াল মাদ্ৰিদে অন্তিম মেচত 4-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে গ্ৰানাডাক। ইফালে, অন্তিম মেচত এথলেটিকো মাদ্ৰিদে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰিয়াল ছ'ছিয়েদাদক। আনহাতে, অন্তিম মেচত ছেভিলাই একমাত্ৰ গ'লত জয়ী হয় ভেলেন্সিয়াৰ বিৰুদ্ধে। ইফালে, বাৰ্চিলোনাই অন্তিম মেচত লেভাণ্টেৰ বিৰুদ্ধে 2-0 গ'লৰ অগ্ৰগতি লাভ কৰাৰ লগতে দুবাৰকৈ আগবাঢ়ি থাকিও অৱশেষত 3-3 গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়।

# ৱেষ্ট ইণ্ডিজলৈ দক্ষিণ আফ্ৰিকা, অষ্ট্ৰেলিয়া, পাকিস্তান

**এণ্টিগুৱা, ১৫ মে' ঃ** অহা তিনি মাহত কেৰিবিয়ান ভূমিলৈ ক্ৰিকেট শৃংখলা খেলাৰ বাবে যাব তিনিটা দল। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ঘৰত মুখামুখি হ'ব দক্ষিণ আফ্ৰিকা, অষ্ট্ৰেলিয়া আৰু পাকিস্তান। দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। প্ৰথম টেষ্ট 10-14 জুনত আৰু দ্বিতীয় টেষ্ট 18-22 জুনত অনুষ্ঠিত হ'ব। আনহাতে, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-20 মেচ অহা 26 জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাই কেৰিবিয়ান ভূমি ত্যাগ কৰাৰ পাছতে কেংগাৰু বাহিনীয়ে পদাৰ্পন কৰিব ৱেষ্ট ইণ্ডিজত। অষ্ট্ৰেলিয়াই তিনিখন এদিনীয়া আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। ন পৰা 24 জুলাইলৈ চলিব অষ্ট্ৰেলিয়া-ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেট শৃংখলা। ইফালে, জুলাইৰ শেষত পাকিস্তান দল যাব ৱেষ্ট ইণ্ডিজলৈ। এই ভ্ৰমণত পাকিস্তানে দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। 27 জুলাইৰ পৰা পাঁচখনীয়া টি-20 মেচৰ শৃংখলাটো আৰম্ভ হৈ সামৰণি পৰিব তিনি আগষ্টত। ইফালে, পাকিস্তান আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাটো 12-24 আগষ্টলৈ অনুষ্ঠিত হ'ব।



বছৰ বছৰ ধৰি সশস্ত্ৰ সংগঠনটোৱে গাজাৰ পৰা ইজৰাইলৰ উপকণ্ঠ পৰ্যন্ত গছৰ শিপাৰ দৰে বিয়পাই দিছিল অসংখ্য সুৰংগ। যোৱা নিশা ৪০ মিনিট ধৰি একেৰাহে ৪৫০ টা ক্ষেপণাস্ত্ৰ প্ৰক্ষেপ কৰি সেই সুৰংগসমূহৰ অধিকাংশই ধ্বংস কৰিলে ইজৰাইলী সেনাই। ক্ষেপণাস্ত্ৰৰ সমান্তৰালকৈ এহেজাৰ বোমা আৰু টোপ মাৰি ইজৰাইলে গাজাৰ বাট-পথসমূহো ছিন্ন-ভিন্ন কৰে। ফলত ইমান বছৰ ধৰি গঢ়ি তোলা কে'বা মাইলজোৰা অঞ্চলত অৱস্থিত হামাছৰ সুৰংগ পথৰ এটা বৃহৎ অংশ সম্পূৰ্ণৰূপে ধূলিসাৎ হয়।

# ৪৫০ টা ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ছিন্ন-ভিন্ন হ'ল হামাছৰ সুৰংগ

## ইজৰাইলে ধ্বংস কৰিলে ভূমিগহ্বৰৰ মৃত্যুপুৰী

**নিউজ ব্যুৰ'**
**গাজা, ১৫ মে' ঃ** আৰ্থিক আৰু সামৰিক শক্তিত যে ইজৰাইলৰ স'তে তাল মিলাব নোৱাৰিব, সেই কথা আগতেই বুজি পাইছিল পেলেষ্টাইনৰ সশস্ত্ৰ সংগঠন হামাছে। সেইবাবেই তেওঁলোকে মাটিৰ তলত জাল বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। বছৰ বছৰ ধৰি সশস্ত্ৰ সংগঠনটোৱে গাজাৰ পৰা ইজৰাইলৰ উপকণ্ঠ পৰ্যন্ত গছৰ শিপাৰ দৰে বিয়পাই দিছিল অসংখ্য সুৰংগ। যোৱা নিশা ৪০ মিনিট ধৰি একেৰাহে ৪৫০ টা ক্ষেপণাস্ত্ৰ প্ৰক্ষেপ কৰি সেই সুৰংগসমূহৰ অধিকাংশই ধ্বংস কৰিলে ইজৰাইলী সেনাই। ক্ষেপণাস্ত্ৰৰ সমান্তৰালকৈ এহেজাৰ বোমা আৰু টোপ মাৰি ইজৰাইলে গাজাৰ বাট-পথসমূহো ছিন্ন-ভিন্ন কৰে। ফলত ইমান বছৰ ধৰি গঢ়ি তোলা কে'বা মাইলজোৰা অঞ্চলত অৱস্থিত হামাছৰ সুৰংগ পথৰ এটা বৃহৎ অংশ সম্পূৰ্ণৰূপে ধূলিসাৎ হয়।

উল্লেখ্য যে সমুখ সমৰত ইজৰাইলে এই অসাধ্য সাধন কৰিব নোৱাৰিলে। বৰঞ্চ ইয়াৰ বাবে ইজৰাইলী সেনাই বিশেষ কৌশল অৱলম্বন কৰিবলগীয়া হয়। যোৱা নিশা ইজৰাইলী সেনাই হঠাৎ ঘোষণা কৰে যে তেওঁলোকৰ স্থল বাহিনীয়ে পোনপটীয়াকৈ গাজাত আক্ৰমণ কৰিব। এই ঘোষণাৰ লগে লগে গাজাৰ পৰা সুৰংগ পথেৰে হামাছে দলে দলে অস্ত্ৰ-শস্ত্ৰসহ যোদ্ধা ইজৰাইলৰ ফালে প্ৰেৰণ কৰিব আৰম্ভ কৰে; কিন্তু পূৰ্ব পৰিকল্পিতভাৱে আগৰে পৰাই আকাশ পথত বোমাৰু বিমান, ক্ষেপণাস্ত্ৰ আৰু বোমা আদিৰে ইজৰাইলী সেনা প্ৰস্তুত হৈ আছিল। সুৰংগ পথেৰে হামাছৰ যোদ্ধাসকলে প্ৰৱেশ কৰাৰ খবৰ চোৰাংচোৱাৰ দ্বাৰা অৱগত হোৱাৰ লগে লগে ইজৰাইলী সেনাই অবিৰতভাৱে ক্ষেপণাস্ত্ৰ আৰু বোমা বৰ্ষণ আৰম্ভ কৰে। ফলত যুদ্ধ আৰম্ভ হোৱাৰ পূৰ্বে পৰাজিত হয় হামাছ। ইয়াৰ পাছতে ইজৰাইলী সেনাৰ এজন মুখপাত্ৰই ঘোষণা কৰে যে তেওঁলোকৰ কোনো সেনাই পেলেষ্টাইনৰ সীমা পাৰ কৰিবলগীয়া নহ'ল। নিজৰ সীমাৰ পৰাই তেওঁলোকে লক্ষ্য পূৰণ কৰিবলৈ হ'ল।

উল্লেখ্য যে 'ইজৰাইলী আগ্ৰাসন'ৰ হাতৰ পৰা পেলেষ্টাইনক ৰক্ষা কৰাৰ বাবে বিগত তিনি দশকৰো অধিক কাল ধৰি সংগ্ৰাম অব্যাহত ৰাখিছে ছুন্নী ইছলামিক সশস্ত্ৰ সংগঠন হামাছে। ইজৰাইল আৰু আমেৰিকাৰ দৰে দেশত তেওঁলোকক সন্ত্ৰাসবাদী আখ্যা দিলেও ৰাছিয়া, চীন আৰু ইৰানৰ দৰে দেশে সংগঠনটোৰ দাবীক সমৰ্থন কৰি আহিছে। পেলেষ্টাইনৰ অন্য স্থানত ইজৰাইলী আগ্ৰাসন অব্যাহত ৰাখিলেও গাজাত ইজৰাইলক প্ৰতিৰোধ কৰি ৰাখিছে হামাছে। ইয়াৰ বাবে হাতে নামাৰি ভাতে মৰাৰ কৌশলো অৱলম্বন কৰিছে ইজৰাইলে। অৰ্থনৈতিকভাৱে তেওঁলোকে গাজাক একেবাৰে অসহায় কৰি তুলিছে। ফলত বহিঃজগতৰ স'তে গাজাৰ ব্যৱসায়-বাণিজ্য প্ৰায় সম্পূৰ্ণৰূপে বন্ধ হোৱাৰ দৰে হৈছে। সেইবাবেই সম্প্ৰতি গাজাত নিবনুৱাৰ হাৰ নামিছে ৫০ শতাংশৰ তললৈ। নিষেধাজ্ঞাৰ ফলত সৃষ্টি হোৱা ব্যৱসায়-বাণিজ্যৰ প্ৰতিবন্ধকতা দূৰ কৰিবলৈ সশস্ত্ৰ সংগঠনটোৱে ২০০৭ৰ পৰা গাজাৰ মাটিৰ তলত সুৰংগ খান্দিবলৈ আৰম্ভ কৰে। ইয়াৰ প্ৰাথমিক উদ্দেশ্য আছিল এই সুৰংগ পথেৰে প্ৰতিবেশী দেশ মিছৰৰ পৰা গোপনে পণ্য সামগ্ৰী সৰবৰাহ কৰা। অৱশ্যে তাৰ পূৰ্বেই ২০০২ত এক বিস্তীৰ্ণ অঞ্চলত সুৰংগ নিৰ্মাণ কৰা হৈছিল। এনে এক সুৰংগ ব্যৱহাৰ কৰিয়ে হামাছে ২০০৪ আৰু ২০০৬ত ইজৰাইলী সেনাৰ ওপৰত আক্ৰমণ চলাইছিল। ২০০৭ত গাজাৰ নিয়ন্ত্ৰণ সম্পূৰ্ণৰূপে হামাছৰ হাতলৈ যায়। তেতিয়াই ইজৰাইলী বাহিনীয়ে এই সুৰংগসমূহ ধ্বংস কৰিবলৈ তৎপৰ হয়। মিছৰৰ পৰা এই সুৰংগসমূহৰ অভিমুখ ইজৰাইলৰ ফালে ঘূৰাই দিয়ে হামাছে। ২০১৩ত ইজৰাইল-গাজা সীমান্তৰ ঠিক তলতে তিনিটা পৃথক সুৰংগ পথ নিৰ্মাণ কৰা হয়। সেইবোৰ অন্ত হয় ইজৰাইলৰ সীমাৰ ভিতৰত। হামাছৰ উপৰি পেলেষ্টাইনৰ অন্যান্য উগ্ৰপন্থী সংগঠনসমূহৰো নিজৰ প্ৰয়োজনত এই সুৰংগ পথসমূহ ব্যৱহাৰ কৰিছিল। আনকি এই সুৰংগতে ক্ষেপণাস্ত্ৰ, বোমা, অস্ত্ৰ-শস্ত্ৰ আদি লুকুৱাই ৰখা হৈছিল। পৰৱৰ্তী সময়ত এই সুৰংগ পথসমূহৰ সংখ্যা বৃদ্ধি হয়। এই সুৰংগ পথেৰে হামাছৰ যাৱতীয় কাৰ্যকলাপ পৰিচালিত হৈছিল। সন্ত্ৰাসবাদী সংগঠনসমূহৰ সদস্যসকলেও বিপদত এই সুৰংগতে আশ্ৰয় লৈছিল। তাৰ পৰাই তেওঁলোকে আক্ৰমণ চলাইছিল। ২০১৪ত ইজৰাইলৰ স'তে হোৱা যুদ্ধত এই সুৰংগ পথেৰে হামাছে যাৱতীয় অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ কৰিছিল। আক্ৰমণ চলাই উক্ত পথেৰে তেওঁলোকে সুৰংগলৈ ঘূৰি গৈছিল।

অৱশ্যে এই সুৰংগ পথসমূহৰেও সশস্ত্ৰ সংগঠনটোৱে ইজৰাইলৰ বিৰুদ্ধে যুদ্ধত বিশেষ সুবিধা কৰিব পৰা নাছিল। ২০১৪ৰ যুদ্ধত ২,২৫১ জন পেলেষ্টাইনী লোকৰ মৃত্যু হৈছিল। আনহাতে, ইজৰাইলৰ ৭৪ জনেহে প্ৰাণ হেৰুৱাইছিল। সকলো মিলাই ১০ হেজাৰৰ অধিক লোক আহত হয় আৰু প্ৰায় সমান সংখ্যক লোক গৃহহীন হৈ পৰে। সেই সময়তে ৩২ টা সুৰংগ ধ্বংস কৰা হৈছিল বুলি ইজৰাইলৰ তৰফৰ পৰা জনাইছিল। আনকি সুৰংগ পথেৰে হামাছক প্ৰতিৰোধ কৰিবলৈ তেওঁলোকে মাটিৰ তলত বেলেগকৈ ৪১ মাইল কংক্ৰিটৰ সীমান্তও গঢ়ি তুলিছিল। ইয়াত ছেন্সৰ স্থাপন কৰিছিল যাতে মাটিৰ তলৰ যিকোনো গতিবিধি ধৰা পৰে। তৎসত্ত্বেও সেই ছেন্সৰৰ পৰা আঁতৰত থাকি হামাছে নতুনকৈ বহু সুৰংগ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। যোৱা নিশা সেই সুৰংগসমূহ ইজৰাইলী সেনাই ধ্বংস কৰে। অৱশ্যে এই আক্ৰমণত হতাহতৰ সংখ্যা এই পৰ্যন্ত পোহৰলৈ অহা নাই।



# অন্তিম যাত্ৰাৰ বাবে সাজু হোৱাৰ সময়তে ক্ৰন্দন 'মৃতদেহ'ৰ

■ **নিউজ ব্যুৰ'**
**মুম্বাই, ১৫ মে' ঃ** অন্তিম যাত্ৰাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। ভাৰত তুলি দিয়া হ'ল মৃতদেহ। মৃতদেহ সজাই দিয়া হৈছে ফুলৰ মালা আৰু পুষ্পাঞ্জলিৰে। পৰিয়ালেও সম্পন্ন কৰিছে প্ৰাস সকলো ৰীতি-নীতি। তেনে সময়তে হঠাৎ লৰচৰ কৰিলে মৃতদেহে। তাতে ক্ষান্ত নাথাকি মৃতদেহটোৱে কান্দিবলৈকো আৰম্ভ কৰিলে। ঘটনা দেখি অবাক হ'ল উপস্থিত লোকসকল। কথাতে কয় যে 'ৰাখে হৰি মাৰে কোনে'। এনে এক অবাক কাণ্ডই সংঘটিত হ'ল মহাৰাষ্ট্ৰত। সৌভাগ্যক্ৰমে ৰক্ষা পৰিল এগৰাকী ক'ভিড আক্ৰান্ত বৃদ্ধাৰ প্ৰাণ। মহাৰাষ্ট্ৰৰ বাৰামতিৰ মুধুল গাঁৱৰ ৭৬ বছৰীয়া শকুন্তলা গায়কোৱাড় নামৰ বৃদ্ধাগৰাকী কিছুদিন ধৰি জ্বৰত আক্ৰান্ত হৈ আছিল। কৰ'নাৰ পৰীক্ষা পজিটিভ অহাৰ পাছত তেওঁ নিজ গৃহতে আছুতীয়াকৈ আছিল। কিন্তু হঠাৎ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটাত পৰিয়ালৰ লোকে এখন গাড়ীত তুলি বৃদ্ধাক বাৰামতিৰ এখন বেচৰকাৰী হাস্পতাললৈ নিয়ে। অৱশ্যে খালি বিছনা নথকাৰ বাবে পৰিয়ালৰ লোকসকলে বৃদ্ধাক লৈ গাড়ীতে বহু সময় অপেক্ষা কৰিবলগীয়া হয়। কিন্তু ইয়াৰ মাজতে ৰোগীয়ে জ্ঞান হেৰুৱায়। অথচ পৰিয়ালৰ লোকে তেওঁৰ মৃত্যু হোৱা বুলি ধৰি লয়। ফলত তেওঁলোকে হাস্পতালৰ পৰা গাড়ী ঘূৰাই নিয়াৰ লগতে পৰিয়ালৰ আন লোককো খবৰ দিয়ে। 'মৃতদেহ' লৈ গাড়ী ঘৰ পোৱাৰ সময়লৈ আন লোকসকলে শ্মশানযাত্ৰাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছিল। এখন খাটত তুলি শ্মশানলৈ নিবলৈ যো জা চলোৱাৰ সময়তে ঘটে চমকপ্ৰদ ঘটনাটো। হঠাৎ কান্দিবলৈ আৰম্ভ কৰে বৃদ্ধাই। প্ৰথমে উপস্থিত লোকসকলে স্তম্ভিত হ'লেও ততাতৈয়াকৈ বৃদ্ধাক সমীপৰ এখন হাস্পতাললৈ লৈ যায়। লগতে স্থানীয় আৰক্ষী থানাকো অৱগত কৰা হয়। বাৰামতিৰ এখন বেচৰকাৰী হাস্পতালত তেওঁক ভৰ্তি কৰোৱা হয়। সম্প্ৰতি উক্ত হাস্পতালতে বৃদ্ধাৰ চিকিৎসা চলি আছে। সঠিক সময়ত জ্ঞান ঘূৰাই পোৱাৰ ফলতে প্ৰাণৰক্ষা পৰে বৃদ্ধাৰ।






অগ্ৰদূত পাব্লিকেচন্স প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com